
# প্ৰান্তিক



প্ৰগতি আৰু পাৰিপাৰ্শ্বিকতা

## প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাগুৰুসকল



## সোৱণশিৰি নৈত সোণৰ অনুসন্ধান






# প্ৰান্তিক

নৱগিৰি পথ, চানমাৰি, ডাকঘৰ—শিলপুখুৰী,
গুৱাহাটী—৭৮১০০৩ ফোন—৪৬২১৩

১২শ বছৰ ২য় সংখ্যা ১৬—৩১ ডিচেম্বৰ '৯২
মূল্য সাত টকা


## এই সংখ্যাত

**ধৰ্মৰ সৃষ্টি কিয় হৈছিল বা ধৰ্ম** প্ৰচাৰকসকলে কিয় ধৰ্মপ্ৰচাৰ কৰিছিল? সকলো ধৰ্মৰ ক্ষেত্ৰতে এই প্ৰশ্নবোৰ ফঁহিয়াই চালে দেখা যায় যে মানুহক মানৱীয়তাৰ শিক্ষা দিয়াই ইয়াৰ মূল উদ্দেশ্য আছিল। ... এজন হিন্দুৱে ভগৱানক প্ৰাৰ্থনা কৰাৰ সময়ত যি অনুভূতি অনুভৱ কৰে, এজন মুছলমানে নামাজ পঢ়াৰ সময়ত অনুভৱ কৰা অনুভূতিতকৈ পৃথক নে?


**এই সম্পৰ্কত চিন্তন শিতানত অঞ্জন দলেৰ অভিমত : ধৰ্ম আৰু আমি** ।১২।


গৃহযুদ্ধৰ দ্বাৰা জৰ্জৰিত বিশ্বৰ দুখন উল্লেখযোগ্য দেশ এংগোলা আৰু কাম্বোডিয়াত শান্তি প্ৰতিষ্ঠাৰ বাবে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে প্ৰস্তাৱ গ্ৰহণ কৰিছে। পিছে গৃহীত এই প্ৰস্তাৱকেইটাৰ যোগেদি শীতল যুদ্ধোত্তৰ পৃথিৱীত আদৰ্শবাদৰ নামত চলি থকা দীঘলীয়া গৃহযুদ্ধৰ অৱসান ঘটাই সংশ্লিষ্ট ৰাষ্ট্ৰ দুখনত ৰাষ্ট্ৰসংঘৰ ভূমিকা কিমানদূৰ সফল হৈছে তাৰ খতিয়ান দাঙি ধৰিব পাৰি। বিশেষকৈ এংগোলা আৰু কাম্বোডিয়াত চলি থকা ঘটনাৱলীয়ে বিশেষভাৱে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে।


**ড. সুনীল পৱন বৰুৱাৰ বিশ্বপৰিক্ৰমা : কাম্বোডিয়া আৰু এংগোলাত ৰাষ্ট্ৰসংঘৰ শক্তি পৰীক্ষা** ।১৯।


অসমৰ বহু নৈৰ বালিত কম-বেছি পৰিমাণে সোণ পোৱা গৈছিল। এই নৈবোৰৰ স্ৰোত-সোণ উনবিংশ শতিকাৰ মাজভাগলৈকে নিষ্কাষিত কৰা হৈছিল। সোৱণশিৰি নৈৰ বালিতেই আটাইতকৈ বেছি সোণ পোৱা গৈছিল। আহোম ৰাজত্বকালত সোণোৱালসকলে নৈৰ বালি ধুই এই সোণ উৎপাদন কৰিছিল। বৰ্তমানৰ অত্যাধুনিক কাৰিকৰী কৌশলৰ যুগত আধুনিক যন্ত্ৰপাতিৰে এই সোণ আহৰণ কৰাটো সম্ভৱনে?


**এই বিষয়ে ড. বিপুল বৰুৱা আৰু ব্ৰজেন বৰুৱাৰ নিবন্ধ : অসমৰ সোৱণশিৰি নৈত সোণৰ অনুসন্ধান** ।২৬।


অসমৰ চিকিৎসা মহাবিদ্যালয়সমূহৰ নাম ভৰ্তিৰ ক্ষেত্ৰত দেখা দিয়া ৰাজনৈতিক হস্তক্ষেপ আৰু ছাত্ৰসকলৰ আন্দোলনে যোৱা কিছুদিন ধৰি বাতৰিকাকতৰ শিৰোনামা দখল কৰি আহিছে। অসমৰ চিকিৎসা মহাবিদ্যালয় কেইখনত নাম ভৰ্তিকৰণক লৈ হোৱা খেলিমেলি আৰু সৰ্বসাধাৰণ ৰাইজৰ ওপৰত অত্যধিক প্ৰভাৱ পেলোৱা এই ছাত্ৰ আন্দোলনটোৰ আন্দোলনকাৰীসকলৰ প্ৰকৃত দাবী কি আৰু কি পৰিস্থিতিত তেওঁলোকে আন্দোলনৰ পথ বাছি লব লগা হ'ল সেই বিষয়ে **সুশান্তজ্যোতি শৰ্মাৰ প্ৰতিবেদন :**


**অসমৰ চিকিৎসা শিক্ষাৰ ক্ষেত্ৰত অস্বাস্থ্যকৰ পৰিবেশ** ।১৭।


অসমৰ দুটা মুখ্য আঞ্চলিক দল অসম গণ পৰিষদ আৰু নতুন অসম গণ পৰিষদৰ একত্ৰীকৰণ সম্পৰ্কে আলোচনা-বিলোচনা চলি থকাৰ বাতৰি ইতিমধ্যে কাকতে-পত্ৰই প্ৰকাশ পাই আছে। পিছে এই একত্ৰীকৰণৰ প্ৰচেষ্টাত কোনে বিঘিপথালি দিছে সেয়া এতিয়া বহুতেই জানে যদিও কাকতে-পত্ৰই দোষীকেইজনলৈ পোনপটীয়াভাৱে আঙুলি দেখুৱাবলৈ কোনেও ভাল পোৱা নাই।


**ৰবীন্দ্ৰ নাথ বৰুৱাৰ নিৰীক্ষণ : একত্ৰীকৰণৰ নাটকৰ দ্বিতীয় অংক** ।১৫।


প্ৰাথমিক বিদ্যালয়ৰ এগৰাকী শিক্ষকৰ স্থান এটি শিশুৰ পিতৃ-মাতৃৰ ঠিক পিছতেই বুলিব পাৰি। পিতৃ-মাতৃয়ে এটি শিশুক খোৱা-পিন্ধা, আশ্ৰয়, নিৰাপত্তা আদি দি ডাঙৰ-দীঘল কৰে; কিন্তু প্ৰাথমিক বিদ্যালয়ৰ এগৰাকী শিক্ষাগুৰুৱে শিশুটিক তিল-তিলকৈ জীৱন আৰু জগত সম্পৰ্কীয় জ্ঞান দি এটি পৰিপুৰ্ণ মানৱ হোৱাৰ পথত আগুৱাই নিয়াৰ প্ৰাৰম্ভিক অথচ অত্যন্ত জটিল আৰু গুৰুত্বপূৰ্ণ দায়িত্বটো গ্ৰহণ কৰিব লগীয়া হয়।


**শিক্ষা শিতানত লোচন চন্দ্ৰ বৰাৰ নিবন্ধ : প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাগুৰুসকল** ।২১।

পত্ৰালাপ ।৪। সম্পাদকীয় ।৫। ঘটনা-প্ৰবাহ ।৯। চিন্তন ।১২। আলোচনা ।১৩। নিৰীক্ষণ ।১৫। অসমৰ চিকিৎসা শিক্ষাৰ ক্ষেত্ৰত অস্বাস্থ্যকৰ পৰিবেশ ।১৭। বিশ্বপৰিক্ৰমা ।১৯। শিক্ষা ।২১। প্ৰগতি আৰু পাৰিপাৰ্শ্বিকতা ।২৪। সোৱণশিৰিত সোণৰ অনুসন্ধান ।২৬। ৰঞ্জন ।৩২। ভাৰতৰ কয়লা উদ্যোগ ।৩৩। ধাৰাবাহিক উপন্যাস ।৩৬। কবিতা ।৩৯। আমেৰিকাৰ আলিবাট (ভ্ৰমণ) ।৪০। অপৰূপা আন্দামান ।৪৩। বিক্ৰম ।৪৭। গল্প ।৪৮। ক্ৰীড়াংগন ।৫১। কৃষ্ণৰ কালীয় দমন ।৫৩। শেষপৃষ্ঠা ।৫৪।


## অহা সংখ্যাত

চীন দেশৰ ৰাজধানী বেইজিং আজি বিশ্বৰ এখন উল্লেখযোগ্য নগৰৰ শাৰীলৈ উন্নীত হৈছে। এই ঐতিহ্যপূৰ্ণ নগৰখনৰ মাজত আধুনিক যুগৰ যন্ত্ৰ-শিল্পৰ প্ৰভাৱসমূহ ক্ৰমে সুস্পষ্ট হৈ উঠিছে যদিও এতিয়ালৈকে বেইজিং এখন চাইকেল-মহানগৰী বুলিয়েই খ্যাত। প্ৰায় এঘাৰ নিযুত নাগৰিকৰ মাজত প্ৰায় আঠ নিযুত চাইকেল আছে। বনুৱা, কৰ্মচাৰী, শিক্ষক, ছাত্ৰ, ডাক্তৰ, ইঞ্জিনিয়াৰ সকলোৱেই চাইকেলৰ সহায়তহে চলা-ফুৰা কৰে।




**কিছুদিনৰ আগতে চীনদেশ ভ্ৰমণ কৰি অহা ড. অশোক কুমাৰ বৰাৰ তথ্যপূৰ্ণ প্ৰবন্ধ : চীনদেশৰ সাম্প্ৰতিক ৰূপৰেখা।**

১৯৯৩ চনৰ ১ জানুৱাৰিৰ পৰা ভালেমান উমৈহতীয়া ক্ষেত্ৰত ইউৰোপৰ বাৰখন দেশ একত্ৰিত হৈ এটা গোট হিচাপে সংঘবদ্ধ হোৱাৰ কথা। এই ঐতিহাসিক ঘটনাৰ পম খেদি ড.

**ড. অজিৎ নেওগৰ বিশ্লেষণাত্মক আলোচনা : আৰ্থিক দিশত মাছট্ৰিখট্ সন্ধি**

আজি কিছুদিনৰ পৰা দুখনমান ৰাজ্যিক লটাৰি খেলে বিশেষকৈ উজনি অসমৰ ভালেমান ঠাইত বিভিন্ন পৰ্যায়ৰ লোকৰ মাজত অতি জনপ্ৰিয় হৈ পৰা দেখা গৈছে। এই লটাৰি খেলসমূহৰ পৰা পুৰস্কাৰৰ ধন পাবলৈ কেৱল ভাগ্যহে লাগেনে?

**দিলীপ কুমাৰ বৰুৱাৰ : লটাৰিখেলত লাখপতি হোৱাৰ সম্ভাৱনা কিমান?**

ভাৰতৰ সকলো ৰাজ্যৰ ভিতৰত অসমতে হেনো আটাইতকৈ বেছি দৰৱ বিক্ৰি হয়। অথচ অসমতে দৰবৰ উৎপাদন আটাইতকৈ কম। আনহাতে দৰবৰ বটল বা ধূপকাঠীৰ পেকেট এটাৰ দাম যে ইমান বেছি তাৰ তুলনাত জুইশলা এটাৰ দাম ইমান কম কিয় হয়? এই সম্পৰ্কত **বদন বৰুৱাৰ নিবন্ধ : ব্যৱসায়ৰ কথা**

**যোৱা সংখ্যাত ঘোষণা কৰা সত্ত্বেও অনিবাৰ্য কাৰণবশতঃ ড. দিলীপ কুমাৰ চৌধুৰীৰ আমেৰিকাৰ বিজ্ঞান-সমাজত এসপ্তাহ শীৰ্ষক প্ৰবন্ধটো এই সংখ্যাত প্ৰকাশ কৰিব পৰা নগ'ল। এই প্ৰবন্ধটো অহা** সংখ্যাত প্ৰকাশ হ'ব। —স. প্ৰা.।


Prantik

The Assamese Fortnightly
Rs. 7.00

Vol XII No. 2 16—31 December '92
Navagiri Road, Chanmari,
P. O. Silpukhuri, Guwahati—781003
Phone 46213


OKDISCD

## ৰাম জনমভূমি বনাম বাবৰি মছজিদ আৰু আমাৰ কৰণীয়

আজি বহুদিন ধৰি সমগ্ৰ ভাৰতবৰ্ষতে ৰাম জনমভূমি স্থাপনৰ নামত যি হৈ-চৈ হৈছে আৰু হিন্দু-মুছলমান উভয় পক্ষই যি দৰে যুদ্ধং দেহি মনোভাবেৰে হুংকাৰ দিছে সি আমাক স্তম্ভিত কৰিছে। আমি বাৰু কোন যুগত বাস কৰিছোঁ ? এয়া ২০শ শতাব্দী নে ১৫শ শতাব্দী ? যি সময়ত দেশৰ অধিকাংশলোকে এমুঠি অন্ন, এটুকুৰা বস্ত্ৰৰ বাবে হাহাকাৰ কৰি ফুৰিছে, তেনে সময়ত মন্দিৰ/মছজিদৰ প্ৰসংগলৈ বিতৰ্ক হোৱাটো এটা প্ৰহসন মাত্ৰ। বি. জে. পি, ভি. এইচ. পি. (V.H.P.) বা বাবৰি মছজিদ একশ্যান কমিটিৰ নেতাসকলৰ এইক্ষেত্ৰত উদ্দেশ্য স্পষ্ট—সেইয়া হ'ল উভয় পক্ষৰ লোকক উত্তেজিত কৰি গাদী দখল কৰা। কিন্তু, আমি অতি আশ্চৰ্য আৰু হতাশাৰে লক্ষ্য কৰিছোঁ যে, এচাম পণ্ডিত, বুদ্ধিজীৱী, উচ্চ শিক্ষিত লোকে এই সকলৰ সুৰত সুৰ মিলাই ফেঁউৰাৰ দৰে চিঞৰিছে। ভগৱানক প্ৰাৰ্থনা কৰিবলৈ কতো এটুকুৰা ঠাই বিচাৰি নাপাই এইসকল ভক্তই অযোধ্যাৰ অকণমান মাটিৰ বাবে যুদ্ধ কৰাটো সঁচাকৈ হাস্যকৰ। উচ্চশিক্ষিত লোকসকলে এনেদৰে ধৰ্মৰ নামৰ উন্মাদনা দেখুৱালে অশিক্ষিত সাধাৰণ জনতাই কি কৰিব সি সহজেই অনুমেয়। আমি অতি উদ্বেগেৰে লক্ষ্য কৰিছোঁ, হিন্দু-মুছলমান বিবাদৰ বিষবাষ্প অসমতো প্ৰবেশ কৰিছে। হিন্দু-মুছলমান উভয়পক্ষৰে কিছুমান ক্ষমতালোভী ধৰ্মান্ধ ৰাজনীতিবিদে সম্প্ৰীতিৰ মহাতীৰ্থ এই অসমতো, হিন্দু আৰু মুছলমান লোকসকলক পৰস্পৰৰ বিৰুদ্ধে উত্তেজিত কৰি তুলিবলৈ চেষ্টা চলাইছে। কিন্তু, আমাৰ এই যুদ্ধ কাৰ বিৰুদ্ধে, আমাৰেই ভাতৃসকলৰ বিৰুদ্ধে নহয়নে ?

গতিকে আৰু সময় নাই। সকলো শুভবুদ্ধি সম্পন্ন মানুহ জাগি উঠক। সাম্প্ৰদায়িক সংগঠনসমূহৰ বিৰুদ্ধে 'জেহাদ' ঘোষণা কৰক। বুজাই দিয়ক, শ্ৰীৰামচন্দ্ৰ বা আল্লাক বিচাৰি অযোধ্যালৈ যোৱাৰ প্ৰয়োজন নাই—"পানী মৰে পিয়াহত, অগ্নি মৰে জাৰত, খোদা ৰচুল লুকাই আছে মোমিনৰ আঁৰত"—আজান ফকীৰৰ এই বাণী স্মৰণ কৰক।

শেষত প্ৰান্তিকৰ জৰিয়তে সকলো শুভবুদ্ধি সম্পন্ন লোকলৈ আমাৰ অনুৰোধ, সকলোৱে সাম্প্ৰদায়িকতাবাদৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিয়ক। অযোধ্যাৰ বিবদমান এলেকাত এটা সৰ্বধৰ্ম প্ৰাৰ্থনা গৃহ স্থাপনৰ বাবে সবল জনমত গঢ়ি তোলক। অসমৰ হাজো সমগ্ৰ দেশৰ বাবে আদৰ্শ স্থান হওক। সকলো সাম্প্ৰদায়িক সংগঠনক অসমৰ মাটিত অবাঞ্ছিত ঘোষণা কৰক। ৰবৰ সময় নাই, জোৰ পুৰি হাত পালে, নিজস্ব ধৰ্মৰ মহত্ত্ব আৰু পবিত্ৰতা ৰক্ষা কৰক, ৰক্ষা কৰক লাখ লাখ ধৰ্মভীৰু জনতাক। আহক, আমি সকলো প্ৰতিজ্ঞাবদ্ধ হওঁ—'অসমৰ শ-শ বছৰীয়া সাম্প্ৰদায়িক সম্প্ৰীতিৰ ঐতিহ্য নষ্ট হ'বলৈ নিদিওঁ।'

'প্ৰান্তিক'ৰ যোগেদি সকলো ধৰ্মনিৰপেক্ষ লোকলৈ নিজৰ মতামত প্ৰকাশৰ বাবে আহ্বান জনালো।

—নীলিম জ্যোতি সেনাপতি,
কিশোৰ কুমাৰ দেউৰী,
ৰঞ্জন প্ৰধান,
জেৰিনা আহমেদ,
উচ্চ কমল বৰা,
কানৈ মহাবিদ্যালয়, ডিব্ৰুগড়—৭৮৬০০১,
ডিব্ৰুগড়, ৩০।১১।৯২

## বিজেপিৰ বিদেশী খেদা আন্দোলন

ইমান দিনৰ মূৰত অসমৰ পৰা বিদেশী খেদা বিষয়টোৰ সপক্ষে এটা সৰ্বভাৰতীয় ৰাজনৈতিক দলে মাত মাতিছে। ই অসমবাসীৰ বাবে নিশ্চয় সুখবৰ। কিন্তু সেই সৰ্বভাৰতীয় ৰাজনৈতিক দলটোৱে আগতে কেতিয়াবা অসমৰ স্বাৰ্থৰ সপক্ষে কিবা মাত মাতিছে বুলি ধাৰণা নহয়। তদুপৰি, এইসকলৰ দৃষ্টিত বিদেশী কোন ? তেওঁলোকে আওপকীয়াকৈ হ'লেও বুজাবলৈ চেষ্টা কৰে যে অসমৰ বিদেশী মানেই হ'ল মুছলমান (বাংলাদেশী হ'বও পাৰে, নহ'বও পাৰে)। আৰু সেই হিচাপ মতেই যদি এই সৰ্বভাৰতীয় ৰাজনৈতিক দলটোৱে অসমৰ পৰা বিদেশী খেদা আন্দোলন আৰম্ভ কৰে, তেতিয়া ? নেলীৰ ঘটনাৰ যদি পুনৰাবৃত্তি হয় ? মোৰ বাবে আটাইতকৈ দুখৰ বিষয় হ'ব, এই আন্দোলনত বিদেশী বুলি চিনাক্ত কৰা হ'ব মোৰ অতিকে মৰমৰ য়াচমিন বাইদেউহঁত আৰু মই মনে-প্ৰাণে ভাল পোৱা সেই আয়েচাজনী।

—জয় ৰাম ডেকা,
সৰাগাঁও, ৰহা

## কটন কলেজৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি

উত্তৰ-পূৰ্বাঞ্চলৰ ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান কটন কলেজৰ নিৰ্বাচন যোৱা ১১ নৱেম্বৰ তাৰিখে অতি ধুমধামেৰে হৈ গ'ল। নিৰ্বাচনৰ ফলাফল ওলোৱাৰ লগে-লগে বিভিন্ন কাকত-পত্ৰই, বিভিন্ন বুদ্ধিজীৱীয়ে কটন কলেজে ৰাজনৈতিক পাকচক্ৰৰ পৰা মুক্তি লাভ কৰিলে বুলি মন্তব্য কৰিলে। কটনৰ ছাত্ৰ-ছাত্ৰীসকললৈ জাউৰিয়ে-জাউৰিয়ে ধন্যবাদ আগবঢ়োৱা হ'ল। যদি সঁচাকৈয়ে এনেকুৱা এটা মহান কাম কটনৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা সম্পন্ন হ'ল, তেন্তে সঁচাই ই প্ৰশংসাৰ যোগ্য। সাধাৰণ সম্পাদকৰ পদত হিমন্ত বিশ্ব শৰ্মাই থাকক বা ভুবন পেগুৱেই থাকক, তাত আমাৰ ক'বলগীয়া একো নাই। আমাৰ উত্তৰ-পূৰ্বাঞ্চলৰ সমজুৱাসকলে কটন কলেজক ৰাজনৈতিক জগতৰ পৰা আঁতৰত ৰাখি শিক্ষাজগতৰ উচ্চতম শাৰীলৈ লৈ যাবলৈ চেষ্টা কৰিব লাগে। জঘন্য ৰাজনৈতিক চিন্তাধাৰাৰ সোঁত কটন কলেজত বোৱাই দিবলৈ চেষ্টা কৰা লোকসকলৰ কোনো প্ৰতিনিধি কলেজখনত নাথাকিলেই যে তেওঁলোকৰ ৰাজনীতি কলেজ তেওঁলোকৰ ৰাজনীতি কলেজখনত নোসোমাব এই কথা ডাঠি ক'ব নোৱাৰি। এই ক্ষেত্ৰত সহায় কৰিব লাগিব কলেজৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰীসকলে। গতিকে সমূহ কটনিয়ানক অনুৰোধ কৰোঁ,—তেওঁলোকে যেন সকলো ফালে সজাগ হৈ থাকি এই মহান অনুষ্ঠানটোক আৰু বেছি মহান কৰি তোলে।

—ধ্ৰুৱজ্যোতি দাস,
বাৰাদি, বৰপেটা

## গুৱাহাটী দূৰদৰ্শন কোনে পৰিচালনা কৰে ?

অহা ৩১ ডিছেম্বৰৰ পৰা গুৱাহাটী দূৰদৰ্শনৰ কাৰ্যসূচী সমগ্ৰ অসমতে প্ৰচাৰ কৰা হ'ব বুলি বাতৰি এটা প্ৰকাশ পাইছে। বাতৰিটোৱে আপোনাৰ লগতে আমাৰ মনত মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এই প্ৰসংগতে এটা কথা উনুকিয়াব খুজিছো। ১৯৮৫-৮৬চনমানত দূৰদৰ্শনৰ কাৰ্যসূচী কেনে হোৱা উচিত সেই বিষয়ে সমাজৰ বিভিন্ন জনৰ লগত আলোচনা কৰি এক প্ৰতিবেদন দাখিল কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে এটা আয়োগ গঠন কৰি দিছিল। ছজনীয়া এই আয়োগত ড. ভুপেন হাজৰিকাও এগৰাকী সদস্য আছিল। আকাশবাণী গুৱাহাটী কেন্দ্ৰত আয়োগে আমন্ত্ৰিত বিভিন্ন জনৰ মতামত শুনিছিল। আমাৰ উপস্থিতিত আকাশবাণীৰ প্ৰাক্তন সঞ্চালক প্ৰধান উবেইদুল লটিফ বৰুৱাদেৱে নিজৰ মতামত দাঙি ধৰি কৈছিল যে উপযুক্তভাৱে ব্যৱহাৰ নহ'লে গুৱাহাটী দূৰদৰ্শনৰ আঞ্চলিক ভাষাত প্ৰচাৰিত কাৰ্যসূচীয়ে অসমৰ নিচিনা এখন পিছ পৰা ৰাজ্যৰ জনসাধাৰণৰ বিশেষকৈ নবীন চাম দৰ্শকৰ ভয়ানক ক্ষতি সাধন কৰিব। সম্প্ৰতি গুৱাহাটী দূৰদৰ্শনৰ দ্বাৰা প্ৰচাৰিত কাৰ্যসূচী সম্পৰ্কত হোৱা ভালেমান সমালোচনা শুনিছো। বাস্তৱিকতে শেহতীয়াভাৱে প্ৰচাৰিত দুই-এখন ধাৰাবাহিক দেখি প্ৰয়াত বৰুৱাদেৱে কৰা ভৱিষ্যতবাণী সঁচাকৈয়ে ফলিয়াবলৈ ধৰা যেন অনুমান হৈছে। গুৱাহাটী দূৰদৰ্শনৰ কাৰ্যসূচীৰ মান উন্নত কৰিবৰ বাবে প্ৰয়োজন হৈছে অসমীয়া ভাষা সংস্কৃতি সম্বন্ধে সম্যক ধাৰণা থকা এগৰাকী সঞ্চালকৰ। অন্যথায় এক বিশেষ ক্ষমতা চক্ৰই নিজৰ ক্ষুদ্ৰ স্বাৰ্থৰ বাবে সঞ্চালক গৰাকীক আহিলা হিচাপে ব্যৱহাৰ কৰাৰ পূৰ্ণ সুবিধা থাকে। আমাৰ দুৰ্ভাগ্য যে তেনে উপযুক্ত লোকে মনোনয়ন পালেও কাৰোবাৰ হেঁচাত পৰি আঁতৰি যাব লগাত পৰে। দূৰদৰ্শনৰ কাৰ্যসূচীৰ বিষয়ে চিন্তা-চৰ্চা কৰা সকলে এই বিষয়টো মন কৰা উচিত।

—সত্য প্ৰকাশ বৰুৱা,
গুৱাহাটী







প্ৰান্তিক

দ্বাদশ বছৰ, দ্বিতীয় সংখ্যা। ১৬—৩১ ডিছেম্বৰ, ১৯৯২ চন।

## দৃঢ়তা আৰু সন্ধি

প্ৰধানমন্ত্ৰীৰ বাসভৱনটো বা ৰাষ্ট্ৰপতি ভৱনটো অধিকাৰ কৰিম বুলি তিনিমাহমানৰ আগৰে পৰা হুংকাৰ তুলি থাকি কোনোবা ৰাজনৈতিক দলে সঁচাকৈয়ে সেই কামটো কৰিব পাৰিবনে ? প্ৰধানমন্ত্ৰীৰ ওচৰলৈ বুলি যোৱা প্ৰতিবাদ-সমদলৰ মানুহক যে তেওঁৰ বাসভৱনৰ ওচৰ চাপিবলৈকে দিয়া নহয়, সেই কামত চৰকাৰৰ কেনে ধৰণৰ দৃঢ়তা থাকে ? অযোধ্যাৰ মছজিদটোৰ কোনো ধৰণৰ ক্ষতি হ'বলৈ দিয়া নহ'ব বুলি কোৱা কথাত যদি সততা থাকে, গভীৰ আন্তৰিকতা থাকে, তেনেহ'লে এই বিশাল ৰাষ্ট্ৰখনৰ বিৰাট শক্তিৰ সমুখতে তেনে ক্ষতি হ'ব পাৰেনে ? এতিয়া কোৱা হৈছে,—বাবৰি মছজিদ অঞ্চলটোত গোট খোৱা কৰসেৱকসকলক অতি কম সময়ৰ ভিতৰতে আঁতৰ কৰিব পৰা গৈছে আৰু সেই কামত অকণো ৰক্তপাত হোৱা নাই। কিন্তু এই কাম পাঁচ ডিছেম্বৰৰ দিনাই কিয় কৰিব পৰা নগ'ল ? হ'ব পাৰে,—তেনে এটা কাম কৰিবলৈ লওঁতে অশান্তিৰ সৃষ্টি হ'ব পাৰে, কিছু মানুহৰ মৃত্যু হ'ব পাৰে ; —কিন্তু অশান্তিতো এতিয়াও হ'ল ! এতিয়াওতো বহু মানুহ মৰিল। অশান্তি, মানুহৰ অপমৃত্যু,—এইবোৰ মানুহ নামৰ যোগ্য কাৰো কাম্য নহয় ; —কিন্তু যেতিয়া সেইবোৰৰ মুখামুখি হ'ব লগীয়া হয়েই, তেতিয়া বিচাৰ কৰিব লাগিব,—কোনবোৰ অশান্তি, কোনবোৰ মৃত্যুত মানুহৰ, দেশৰ, জাতিৰ ক্ষতি আটাইতকৈ কম হয়। যুদ্ধৰ কৌশলৰ এটা মূল কথাতো সেইটোৱেই ! বাবৰি মছজিদৰ ঘটনাটো এক প্ৰকাৰ নীতি, ধৰ্ম, ন্যায়বিচাৰৰ যুদ্ধ হয়নে নহয় ? ধৰি লোৱা হ'ল,— ছয় ডিছেম্বৰৰ ঘটনাৰ পাছত যি ঘটিছে, ঘটনাটো দৃঢ়ভাৱে ৰোধ কৰা হ'লেও ভাৰতত তেনেকুৱা ঘটনাই ঘটিলহেঁতেন ; কিন্তু মছজিদটো ভঙাৰ পাছত যি ঘটিছে আৰু ঘটিব, সেইবোৰ দেশখনৰ কাৰণে, ভাৰতীয়ৰ কাৰণে বহু বেছি ক্ষতিকৰ। এই ক্ষতি অত্যন্ত প্ৰকট হ'ব হিন্দুৰ হিন্দুত্বত।

এই গোটেই ঘটনাটোত উত্তৰ প্ৰদেশ চৰকাৰে নিশ্চিতভাৱে "মুখে বোলে থাক থাক, ভৰিৰে হেঁচোকে নাও" কৌশল অৱলম্বন কৰিছিল ; কিন্তু আজি বিশ্বৰ আগত ভাৰত চৰকাৰে উত্তৰ প্ৰদেশ চৰকাৰক জগৰীয়া কৰি দায়ৰ হাত সাৰিব নোৱাৰে। প্ৰত্যেক ধৰ্ম-নিৰপেক্ষ, উদাৰ লোকৰ আজি প্ৰথম সন্দেহ হ'ব,—ৰাষ্ট্ৰৰ শাসনৰ দায়িত্বত থকাসকলৰো ভিতৰি-ভিতৰি আচলতে এক ধৰণৰ ধৰ্মীয় দুৰ্বলতা আছে নে কি ? বা ৰাজনৈতিক ক্ষমতাৰ লোভত, মুযোফাল বজাই ৰাখি তেওঁলোকে ধৰ্মীয় গোড়ামীৰ লগত সন্ধি কৰিছে নে কি ?

পৰিষ্কাৰ নীতি আৰু সেই নীতি কামত খটুওৱাৰ দৃঢ়তাৰ লগত ক্ষমতাৰ আসনত থকাৰ লোভৰ সন্ধি হ'ব নোৱাৰে। ভাৰতত বাৰে-বাৰে শাসনকৰ্তাসকলে তেনে সন্ধিকে কৰি আহিছে। কেৱল 'মোৰ আসন-শাসন বৰ্তি থাকক' মনোভাৱেৰে একোটা জটিল সমস্যা কিছুদিনলৈ থাপিথুপি থৈ দিয়া হৈছে, আৰু কিছুদিনৰ পাছত আকৌ সমস্যা সৃষ্টিকাৰীসকলৰ ওচৰত সেও মনা হৈছে। ফলত ঘোষিত নীতি বিপৰ্যস্ত হৈছে আৰু মানুহৰ চৰকাৰৰ ঘোষণা, নীতি, কৰ্মদক্ষতা আদিৰ ওপৰত বিশ্বাস হেৰাই গৈছে। নিৰ্বাচিত প্ৰতিনিধি, শাসনকাৰ্যৰ বিষয়া, আনকি আদালতৰ ওপৰতো মানুহৰ আস্থা নোহোৱা হৈছে। সমগ্ৰ পৃথিৱী জুৰি, বহুদিন ধৰি যিটো মছজিদৰ কথা চৰ্চিত হৈ আছে, যিটোক ৰক্ষা কৰাৰ প্ৰতিশ্ৰুতি চৰকাৰে বাৰম্বাৰ দি আহিছে, সেইটোকেই যেতিয়া চৰকাৰে ৰক্ষা কৰিব নোৱাৰিলে, তেনেস্থলত সাধাৰণ নাগৰিকক তেওঁলোকে প্ৰয়োজনৰ সময়ত সুৰক্ষা দিব পাৰিবনে ? এই আস্থাহীনতা বৰ ডাঙৰ ক্ষতিৰ উপাদান। ধৰ্ম-নিৰপেক্ষ, বৈজ্ঞানিক দৃষ্টিভংগী থকা উদাৰ ভাৰতীয়ৰ মনতহে যে আজি এনে অনাস্থাই ঠাই পাইছে সেইটো নহয়, বিশ্বৰ সকলো দেশৰ তেনে লোকৰ মনত নিশ্চয় সেই অনাস্থাৰ উদ্ৰেক হৈছে।

ধৰ্ম আৰু সম্প্ৰদায়গত উৎপীড়নৰ কাৰণে ভাৰতত এসময়ত ভালেমান 'তলখাপ'ৰ মানুহে হিন্দু ধৰ্ম এৰি অন্য ধৰ্ম গ্ৰহণ কৰিছিল। বৰ্তমানৰ ধৰ্মসংক্ৰান্ত ঘটনাই এনে ঘৃণাৰ উদ্ৰেক কৰিছে যে প্ৰকৃত ওপৰ খাপৰ মানুহে,—অন্য ধৰ্ম লওক নলওক,—সদাহতে নিজকে ৰামজনমভূমিৰ হিন্দু বুলি জাহিৰ কৰিবলৈ দ্বিধা বোধ কৰিছে।

মুখ্য সম্পাদক : ড. ভবেন্দ্ৰ নাথ শইকীয়া

সহকাৰী সম্পাদক : ইমৰান হুছেইন
অংগসজ্জা : নবীন বৰুৱা
ব্যৱস্থাপনা : মায়া বৰুৱা (এডভাৰটাইজমেণ্ট), প্ৰসন্ন শৰ্মা (চাৰকুলেশ্যন), উদয় চন্দ্ৰ মেধি (একাউণ্টছ),
ফ'টো টাইপছেটিং : মহেন্দ্ৰ ডেকা, অশেন্দ্ৰ চহৰীয়া, মুদ্ৰাংকন : শৰাইঘাট অফছেট প্ৰেছ, শৰাইঘাট ফ'টো টাইপছ
প্ৰদীপ বৰুৱাৰ দ্বাৰা মুদ্ৰিত, প্ৰকাশিত আৰু সম্পাদিত।

## 'অপৰূপা আন্দামান'

শ্ৰীউৎপল দত্তদেৱৰ 'অপৰূপা আন্দামান'—শীৰ্ষক ভ্ৰমণ কাহিনীটোৰ প্ৰথমছোৱাত (১৬।১০।৯২) তথ্যৰ উল্লেখত দুটা অবাঞ্ছনীয় বিসংগতি দেখিবলৈ পাইছোঁ। প্ৰথমটো,—স্বাধীনতাৰ প্ৰথম আন্দোলনত দেশদ্ৰোহী সাব্যস্ত কৰি ইংৰাজ শাসকগোষ্ঠীয়ে কলীয়াপানীত দিয়া অসমৰ স্বাধীনতা যোদ্ধাসকলৰ তালিকাত মণিৰাম দেৱান বৰভাণ্ডাৰ বৰুৱাৰ নামো উল্লেখ কৰা হৈছে। কিন্তু আমি পোৱা তথ্যমতে মণিৰাম দেৱানক কলিকাতাত বন্দী কৰি আলিপুৰ কাৰাগাৰত আটক কৰি থোৱাৰ পাছত, ১৮৫৭ চনৰ ৩১ ডিছেম্বৰত যোৰহাটলৈ অনা হয়। ১৮৫৮ চনৰ ২২ ফেব্ৰুৱাৰিৰ দিনা যোৰহাট পোৱাৰ পাছত ২৩ ফেব্ৰুৱাৰিৰ দিনাই লৰালৰিকৈ হলৰইড চাহাবৰ আদালতত তেওঁক হাজিৰ কৰোৱা হয়। সেইদিনাই হলৰইড চাহাবে মণিৰামৰ বিৰুদ্ধে দেশদ্ৰোহিতাৰ জাল তৰি, বিচাৰৰ ভেকোভাওনা পাতি তেওঁৰ ফাঁচিৰ হুকুম দিয়ে। ২৬ ফেব্ৰুৱাৰিৰ দিনা ৰাতিপুৱা, একে দোষতে দোষী সাব্যস্ত কৰা পিয়ালী বৰুৱাৰ সৈতে একেলগে মণিৰাম দেৱানক যোৰহাটত ফাঁচি-কাঠত তোলা হয়। গতিকে তেওঁক কলীয়াপানীত দিয়া কথাটো একেবাৰে অবাস্তৱ।

দ্বিতীয়তে, শ্ৰীদত্ত ডাঙৰীয়াই কলীয়াপানীৰ সংগ্ৰহালয়ত থকা দৰ্শকৰ মন্তব্য-বহীত ভাৰতৰ এগৰাকী মন্ত্ৰী শ্ৰীঅৰ্জুন সিঙে লিপিবদ্ধ কৰা মতামতটোৰ উদ্ধৃতি দিছে। উদ্ধৃতিটোত "... It is for such that poet Tagore wrote—" বুলি এটি কবিতাৰ দুটা স্তৱক ('Eternal spirit of the chainless mind ........ winds') উল্লেখ কৰা হৈছে। ইয়াৰ শেষৰ শাৰীটো—'Freedom finds wings in the four winds'— বুলি উল্লেখ কৰা হৈছে ; কিন্তু হ'ব লাগিছিল,—'And Freedom's fame finds wings on every wind.' আনহাতে এই শাৰীটোৰ আগৰ দুটা শাৰী বাদ পৰি গৈছে। শাৰী দুটা হৈছে : "To fetters, and the damp vault's dayless gloom, Their country conquers with their martyrdom."

উদ্ধৃতিত এনে ভুল কাম্য নহয়। কিন্তু আচৰিত হৈছোঁ বেছিকৈ এই কথাতহে যে কবিতাংশ কবিগুৰু ঠাকুৰদেৱে লিখা বুলি কোৱা হৈছে। আচলতে উদ্ধৃতাংশ ইংৰাজ কবি লৰ্ড বাইৰনৰ 'On the Castle of Chillon' নামৰ কবিতাৰহে। ভুলটো মন্ত্ৰীগৰাকীৰ নে কাৰ ? কোনোবাই যদি উদ্ধৃত কৰাত ভুল কৰিছে, তেনেহ'লেও শ্ৰীদত্ত ডাঙৰীয়াই ভুলৰ কথাটো উল্লেখ কৰি দিয়া হ'লে আমাৰ ক'ব লগা একো নাথাকিলহেঁতেন। ইয়াৰ দ্বাৰা দুগৰাকী মহান কবিক অপমান কৰা হোৱা নাই নে ?

—ধৰ্মসিংহ ডেকা,
ৰহা, নগাঁও

## ভেন্সাৰ স্কুলৰ ক্ষতিকৰ দিশ

উক্ত শিৰোনামাৰে ভেন্সাৰ হাইস্কুলৰ শিক্ষকসকলৰ প্ৰতি অপমানসূচক আৰু দুঃখজনক চিঠি এখন প্ৰকাশ কৰা হৈছে (১।৮।৯২)। চিঠিখনত মূলতঃ অভিযোগ কৰা হৈছে ঃ

(১) আজিকালি ভেন্সাৰ স্কুল পতা হয় 'সমাজকৰ্মী'ৰ নিজৰ মানুহক সংস্থান দিবলৈহে, ল'ৰা-ছোৱালীক শিক্ষাদান কৰিবলৈ নহয়! জীৱিকাই ইয়াৰ মুখ্য উদ্দেশ্য। ফলস্বৰূপে গাঁও অঞ্চলত শিক্ষাৰ মান অতি নিম্নগামী হৈছে।

(২) চৰকাৰী স্কুলত ফেইল কৰা ছাত্ৰ-ছাত্ৰীয়ে ধনৰ বিনিময়ত প্ৰমাণ-পত্ৰ নোহোৱাকৈয়ে এনে বিদ্যালয়ত নাম ভৰ্তি কৰিব পাৰে।

(৩) বিদ্যালয়খন যাতে সোনকালে চৰকাৰী হয় তাৰ বাবে প্ৰধান চৰ্ত ছাত্ৰ-ছাত্ৰীৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ভাল কৰিবলৈ, পৰীক্ষাকেন্দ্ৰত নিৰীক্ষক হিচাপে কাম কৰা এনে স্কুলৰ শিক্ষকসকলে নিজৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক নকল কৰাত সহায় কৰে।

(৪) "এনেয়ে থকাতকৈ ভেন্সাৰ স্কুলতে সোমাই থকা ভাল। —দহ বছৰত হ'লেও বিদ্যালয়খন চৰকাৰী হ'ব"—এনে মনোভাবেৰে শিক্ষকসকলে চাকৰি কৰে আৰু ভাল চাকৰি পালে তেখেতসকল গুচি যায়।

(৫) এনে শিক্ষকে ব্যৱসায়িক মনোভাবেৰে পাঠদান কৰে।

প্ৰধানকৈ এইকেইটাই অভিযোগ। এতিয়া অভিযোগকেইটা আলোচনা কৰা যাওক। ১ নং অভিযোগটো অধিক ক্ষেত্ৰতে শুদ্ধ নহয়। ১০ বছৰৰ পৰা ১৫ বছৰৰ ভিতৰতহে এখন হাইস্কুলে চৰকাৰী পৰ্যায় পাব পাৰে। গতিকে কোনো বুদ্ধিমান 'সমাজকৰ্মী'য়ে নিজৰ মানুহক এনে বিদ্যালয়ত ১০-১৫ বছৰ বিনা বেতনে বা ৩-৪ টকা দিন হাজিৰাত সমাজসেৱা কৰিবলৈ নলগায়। ২৮-২৯ বছৰ সময়ৰ ব্যৱধানত চৰকাৰী পৰ্যায় পোৱা হাইস্কুলৰ ঠিকনা আমাৰ হাতত আছে।

২ নং অভিযোগটোৰ ক্ষেত্ৰত ক'ব পাৰি,—প্ৰমাণপত্ৰ নোহোৱাকৈ কোনো বিদ্যালয়ৰ প্ৰধান শিক্ষকে নাম ভৰ্তি কৰিব নোৱাৰে। আজিকালি হেনো বজাৰত 'দুই-নম্বৰী' প্ৰমাণপত্ৰ পোৱা যায়। কিন্তু এইবিলাক 'দুই নম্বৰী' বুলি প্ৰমাণ কৰাটো সহজ নহয়। বিদ্যালয়ৰ ক্ষেত্ৰত ইয়াৰ ব্যৱহাৰত বহুতো অসুবিধা আছে। ভেন্সাৰ বিদ্যালয়বিলাকত fee compensatory grant দিয়াৰ সময়ত ছাত্ৰ-ছাত্ৰীৰ এই প্ৰমাণপত্ৰসমূহ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকে পৰীক্ষা কৰে। হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ বাছনি পৰীক্ষা দিয়াৰ সময়তো দশমমানৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰমাণপত্ৰ পৰীক্ষা কৰা হয়। প্ৰমাণপত্ৰ নাথাকিলে বা প্ৰমাণপত্ৰ জাল বুলি প্ৰমাণিত হ'লে, পৰিদৰ্শকে ব্যৱস্থা গ্ৰহণ কৰেই। গতিকে বিদ্যালয়ৰ প্ৰধান শিক্ষকে প্ৰমাণপত্ৰ নোহোৱাকৈ নাম ভৰ্তি কৰাৰ কোনো উপায় নাই। সুবিধাও নাই। গতিকে এনে অভিযোগৰ কোনো ভিত্তি নাই। তদুপৰি পত্ৰলেখকে উল্লেখ কৰা মতে, বিদ্যালয়খন চৰকাৰী কৰাৰ বাবে ভাল ফলৰ প্ৰয়োজন। কিন্তু চৰকাৰী বিদ্যালয়ত অকৃতকাৰ্য হোৱা ছাত্ৰ-ছাত্ৰীৰে ভেন্সাৰ বিদ্যালয়ৰ শিক্ষান্ত পৰীক্ষাৰ ফল ভাল হোৱাৰ আশা কৰিব নোৱাৰি। শিক্ষকসকলে নিজৰ জীৱিকাৰ স্বাৰ্থতে এই ক্ষেত্ৰত সাৱধানতা অৱলম্বন কৰাটো স্বাভাৱিক; কাৰণ বিদ্যালয়খন চৰকাৰী হ'লেহে শিক্ষকসকলৰ চাকৰি হ'ব!

৩ নং অভিযোগৰ ক্ষেত্ৰত ক'ব পাৰি,—বিদ্যালয়খন প্ৰাদেশিকীকৰণৰ সময়ত, চৰকাৰৰ প্ৰধান চৰ্ত হৈছে, বিদ্যালয়খন 'অসম মাধ্যমিক শিক্ষা পৰিষদ'ৰ (SEBA) দ্বাৰা দশম মানলৈকে স্বীকৃত হয় নে নহয়। স্বীকৃত হ'লেহে বিদ্যালয়খন চৰকাৰীকৰণৰ বাবে উপযুক্ত। পত্ৰলেখকে বোধহয় এই কথাখিনি নাজানে। ফলাফল ভাল হোৱাটো অত্যন্ত দৰকাৰী আইনমতে দশম মানলৈকে SEBAৰ স্বীকৃতি লাভৰ সময়তহে।

বিদ্যালয়ৰ পৰীক্ষাৰ ফলাফল ভাল হওক বুলি হাইস্কুল শিক্ষান্ত পৰীক্ষা কেন্দ্ৰত ভেন্সাৰ বিদ্যালয়ৰ শিক্ষক-নিৰীক্ষকে নিজৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক নকল কৰাৰ সুবিধা দিয়াৰ সুবিধা ক'ত? হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষা কেন্দ্ৰ এটা হ'বলৈ কমেও তিনিখন দশম মান শ্ৰেণীলৈ SEBAৰ স্বীকৃতি পোৱা বিদ্যালয় লাগিব। কেন্দ্ৰটো পৰিচালনাৰ ভাৰ মুখ্যতঃ জ্যেষ্ঠ বিদ্যালয়সমূহৰ প্ৰধানৰ ওপৰতে ন্যস্ত থাকে। এনে পৰীক্ষা কেন্দ্ৰও আছে য'ত ভেন্সাৰ বিদ্যালয়ৰ শিক্ষকক নিৰীক্ষক হিচাপে নিযুক্তি দিয়া নহয়। দিলেও এনে বিদ্যালয়ৰ শিক্ষকে স্বাভাৱিকতে প্ৰাধান্য বিস্তাৰ কৰি নকল কৰাৰ বাবে উৎসাহ যোগাব নোৱাৰে। তদুপৰি পৰীক্ষা কেন্দ্ৰ এটা অকল শিক্ষকসকলেই নচলায়; অঞ্চলটোৰ গণ্যমান্য ব্যক্তিসকলো পৰীক্ষা কেন্দ্ৰৰ পৰিচালনাৰ দায়িত্বত থাকে। SEBAই নিযুক্তি দিয়া একোজন external নিৰীক্ষকো কেন্দ্ৰবোৰত থাকে। নিৰীক্ষণ ব্যৱস্থা কোনো-কোনো কেন্দ্ৰত যদি ব্যৰ্থ হৈছে, সেয়া ভেন্সাৰ স্কুলৰ শিক্ষকসকলৰ বাবে হোৱা নাই। কিয় এনে হৈছে তাৰ ব্যাখ্যা নিষ্প্ৰয়োজন।

চতুৰ্থতে, নিবনুৱা সমস্যাৰ ভয়াবহতাৰ দিনত নিবনুৱা যুৱকে যি কোনো ঠাইতে মূৰ গুজিবলৈ চেষ্টা কৰা স্বাভাৱিক। সেয়া কোনো দোষণীয় কথা হ'ব নোৱাৰে। ভাল সুবিধা পালে অকল ভেন্সাৰ স্কুলৰ শিক্ষকেহে চাকৰি এৰি যায় নে? উন্নত চাকৰি পালে, চৰকাৰী চাকৰি এৰিও আন চাকৰিলৈ যোৱা দেখাৰ উদাহৰণ আছে।

পঞ্চমতে, ভেন্সাৰ স্কুলৰ শিক্ষকে ব্যৱসায়িক মনোভাবেৰে কাম কৰে,—এই অভিযোগ অকল ভেন্সাৰ স্কুলৰ শিক্ষকৰ বিৰুদ্ধে কৰাটো যুক্তিসংগত নহয়। এইবোৰ ব্যক্তিগত মানসিকতাৰ কথা। 'ব্যৱসায়িক মনোভাব'টো ভেন্সাৰ স্কুলৰ, চৰকাৰী স্কুলৰ বা অন্যান্য প্ৰতিষ্ঠানৰ চাকৰিৰ ওপৰত নিৰ্ভৰ নকৰে; ই ব্যক্তিজনৰ মানসিকতাৰ ওপৰতহে নিৰ্ভৰ কৰে।

অৱশ্যে এটা কথাত আমি সকলোৱে গুৰুত্ব দিয়া উচিত,—বিশেষকৈ চৰকাৰ পক্ষই। কথাটো হ'ল,—বৰ্তমানে চৰকাৰে, যিখিনি বিদ্যালয় চৰকাৰী কৰা হৈছে, সেইখিনিকেই প্ৰয়োজনীয় ঘৰ, পুথি, শিক্ষাৰ সা-সঁজুলি আদি ঠিকমতে দিব পৰা নাই। গাঁৱলীয়া বিদ্যালয়বোৰতটো অভাৱৰ সীমা সংখ্যাই নাই। এনে ক্ষেত্ৰত বৰ্তমানে থকা বিদ্যালয়খিনিক (বৰ্তমানৰ ভেন্সাৰ খিনিকে ধৰি) ভালদৰে সা-সুবিধা দান কৰিব নোৱৰালৈকে নতুন কোনো বিদ্যালয় খোলাৰ অনুমতি দিব নালাগে। ৰাইজো সজাগ হোৱা দৰকাৰ। অৱশ্যে সকলো সা-সুবিধা দি কোনোবাই বেচৰকাৰী বিদ্যালয় খুলিব খুজিলে আপত্তিৰ কাৰণ থাকিব নোৱাৰে; কিন্তু বৰ্তমানৰ ধৰণে চৰকাৰৰ সহায়ত বিদ্যালয় খুলিব খুজিলে, চৰকাৰে অনুমতি দানৰ পৰা বিৰত থাকিব লাগে। অৱশ্যে আন এটা দুঃখজনক কথা হ'ল, চৰকাৰে বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলৰ চাকৰিহে চৰকাৰী কৰিছে, কিন্তু ঘৰ-দুৱাৰকে ধৰি অন্যান্য ক্ষেত্ৰত চৰকাৰী কৰা নাই। বৃহত্তৰ স্বাৰ্থৰ খাতিৰত চৰকাৰে বিদ্যালয়সমূহক সম্পূৰ্ণভাৱে চৰকাৰী কৰিব লাগে।

কথাবোৰ এনেকৈ জুকিয়াই চালে উক্ত পত্ৰখনত ভেন্সাৰ বিদ্যালয়ৰ শিক্ষকৰ প্ৰতি অতি দুঃখজনক, অপমানজনক মন্তব্য কৰিছে বুলিহে প্ৰতীয়মান হয়। সমালোচনাবোৰ বস্তুনিষ্ঠ হ'ব লাগে। আক্ৰোশমূলক হোৱা উচিত নহয়। তেনে সমালোচনাই পৰিস্থিতি উন্নত হোৱাত সহায় নকৰে।

জীৱনৰ আধা কাল, তিনি-চাৰি টকা হাজিৰাত কাম কৰি অৰ্ধাহাৰে, অনাহাৰে কৰ্তব্য সম্পাদন কৰা এই শিক্ষকসকলৰ মাজত, চৰকাৰী চাকৰি কৰা (শিক্ষকতাকে ধৰি) অন্যান্য চাকৰিয়ালৰ দৰেই সমান দক্ষতা থকা লোক আছে। এওঁলোকক অপমান কৰাৰ কাৰো অধিকাৰ নাই। অন্যান্য সকলোতকৈ, এওঁলোকৰ দুৰ্বলতা হ'ল এওঁলোকৰ সৰহভাগেই দুখীয়া। চাকৰি জীৱনৰ আধাকাল একপ্ৰকাৰ বিনা পাৰিশ্ৰমিকে কাম কৰাৰ বাবে, এওঁলোকক আৰ্থিক সকাহ দিয়াৰ কথাহে সহানুভূতিৰে বিবেচনা কৰা প্ৰয়োজন। শিক্ষাৰ মান নিম্নগামী হোৱা কথাটো সাৰ্বজনীন হোৱা বুলিয়েই ক'ব পাৰি। এই ক্ষেত্ৰত ভেন্সাৰ, প্ৰাদেশিকীকৰণ কৰা, সম্পূৰ্ণ চৰকাৰী বিদ্যালয়,—সকলোকে সাঙুৰিব পাৰি। লগতে ইয়াৰ লগত জড়িত সামাজিক কাৰণসমূহৰো বিচাৰ-বিশ্লেষণ কৰাৰ প্ৰয়োজন আছে। তেনেধৰণে সকলোকে সামৰি চিন্তা-চৰ্চা কৰিলেহে শিক্ষাৰ মান উন্নত হোৱাটো সম্ভৱ।

—শৰ্মাৰাম দাস,
সৃজনগ্ৰাম





## অসমৰ দৰিদ্ৰতম চহৰখন !

অসমৰ দৰিদ্ৰতম চহৰখনৰ নাম কি বুলি কোনোবাই যদি আপোনাক সোধে, আপুনি নিশ্চয় এটা সঠিক উত্তৰ লগে-লগেই দিব নোৱাৰিব। কেৱল আপুনিয়েই নহয়, ভুক্তভোগীৰ বাহিৰে আন কোনোবাই পাৰিব বুলি মোৰ বিশ্বাস নহয়। কাৰণ এইখন চহৰ ইমানেই দৰিদ্ৰ যে বৰ্তমান অসমত ভালেমান বাতৰি-কাকতৰ প্ৰচাৰৰ দিনতো ইয়াৰ অস্তিত্বকে সংবাদ মাধ্যমে বিচাৰি চোৱা নাই। অসমৰ প্ৰায়বিলাক অঞ্চলৰ গাঁওবিলাকতো আধুনিক জীৱন যাপনৰ চহৰীয়া সুবিধাবোৰ আজিৰ যুগত লাভ কৰিব পাৰি ; কিন্তু এটা মহকুমাৰ সদৰ চহৰ হোৱা সত্বেও এইখন চহৰত ন্যুনতম থাকিবলগীয়া সুবিধাখিনিও নাই। ইয়াক এখন 'একো নাই'ৰ চহৰ বুলি ক'লেও অত্যুক্তি কৰা নহ'ব।

অৱশ্যে চৰকাৰী কাগজ কলমেৰে থাকিবলগীয়া অফিছ আদালত ইয়াত নথকা নহয়, আছে। পিছে অফিছ আছে, অফিছাৰ-কৰ্মচাৰী নাই ; নাইবা অফিছাৰ-কৰ্মচাৰী আছে, কিন্তু কাম নাই। সেইদৰে স্কুল, ছাত্ৰ-ছাত্ৰী আছে, শিক্ষক নাই ; অথবা শিক্ষক আছে, শিক্ষাদানৰ সঁজুলি বা স্কুল, ছাত্ৰ-ছাত্ৰী নাই। ৰাস্তা-পদুলি, গাড়ী-মটৰ, ছিনেমা হল, তেল ডিপো আদি স্বাভাৱিক অসংখ্য নাইবোৰ বাদ দিলেও, ইয়াৰ অস্বাভাৱিক নাইবোৰৰ কথাও কৈ, লিখি অন্ত কৰিব নোৱাৰি। আনকি এই চহৰখনত আশ্চৰ্যজনকভাৱে মাত্ৰ এটাৰ বাহিৰে দ্বিতীয় ভিক্ষাৰী এটাও নাই। বাতৰি-কাকততো এই দুৰ্ভগীয়া চহৰখনৰ কোনো ধৰণৰ খবৰ-বাতৰিৰ স্থান নাই। মহকুমাৰ সদৰ চহৰ হিচাপে স্থান লাভ কৰাৰ প্ৰায় ওঠৰ বছৰৰ পাছতো ইয়াৰ উন্নতি-প্ৰগতিৰ নামগোন্ধেই নাই।

আদি অন্তহীন 'নাই'ৰ সমষ্টি এইখন পাহাৰীয়া চহৰ হ'ল কাৰবি আংলং জিলাৰ হামৰেণ মহকুমাৰ সদৰ ঠাই। অসমৰ মানচিত্ৰই ঠাইখনৰ অৱস্থিতি স্বীকাৰ কৰিছে যদিও, ই ক'ত, কিয় বিখ্যাত ইয়াৰ সাধাৰণ সদুত্তৰো অসমৰ সৰহখিনি মানুহৰেই অজ্ঞাত। অথচ গুৱাহাটী মহানগৰীৰ লগত পোনপটীয়া সংযোগেৰে ইয়ালৈ মাত্ৰ চাৰিঘণ্টাৰ যাত্ৰাপথ। সঁচাকৈয়ে এইখন অসমৰ দৰিদ্ৰতম, দুৰ্ভগীয়া চহৰ নহয়নে ?

—নৰেণ কলিতা,
হামৰেণ

## অমলেটৰ জোল

শ্ৰীসত্যপ্ৰিয় পাঠকে দৈনন্দিন শিতানৰ "আবিষ্কাৰৰ জননী" নামৰ লেখাটোৰ (১৬।১০।৯২) জৰিয়তে 'অমলেটৰ জোল' আইটেমটো আবিষ্কাৰ কৰাৰ সম্পূৰ্ণ সন্মান (credit) লেখাটোৰ নায়িকা শ্ৰীমতী কাঞ্চন শইকীয়া মজুমদাৰকে দিব খোজে। লেখাটোত শ্ৰীমতী কাঞ্চনৰ এই আবিষ্কাৰ যদি আজিৰ পৰা দুকুৰি বা আঢ়ৈ কুৰি বছৰৰ আগতে হৈছিল বুলি বুজাব খোজা হৈছে, তেনেহ'লে সেইকথাত আমাৰ ক'বলৈ একো নাই। কিন্তু শ্ৰীমতী কাঞ্চনৰ এই আবিষ্কাৰ যদিহে অলপতে কৰা হৈছে বুলি দাবী কৰা হয়, তেনেহ'লে আমি ক'ব লাগিব যে শ্ৰীমতী কাঞ্চনে গ্ৰন্থচৌৰ্যৰ দৰে (plagiarism) 'অমলেটৰ জোল'ৰ ৰন্ধন প্ৰকৰণটোও কৰবাৰ পৰা চুৰ কৰি অনাহে। কিয়নো,—আমি এনেকুৱা অমলেটৰ জোল আজিৰ পৰা প্ৰায় ৪০ বছৰমানৰ আগতেই খাইছিলো, আৰু এতিয়াও মাহেকে-পষেকে খায়েই থাকোঁ।

আমাৰ সৰুকালত আমি ছটা বাইভনী-ককাইদেউ একেলগে ডাঙৰ হৈছিলো। তাৰ উপৰিও ডাঙৰ বাইদেউৰ ফালৰ দুজনী ভাগিনো পঢ়া-শুনাৰ সুবিধাৰ কাৰণে আমাৰ ঘৰতে আছিলহি। এই আঠোটা ল'ৰা-ছোৱালীৰ কাৰণে কণীৰ আঞ্জাত প্ৰতিটোৰ কাৰণে এটাকৈ কণী দিয়াৰ প্ৰশ্নই নুঠে। গতিকেই কণীৰ আঞ্জা বহুত সময়ত অমলেটৰ জোল কৰিয়েই ৰন্ধা হৈছিল। (আমাৰ মাজৰে দুই-একে আকৌ অমলেটটোক 'মামলেট' বুলিও কৈছিল)। অমলেটটোৰ অবয়ব ডাঙৰ কৰিবলৈ মাজে-সময়ে কণীটো ফেনেকি লওঁতে অলপ বেচনো মিলাই দিয়া হৈছিল। কেঁচা ধনীয়া শাক থাকিলে তাৰো কেইপাহমান। গতিকেই কওঁ,—আমাৰ কাৰণে 'অমলেটৰ জোল' শ্ৰীমতী কাঞ্চনে আবিষ্কাৰ কৰা একো নতুন আইটেম নহয়।

এইখিনিতে কণীৰ আঞ্জাৰ ভাগ বাটোৱাৰৰ আৰু এটা কাহিনী পাঠক-পাঠিকা-সকললৈ আগ বঢ়ালো।

১৯৬৩ চন। টকাত তেতিয়া কণী পাঁচটাকৈ। বৰাপানী হাইড্ৰ' প্ৰজেক্টত কাম কৰা আমি দুজন ডঙুৰা ইঞ্জিনিয়াৰ মিলি একেটা কোৱাৰ্টাৰত থাকো আৰু খোৱা-বোৱাও একেলগেই কৰোঁ। লগুৱা এটিয়েই আমাৰ ৰন্ধা-বঢ়া কৰে।

এদিন ৰাতি ভাত খাবলৈ বহি মাত্ৰ দাইল-ভাত-তৰকাৰীৰ নিৰামহীয়া মেনুখন দেখি আমাৰ লগৰ জনে লগুৱাটোক সুধিলে,— হেৰ অমুক, আজি মাছ-তাছ একো নাই যদি কণীৰ আঞ্জা এখনকে নাৰান্ধিলি কিয় ?

লগুৱাৰ উত্তৰ হ'ল,—"ছাৰ পৰহি টকাটোত পোৱা পাঁচটা কণীৰ তিনিটা দেখোন সেইদিনাই ৰান্ধিলো !"

লগৰ জনে বোলে—বাকী থকা দুটা কণীকে আজি ৰান্ধিব পাৰিলিহেঁতেন।

লগুৱাৰ উত্তৰ,—"ছাৰ, দুটা কণীৰ আঞ্জা ৰান্ধিলে আপোনালোক দুয়ো এটাকৈ কণী খাব। মোৰ পাছে কি হ'ব ?" লগুৱাৰ কথা শুনি আমি দুয়ো হতবাক। আমাৰ সেই লগুৱা মহাশয়ৰ সম্ভৱতঃ 'অমলেটৰ জোল'ৰ বিষয়ে সমূলিকৈ জ্ঞান নাছিল।

—অৰুনী কুমাৰ শৰ্মা,
অৰ্লাণ্ড, ফ্লৰিডা,
আমেৰিকা

## প্ৰতিশোধ নে কি ?

নিষ্ঠা আৰু একাগ্ৰতা সহ গৱেষণালব্ধ চিন্তা-চৰ্চাৰে সত্ৰীয়া নৃত্যৰ স্বকীয় মহত্ত্ব উদ্ধাৰ কৰি 'জগতসভা'লৈ নিয়াৰ প্ৰচেষ্টা চলোৱা অৱস্থাতে নৃত্যশিল্পী শ্ৰীমতী পুষ্পা ভূঞাক পথচ্যুত কৰাৰ চেষ্টা কৰা হ'ল। এজন সাধাৰণ লোকেও বুজে—'নৃত্য' বক্তৃতা বা লেখাৰ বস্তু নহয় ; ই ব্যৱহাৰিক, প্ৰায়োগিক। প্ৰান্তিকৰ পাতত ড. নেওগৰ লেখাৰ প্ৰতিবাদ ৰূপে শ্ৰীমতী ভূঞাই উত্থাপন কৰা প্ৰশ্নাদিৰ প্ৰত্যুত্তৰ বা স্পষ্টীকৰণ দিয়াৰ সলনি ড. নেওগৰ পূৰ্ণ সহযোগত চৰকাৰী পৃষ্ঠপোষকতাৰে সৰ্বভাৰতীয় পণ্ডিতৰ উপস্থিতিত সত্ৰীয়া নৃত্য সন্মিলনৰ আয়োজন কৰা হ'ল—য'ত শ্ৰীমতী ইন্দিৰা পি. পি. বৰা বা শ্ৰীমতী গৰিমা হাজৰিকাৰ শাৰীতো শ্ৰীমতী পুষ্পা ভূঞাৰ নাম গোন্ধেই নাই। এয়া বাৰু এক কৌশলপূৰ্ণ প্ৰতিশোধৰ ব্যৱস্থা নে কি ?

—প্ৰবীণ শইকীয়া,
ভোগপুৰ চাৰিআলি,
লক্ষীমপুৰ

## অসমত কাৰিকৰী শিক্ষাৰ বিলৈ

অসমৰ কাৰিকৰী শিক্ষানুষ্ঠান কেইখনৰ পৰা প্ৰতি বছৰে কমেও এহেজাৰজনকৈ কাৰিকৰী অৰ্হতাসম্পন্ন লোক ওলাই আছে। কিন্তু এই লোকসকলক (বিশেষকৈ ডিপ্লমাধাৰীসকলক) কামত নিযুক্ত কৰিবলৈ যোৱা কেইবাবছৰো ধৰি চৰকাৰ চূড়ান্তভাৱে ব্যৰ্থ হৈছে। যদি চৰকাৰ অথবা এই ক্ষেত্ৰত দায়িত্বশীল কৰ্তৃপক্ষৰ এই কাৰিকৰী অৰ্হতাসম্পন্ন যুৱকসকলক নিয়োগ কৰাৰ সামৰ্থ্য নাই, তেন্তে অসমৰ কাৰিকৰী শিক্ষানুষ্ঠানকেইখনত প্ৰতিবছৰে শ-শ ছাত্ৰক ভৰ্তি কৰি, তেওঁলোকক এক অনিশ্চিত ভৱিষ্যতলৈ ঠেলি দি, এক বুজন পৰিমাণৰ মানৱসম্পদ নষ্ট কৰাৰ কোনো যুক্তি নাই। মোৰ বোধেৰে অসমত কাৰিকৰী শিক্ষা প্ৰয়োগৰ এখন বিস্তৃত পথাৰ যেতিয়ালৈকে সৃষ্টি নহয় তেতিয়ালৈকে এই কাৰিকৰী শিক্ষা প্ৰতিষ্ঠানবোৰত ছাত্ৰৰ নামভৰ্তি বন্ধ ৰাখিব লাগে। কাৰণ, এতিয়ালৈকে মই জনাত বাৰ হাজাৰ কাৰিকৰী শিক্ষাৰ ডিপ্লমাধাৰী যুৱক নিযুক্তি নোপোৱাকৈ বহি আছে।

—সৰ্বানন্দ গগৈ,
নকছাৰি, যোৰহাট

### সম্পাদকৰ কোঠালিত

বন্ধু ঃ শেহতীয়া জনৰৱটো কি জানানে ? এইটোক অৱশ্যে জনৰৱ নুবুলি গুজৱ, গাজা, কৌতুক ইত্যাদিও বুলিব পাৰা। জনৰৱটো হ'ল,—অসমৰ মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াই যে এসময়ত আমেৰিকা যুক্তৰাষ্ট্ৰত অস্ত্ৰোপচাৰ কৰাইছিল বুলি বাতৰি ওলাইছিল, সেই বাতৰি ভুল। কাৰণ অংগক্ষত থকা লোক স্বৰ্গদেউ হ'ব নোৱাৰে।





# অযোধ্যাৰ ঘটনাৱলী আৰু তাৰ পাছৰ পৰিস্থিতি

অযোধ্যাত ৬ ডিছেম্বৰৰ কৰসেৱাৰ পৰিপ্ৰেক্ষিতত, বিশেষকৈ উত্তৰ প্ৰদেশৰ কল্যাণ সিঙৰ চৰকাৰে কিছু হোহঁকা-পিচলা নীতি অৱলম্বন কৰি থকাত বিভিন্নজনে প্ৰস্তাৱিত কৰসেৱাৰ অন্ততঃ এমাহমানৰ আগৰ পৰাই কেন্দ্ৰীয় চৰকাৰক বিবাদগ্ৰস্ত গাঁথনিটো (বাবৰি মছজিদ) ৰক্ষা কৰিবলৈ বিভিন্ন পৰামৰ্শ আগবঢ়াইছিল। কোনো-কোনোৱে উত্তৰ প্ৰদেশ চৰকাৰক বৰখাস্ত কৰি ৰাজ্যখনত ৰাষ্ট্ৰপতি শাসন প্ৰবৰ্তন কৰিবলৈ কৈছিল। আন এচামে পৰামৰ্শ দিছিল,—উত্তৰ প্ৰদেশ চৰকাৰে বিবদমান গাঁথনিটোৰ নিচেই কাষত অধিগ্ৰহণ কৰা ২·৭৭ একৰ মাটি কেন্দ্ৰীয় চৰকাৰে নিজৰ পোনপটীয়া অধিকাৰলৈ আনি ৰাজ্য চৰকাৰখনক বৰখাস্ত নকৰাকৈ সমগ্ৰ এলেকাটোৰ সুৰক্ষাৰ দায়িত্ব কেন্দ্ৰীয় সুৰক্ষা বাহিনীৰ হাতত ন্যস্ত কৰক। বিজেপি-বিশ্ব হিন্দু পৰিষদক, তেওঁলোকে যাতে নিজৰ সন্মান বচাব পাৰে ঠিক তেনে ধৰণে এক প্ৰতীকী কৰসেৱা কৰিবলৈ দিয়া হওক। পিছে প্ৰধান মন্ত্ৰী শ্ৰীনৰসিংহ ৰাৱে ছুপ্ৰিম ক'ৰ্টে প্ৰস্তাৱিত কৰসেৱাৰ সম্পৰ্কত কি কয় তাৰ বাবে অপেক্ষা কৰাটো উচিত বুলি বিবেচনা কৰিলে।


ইফালে বিজেপিয়েও ৬ ডিছেম্বৰৰ আগতে কল্যাণ সিং চৰকাৰখন যাতে বৰখাস্ত নহয় সেই দিশটোৰ প্ৰতি সম্পূৰ্ণ দৃষ্টি ৰাখিছিল। সেয়েহে ৬ ডিছেম্বৰৰ আগৰ কালছোৱাত তেওঁলোকে সেই অভিসন্ধিৰে নিজৰ কাৰ্যকৌশলবোৰ ৰচনা কৰিছিল। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী কল্যাণ সিঙে অযোধ্যাৰ উক্ত অঞ্চলত কৰসেৱকসকলক কেৱল ভজন-কীৰ্তন কৰি প্ৰতীকী অৰ্থত কৰসেৱা কৰাৰ অনুমতি দিবলৈ ছুপ্ৰিম ক'ৰ্টৰ ওচৰত আবেদন কৰে। ২৮ নৱেম্বৰত ছুপ্ৰিম ক'ৰ্টে, অকল ভজন কীৰ্তনতে সীমিত থাকিলে ইতিমধ্যে অযোধ্যাত কোনো নিৰ্মাণৰ কাম হাতত লব নোৱাৰিব বুলি এলাহাবাদ উচ্চ ন্যায়ালয়ে দিয়া ৰায়টো উলংঘা নকৰে বুলি পতিয়ন গৈ উক্ত আবেদন গ্ৰহণ কৰে। উত্তৰ প্ৰদেশ চৰকাৰে বিবদমান গাঁথনিটোৰ সুৰক্ষা নিশ্চিত কৰা হ'ব বুলি ছুপ্ৰিম ক'ৰ্টক প্ৰতিশ্ৰুতিও দিছিল।

বিজেপিৰ এই প্ৰতিশ্ৰুতি কৰসেৱকৰ দলবোৰক অযোধ্যাত কোনো বাধা নোপোৱাকৈ প্ৰবেশ কৰাৰ পথ প্ৰশস্ত কৰাৰ কৌশল হ'ব পাৰে বুলি সন্দেহ কৰি, বিশেষকৈ কৰসেৱকবোৰে আইন অমান্য কৰি বিবদমান গাঁথনিটোৰ ক্ষতিসাধন কৰিবলৈ প্ৰচেষ্টা চলাব পাৰে বুলি সন্দেহ কৰিয়েই ছুপ্ৰিম ক'ৰ্টে অযোধ্যাৰ উক্ত অঞ্চলৰ নিৰীক্ষণৰ বাবে এজন বিশেষ ন্যায়াধীশো নিয়োগ কৰিছিল।

কেন্দ্ৰীয় চৰকাৰেও উত্তৰ প্ৰদেশ চৰকাৰৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰ নকৰি আইন-শৃংখলা ৰক্ষাৰ অৰ্থে ৰাজ্যখনলৈ অৰ্ধসামৰিক বাহিনীৰ ১৬০টা কোম্পানি অন্ততঃ প্ৰেৰণ কৰে।

পিছে ইমানখিনি প্ৰস্তুতি সত্বেও ৬ ডিছেম্বৰৰ দিনা সকলো ওলট-পালট হৈ গ'ল। সেইদিনা যি ঘটিল সি স্বাধীন ভাৰতৰ ইতিহাসৰ এক অন্যতম দুৰ্ভাগ্যজনক ঘটনাৰূপে পৰিগণিত হ'ল। তেতিয়া দিনৰ প্ৰায় ১১-৪০ বাজিছিল। প্ৰকৃত কৰসেৱা কাৰ্যসূচী আৰম্ভ হ'বলৈ তেতিয়াও ৩৫ মিনিট বাকী আছিল। তেতিয়াই এই দুৰ্ভাগ্যজনক ঘটনাৰ সূচনা হ'ল। বিবদমান গাঁথনিটোত হাজাৰে-হাজাৰে কৰসেৱক প্ৰবেশ কৰি ধ্বংসকাৰ্য আৰম্ভ কৰি দিয়ে। তাত নিয়োজিত উত্তৰ প্ৰদেশৰ পি. এ ছি. বাহিনীয়ে কাৰ্যব্যৱস্থা গ্ৰহণ কৰিবলৈ অক্ষম হৈ এই ধ্বংসকাৰ্যৰ নিৰৱ দৰ্শক হৈ থাকে। তাত নিয়োজিত ৬০জন ছি. আৰ. পিৰ লোকে আৰম্ভণিতে কন্দুৱা গেঁছ প্ৰয়োগ কৰি আৰু মৃদু লাঠীচালনা কৰি কৰসেৱকৰ দলক বাধা দিবলৈ চেষ্টা কৰিছিল যদিও শেষত তেওঁলোকেও সেই প্ৰচেষ্টা ত্যাগ কৰিব লগা হয়। এজন সাধুৱে— "খন্তেক পাছতে কৰসেৱাৰ পূজা আৰম্ভ হ'ব"—বুলি ঘোষণা কৰাৰ পাছত হঠাতে কিছুমান উত্তেজিত কৰসেৱকে মছজিদটোৰ অভিমুখে

৬ ডিছেম্বৰৰ দিনা কৰসেৱকৰ দলে বাবৰি মছজিদটো ভাঙি তাৰ চিনমোকাম নোহোৱা কৰি পেলায়। সেই স্থানত তেওঁলোকে মন্দিৰ নিৰ্মাণৰ কামো আৰম্ভ কৰি দিছিল। (ইনছেটত) ভঙাৰ আগতে মছজিদটো। (ছবি ঃ ইণ্ডিয়ান এক্সপ্ৰেছ আৰু টাইমছ অৱ ইণ্ডিয়াৰ সৌজন্যত)





OKDISCD

আগবাঢ়ি যায়। হাতুৰী, ছাবল আদি বিভিন্ন সঁজুলিৰে অসংখ্য কৰসেৱকে মছজিদটোত বগাই গম্বুজবোৰ কোবাবলৈ আৰম্ভ কৰে। মুলতঃ বজৰং দল আৰু শিৱসেনাৰ কৰ্মীসকলেই এই কাৰ্যত আগভাগ লয়। প্ৰায় ২-৪৫ বজাত মছজিদটোৰ এটা গম্বুজ খহি পৰে। আবেলি ৪-৪৫ বজামানৰ ভিতৰত বাকী দুটা গম্বুজো খহি পৰে। ৫-৩০ বজাত উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী কল্যাণ সিঙে পদত্যাগ কৰে। গধূলি নতুন দিল্লীত বহা কেন্দ্ৰীয় মন্ত্ৰীসভাৰ গুৰুত্বপূৰ্ণ বৈঠকত পৰিস্থিতিৰ পৰ্যালোচনা কৰি ৰাজ্যখনত ৰাষ্ট্ৰপতি শাসন প্ৰবৰ্তন কৰি বিধান সভাখন ভংগ কৰি দিয়াৰ সিদ্ধান্ত লোৱা হয়। নিশালৈ ৰাজ্যখনত ৰাষ্ট্ৰপতি শাসন প্ৰবৰ্তন কৰা হয়। ছুপ্ৰিম ক'ৰ্টেও কল্যাণ সিং চৰকাৰে ক'ৰ্টক দিয়া প্ৰতিশ্ৰুতি ৰাখিব নোৱাৰিলে বুলি ক্ষোভ প্ৰকাশ কৰে।

ইফালে অযোধ্যাৰ ঘটনাৱলী প্ৰকাশ পোৱাৰ লগে-লগে উত্তৰ প্ৰদেশৰ লগতে, সমগ্ৰ দেশৰে ইমূৰৰ পৰা সিমূৰৰ নগৰ-চহৰ, গাঁও আদিত ব্যাপক সাম্প্ৰদায়িক সংঘৰ্ষই গা কৰি উঠে। আনকি সাধাৰণতে এনে ধৰণৰ সাম্প্ৰদায়িক ঘটনাৱলীৰ পৰা ইমান দিনে মুক্ত হৈ থকা অসমতো ব্যাপক হাৰত সংঘৰ্ষই দেখা দিলে। ৰাজ্যখনৰ নগাঁও জিলাই আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে। জিলাখনৰ হোজাই, ডবকা, যোগীজান, মোৰাঝাৰ আদি অঞ্চলেই বেছিকৈ ক্ষতিগ্ৰস্ত হৈছে। ৰাজ্যখনৰ অন্ততঃ ১৫খন নগৰত সান্ধ্য আইন জাৰি কৰাৰ দৰে ঘটনাও সংঘটিত হয়।

অযোধ্যাৰ ঘটনাটোৱে এফালে ভাৰতীয় জনতা পাৰ্টিক একেবাৰে অকলশৰীয়া কৰি বাকীবোৰ ৰাজনৈতিক দলক এটা শিবিৰত একত্ৰিত হোৱাৰ সুযোগ উলিয়াই দিছে। ইতিমধ্যে সাম্প্ৰদায়িকতাৰ প্ৰশ্নটোত ই-কংগ্ৰেছ আৰু বামপন্থীদলবোৰৰ মাজত সহযোগিতাৰ কথা-বতৰা চলিছে। ইফালে সাম্প্ৰদায়িক বিদ্বেষ আৰু অশান্তি বিয়পোৱাৰ অভিযোগত, ভাৰতীয় জনতা পাৰ্টিৰ নেতা লালকৃষ্ণ আদৱানি, ড. মুৰলি মনোহৰ যোশী, কুমাৰী উমা ভাৰতী, মাধৱী ঋতামভ্ৰা, বিশ্ব হিন্দু পৰিষদৰ বিষ্ণু হৰি ডালমিয়া, অশোক সিংঘল, আচাৰ্য গিৰিৰাজ কিশোৰ, বজৰং দলৰ নেতা আৰু ফৈজাবাদৰ সংসদ সদস্য বিনয় কাটিয়াৰক গ্ৰেপ্তাৰ কৰা হয়। এই নেতাসকলৰ বিৰুদ্ধে ৬ তাৰিখেই ফৈজাবাদত গোচৰ তৰা হৈছিল। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী কল্যাণ সিঙৰ বিৰুদ্ধেও আদালত অৱমাননা কৰাৰ অপৰাধত গোচৰ তৰা হ'ব বুলি কোৱা হৈছে। আনহাতে লালকৃষ্ণ আদৱানি, অটল বিহাৰী বাজপেয়ী আদিৰ দৰে বিজেপিৰ নেতাসকলে অনুশোচনা প্ৰকাশ কৰাৰ দৰে কল্যাণ সিঙে অযোধ্যাৰ ঘটনাটোৰ বাবে অনুশোচনা প্ৰকাশ কৰা নাই। বৰঞ্চ কৰ সেৱকসকলৰ ওপৰত তেওঁ যে গুলীচালনাৰ নিৰ্দেশ নিদিলে সেইটো লৈহে বৰ্তমান তেওঁ গৌৰৱ কৰা দেখা গৈছে।

বিজেপি আৰু বিশ্ব হিন্দু পৰিষদৰ নেতাসকলে এতিয়াও লৈ থকা কঠোৰ দৃষ্টিভংগীৰ বিপৰীতে বাবৰি মছজিদ একশ্যান কমিটিৰ বিভিন্ন নেতাসকলৰ দৃষ্টিভংগী শেহতীয়াভাৱে যথেষ্ট নৰম হৈ পৰা দেখা গৈছে। কমিটিৰ এজন অন্যতম নেতা আৰু জনতা দলৰ সংসদ সদস্য ছৈয়দ ছাহাবুদ্দিনে এটা সাক্ষাৎকাৰত প্ৰকাশ কৰা কিছুমান মতামতে সেই কথাৰ সত্যতাকে প্ৰতিপন্ন কৰে কৰে। তেওঁৰ মতে, "মছজিদটো ভঙা হ'ল ঠিকেই, কিন্তু ইয়াক পুনৰ নিৰ্মাণ কৰা উচিত, লগতে হিন্দু সমাজে ৰামচন্দ্ৰজীৰ জীৱনৰ সৈতে জড়িত বুলি ভবা মাটি টুকুৰাত এটা বৃহৎ মন্দিৰো নিৰ্মাণ কৰা উচিত। চৰকাৰে ইচ্ছা কৰিলে মন্দিৰ আৰু মছজিদ দুয়োটাই নিৰ্মাণ কৰিব পাৰে।" আনহাতে মছজিদটো ধ্বংস কৰাৰ পাছত নিৰ্মাণ কৰা মন্দিৰটোৰ কোনো ধৰ্মীয়, নৈতিক বা ন্যায়িক স্থিতি নাথাকিব। বৰঞ্চ মছজিদটোৰ সমানে-সমানে এটা মন্দিৰ নিৰ্মাণ কৰিলেহে তাৰ গুৰুত্ব বাঢ়িব। মুছলমানসকলে নিজৰ মাটিখিনি ত্যাগ কৰিব লগা হ'লেও তেওঁলোকক তাৰ বাবে মাটি দিয়া উচিত। এক ৰাষ্ট্ৰীয় ন্যাসে এই কাম কৰিব পাৰে। জনসাধাৰণৰ পইচাৰে মন্দিৰ আৰু মছজিদটো নিৰ্মাণ কৰিব পাৰি। চৰকাৰে এইক্ষেত্ৰত কাৰিকৰী সহযোগিতা আগবঢ়াব পাৰে। মন্দিৰ আৰু মছজিদ দুয়োটাই যদি সাজি উলিওৱা হয় তেতিয়া হ'লে কাজিয়াৰ কিবা কাৰণ থাকিব পাৰেনে?" ছাহাবুদ্দিনৰ মতে, "মছজিদটো ভাঙি পেলোৱাত নৈতিক বিজয় কিন্তু আমাৰেই হৈছে। বৰ্তমান বিজেপিৰ বাদে আটাইবোৰ ধৰ্মনিৰপেক্ষ শক্তি আৰু দলে মুছলমানসকলে কৰা দাবীটোকে উত্থাপন কৰি আছে।" দেশৰ আটাইবোৰ বাতৰিকাকতেই যে বাবৰি মছজিদ ধ্বংস কৰা ঘটনাটোক গৰিহণা দিছে সেইকথাও তেওঁ উল্লেখ কৰে। গতিকে মুছলমানসকলে নিৰাশ হোৱাৰ প্ৰশ্ন নুঠে বুলি তেওঁ কয়।

ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে দেশৰ পাঁচটা গোড়া মৌলবাদী আৰু সাম্প্ৰদায়িক সংগঠন নিষিদ্ধ কৰিছে। সেই সংগঠনকেইটা হ'ল— বিশ্ব হিন্দু পৰিষদ, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ, বজৰং দল, জামাইত-ই-ইছলামী হিন্দ আৰু ইছলামিক সেৱক সংঘ। বেআইনী কাৰ্যকলাপ (প্ৰতিৰোধ) আইনৰ অধীনত এই সংগঠনকেইটাক নিষিদ্ধ কৰা হৈছে।

## উৰা বাতৰিৰ প্ৰভাৱ

কিছুমান ঘটনাৰ সময়ত উৰাবাতৰিয়ে বহু ক্ষতিকৰ প্ৰভাৱ পেলায়। উৰাবাতৰিয়ে সংঘৰ্ষ বিয়পোৱাত যথেষ্ট অৰিহণা যোগোৱাৰ অলেখ উদাহৰণ আছে। বাবৰি মছজিদৰ ঘটনাৰ পাছত অসমৰ বিভিন্ন অংশৰ লগতে গুৱাহাটী চহৰতো এনে কিছুমান উৰাবাতৰিয়ে জনসাধাৰণৰ মাজত উত্তেজনা আৰু আতংকৰ সৃষ্টি কৰা দেখা গৈছিল। ৭ নৱেম্বৰৰ দিনা চহৰখনৰ হেদায়েৎপুৰ অঞ্চলৰ এঠাইত বহুতো লোক সমবেত হোৱা দেখি কোনো-কোনো লোকে উক্ত অঞ্চলত এটা বিশেষ সম্প্ৰদায়ৰ লোকে চহৰখনৰ বাকী-অংশত আক্ৰমণ কৰিবলৈ একগোট হৈছে বুলি উৰাবাতৰি প্ৰচাৰ কৰিলে। কিন্তু পাছত দেখা গ'ল,— হেদায়েৎপুৰত থকা নিজৰ কাৰ্যালয়ৰ পৰা ছি. পি. এমৰ এদল কৰ্মীহে শোভাযাত্ৰা কৰি ওলাই আহিছে। একেদৰে ৯ অক্টোবৰৰ ভাৰত বন্ধৰ দিনা মালিগাঁৱত সান্ধ্য আইন জাৰি কৰা বুলিও এটা বাতৰি ওলাইছিল। আনকি গুৱাহাটীৰ এখন সান্ধ্য কাকতেও বাতৰিটো পৰিবেশন কৰিছিল। সেইদিনাই অপ্সৰা ছিনেমা হলৰ ওচৰত পুলিছৰ গুলীচালনাত দুজন লোক নিহত হোৱাৰ বাতৰিও ওলাইছিল। পুলিছ সূত্ৰই বাতৰিবোৰ মিছা বুলি প্ৰকাশ কৰিছিল।

* সমগ্ৰ ভাৰতবৰ্ষ বাবৰি মছজিদ-ৰামজনমভূমি বিবাদ লৈ তোলপাৰ হৈ থকা অৱস্থাত, ৰোমৰ কৰ্তৃপক্ষই পৃথিৱীৰ খৃষ্টান ধৰ্মৰ ৰোমান কেথলিক গোষ্ঠীৰ কেন্দ্ৰস্থল ৰোম মহানগৰীৰ ছেণ্ট পিটাৰ স্কোৱেৰত এটা মছজিদ নিৰ্মাণ কৰিবলৈ অনুমতি দিছে। ইয়াৰ ফলত ৰোমত বসবাস কৰা ১,২০,০০০ ইছলামধৰ্মী লোকৰ এটা বহুদিনীয়া আশা পূৰণ হ'ব। অৱশ্যে পৃথিৱীৰ অন্যান্য ঠাইৰ মছজিদৰ দৰে এই মছজিদটোত আজান দিয়াৰ বাবে মাইক্ৰ'ফোন ব্যৱহাৰ কৰিবলৈ অনুমতি দিয়া হোৱা নাই।

* কেন্দ্ৰীয় চৰকাৰৰ বিনা অনুমতিত দেশৰ কোনো ঠাইতে জধে-মধে চিকিৎসা মহাবিদ্যালয় স্থাপন কৰিব পৰা নহ'ব। এই সম্পৰ্কীয় এখন বিধেয়ক অলপতে ৰাজ্যসভাত উত্থাপন কৰা হয়। ভাৰতীয় চিকিৎসা পৰিষদ, ১৯৯২ নামৰ এই বিধেয়কখন উত্থাপন কৰি কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী শ্ৰীমাখন লাল ফোটেদাৰে কয় যে ১৯৫৬ চনৰ মূল আইনখনত যথোপযুক্ত প্ৰতিৰোধ-ব্যৱস্থা নথকাৰ সুযোগ গ্ৰহণ কৰি দেশৰ বহু ঠাইতে জধে-মধে চিকিৎসা মহাবিদ্যালয় স্থাপন হৈ আছে। এনেদৰে স্থাপন কৰা বহুতো চিকিৎসা মহাবিদ্যালয়তে প্ৰয়োজনীয় সা-সুবিধাবিলাক নাই বুলি তেওঁ কয়। উল্লেখযোগ্য যে চিকিৎসা মহাবিদ্যালয় যধে-মধে স্থাপন কৰাৰ উদ্দেশ্যে চৰকাৰে ইতিমধ্যে ২৭ আগষ্টত এখন অধ্যাদেশ জাৰি কৰিছিল।

* কৰ্ণাটকৰ নতুন মুখ্যমন্ত্ৰী শ্ৰীবীৰাপ্পা মইলিয়ে তেওঁৰ মন্ত্ৰীসভাখনৰ ভাবমূৰ্তি নিকা কৰি ৰখাৰ অৰ্থে এখন কুৰি দফীয়া আচৰণবিধি প্ৰণয়ন কৰিছে। ইতিমধ্যে কাৰ্যকৰী কৰা এই আচৰণবিধিমতে, মন্ত্ৰীসকলে তেওঁলোকৰ সা-সম্পত্তি আদিৰ সম্পূৰ্ণ হিচাপ দখিল কৰিব লাগিব। তদুপৰি মন্ত্ৰীসকলে সময়নিষ্ঠাৰ প্ৰদৰ্শন কৰা, মৌখিক নিৰ্দেশ নিদি প্ৰকৃত পথেৰে প্ৰতিষ্ঠিত নীতি-নিয়মেৰে লিখিত নিৰ্দেশ দি কাৰ্য সম্পাদন কৰা, আমোলাসকলক ৰাজনৈতিক উদ্দেশ্যৰে কামত লগোৱাৰ পৰা বিৰত থকা আদিৰ ওপৰতো জোৰ দিয়া হৈছে।



আপোনাৰ সপোনৰ গৃহটিলৈ মাথোঁ তিনিটা পদক্ষেপ



এতিয়া ইউনিট ট্ৰাষ্টে আগবঢ়াইছে এখন বিশেষ ধৰণৰ গৃহ আঁচনি।

**এই আঁচনিয়ে কেনেকৈ কাৰ্য্য কৰিব ?**

ইউনিট ট্ৰাষ্টে বান্ধোন গঢ়ি তুলিছে এইচ ডি এফ চি-ৰ সৈতে, যাৰ পৰা আপুনি চাৰি বছৰৰ পিচত আপোনাৰ বিনিয়োগৰ তিনি গুণ অথবা সাত বছৰৰ পাচত আপোনাৰ বিনিয়োগৰ চাৰি গুণ ঋণ লব পাৰিব। এই আঁচনিৰ পৰা সংগৃহিত পুঁজি বিবিধ কাৰ্য্যত ইউ টি আইৰ দ্বাৰা বিনিয়োগ কৰা হব।

* এই ঋণ আৰু সুদ যাতে মূলধনৰ মূল্যবৃদ্ধিৰ পৰাই পৰিশোধ কৰিব পৰা যায়, সেইয়া লক্ষ্য কৰাই হব ইউ টি আইৰ ঐকান্তিক প্ৰচেষ্টা। যদি কিছু ধনৰ ঘাটি পৰে, বিনিয়োগকাৰীয়ে সেই ঘাটি পৰা ধন ভৰিব লাগিব আৰু যদি ইয়াৰ পৰা ধন বাচে সেই ধন বিনিয়োগকাৰীক প্ৰদান কৰা হব।

**আঁচনিৰ বিশেষত্বসমূহ**

- সকলো ব্যক্তি আৰু অনাবাসী ভাৰতীয়ই যোগদান কৰিব পাৰিব।




- সৰ্বনিম্ন বিনিয়োগ 2000 টকা (অংকিত মূল্য 100 টকাৰ 20 টা ইউনিট) আৰু তাৰপিচত 1000 টকাৰ গুণিতকত গ্ৰহণ কৰা হব। বিনিয়োগৰ সৰ্বোচ্চ সীমা নাই।
- ইউনিটৰ বিক্ৰী আৰু পুনঃক্ৰয়ৰ দৰ প্ৰকৃত সম্পত্তিৰ মূল্যায়ন (নেট এচেট ভেল্যু)ৰ ভিত্তিত নিৰ্দ্ধাৰিত।
- পাঁচ বছৰ সময়লৈকে কোনো ধৰণৰ পুনঃক্ৰয় কৰা নহব, একমাত্ৰ বিশেষ পৰিস্থিতি অবিহনে।
- 5 লাখ টকাৰ উৰ্দ্ধসীমা পৰ্য্যন্ত গৃহ ঋণ পোৱা যাব। ঋণৰ ম্যাদকাল দহ বছৰ।
- কোনো ডিভিডেণ্ড ঘোষণা কৰা নহব। ঋণ আৰু সুদ পৰিশোধ কৰাত মূলধনৰ মূল্যবৃদ্ধিৰ দ্বাৰা আৰ্জিত ধন পুনৰ্ব্যৱহাৰ কৰা হব।

বিনামূলীয়া পুস্তিকাৰ বাবে যিকোনো ইউনিট ট্ৰাষ্টৰ কাৰ্য্যালয়, মুখ্য প্ৰতিনিধি, এজেণ্ট অথবা এইচ ডি এফ চি-ৰ কাৰ্য্যালয়ৰ সৈতে যোগাযোগ কৰক।

ইউনিট ট্ৰাষ্ট অব ইণ্ডিয়া

22 নিযুতৰও অধিক ইউনিট হোল্ডাৰৰ সেৱাত

এই আঁচনি যুগ্মভাবে আগবঢ়াইছে ইউ টি আই আৰু এইচ·ডি·এফ·চি -য়ে।

সকলো চিকিওৰিটি বিনিয়োগতেই বজাৰৰ দামৰ উঠা-নমাৰ প্ৰতিকূল প্ৰভাৱৰ আশংকা থাকে। বিশদ বিৱৰণৰ বাবে পুস্তিকাখন চাওক আৰু বিনিয়োগৰ আগেয়ে আপোনাৰ বিনিয়োগ উপদেষ্টা বা এজেণ্টৰ সৈতে পৰামৰ্শ কৰক।

Sista's-UTI-126/91 R1 ASS

OKDISCD

# ধৰ্ম আৰু আমি

বৰ্তমান সময়ত সমগ্ৰ পৃথিৱীতে, বিশেষকৈ আমাৰ দেশ ভাৰতবৰ্ষত, আমি সম্মুখীন হোৱা বিভিন্ন সমস্যাৰ ভিতৰত ধৰ্মীয় সমস্যাবোৰ অন্যতম। এই সমস্যাবোৰৰ বাবে আমাৰ যুক্তিবিমুখ চিন্তাধাৰাই ঘাইকৈ দায়ী। ধৰ্মৰ নিয়ন্ত্ৰণৰ পৰা নিজকে মুক্ত কৰি ধৰ্মক আমাৰ নিয়ন্ত্ৰণলৈ আনিব নোৱৰাটোৱেই আমাৰ দোষ। এজন ব্যক্তিয়ে যেতিয়া ভাবে যে মই এজন হিন্দু বা মই এজন মুছলমান, তেতিয়া তেওঁ নিজকে এক ধৰণৰ আবেষ্টনীৰ মাজত আবদ্ধ কৰি পেলায় য'ত তেওঁৰ কিছুমান অচিনাকি মানুহো আপোন হৈ যায় আৰু কিছুমান চিনাকি মানুহো পৰ হৈ পৰে। মানুহে এইদৰে ভবাৰ কাৰণ হৈছে অতীতৰে পৰা সভ্যতাসমূহৰ ওপৰত থকা ধৰ্মীয় প্ৰভাৱ। কিন্তু আধুনিক যুগৰ পৰিবৰ্তিত সামাজিক পৰিবেশত এই ধৰণৰ চিন্তাধাৰাক মানি লব পাৰিনে?

এটা সময় আছিল, যেতিয়া ধৰ্মই জীৱনৰ সকলো দিশ সামৰি লৈছিল। এটি শিশুৰ জন্মৰ লগে-লগে শিশুটিৰ শিক্ষা, সংস্কৃতি, সভ্যতা ইত্যাদিৰ লগত ধৰ্মৰ যোগেদিয়েই পৰিচয় ঘটিছিল। এইবাবেই বিভিন্ন ধৰ্মগ্ৰন্থ আৰু ধৰ্মমূলক আখ্যানসমূহ উত্তমশ্ৰেণীৰ সাহিত্য হিচাপেও স্বীকৃত। আন কথাত শিক্ষা, সংস্কৃতি, সাহিত্য আদি সকলো ধৰ্ম নামৰ গা-গছডালত ভৰ দি বিকশিত হৈছিল। এইবাবে প্ৰতিজন ব্যক্তিৰ এক ধৰ্মীয় পৰিচয় আছিল। তেওঁ নিজকে হিন্দু, মুছলমান বা আন কিবা বুলি পৰিচয় দিছিল। আৰু এইখিনিতে উনুকিয়াব পাৰি যে সেই সময়ৰ মানুহৰ জীৱন যাপনৰ পদ্ধতি আজিৰ দৰে পৰস্পৰ নিৰ্ভৰশীল নাছিল। ফলত বেলেগ-বেলেগ ঠাইত বসবাস কৰা মানুহৰ মাজত সততে যোগাযোগ নহৈছিল। মানুহৰ মাজত এক দূৰত্ব ৰৈ গৈছিল আৰু এই দূৰত্বৰ বাবেই ধৰ্মৰ যোগেদি জীৱনৰ একে সত্যকে উপলব্ধি কৰা সত্বেও বিভিন্ন ধৰ্মাৱলম্বী মানুহে নিজৰ ধৰ্মক আনৰ ধৰ্মতকৈ পৃথক বুলি ভাবিছিল।

কিন্তু আজিৰ পৃথিৱীৰ পৰিস্থিতি সলনি হৈছে। আজি ধৰ্ম জীৱনৰ সৰ্বত্ৰ বিৰাজমান নহয়। বৰঞ্চ ব্যক্তিৰ বিকাশৰ ওপৰত দিনক দিনে ইয়াৰ প্ৰভাৱ গৌণ হৈ পৰিছে। আজিৰ দিনত ধৰ্মগ্ৰন্থ পঢ়ুৱাই শিশুক শিক্ষাদান কৰা নহয়। আজিৰ সভ্যতা-সংস্কৃতিয়ে ধৰ্মৰ পৰিধি পাৰ হৈ আহিছে। এই সভ্যতা-সংস্কৃতি বিশাল আৰু এই বিস্তৃতিৰ অভিজ্ঞতা সততে আমাৰ হৈ থাকে। ইয়াত কোনোৱে যদি ভাৰতীয় শাস্ত্ৰীয় সংগীত ভাল পায়, আন কোনোবাই হয়তো উত্তাল পাশ্চাত্য সংগীতহে ভাল পায় বা একেজনেই দুয়োটাকে ভাল পায়। তেওঁ বাস কৰা সমাজখনত যিদৰে দুৰ্গাপূজা পতা হয়, সেইদৰে ঈদো পতা হয়। বৈজ্ঞানিক, দাৰ্শনিক, অৰ্থনীতিবিদ, শিক্ষাবিদ সকলোৱে তেওঁলোকৰ জ্ঞান-সম্ভাৰেৰে এই সভ্যতাক সমৃদ্ধিশালী কৰিছে। এই জ্ঞান-সম্ভাৰেই হৈছে সমাজৰ চালিকা শক্তি। এই পৰিস্থিতিত মানুহৰ ধৰ্মীয় পৰিচয়টোৰ অৱস্থিতি ক'ত? এই প্ৰশ্নটোৰ উত্তৰ সঠিককৈ নিৰ্ণয় কৰাৰ ওপৰতেই নিৰ্ভৰ কৰিছে আমি সময়ৰ সৈতে কিমানখিনি মিলিব পাৰিম বা পাৰিছোঁ। লগে-লগে ই আমাক জনাই দিব আধুনিক যুগৰ জ্ঞান-সম্ভাৰেৰে আমি আমাৰ জীৱন ধাৰণৰ মান কিমান উন্নত কৰিব পাৰিম।

দেখা যায় যে প্ৰত্যেক ব্যক্তিয়ে জন্মৰ ফালৰ পৰাই নিজৰ ধৰ্মীয় পৰিচয়টো লাভ কৰে। যিসকল লোক পাছত ধৰ্মান্তৰিত হয়, তেওঁলোকৰ কথা বেলেগ। এজন মানুহ হিন্দু বা মুছলমান এইবাবেই হয় যে তেওঁৰ পিতৃ সেই বিশেষ ধৰ্মৰ লোক আছিল। এইবাবে নহয় যে, তেওঁ যি শিক্ষা লাভ কৰিছে সেয়া সেই ধৰ্মীয়, বা তেওঁ যি সভ্যতাত বাস কৰিছে সেয়া সেই ধৰ্মীয় সভ্যতা, বা যি সংস্কৃতিয়ে তেওঁক সংস্কৃতিবান কৰি তুলিছে, সেয়া সেই ধৰ্মীয় সংস্কৃতি। (এই ক্ষেত্ৰত ধৰ্মীয় উপাদানসমূহক অস্বীকাৰ কৰা হোৱা নাই।) মানুহৰ ধৰ্মীয় পৰিচয়টো কেৱল ব্যক্তিৰ গাত লাগি থকা এক বৈশিষ্ট্যহীন লেবেল। বিভিন্ন সময়ত স্বাৰ্থান্বেষী লোকসকলক তেওঁলোকৰ ক্ষুদ্ৰ স্বাৰ্থপূৰণৰ সুবিধা আগবঢ়োৱাৰ বাদে ইয়াৰ কোনো বিশেষ ভূমিকা নাই।

ধৰ্মৰ সৃষ্টি কিয় হৈছিল বা ধৰ্ম প্ৰচাৰকসকলে কিয় ধৰ্মপ্ৰচাৰ কৰিছিল? সকলো ধৰ্মৰ ক্ষেত্ৰতে এই প্ৰশ্নবোৰ ফঁহিয়াই চালে দেখা যায় যে মানুহক মানৱীয়তাৰ শিক্ষা দিয়াই ইয়াৰ মূল উদ্দেশ্য আছিল। এই মূল লক্ষ্যত উপনীত হোৱাৰ বাবে বেলেগ-বেলেগ ধৰ্মত বেলেগ-বেলেগ ৰীতি-নীতি, বিধি-বিধানৰ সহায় লোৱা হৈছিল। এই ৰীতি-নীতি আৰু বিধি-বিধানবোৰৰ বাবেই এটা ধৰ্ম আন এটা ধৰ্মৰ পৰা পৃথক। কিন্তু এজন হিন্দুৱে ভগৱানক প্ৰাৰ্থনা কৰাৰ সময়ত যি অনুভূতি অনুভৱ কৰে, এজন মুছলমানে নামাজ পঢ়াৰ সময়ত অনুভৱ কৰা অনুভূতিতকৈ ই পৃথক নহয়। যি ক্ষেত্ৰত ধৰ্ম এটা সভ্যতাৰ চালিকা শক্তি হোৱা অৱস্থানৰ পৰা অৱনমিত হ'ল, তেনে ক্ষেত্ৰত সকলো ধৰ্মই মূলতঃ একে বুলি জানিও আমাৰ ধৰ্মীয় পৰিচয়টোত গুৰুত্ব দিয়াটো আমাৰ মানসিক দুৰ্বলতাৰ বাদে একো নহয়।

মানুহে নিজকে এই ধৰ্মীয় পৰিচয়টোৰ পৰা মুক্ত কৰাটো আজিৰ মানুহৰ বাবে এক প্ৰত্যাহ্বান। এই প্ৰত্যাহ্বানক গ্ৰহণ কৰাটোতেই মানুহৰ শ্ৰেষ্ঠত্ব নিহিত হৈ আছে। কাৰণ সময়ৰ সৈতে নিজকে আগবঢ়াই নিয়াৰ মানুহৰ যি চিৰন্তন প্ৰয়াস, সেই প্ৰয়াসত সকলো বাধাকে মানুহে অতিক্ৰম কৰি আহিছে।

—অঞ্জন দলে,
যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়,
ছাত্ৰাবাস নং ২, যোৰহাট

## আদিপাঠ

সত্যৰ সদায় জয়—এই বাক্যৰেই আৰম্ভ হয় হস্তাক্ষৰৰ আদিপাঠ। এইদৰে শিক্ষা লৈ অহা শিশুসকলৰ মাজৰ পৰাই পাছলৈ কোনোবা মন্ত্ৰী, কোনোবা মেডিকেল কলেজৰ অধ্যক্ষ, কোনোবা কাৰ্যালয় সহায়ক অথবা শ্ৰমজীৱী বনুৱা হয়। আমাৰ সমাজত শেষৰজনৰ মিথ্যাচাৰক মিছা, আৰু ক্ৰমানুসৰি ওপৰৰ সকলৰ মিথ্যাচাৰক ভুল, দৃষ্টিভ্ৰম (oversight), ডিপ্ল'মেছি আদি আখ্যা দিয়া হৈ থাকে।

বিলাত, আমেৰিকাৰ দৰে দেশতো এনেকুৱা নীতিবাক্যৰ প্ৰচলন আছে বুলি শুনো। কিন্তু সেইবোৰ দেশৰ হস্তাক্ষৰৰ আদিপাঠত ইয়াৰ স্থান আছে নে নাই নাজানো। কিন্তু বাতৰিত পাওঁ—সমাজৰ চকুত দোষণীয় কাম এটা কৰাৰ পাছত (পৰকীয়া প্ৰেমৰ দৰে একান্ত ব্যক্তিগত কাম হ'লেও) সেই বিষয়ে প্ৰশ্ন উঠিলে সেই দেশৰ মানুহে মূৰ থিয় কৰি 'হয়, কৰিছিলো' বুলি স্বীকাৰোক্তি দিয়াৰ সৎসাহস দেখুৱায়। সেই দোষ স্বীকাৰ কৰি (আনৰ দোষৰ নৈতিক দায়িত্ব স্বীকাৰ কৰিও) তেওঁলোকৰ মন্ত্ৰীয়ে মন্ত্ৰিত্ব এৰে; আমোলাই নিজৰ পদ এৰে। বিলাতী শিক্ষাৰে শিক্ষিত, বিলাতী আচৰণত অভ্যস্ত ভিনদেশী ব্যক্তিৰো এই গুণ থকাটোৱেই বাঞ্ছনীয়।

আমাৰ দেশত ইয়াৰ ওলোটাটোহে নিয়মত পৰিণত হৈছে। আমি সাধাৰণ নাগৰিকখিনিও এই বিষয়ে একো প্ৰতিক্ৰিয়া প্ৰকাশ নকৰাতহে অভ্যস্ত হৈ পৰিছোঁ। তথাপি একোটা সময় আহে—যেতিয়া সমাজৰ কোনো সম্মানিত ব্যক্তিয়ে মিথ্যাচাৰৰ পৰা উদ্ভূত সমস্যাৰ লগত নিজৰ সম্মানৰ প্ৰশ্ন জড়িত কৰি লৈ পৰোক্ষভাৱে হ'লেও দুখীয়া-নিছলা মানুহৰ যাতনাৰ (আনকি অসহায় ৰোগীৰ মৃত্যুৰো) বাবে দায়ী হৈ পৰে, তেতিয়া ইয়াৰ প্ৰতিবাদ নকৰাটো অত্যন্ত অন্যায় হয়।

মানুহৰ কথা দূৰতে থাওক, পশু-পক্ষীয়েও নিজ সন্তানৰ ওপৰত অত্যাচাৰ হোৱা দেখিলে তাৰ প্ৰতিবাদ সাব্যস্ত কৰিবলৈ জীৱনকো তুচ্ছ কৰি আগবাঢ়ি আহে।

স্বকীয় একাধিক গুণেৰে যি ব্যক্তি ইতিমধ্যেই সমাজৰ এক বিশিষ্ট আসনৰ অধিকাৰী, তেখেতৰ ক্ষণস্থায়ী চৰকাৰী পদমৰ্যাদাৰ কাঁইটীয়া আসনৰ প্ৰয়োজন নগণ্য। এক মনেসজা সম্মানবোধৰ ৰক্ষণাবেক্ষণৰ প্ৰচেষ্টাৰ ফলত হোৱা বিলম্ব যদি এজনো অসহায় মানুহৰ মৃত্যুৰ কাৰণ হয়, তেন্তে ধ্বংস হৈ যাব পাৰে আজীৱন সাধনাৰে তিলতিলকৈ আহৰণ কৰা সামাজিক স্বীকৃতি।

আশাৰ কথা এয়ে যে—যুগৰ বতাহে পুৰণি নীতিবাক্যক স্থানচ্যুত কৰিব নোৱাৰে। এতিয়াৰ শিশুৱে দ্বিতীয় পাঠত যদি অসত্যৰ সাময়িক জয় বুলি লিখিব লগীয়াও হয়, তথাপিতো প্ৰথম পাঠটো একেই থাকিব,—সত্যৰ সদায় জয়।

(অসমৰ মেডিকেল কলেজৰ সমস্যাৰ বিষয়ে আলোচনাকালত এক সচেতন, অগ্ৰজ ব্যক্তিয়ে প্ৰকাশ কৰা অভিমতেই এই চিঠিৰ প্ৰেৰণা। অৱশ্যে ইয়াৰ উত্তৰদায়িত্ব একান্তই এই পত্ৰলেখকৰ।)

—ড. গোবিন্দ দাস,
বঙাইগাঁও





# 'হিমাচলৰ আপেল আৰু অসমৰ চাহখেতি'

'হিমাচলৰ আপেল আৰু অসমৰ চাহখেতি' নামৰ প্ৰবন্ধটো (১৬।৮।৯২) পঢ়াৰ কাৰণে শ্ৰীভবেন বৰুৱাদেৱলৈ আমাৰ ধন্যবাদ জনালো। লগতে এই প্ৰসংগত তেখেতে তেখেতৰ বক্তব্য প্ৰকাশ কৰাৰ (১৬।৯।৯২) কাৰণে আমি আনন্দিত হৈছোঁ। তেখেতৰ মতামত পঢ়ি অৱশ্যে ভাব হ'ল যে মোৰ প্ৰবন্ধটোৰ মূল ভাব বুজাত তেখেতৰ অসুবিধা হ'ল। চাহ উদ্যোগে অসমৰ অৰ্থনীতিত আগবঢ়োৱা বৰঙণিৰ বিষয়ে পূৰ্বতে বহুতো আলোচনা হৈ যোৱা বুলিও আমি একেটা প্ৰবন্ধতে উল্লেখ কৰিছিলো। বিশেষ বৰঙণি যোগাব পৰা নাই বুলি কোৱাৰ ভাবটো আছিল চাহ উদ্যোগে অসমৰ অৰ্থনৈতিক দিশত যি অৱদান আগবঢ়াই আহিছে সেয়া উদ্যোগটোৰ বয়স আৰু বিশালতাৰ লগত বৰ খাপ খোৱা বিধৰ নহয় নেকি! অসমৰ থলুৱা লোকসকল নিজৰ দোষতে হওক বা আনৰ দোষতে হওক চাহ উদ্যোগৰ পৰা যিমান পৰিমাণে উপকৃত হ'ব লাগিছিল সিমান পৰিমাণে হোৱা নাই নেকি? এজন সাধাৰণ অসমীয়াৰ এনে উপলব্ধি ভ্ৰান্তিকৰ যেন লাগিলেও এনে ধাৰণা এটা যে অসমীয়া সমাজত আছে সেয়া অন্যটো বাদেই চৰকাৰীভাৱেও, কিছু পৰিমাণে হ'লেও স্বীকৃত; কিয়নো অসম চৰকাৰৰ মুখ্য সচিব পৰ্যায়ৰ লোকেও কৈছে: "Assam had always felt that its most important industry, tea, did not benefit the people of the state. The tea labour was underpaid and exploited. The managerial personnel and even a large number of clerical staff were recruited from outside the state. Most of the taxes went out to the central coffers. A major portion of the remaining taxes were mopped up by West Bengal. Even the small amount of sales tax on tea chests payable to the Government of Assam was avoided by plywood companies through the subterfuse of stock transfers by having their offices in Calcutta. Since the tea trade was concentrated in Calcutta, with tea companies, their Managing Agents and other connected organisations having their offices in that city, the employment in the corporate sector was also monopolised by people from West Bengal." (Das, H. N., IAS. Chairman, GTAC. Guwahati Tea Auction Centre :Challenge and Opportunity. Golden Jubilee Souvenir, ATPA. Jorhat. 1986. pp. 23)

গতিকে চাহ উদ্যোগটো যেতিয়ালৈকে অসমৰ বাহিৰৰ লোকৰ একচেটিয়া সম্পত্তি হৈ থাকিব, তেতিয়ালৈকে ইয়াত ঔপনিবেশিকতাৰ গোন্ধ এটা থাকিবই। আমি উল্লেখ কৰিছিলোয়েই যে অসমৰ চাহ বাগিচাবোৰত কাম কৰিবলৈ ইংৰাজসকলে নানা উপায়েৰে বাহিৰৰ পৰা বনুৱা আনিছিল। পিছে স্বাধীনতাৰ ইমান বছৰৰ পাছতো একোখন বিদেশী ৰাষ্ট্ৰৰ পৰা আহি থিতাপি লৈ অসমীয়া হোৱাৰ যোগ্যতা লাভ কৰা এইখন প্ৰদেশত এশ-ডেৰশ বছৰৰ আগেয়েই ভাৰতৰে অন্যান্য প্ৰদেশৰ পৰা আহি বাস কৰা চাহ বাগিচাৰ শ্ৰমিকখিনি অসমীয়া নোহোৱাৰ প্ৰশ্নই নুঠে। কিন্তু তেতিয়াৰে পৰা লাহে-লাহে কিছু অসমীয়া মানুহেও যদি এই বাগিচাবোৰত কাম কৰিবলৈ সোমালহেঁতেন, তেতিয়াহ'লে হয়তো আজিকালি নিবনুৱা হৈ হতাশাত ভোগা বহুতো অসমীয়া গাঁৱৰ যুবকে হাতত অস্ত্ৰ তুলি নলৈ চাহবাগিচাৰ সেউজীয়া পাত তুলিলেহেঁতেন।

অসমত চাহ উদ্যোগেই ৰাস্তাঘাট, ৰেলপথ, বায়ুপথৰ আৰম্ভণি কৰাটো হয়। পিছে অসমৰ বেছিভাগ মুখ্য চহৰে ঢুকি নোপোৱা এই ৰেলৰ আলিটো ব্ৰডগজলৈ ৰূপান্তৰিত কৰিবলৈ আৰু লগতে তাৰ অৱস্থা উন্নত কৰিবলৈ ডেৰশ বছৰীয়া আৰু কোটি টকীয়া চাহ উদ্যোগে এবাৰমান হুলস্থুল লগোৱা হ'লেও অসমৰ ৰাইজে ধন্য মানিলেহেঁতেন। অসমৰ বাহিৰতে থকা চাহবাগিচাৰ মালিকসকলে বাগিচা চাবলৈ সদায় উৰাজাহাজতে অসমলৈ অহা যোৱা কৰে; কিন্তু অসমলৈ অহা উৰণকেইটাৰ নিয়মানুবৰ্তিতা আৰু অসমৰ এয়াৰপ'ৰ্টকেইটাৰ অৱস্থা আজিও পুতৌলগা। একে সময়তে অসমত থকা চাহ কোম্পানিৰ নিজা উৰাজাহাজ আৰু নিজা এয়াৰফিল্ড ৰখাৰ সামৰ্থ্য থকাৰ নজিৰ আছে। অসমত থকা প্ৰায় চাৰে সাত শখন চাহবাগিচাই যদি প্ৰত্যেকৰে কেউকাষে থকা দুই বা চাৰিখনকৈ গাঁৱত খেতি-বাতি, পঢ়া-শুনা বা পানী যোগানৰ ক্ষেত্ৰতে কিছু পৰিমাণে নিজকে জড়িত কৰি নিজৰ সামৰ্থ্য অনুসৰি সা-সুবিধা দি আহিলেহেঁতেন, তেনেহ'লে চাহউদ্যোগে নিজকে আজি অসমীয়া সমাজত আচুতীয়া অৱস্থাত আবিষ্কাৰ কৰি, দেশৰ পৰিস্থিতিসাপেক্ষে হঠাতে ঢাক-ঢোল বজাই বিদ্যালয়, মহাবিদ্যালয়, অনুষ্ঠান-প্ৰতিষ্ঠানলৈ দান-বৰঙণি দিয়া, উচ্চ শিক্ষাৰ্থে উদগণিমূলক বৃত্তি প্ৰদান কৰা, ফুটবল একাডেমি খোলা ইত্যাদি জনহিতকৰ কাম কৰিবলৈ খদমদম লগাব লগা অৱস্থা এটা নহ'লহেঁতেন। অৱশ্যে অসমৰ বিভিন্ন ঠাইত, বিভিন্ন সময়ত সামাজিক কামত দান-বৰঙণি আগবঢ়াই অহা মুষ্টিমেয় চাহখেতিয়ক বা চাহ কোম্পানি এই বিষয়ত ব্যতিক্ৰম।

আনহাতে, চাহৰ এই বৃহৎ উদ্যোগটো ডেৰশ বছৰৰ পৰা যেতিয়া অসমত গঢ়ি উঠিছে, তেনে ক্ষেত্ৰত ইয়াত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে নিয়োগৰ সুবিধা ওলাবই আৰু শ্ৰীবৰুৱাদেৱে তেখেতৰ চিঠিত পাঁচবাৰকৈ উল্লেখ কৰা "লক্ষ লক্ষ" মানুহখিনি নোহোৱাকৈ উদ্যোগটো চলাৰ প্ৰশ্নই নুঠে।

কিন্তু এই বহু লক্ষ লোকৰ কিমান শতাংশ থলুৱা লোক এই কথাটোতহে আমি গুৰুত্ব দিবলৈ বিচাৰিছিলো আৰু তাকো হিমাচলৰ আপেল খেতিৰ লগত তুলনামূলক প্ৰসংগত।

অসমৰ অৰ্থনীতিত চাহ উদ্যোগৰ ভূমিকা লেখত লবলগীয়া হ'লহেঁতেন, যদিহে এই উদ্যোগৰ পৰা অহা লাভৰ অংশ পুনৰ অসমতে বিনিয়োগ কৰা হ'লহেঁতেন। অসমৰ ডাঙৰ-ডাঙৰ চাহ বাগিচাসমূহৰ মালিক, যেনে—উইলিয়ামছন মেগৰ, টাটা, আসাম ব্ৰুক, বিৰলা, ৱাৰেন, জকাই ইত্যাদিৰ কিমানে অসমত চাহৰ টকাৰে অন্যান্য উদ্যোগ প্ৰতিষ্ঠা কৰিছে? কিন্তু ভাৰতবৰ্ষৰ অন্যান্য প্ৰদেশত এওঁলোকেই বিশাল পৰিমাণৰ ধনৰে বেলেগ-বেলেগ উদ্যোগ গঢ়ি তোলা নাইনে? চাহ উদ্যোগক অকলে বছৰি প্ৰয়োজন হোৱা বৃহৎ পৰিমাণৰ সাৰ, ঔষধ, কোটি টকাৰ যন্ত্ৰ-পাতি, শ্ৰমিকৰ কাৰণে লগা ছাতি, কম্বলকে ধৰি বিভিন্ন উপাদানবোৰ প্ৰস্তুত কৰা উদ্যোগ-প্ৰতিষ্ঠানৰ কিমান এই ৰাজ্যত অৱস্থিত? অসমৰ মাটিত থকা চাহবাগিচাৰ ধনেৰে চালিত চাহকোম্পানিবোৰৰ মুখ্য কাৰ্যালয়বোৰ আৰু লগতে চাহ-উদ্যোগৰ স্বাৰ্থৰ কাৰণেই স্থাপিত ভাৰতীয় চাহ পৰিষদৰ মুখ্য কাৰ্যালয়টো ভাৰতবৰ্ষৰ মুঠ উৎপাদনৰ আধাতকৈও বেছি চাহ উৎপন্নকাৰী প্ৰদেশখনতে স্থাপিত হোৱা হ'লে এই কাৰ্যালয়বোৰ আৰু তাৰ লগত পৰোক্ষভাৱে জড়িত হাজাৰ-হাজাৰ লোকৰ মাজত কেইজনমান অসমীয়া কথা কোৱা মানুহো লগ পোৱা গ'লহেঁতেন নেকি? শ্ৰীবৰুৱাদেৱৰ চিঠি প্ৰকাশ হোৱা প্ৰান্তিকৰ পাততে (পৃ. ১৬) ড. অজিৎ নেওগদেৱে একে ধৰণৰ মন্তব্য প্ৰকাশ কৰি কৈছে, "চাহ উদ্যোগৰ ক্ষেত্ৰত ১৮৫০ চনৰ পাছৰ দশকতে মণিৰাম দেৱানে আৰু পাছলৈ জনদিয়েক অসমীয়াই উদ্যোগপতি বুলি প্ৰমাণ দিছিল যদিও, অন্য উদ্যোগত বিনিয়োগ নঘটাত উদ্যোগীকৰণৰ এক সোণালী সুযোগ অসমে হেৰুৱালে।"

আজি পৃথিৱীৰ ভিতৰতে ডাঙৰ হোৱাৰ খ্যাতি আৰ্জন কৰা গুৱাহাটীৰ ছি. টি. ছি. চাহৰ বজাৰখন অসমত পাতিবলৈ লওঁতে সম্মুখীন হোৱা বাধা-বিঘিনিখিনিৰ কথা কাৰো অবিদিত নহয়। ভাৰতৰ আটাইতকৈ সৰহ চাহপাত উৎপাদন কৰা অসমত চাহৰ নিলাম বজাৰখন প্ৰতিষ্ঠা কৰা হয় ১৯৭০ চনত। এনে নিলাম বজাৰ ইয়াৰ বহু আগেয়েই, কলিকাতাত ১৮৬১ চনত, কোচিনত ১৯৪৭ চনত, কুন্নুৰত ১৯৬৩ চনত আৰু অমৃতসৰত ১৯৬৪ চনতে প্ৰতিষ্ঠা কৰা হয়। আনকি এতিয়াও অসমৰ বাগিচাৰ গুণবিশিষ্ট অৰ্থডক্স (orthodox) চাহপাত গুৱাহাটীৰ সলনি অসমৰ বাহিৰৰ বজাৰত সৰহ পৰিমাণে বিক্ৰি হৈ আছে। যি সময়ত গুৱাহাটীৰ বজাৰত মাত্ৰ তিনি নিযুত কিল'গ্ৰাম অৰ্থডক্স চাহ বিক্ৰিৰ কাৰণে দিয়া হৈছে, সেইসময়তে কলিকাতাৰ বজাৰত ৪৯ নিযুত কি. গ্ৰা. অসমৰ অৰ্থডক্স চাহপাত নিলাম কৰা হৈছে। গুৱাহাটীৰ নিলাম বজাৰখনক কেন্দ্ৰ কৰি গঢ়ি উঠা ব্ৰকাৰ হাউছ (Brokers), গুদামঘৰ (Warehouse), চাহ

পৰিবহন ব্যৱস্থা (Transport), নিলাম বজাৰৰ ক্ৰেতা (Buyers), আনকি গুদামঘৰ বা I. C. D. ত চাহৰ বাকচ উঠোৱা-নমোৱা কৰা শ্ৰমিকৰ পৰা আদি কৰি বিভিন্নক্ষেত্ৰত জড়িত লক্ষ লক্ষ মানুহৰ মাজত থলুৱা লোকৰ অংশ কিমান ? অৱশ্যে চাহ উদ্যোগে যে সকলোকে মাতি আনি সা-সুবিধা দিব সেয়া নহয়, অসমীয়াই নিজেই নিজৰ অধিকাৰ সাব্যস্ত কৰিব জানিব লাগিব।

ড. অঞ্জন বৰুৱাৰ মতে, অসমৰ চাহে অসম আৰু অসমীয়াৰ যিমান উপকাৰ কৰিব লাগিছিল সিমান উপকাৰ কেন্দ্ৰীয় অৰ্থনীতি আৰু ৰাজনীতিৰ কাৰণে কৰিব পৰা নাই। পূৰ্বতে এই বাগিচাবোৰৰ সৰহ সংখ্যক মালিকেই বৃটিছ কোম্পানিৰ অধীনত আছিল; কিন্তু বাগিচাবোৰ ভাৰতীয় পুঁজিপতিসকলৰ হাতলৈ অহাত তেওঁলোকে বাগিচাৰ পৰা হোৱা আৰ্থিক লাভৰ বাহিৰে ৰাজ্যখনৰ সামগ্ৰিক স্বাৰ্থৰ বিষয়ে অকণো চিন্তা নকৰে। (বিশ্ববন্দিত চাহশিল্প, ১৯৯১, পৃ. ১৪২-১৪৩)। তদুপৰি তেখেতে উল্লেখ কৰিছে যে চাহশিল্পৰ পৰা অসম চৰকাৰৰ আয় কিমান হয় সেয়াও বৰ স্পষ্ট নহয়। কিয়নো ১৯৭৮ চনত খোদ অসম চৰকাৰে ৭ম বিত্তীয় আয়োগক হেনো এখন আবেদনত এনে ধৰণে কৈছে ঃ"The economic structure of Assam is such that most of the resources (of Assam) accrue to the centre. Out of a total revenue yield of about Rs. 137 crores from Assam tea, about Rs. 118 crores or 86 percent is derived by the centre by way of taxes and duties while only Rs. 19 crores or 14 per cent is derived by the State Government." আনহাতে অসম চৰকাৰে কৃষি আয়কৰ হিচাপে চাহৰ উৎপাদনৰ লগত সংগতি ৰাখি প্ৰকৃততে কিমান আয় কৰে বুজা টান।অসমত চাহৰ উৎপাদন আৰু আনহাতে চৰকাৰে চাহৰ পৰা পোৱা কৃষি আয়কৰ এনে ধৰণৰ ঃ চাহৰ উৎপাদন—৩৫৩ নিযুত কি.গ্ৰা., আয়কৰ—৬০-৬১ কোটি টকা (১৯৮৫-৮৬); উৎপাদন—৩৩৬ নি. কি. গ্ৰা., আয়কৰ ৬২ কোটি টকা (১৯৮৬-৮৭); উৎপাদন—৩৬৯ নি. কি. গ্ৰা., আয়কৰ ২৫·৮৮ কোটি টকা (১৯৮৭-৮৮); উৎপাদন—৩৭৫ নি. কি. গ্ৰা., আয়কৰ ২৬·৯৮ কোটি টকা (১৯৮৮-৮৯) (ড. ভুবন বৰুৱা, চাহ উদ্যোগে অসমৰ ৰাজকোষলৈ কি দিছে? দৈনিক জনমভূমি, ২৮।৭।৯০)। আকৌ, অসমৰ চাহ উদ্যোগে বছৰি ২০০০ কোটি টকা আয় কৰে যদিও অসম চৰকাৰৰ ৰাজকোষলৈ এই উদ্যোগে বছৰি প্ৰায় ৭৫ কোটি টকাহে যোগান ধৰিব পাৰে। (সম্পাদকীয়, দৈনিক জনমভূমি, ১৭।১০।৯২)।

আমি ভাবোঁ চাহ উদ্যোগে গঢ়া ভেটিটো অসমতে আছে বুলি অকল জহাই থকাতকৈ সেই ভেটিৰ ওপৰত গঢ় লৈ উঠা আশ্ৰয় স্থলত যিমানে হয় সিমানে বেছি সংখ্যক অসমীয়াই নিৰাপদ স্থান উলিয়াই লওক। লগতে আমি কি লিখিলো, শ্ৰীবৰুৱাদেৱে কি বক্তব্য আগ বঢ়ালে, তাতকৈ প্ৰয়োজনীয় কথা হ'ল চাহকে লৈ যদি এই প্ৰদেশখন পৃথিৱীবিখ্যাত হ'ব পাৰে, তেন্তে চাহৰ ওপৰতে এই ৰাজ্যৰ থলুৱা লোক কিছুমানো বিখ্যাত হওক ; তাকে দেখি আন দহজনেও অনুপ্ৰাণিত হৈ চাহৰ টকাৰেই অসমক উদ্যোগমুখী কৰি গঢ়ি তোলাত সহায় কৰক। আজি অসমৰ অৱস্থা বিহাৰ ৰাজ্যৰ সৈতে তুলনা কৰিব পাৰি। বিহাৰেও ভাৰতবৰ্ষৰ ভিতৰতে এখন উদ্যোগপ্ৰধান ৰাজ্য হিচাপে গঢ় লৈ উঠিছে; কিন্তু বিহাৰৰ জনগণ আজিও ভাৰতবৰ্ষৰ ভিতৰতে দুখীয়া হৈ আছে। ইয়াৰ কাৰণ,—এই বৃহৎ উদ্যোগবোৰৰ লাভৰ অংশ বিহাৰৰ সাধাৰণ জনগণৰ উন্নতিৰ কাৰণে বিনিয়োগ কৰা হোৱা নাই। শেষত আমি ক'ব খুজিছোঁ যে শ্ৰীবৰুৱাই ক'বৰ দৰে কাকো বিভ্ৰান্ত কৰিবলৈ আমি একো লিখা নাছিলো ; মাথোঁ দুখন ভিন্ন প্ৰদেশৰ দুটা ভিন্ন খেতিৰ অৱিহণাহে তুলনা কৰাৰ চেষ্টা কৰিছিলো। আমি আশা ৰাখিছোঁ, শ্ৰীবৰুৱাদেৱে আমি লিখা তথ্য আৰু যুক্তিহীন কথাবোৰ শুধৰাই ৰাইজক উপকৃত কৰিব পাৰিব আৰু একেসময়তে আজিকালি অসমৰ বহুতো সংগঠনে চাহ বাগিচাৰ মালিকসকলৰ প্ৰতি কৰি অহা আন-আন দাবীবোৰৰ ক্ষেত্ৰতো উপযুক্ত সমাধানৰ পথ সুগম কৰি তুলিব।

—ড. সুভাষ চন্দ্ৰ বৰুৱা,

**'অসমৰ চাহ উদ্যোগৰ প্ৰসংগত'**

শ্ৰীভবেন বৰুৱা দেৱৰ উক্ত শিৰোনামাৰ (১৬।৯।৯২) পঢ়িলো। চিঠিখনত তেখেতে শ্ৰীকনকসেন ডেকাৰ কিতাপখনৰ নাম 'নতুন পুৰুষে যুক্তিৰ আধাৰত নতুন পুৰুষ গঢ়ক' বুলি উল্লেখ কৰিছে। প্ৰকৃততে কিতাপখনৰ নাম 'নতুন পুৰুষে যুক্তিৰ আধাৰত নতুন সমাজ গঢ়ক'হে হ'ব লাগিছিল। আকৌ, তেখেতে উদ্ধৃত কৰা এটা দফাৰ ('চাহ উদ্যোগৰ ... ') পৃষ্ঠা সংখ্যা ৬৫হে হ'ব, ৫৪ নহয়।

—দেৱেন্দ্ৰ নাথ বৰ্মন,
ছয়মাইল, গুৱাহাটী

**'বোৰ্খা প্ৰটেকশ্যন কমিটি'**

বাহনা মহাবিদ্যালয়ৰ প্ৰবক্তা মোঃ ৰফিক আহমেদে 'বোৰ্খা প্ৰটেকশ্যন কমিটি'ক সমালোচনা কৰা বাবে (১৬।৪। ৯২) হালাকুৰাৰ (ধুবুৰীৰ) মুছলিম উদ্দিন আহামদে ক্ৰোধান্বিত হৈ এখন চিঠিৰে (১৬।৯২) উক্ত প্ৰবক্তাজনক নানা প্ৰশ্নবাণেৰে থকা-সৰকা কৰা দেখা গৈছে। এই চিঠিখন পঢ়ি উঠাৰ পাছত কেইটামান প্ৰশ্ন মোৰ মনত উদয় হৈছে।

(১) ইছলাম ধৰ্মত ব্যক্তিগত মতামত প্ৰকাশ কৰাৰ অধিকাৰ নাই নেকি? (ধৰ্ম সংক্ৰান্ত)

(২) ইছলাম ধৰ্মৰ মূল গ্ৰন্থ পবিত্ৰ কোৰান আৰু হদিছৰ বাণী সম্পৰ্কে কোনো ধৰণৰ প্ৰশ্ন কৰা নচলিব নেকি?

(৩) নাৰীৰ বাবে পৰ্দা স্বয়ং সৃষ্টিকৰ্তাই কোৰানৰ দ্বাৰা অত্যাৱশকীয় (ফৰজ) কৰিছে নেকি?

(৪) ধৰ্ম মানৱতাৰ বহুত উৰ্দ্ধত নেকি?

মই যিমানদূৰ জানো, মানুহৰ বাবেহে ধৰ্ম, ধৰ্মৰ বাবে মানুহ নহয়। সেয়ে, সময়ে-সময়ে জ্ঞানী-গুণী-চিন্তাশীল ব্যক্তিসকলে মানুহৰ কল্যাণৰ বাবে ধৰ্ম-গ্ৰন্থসমূহৰ আধাৰত ধৰ্মীয় ৰীতি-নীতিবিলাকৰ নৱ মূল্যায়ন কৰে। ফলত একেটা ধৰ্মৰ ভিতৰতেই নতুন-নতুন ধৰ্মমত বা শাখা-প্ৰশাখাৰ সৃষ্টি হয়। উদাহৰণ স্বৰূপে, আনুমানিক অষ্টম শতাব্দীত মৌলানা জালাল উদ্দিন ৰুমিৰ নেতৃত্বত এদল চিন্তাশীল ধৰ্মগুৰুৱে ইছলাম ধৰ্মত 'চুফিবাদ'ৰ জন্ম দিয়ে।

গতিকে ইছলাম ধৰ্মত ধৰ্ম সংক্ৰান্ত বিষয়ত ব্যক্তিগত মতামত প্ৰকাশ কৰাৰ অধিকাৰ নাই বুলি কোৱা কথাখিনি তেনেই অবান্তৰ।

দ্বিতীয়তে, পবিত্ৰ কোৰানৰ দৰে জটিল, দুৰ্বোধ্য, দ্ব্যৰ্থবোধক আৰু আধ্যাত্মিক চৰিত্ৰসম্পন্ন গ্ৰন্থখন ব্যাখ্যা কৰোঁতাসকল একো-একোজন ধৰ্ম ক্ষেত্ৰত পাণ্ডিত্য অৰ্জন কৰা বিশেষ ব্যক্তিহে, কোনো স্বৰ্গীয় দুত নহয়। গতিকে, তেওঁলোকে এই ধৰ্মগ্ৰন্থখন ব্যাখ্যা কৰোঁতে সেই ব্যাখ্যাত অজানিতভাৱে হ'লেও তেওঁলোকৰ ব্যক্তিগত মত সোমাই যোৱাটো অসম্ভৱ নহয়। আনহাতে তেওঁলোকে তেওঁলোকৰ ব্যাখ্যা সঠিক আৰু অভ্ৰান্ত বুলি আমাক সম্পূৰ্ণ ৰূপে পতিয়ন নিব পাৰিব নে? তদুপৰি, মূল আৰবীভাষাত লিখা ধৰ্মগ্ৰন্থখন পৃথিৱীৰ আইন-আইন ভাষালৈ অনুবাদ কৰোঁতে মূলৰ কথাখিনি ভাষাগত কাৰণতো হুবহুভাৱে একে ৰখা সম্ভৱ নহ'ব পাৰে। হদিছবিলাকৰ ক্ষেত্ৰত এইবোৰ কথা আৰু বেছি প্ৰযোজ্য। তেনেক্ষেত্ৰত, যুগে-যুগে সচেতন ব্যক্তিমাত্ৰেই ধৰ্মগ্ৰন্থসমূহৰ নানা বাণী সম্পৰ্কে নানা ধৰণৰ প্ৰশ্নৰ অৱতাৰণা কৰা দেখা যায়। তাৰ বাবে, মুছলিম উদ্দিন আহমদে বিচৰামতে ৰফিক আহমেদ ধৰ্মান্তৰিত হোৱাৰ প্ৰশ্নই উঠিব নোৱাৰে।

সেয়ে, পৰ্দা প্ৰথা সম্পৰ্কেও নানা প্ৰশ্নৰ অৱতাৰণা হোৱা তেনেই স্বাভাৱিক। তুৰস্কৰ আতাতুৰ্ক মোস্তাফা কামাল পাছাই কেতিয়াবাই আইন কৰি তুৰস্কত পৰ্দাপ্ৰথা উঠাই দিয়ে। কাৰণ, তেওঁৰ মতে পবিত্ৰ কোৰানৰ ক'তো পৰ্দাপ্ৰথা সম্পৰ্কে কোনো কঠোৰ নিৰ্দেশ নাই। সেয়ে, যুগৰ প্ৰয়োজনতেই 'পৰ্দাপ্ৰথা'ৰ কঠোৰতা শিথিল হ'বলৈ বাধ্য। পত্ৰলেখকে কোৱা মতে, ধৰ্ম মানৱতাৰ উৰ্দ্ধত নহয়। মানৱতাক অৱলম্বন কৰি গঢ়ি উঠা ধৰ্মইহে প্ৰকাৰান্তৰে মানৱ জীৱনৰ সৰ্বাংগীন মংগল সাধন কৰিব পাৰে। এই উচ্চ, মহৎ আদৰ্শৰ পৰা বিচ্যুত হোৱাৰ বাবেই যুগে-যুগে কোনো বিশেষ ধৰ্মৰ পতন ঘটে, আকৌ নতুন নতুন ধৰ্মৰ জন্ম হয়।

—নাছিৰ উদ্দিন আহমেদ,
বিষয় শিক্ষক,
জলেশ্বৰ উচ্চতৰ মাধ্যমিক মিদ্যালয়





# একত্ৰীকৰণ নাটকৰ দ্বিতীয় অংক

**ৰবীন্দ্ৰ নাথ বৰুৱা**

কেইমাহমান আগতে পৰা অসমৰ দুটা মুখ্য আঞ্চলিক ৰাজনৈতিক দল,—অসম গণ পৰিষদ (অগপ) আৰু নতুন অসম গণ পৰিষদৰ (ন অগপ) একত্ৰীকৰণ সম্পৰ্কে ভালেখিনি আলোচনা-বিলোচনা হৈ গৈছে আৰু এই কথালৈ ৰাইজেও বহুতো চিন্তা-চৰ্চা কৰা দেখা গৈছিল। অক্টোবৰৰ ১৪ তাৰিখৰ আগতে এই বিষয়ে এখন চুক্তি সম্পাদন কৰা হ'ব বুলিও বাতৰি ওলাইছিল যাতে সেইদিনা অৰ্থাৎ অগপ দলৰ সাত বছৰ পূৰ্ণ হোৱাৰ দিনাই ঢাক-ঢোল বজাই একত্ৰীকৰণ হ'ল বুলি ঘোষণা কৰিব পৰা যায়। কিন্তু মুৰকত সেইটো হৈ নুঠিলগৈ। একত্ৰীকৰণত কোনে বিধি-পথালি দিলে সেয়া এতিয়া বহুতেই জানে, যদিও কাকতে পত্ৰই দোষী কেইজনলৈ পোনপটীয়াভাৱে আঙুলি দেখুৱাবলৈ কোনেও ভাল পোৱা নাই।

ৰাইজৰ মনত, বিশেষকৈ অসমীয়া মানুহখিনিৰ মাজত, এটা কথা বৰকৈ উদয় হয়। এই দুটা আঞ্চলিক দল এসময়ত এটা আছিল আৰু অসমীয়া মানুহে চলোৱা সুদীৰ্ঘ ছবছৰীয়া আন্দোলনৰ ফলস্বৰূপে আঞ্চলিক আশা-আকাংক্ষা পূৰণৰ হেতু অগপ গঠন কৰা হৈছিল। ৰাইজেও এই দলটোৰ প্ৰতি পূৰ্ণ সমৰ্থন আৰু সহযোগ আগবঢ়ালে। তাৰ বলতে ১৯৮৫ চনৰ নিৰ্বাচনত নিৰংকুশ সংখ্যাগৰিষ্ঠতাৰে দলটোৱে ৰাজ্যত ক্ষমতা অধিকাৰ কৰিবলৈ সমৰ্থ হয়। কিন্তু তাৰ পাছৰ পাঁচ বছৰত এই দলটোৰ কাৰ্য-কলাপত অসমীয়া মানুহখিনি বিতুষ্ট হোৱা দেখা গৈছিল। প্ৰথমতে ক্ষমতাধিষ্ঠ অগপ চৰকাৰৰ কাৰ্যত অসন্তুষ্টি, পাছত হতাশা হ'বলৈ ধৰিলে। নতুন অসম গঢ়াৰ সপোন কেতিয়াবাই পৰিত্যাগ কৰিলে। শেষচোৱাত অসমীয়া মানুহৰ আশা-আকাংক্ষাত মাধ-মাৰ শোধাই অগপ চিধা-চিধিকৈ ফালি দুফাল হ'ল। পৰিণতি হিচাপে ১৯৯১ চনৰ নিৰ্বাচনত দুয়োটা আঞ্চলিক দলৰ পৰাজয় আৰু ই-কংগ্ৰেছ সগৌৰৱে ক্ষমতাধিষ্ঠ।

অসম এখন বহু-ভাষী, বহু-গোষ্ঠীৰ ৰাজ্য। ইয়াত ভাষাভিত্তিক, ধৰ্মভিত্তিক বা গোষ্ঠীভিত্তিক ৰাজনৈতিক দল এটাই অকলে ক্ষমতালৈ অহা টান। এই কথা কাৰো নজনা নহয় যে অগপ আঞ্চলিক দল হ'লেও ই মূলতঃ ভাষাভিত্তিক। তথাপি ৰাজনৈতিক আৱশ্যকতাৰ তাড়নাত অন্যভাষী লোক আৰু জনজাতীয় লোক বহুতেই অগপত যোগ দিছিল। অসমৰ সমস্যাৰাজিলৈ কেন্দ্ৰীয় চৰকাৰৰ আওকণীয়া মনোভাব আৰু অৱহেলাৰ পৰিপ্ৰেক্ষিতত বহুতেই অগপক সমৰ্থন জনালে এইটো আশাৰে যে অসমৰ যুব-শক্তিয়ে কিবা এটা কৰি দেখুৱাব। কিন্তু গালো-বালো খোলাকটিৰ তাল হ'ল। একমাত্ৰ ৰাজনৈতিক আঞ্চলিক দল হিচাপে অগপই সকলো দিশৰ পৰা সহায়, সহযোগ আৰু সমৰ্থন পাই ক্ষমতালৈ আহিল। অসমত সৰ্ব-ভাৰতীয় দল আটাইকেইটাৰ উপৰিও আন কেইবাটাও দলে নিৰ্বাচনত অংশ গ্ৰহণ কৰি আহিছে। কিন্তু ১৯৮৫ চনত অসমীয়া মানুহৰ দ্বাৰা বহলভাৱে সমৰ্থিত একমাত্ৰ আঞ্চলিক দল অগপই অসাধ্য সাধন কৰি দেখুৱালে। কিন্তু এটা কথা অগপৰ নেতাসকলে পাহৰি গ'ল যে অসমত এটা—মাত্ৰ এটা— আঞ্চলিক দলৰহে স্থান আছে। দৰাচলতে ভাৰতীয় জাতীয়তাবাদৰ দ্বাৰা অনুপ্ৰাণিত সমগ্ৰ দেশৰে ৰাজ্যসমূহত ঘাইকৈ এটা আঞ্চলিক দলৰহে স্থান থাকে, যেনেকৈ তামিলনাডুত এবাৰ ডি. এম. কে, আকৌ এবাৰ আন্না ডি. এম. কে, অন্ধ্ৰ প্ৰদেশত তেলুগু দেশম, পঞ্জাবত আকালি দল, ছিকিমত ছিকিম সংগ্ৰাম পৰিষদ, মেঘালয়ত এসময়ত থকা দৰে এ. পি. এইচ. এল. চি। যিহেতু আঞ্চলিক দলে সৰ্ব-ভাৰতীয় কেইবাটাও দল, যেনে,—কংগ্ৰেছ, জনতা, চি. পি. এম, বিজেপি ইত্যাদিৰ লগত প্ৰতিযোগিতা কৰিব লগীয়া হয়, এটা দল হ'লে জয়ৰ সম্ভাৱনা বেছি হয়। অসমত আঞ্চলিক দলৰ প্ৰতিপত্তি আন বহুতো ৰাজ্যতকৈ কম,কাৰণ অসমত কেৱল অসমীয়া মানুহখিনি বৰ্তমান সংখ্যালঘুত পৰিণত হৈছে আৰু এওঁলোকৰ সমৰ্থনত মাত্ৰ এটা দলেহে গা কৰি উঠিব পাৰে। এই অতি সহজ সত্যটো উপলব্ধি কৰিব নোৱাৰি একালৰ অগপ দলৰ নেতাসকলে বিভাজন আনি নিজৰ ভৰিতে কুঠাৰেৰে ঘপিয়ালে।

ইমানখিনি কথা সকলোৱে জানে। অগপ নাইবা ন অগপৰ নেতাসকলে নজনাৰ কোনো কাৰণ নাই। কিন্তু তথাপি এটা দলেও নিজৰ গোঁৱাৰ্মি এৰিব খোজা নাই। আজি চাৰি মাহে দলৰ নেতৃবৃন্দই এটা সন্মিলনৰ সূত্ৰ উলিয়াব নোৱাৰাটো দুখৰ কথা। শেহতীয়াকৈ বাতৰি ওলাইছে যে ন অগপৰ প্ৰতিনিধিসকলে কেইটামান কঠিন চৰ্ত আৰোপ কৰিছে, যিকেইটা অগপৰ গ্ৰহণযোগ্য হোৱাৰ আশা কম। ৫ ডিচেম্বৰত ন অগপৰ কাৰ্যনিৰ্বাহক সমিতিৰ এখন সভাত হেনো প্ৰস্তাৱ গ্ৰহণ কৰা হয় যে একত্ৰীকৰণৰ পাছত ন অগপৰ এজন নেতা সভাপতি হ'ব লাগিব। তদুপৰি একত্ৰিত দলৰ সংবিধানৰ খচৰা আগতে প্ৰস্তুত কৰি কাৰ্যনিৰ্বাহক সমিতিত উত্থাপিত হ'ব লাগিব আৰু গৃহীত হ'ব লাগিব।

ন অগপৰ চৰ্তকেইটা দেখিলে মনে ধৰে যে এই দলটো যেন বেছি শক্তিশালী, কিন্তু দৰাচলতে সেইটো নহয়। ১৯৯১ চনৰ নিৰ্বাচনত অগপ দলে ১৯খন আসন দখল কৰিবলৈ সমৰ্থ হয় আৰু তাৰ বিপৰীতে ন অগপ দলে পায় মাত্ৰ পাঁচখন আসন। আনকি ন অগপ দলৰ সভাপতি শ্ৰীপুলকেশ বৰুৱায়ো পৰাজয় বৰণ কৰিব লগীয়া হয়। শ্ৰীবৰুৱাই আৰম্ভণিৰে পৰা একত্ৰীকৰণত জোৰ দি আছে বুলি জানো। আনহাতে অগপৰ সভাপতি শ্ৰীপ্ৰফুল্ল চলিহাও একত্ৰীকৰণৰ বাবে উঠি পৰি লাগি আছে। কিন্তু বিধিপথালি দিছে হেনো ন অগপৰ দুজন নেতা আৰু অগপৰ এজন নেতাই। এই কেইজন নেতাৰ মাজত, বিশেষকৈ ন অগপৰ এজন আৰু অগপৰ নেতাজনৰ মাজত, আগৰপৰাই বুজাবুজিৰ অভাৱ বুলি সকলোৱে জানে। কিন্তু একত্ৰীকৰণত হেঙাৰ হোৱা ক্ষেত্ৰত দুয়োৰে একে স্বাৰ্থ যেন দেখা গৈছে।

কিয় এনে হ'বলৈ পাইছে বুলি এজন সংশ্লিষ্ট ব্যক্তিক সোধোঁতে উত্তৰ পালো যে সকলো নেতৃত্বৰ বাবে। বৰ্তমানে অগপৰ সভাপতি হ'ল শ্ৰীপ্ৰফুল্ল চলিহা আৰু ন অগপৰ হ'ল শ্ৰীপুলকেশ বৰুৱা। যদি এওঁলোক দুজনৰ সভাপতিত্বৰ কালতে একত্ৰীকৰণ অধ্যায়টো শেষ হয় তেনেহ'লে এওঁলোক দুজনৰে এজনে হয়তো একত্ৰিত দলৰ সভাপতিৰ বাবটোৰ বাবে দাবী কৰিব। সেইটো উপৰিউক্ত তিনিগৰাকী অগপ, ন অগপ নেতাই নিবিচাৰে। এওঁলোকে হয়তো ভাবে দলৰ নেতৃত্ব দিবলৈ তেওঁলোকতকৈ উপযুক্ত আন থাকিব নোৱাৰে।

এইখিনিতে ১৯৮৫ চনত অগপ গঠন হোৱাৰ সময়ৰ টনা-আঁজোৰাৰ পুনৰাবৃত্তি হ'বলৈ ওলাইছে। অসম চুক্তিৰ পাছতে সদৌ অসম ছাত্ৰসংস্থাৰ ভাবমূৰ্তি ইমান ওপৰলৈ উঠিল যে তেওঁলোকে সহযোগী গণ সংগ্ৰাম পৰিষদৰ গোটেকেইটাক বাদ দিবলৈ চেষ্টা কৰিছিল বুলি বিশ্বস্তসূত্ৰে জানিব পাৰিছোঁ। অসম জাতীয়তাবাদী দলৰ এটা গোটে অগপত যোগ নিদিলে। শ্ৰীবিৰাজ শৰ্মা প্ৰমুখ্যে দুই এজনেহে যোগ দিলে। আনহাতে পূৰ্বাঞ্চলীয় লোক পৰিষদৰ কেইবাজনো নেতা অগপত সোমাল। তেওঁলোক সোমোৱাটোত প্ৰাক্তন সদৌ অসম ছাত্ৰসংস্থাৰ প্ৰতিনিধিসকলে বৰ ভাল পোৱা নাছিল। শুনা মতে তেতিয়াৰ পি. এল. পি নেতা শ্ৰীঅতুল বৰাই গোলাঘাটৰ অভিবৰ্তনত ভাষণ দিবলৈ ধৰোঁতে একাংশ দৰ্শকে চিঞৰ-বাখৰ কৰি তেওঁক বিব্ৰত কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু শ্ৰীবৰাই

সেইবোৰলৈ কেৰেপ নকৰি টেবুলত ঢকিয়াই তেওঁৰ বক্তব্য দাঙি ধৰিবলৈ সক্ষম হয়। নিৰ্বাচনত জয়লাভ কৰি ক্ষমতালৈ অহাৰ পাছতো সদৌ অসম ছাত্ৰসন্থাৰ প্ৰতিনিধি আৰু গণ সংগ্ৰাম পৰিষদৰ প্ৰতিনিধিৰ মাজত অৰিয়াঅৰি বহুদিনলৈ চলি আছিল বুলি ক'লেও বঢ়াই কোৱা নহ'ব।

এইখিনিতে এটা কথা উনুকিয়াই ৰখাটো বোধকৰোঁ অপ্ৰাসংগিক নহ'ব। অসমৰ মানুহৰ, বিশেষকৈ আইসকলৰ, বিপুল সমৰ্থন আৰু সহযোগিতাৰ বলতে যে ছাত্ৰনেতাসকলে এনে এটা পৃথিৱী বিখ্যাত আন্দোলন চলাই যাব পাৰিছিল সেইকথা সকলোৱে স্বীকাৰ কৰিব। কিন্তু ক্ষমতালৈ অহাৰ পাছত কেইবাজনো নেতাই তেওঁলোকৰ সমৰ্থনকাৰী মহিলাসকলক নেওচা দিয়াৰ কেইবাটাও ঘটনা শুনিবলৈ পাইছিলো। এগৰাকী মহিলাই এই বিষয়ে এজন মন্ত্ৰীক তেওঁৰ বাসগৃহতে কৰ্কৰ্থনা কৰা কথা মই ভালদৰে জানো। মন্ত্ৰীজনাই ক্ষমা প্ৰাৰ্থনাও কৰিছিল হেনো। আন এজন মন্ত্ৰীক এজন অগপৰ শুভাকাংক্ষীয়ে পৰামৰ্শ দিছিল যে আন্দোলনৰ লগত প্ৰকাশ্যে আৰু পৰোক্ষভাৱে জড়িত গণেশ চন্দ্ৰ ফুকন আদিৰ দৰে কেইগৰাকীমান প্ৰশাসনত অভিজ্ঞ ব্যক্তিৰ পৰা উপদেশ লবলৈ। মই জনামতে এই মন্ত্ৰীজনাই হেনো উত্তৰ দিছিল যে ৩৫ বছৰীয়া নেতা এজনৰ নিজস্ব আধুনিক দৃষ্টিভংগী আছে, তেওঁ ৭০ বছৰীয়া বুঢ়া এজনৰ পৰা কি ভাল উপদেশ পাব। তেনে কৰিলে দেখোন আগুৱাই যোৱাতকৈ পাছলৈহে যোৱা হ'ব। মন্ত্ৰীৰ ধৃষ্টতাত শুভাকাংক্ষীজন আচৰিত আৰু মৰ্মাহত হৈছিল। এনে মন্ত্ৰীৰ বাবে অভিজ্ঞতাৰ কোনো মূল্যই নাই। তেওঁলোকে আনৰ উপদেশ বা পৰামৰ্শ লব নোখোজে। নিজেই চৰ-জান্তা হৈ পৰে। এনে ধৰণৰ দুই এজন নেতাৰ বাবেই হেনো অগপ আৰু ন অগপৰ একত্ৰীকৰণ ইমানদিনে হৈ উঠা নাই। অলপ বয়সস্থ মানুহ সভাপতি হ'লে জানোচা তেওঁলোকৰ সুবিধা কমি যায়, সেই আশংকাতে বোধকৰোঁ বিধিপথালি দি আছে।

সকলোৰে মনত আছে ১৪ অক্টোবৰৰ আগতেই চুক্তি সম্পাদন হোৱাৰ কথা আছিল। সেইমতে চুক্তিৰ খচৰাও কৰা হ'ল। কিন্তু কেইজনমান নেতাই চুক্তিত স্বাক্ষৰ দান নকৰাৰ বাবে ইমান দিনে কামটো আগবঢ়া নাই। এজন বয়োজ্যেষ্ঠ অগপ নেতাই মোক কোৱা মতে দুজনমান ডেকা নেতাই এটা নহয় এটা অজুহাত দেখুৱাই স্বাক্ষৰদানৰ পৰা বিৰত আছে। এবাৰ হয়তো কৈছে 'আজি দিনটো অশুভ', এবাৰ হয়তো কৈছে 'আজি বৰ ব্যস্ত আছোঁ, আন এদিন চহী কৰিম' ইত্যাদি। এবাৰ ক'লে চৈধ্য ঘণ্টাৰ ভিতৰতে চহী কৰি দিব। চৈধ্য ঘণ্টা গ'ল; তাৰ পাছত গ'ল চৈধ্য দিন। এতিয়া চৈধ্য সপ্তাহ হওঁ হওঁ, চহীকেইটা হ'লে নহ'ল। এইটো স্পষ্ট হৈ পৰিল যে তেওঁলোকে চুক্তিত চহী নকৰে। প্ৰায়বোৰেই আশা বাদ দিলে যদিও, শ্ৰীপুলকেশ বৰুৱাই নতুন চেষ্টা চলাইছে যেন অনুমান হয়। ৫ ডিছেম্বৰৰ পাছত কাৰ্যনিৰ্বাহক সমিতিখন পুনৰ ২৭ ডিছেম্বৰত আহ্বান কৰা হৈছে। ইতিমধ্যে অগপইও ৭ ডিছেম্বৰত এখন কেন্দ্ৰীয় সমিতিৰ সভা আহ্বান কৰিছে। তাৰ প্ৰস্তাৱ বা সিদ্ধান্তৰ ওপৰতো বহুখিনি নিৰ্ভৰ কৰিছে একত্ৰীকৰণৰ প্ৰচেষ্টা কিমান ফলৱতী হ'ব।

মাজে-মাজে শুনিবলৈ পাইছিলো ন অগপৰ শ্ৰীডেভিদ লেজাৰে ই-কংগ্ৰেছত যোগদান কৰা বাবে দুয়োদলৰ আলোচনাত বাধা পৰিল আৰু প্ৰক্ৰিয়াত বিলম্ব ঘটিল। সেই কথা মানিবলৈ টান। এই একত্ৰীকৰণ প্ৰশ্নটো লৈ আজি চাৰি মাহে যি আলোচনা-বিলোচনা চলি আছে তাৰ পৰা বুজিবলৈ অসুবিধা নহয় যে দুয়োটা দলৰ এটাইও নিজৰ স্থিতি সলনি কৰিবলৈ সাজু নহয়। প্ৰথমতে অগপই দাবী কৰিছিল যে অধিক ক্ষমতাশালী দল হিচাপে (বিধানসভাত ১৯ জন সদস্য) কম শক্তিশালী দল ন অগপই (৫ জন সদস্য) তেওঁলোকৰ লগত চামিল হ'ব (merger) লাগিব। পাছত অৱশ্যে কিছু এৰা-ধৰাৰ মাজেৰে এটা বুজাপৰালৈ আহিল কিন্তু কেইজনমান নেতাৰ বাবেই প্ৰক্ৰিয়াটো আগবাঢ়িছে যদিও এটা সিদ্ধান্তত উপনীত হ'ব পৰা নাই।

এতিয়া প্ৰক্ৰিয়াটো কি পৰ্যায়ত আছে বুজা টান। দুয়োদলৰ জ্যেষ্ঠ (বয়সত) নেতাসকলে প্ৰায় আশা এৰা যেনেই ভাব হয়। এতিয়া ন অগপই আগতে পিছুৱাই দিয়া কাৰ্যনিৰ্বাহক পৰিষদৰ সভাখন পাতিব নোৱৰা বাবে পলম হোৱা বুলি কয়। এই সভা নপতালৈকে অগপইও একো সিদ্ধান্ত লব নোৱাৰে। ৫ তাৰিখে পতা ন অগপৰ বৈঠকৰ প্ৰস্তাৱ মতে যদি দলে সভাপতিৰ বাবটো দাবী কৰে অগপই মানি লোৱা টান হ'ব। যি দেখা গৈছে দল দুটা ওচৰ চপাৰ পৰিবৰ্তে আঁতৰিহে গৈছে।

ইতিমধ্যে অগপ সূত্ৰই দুয়োটা দলৰ একাংশ "ন্যস্তস্বাৰ্থ"ৰ বাবে একত্ৰীকৰণ হৈ উঠা নাই বুলি অভিযোগ তুলিছে। তেওঁলোকে এই কথাও কৈছে যে ই-কংগ্ৰেছৰ "অপশাসন"ৰ বিৰুদ্ধে ঠিয় দিবলৈ বিৰোধী দলৰ, বিশেষকৈ আঞ্চলিক দলৰ, একতা অতি প্ৰয়োজনীয় হৈ পৰিছে। কিন্তু প্ৰকৃতপক্ষে মনৰ আৰু মতৰ মিল নোহোৱা পৰ্যন্ত অসমীয়া মানুহে আশা কৰা মতে দুয়োটা দলৰ একত্ৰীকৰণৰ আশাও ক্ষীণ। এই দুটা দলৰ মতাদ্বৈধৰ বাবেই দুই এজন আঞ্চলিকতাবাদত বিশ্বাসী নেতাই নতুন দল গঠন কৰাৰ চেষ্টা চলাইছিল। পাছে এনেকুৱা দলৰ ওপৰত ৰাইজৰ আস্থা নাই। সেইবাবে সকলোৱে ইচ্ছা কৰে যে ৰাজ্যৰ এই মুখ্য আঞ্চলিক দল দুটা একগোট হৈ এটা শক্তিশালী ৰাজনৈতিক দলত পৰিণত হ'ব পাৰে। কিন্তু নেতৃত্বৰ ওপৰত লোভীয়া দৃষ্টি ৰাখি দুয়োদলৰ নেতা কেইজনমানে একত্ৰীকৰণৰ প্ৰক্ৰিয়াত হেঙাৰৰ সৃষ্টি কৰিছে। একত্ৰীকৰণ প্ৰক্ৰিয়াৰ দ্বিতীয় পৰ্ব শেষ হওঁ হওঁ, কিন্তু সমস্যাৰ সমাধানৰ আশা এতিয়াও ক্ষীণ হৈ থকা যেনেই অনুমান হয়।

৭।১২।৯২

## *প্ৰান্তিকৰ লেখক-লেখিকাসকললৈ এটি অনুৰোধ*

প্ৰান্তিকলৈ পঠোৱা লেখাসমূহ পৰিষ্কাৰ আখৰেৰে কাগজৰ এপিঠিত লিখি পঠোৱা উচিত। সম্পাদনাৰ সুবিধাৰ অৰ্থে দুটা শাৰীৰ মাজত সৰহকৈ ঠাই ৰখাটো প্ৰয়োজনীয়। কাগজৰ দুয়োপিঠিত, বুজিব নোৱৰা আৰু ঘন আখৰেৰে লিখি পঠোৱা নিবন্ধ আদি সম্পাদনা কৰোঁতে আমাৰ যথেষ্ট অসুবিধা হয়। এনে ক্ষেত্ৰত ছপাৰ ভুল বৈ যোৱাৰো সম্ভাৱনা থাকে।

লেখাসমূহ যথাসম্ভৱ চুটি হোৱাটো বাঞ্ছনীয়। অতিপাত দীঘল হোৱা বাবেই আমি বিষয়বস্তুৰ দিশৰ পৰা প্ৰকাশযোগ্য ভালেমান প্ৰবন্ধ ছপা কৰিব পৰা নাই।

একাধিক লেখক-লেখিকাই প্ৰান্তিকত প্ৰকাশৰ বাবে পঠোৱা একোটা নিবন্ধ একে সময়তে আন-আন কাকতলৈও পঠায় বুলি জানিব পৰা গৈছে। এনে কাৰ্যই আন-আন কাকতসমূহৰ লগতে আমাকো যথেষ্ট অসুবিধাত পেলায়। লেখক-লেখিকাসকলে আমাৰ এই অসুবিধাটোৰ প্ৰতি মনোযোগ দিব বুলি আমি আশা কৰিছোঁ, আৰু আমালৈ পঠোৱা লেখা ইতিমধ্যে যদি তেখেতসকলে আন কাকতলৈও পঠাইছে, তেন্তে কথাটো আমাক জনাবলৈ অনুৰোধ কৰিছোঁ।

একোসময়ত ভালেমান প্ৰকাশযোগ্য প্ৰবন্ধ আমাৰ হাতত থাকে কাৰণে নিৰ্দিষ্ট সময় বা ঘটনাৰ লগত সম্বন্ধ নথকা কিছুমান প্ৰবন্ধ প্ৰকাশ কৰাত পলম হয়। এই কথা যেন লেখক-লেখিকাসকলে সহৃদয়তাৰে গ্ৰহণ কৰে।

লেখক-লেখিকাসকলে প্ৰতিলিপি নিজৰ হাতত ৰাখিহে আমালৈ লেখা পঠোৱা উচিত। অমনোনীত লেখা ওভোতাই পাবলৈ হ'লে লেখাৰ লগত উপযুক্ত পৰিমাণৰ ডাক-টিকট লগোৱা আৰু নিজৰ সম্পূৰ্ণ নাম-ঠিকনা লিখা লেফাফা থকা উচিত। প্ৰকাশ কৰিব নোৱৰা বাবে যিবোৰ নিবন্ধ ওভোতাই পঠোৱা হয়, সেইবোৰ কিয় ওভোতাই পঠোৱা হ'ল সেই কথা লিখি জনোৱাটো আমাৰ পক্ষে সম্ভৱ নহয়।

অনূদিত গল্প, কবিতা, নিবন্ধ আদি পঠালে মূল লেখকৰ অনুমতি-পত্ৰৰ প্ৰতিলিপি লগত গাঁথি দিব লাগিব। তেতিয়াহে এনে লেখা প্ৰকাশৰ বাবে বিবেচনা কৰা হ'ব।

প্ৰবন্ধ-পাতি তলত দিয়া ঠিকনালৈ পঠাব ঃ

সম্পাদক, প্ৰান্তিক
নবগিৰি পথ, চানমাৰি,
গুৱাহাটী—৭৮১০০৩



# অসমৰ চিকিৎসা শিক্ষাৰ ক্ষেত্ৰত অস্বাস্থ্যকৰ পৰিৱেশ

**সুশান্ত জ্যোতি শৰ্মা**

বৰ্তমানে অসমৰ স্কুল-কলেজসমূহৰ শিক্ষাৰ মান যি গতিত অৱনতি ঘটিছে, সেই গতিত এই শিক্ষানুষ্ঠানসমূহত ৰাজনীতিৰ প্ৰবেশে ইয়াৰ শৈক্ষিক পৰিৱেশ নষ্ট কৰিছে। অসমৰ আগশাৰীৰ কেইখনমান কলেজৰ সাধাৰণ নিৰ্বাচনত ৰাজনৈতিক দলৰ মুকলি হস্তক্ষেপ, শিক্ষানুষ্ঠানত নিযুক্তিৰ ক্ষেত্ৰত ৰাজনীতি, বাৰ্ষিক অনুদান বিভাজনৰ ক্ষেত্ৰত খেলিমেলি ইত্যাদি শিক্ষাজগতৰ লগত জড়িত বিভিন্ন অভিযোগে প্ৰায়েই বাতৰিকাকতৰ শিৰোনামা দখল কৰা দেখা যায়। শেহতীয়াকৈ চিকিৎসা মহাবিদ্যালয়সমূহৰ নামভৰ্তিৰ ক্ষেত্ৰত দেখা দিয়া ৰাজনৈতিক হস্তক্ষেপ আৰু ছাত্ৰসকলৰ আন্দোলনে আন সকলো অভিযোগ চেৰ পেলাইছে। অসমৰ চিকিৎসা মহাবিদ্যালয় কেইখনত নাম ভৰ্তিকৰণক লৈ হোৱা খেলিমেলি আৰু সৰ্বসাধাৰণ ৰাইজৰ ওপৰত অত্যধিক প্ৰভাৱ পেলোৱা এই ছাত্ৰ আন্দোলনটোৰ আন্দোলনকাৰীসকলৰ প্ৰকৃত দাবী কি আৰু কি পৰিস্থিতিত তেওঁলোকে আন্দোলনৰ পথ লব লগা হ'ল তাৰ বিষয়ে বহলাই আলোচনা কৰা ভাল হ'ব।

১৯৯১-৯২ শিক্ষাবৰ্ষৰ বাবে বাছনি পৰীক্ষাৰ দ্বাৰা প্ৰাৰ্থী নিৰ্বাচন কৰি চিকিৎসা শিক্ষা সঞ্চালকালয়ে অসমৰ চিকিৎসা মহাবিদ্যালয়সমূহত প্ৰথম বাৰ্ষিক এম. বি. বি. এছ. পাঠ্যক্ৰমৰ শ্ৰেণীসমূহ আৰম্ভ কৰে। চিকিৎসা শিক্ষা সঞ্চালকালয়ৰ দ্বাৰা উক্ত পাঠ্যক্ৰমৰ বাবে এখন অপেক্ষা তালিকাও প্ৰস্তুত কৰা হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষা পঞ্জীয়কৰ পত্ৰ GU/AC/MEP/91-10636 মৰ্মে অসমৰ বান পৰিস্থিতিৰ বাবে উক্ত পাঠ্যক্ৰমত নামভৰ্তিৰ সময় সীমা ১৯৯১ চনৰ ৩০ নৱেম্বৰলৈকে বঢ়াই দিয়া হয়। সেই অনুযায়ী '৯১-৯২' শিক্ষাবৰ্ষৰ বাবে ১৯৯১ চনৰ ৩০ নৱেম্বৰত চূড়ান্ত নাম ভৰ্তিকৰণ প্ৰক্ৰিয়াৰ অন্ত পৰে। ১৯৯২ চনৰ ফেব্ৰুৱাৰি মাহৰ ১২ তাৰিখে ভাৰতীয় চিকিৎসা পৰিষদে (IMC) চিঠি নং MCI-37 (14) /91-অৰ যোগেদি গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ক ২০খনকৈ আসন ক্ৰমে গুৱাহাটী আৰু অসম চিকিৎসা মহাবিদ্যালয়ত অতিৰিক্তভাৱে মঞ্জুৰ কৰিবলৈ নিৰ্দেশ জাৰি কৰে। ১৯৯২ চনৰ এপ্ৰিল মাহৰ ৪ তাৰিখে অসম চৰকাৰে এখন ৰাজপত্ৰ প্ৰকাশ কৰি অসমৰ চিকিৎসা মহাবিদ্যালয় আৰু আঞ্চলিক দন্ত চিকিৎসা মহাবিদ্যালয়ৰ নামভৰ্তিকৰণ সম্পৰ্কীয় আইনখনৰ সংশোধন ঘটাই দফা নং ৮ (ঝ) সংযোজিত কৰে। উক্ত দফা মৰ্মে "মুখ্যমন্ত্ৰীৰ বিশেষ ক্ষমতাধিকাৰ আইন"ৰ অধীনত ৪০জন প্ৰাৰ্থী নিৰ্বাচিত কৰি চিকিৎসা শিক্ষা সঞ্চালকে চিঠি নং DME/2/70/90/5067 মৰ্মে যুটীয়া চিকিৎসা শিক্ষা সঞ্চালক ড. অতুল বৰাক উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ জাননী জাৰি কৰে। সেই অনুযায়ী যুটীয়া শিক্ষা সঞ্চালক গৰাকীয়ে তৎকালে ৪০জন প্ৰাৰ্থীক নামভৰ্তিৰ বাবে টেলিগ্ৰাম যোগে আমন্ত্ৰণ জনায়। ১৯৯১-৯২ শিক্ষাবৰ্ষত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলে সুদীৰ্ঘ এটা ছমহীয়া (semester) পৰীক্ষা সম্পূৰ্ণ কৰাৰ পাছত যোৱা ৯ জুন তাৰিখে ৬জন ছাত্ৰ-ছাত্ৰীয়ে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত আৰু ৩ জনে অসম চিকিৎসা মহাবিদ্যালয়ত "মুখ্যমন্ত্ৰীৰ বিশেষ ক্ষমতাধিকাৰ আইন" অনুসৰি নাম ভৰ্তি কৰে। উক্ত প্ৰাৰ্থীসকলৰ নম্বৰ তালিকা পৰীক্ষা কৰাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় ছাত্ৰসন্থা আৰু অসম চিকিৎসা মহাবিদ্যালয় ছাত্ৰসন্থাই জানিব পাৰে যে ৪০জন নিৰ্বাচিত প্ৰাৰ্থীৰ অধিকাংশই যোগ্যতাৰ সীমাৰেখাৰ তলত। সেয়ে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় ছাত্ৰসন্থা আৰু অসম চিকিৎসা মহাবিদ্যালয় ছাত্ৰসন্থাই বিষয়টোৰ প্ৰতিবাদ কৰি অনিৰ্দিষ্ট কালৰ বাবে আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰে। আন্দোলনৰ প্ৰথম পদক্ষেপৰূপে ১৫ আৰু ১৮ জুনত দিছপুৰৰ জনতা ভৱনত ধৰ্ণা কাৰ্যসূচীৰ দ্বাৰা গুৱাহাটী মহাবিদ্যালয় ছাত্ৰসন্থাই ৰাজ্যৰ স্বাস্থ্য মন্ত্ৰীক দুখনকৈ স্মাৰক পত্ৰ প্ৰদান কৰে।

| নাম | ৰোল নং | চৰকাৰে দেখুৱা নম্বৰ (%) | প্ৰকৃত নম্বৰ (%) |
|---|---|---|---|
| শ্ৰীমতী নিয়তি প্ৰসাদ | ৬৯০২ | ৭৬.৬৬ | ৭১.৫ |
| শ্ৰীচম্পক চৌধুৰী | ৬৩১৮ | ৭৬.৩৩ | ৭০ |
| শ্ৰীধ্ৰুৱজ্যোতি শইকীয়া | ৬৭৬৩ | ৭৫ | ৫৯.৭৫ |
| মঃ হাৰানুল ৰচিদ | ৬৯৭৬ | ৬৭ | ৫৯.৭৫ |
| শ্ৰীকাব্যজ্যোতি বৰা | ৬৩৭৭ | ৬৩ | ৫৯.২৫ |
| শ্ৰীমতী মুস্কুৰা বেগম | ৬৪০৮ | ৬১ | ৫৭.৭৫ |
| নিলাঞ্জন দাস | ৬৭৬০ | ৭২ | ৬৭ |
| শ্ৰীদিবন বৰা | ৬৪৭৫ | ৭১ | ৬৭.৭৫ |
| শ্ৰীমতী ফৰজীন আখতাৰ | ১৬৮ | ৬৯ | ৬১ |
| মঃ আবুল হুছেইন | — | ৬৮ | ৬০.১৫ |
| সঞ্চিতা বৰকাকতী | ৬৪০৮ | ৬৮ | ৬৫.২৫ |
| শ্ৰীঅপূৰ্ব শৰ্মা | ৭৪৩৫ | ৬৩ | ৬১ |
| অনুসূচিত জাতি | | | |
| গৌৰাংগ পাল | ১২১৯ | ৬৯ | ৬৯ |

* উল্লেখযোগ্য যে ছাত্ৰজনে সাধাৰণ শ্ৰেণীৰ অন্তৰ্ভুক্ত আৰু তেওঁৰ আবেদন পত্ৰত সাধাৰণ শ্ৰেণীৰ বুলি উল্লেখ কৰা হৈছে।

চিকিৎসা মহাবিদ্যালয়ৰ ছাত্ৰসকলে স্বাস্থ্য মন্ত্ৰণালয় আৰু সংশ্লিষ্ট ৰাজ্য চৰকাৰৰ ওপৰত বিভিন্ন ধৰণৰ অভিযোগ উত্থাপন কৰে। সেইবোৰ তলত দিয়া ধৰণৰ ঃ

(১) ভাৰতীয় চিকিৎসা পৰিষদে মঞ্জুৰ কৰা ৪০খন আসনৰ নামভৰ্তিৰ ক্ষেত্ৰত চিকিৎসা শিক্ষা সঞ্চালকালয়ে অপেক্ষা তালিকাখনক উপেক্ষা কৰি অযথা পলম কৰে আৰু ইয়াৰ ফলস্বৰূপে অসমৰ ৪০জন যোগ্য প্ৰাৰ্থী চিকিৎসা শিক্ষাৰ পৰা বঞ্চিত হয়।

(২) চিকিৎসা মহাবিদ্যালয়ৰ নাম ভৰ্তিকৰণৰ আইন খনত স্পষ্টভাৱে উল্লেখ থকা সত্বেও উক্ত প্ৰাৰ্থীসকলৰ নাম আৰু তেওঁলোকে পোৱা নম্বৰবোৰ বাতৰি কাকতত প্ৰকাশ কৰা হোৱা নাই।

(৩) বিশ্ববিদ্যালয়সমূহৰ পৰা লব লগা অনুমতি ইত্যাদি বিষয়ো অগ্ৰাহ্য কৰা হৈছে আৰু তাৰ পৰিবৰ্তে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ লগত অযথা যুক্তিহীন, ভাৱপ্ৰসূত তৰ্ক বিতৰ্কত লিপ্ত হৈ গুৰুস্থানীয় ব্যক্তিগৰাকীক অৱমাননা কৰা হৈছে।

(৪) উক্ত প্ৰাৰ্থীসকলৰ নম্বৰ তালিকা পৰীক্ষা কৰি দেখা গৈছে যে তেওঁলোকৰ অধিকাংশই যোগ্যতাৰ সীমাৰেখাৰ তলত।

(৫) অসম চৰকাৰৰ ৰাজনৈতিক সিদ্ধান্তৰ প্ৰতি ক্ষোভ প্ৰকাশ কৰাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ড. প্ৰফুল্ল বৰুৱাক চৰকাৰে প্ৰতিশোধমূলকভাৱে আদেশ নং HLB 248/92-2A-3A মৰ্মে অধ্যক্ষ পদৰ পৰা অব্যাহতি দি চৰকাৰৰ মঞ্জুৰীবিহিন স্বাস্থ্য শিক্ষা সঞ্চালকালয়ত বিশেষ কৰ্তব্যৰত বিষয়াৰূপে নিযুক্তি দিয়ে। উক্ত বদলিকৰণকে ধৰি ৰাজনৈতিক উদ্দেশ্যত এনেদৰে বছৰটোত তিনিবাৰকৈ অধ্যক্ষ বদলিকৰণে চিকিৎসা মহাবিদ্যালয়সমূহৰ শিক্ষাগত দিশত বিস্তৰ ক্ষতি কৰে।

এই অভিযোগবোৰৰ ভিত্তিত ১৯৯২ চনৰ ১৯ জুন তাৰিখে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় ছাত্ৰসন্থাই গুৱাহাটী উচ্চ

ন্যায়ালয়ত ৰিট আবেদন যোগে (চিভিল কেছ নং ১১৫২।৯২।GHC) মুখ্যমন্ত্ৰীৰ বিশেষ ক্ষমতাধিকাৰ আইনৰ বৈধতা আৰু ৪০জন প্ৰাৰ্থীৰ নাম ভৰ্তিকৰণৰ ভিত্তিক প্ৰত্যাহ্বান জনোৱা হয়। ২৯ জুলাই তাৰিখে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বিচাৰপতি আৰ. কে. মনিসেনা সিং আৰু মীৰা শৰ্মাই এক আদেশ যোগে মুখ্যমন্ত্ৰীৰ বিশেষাধিকাৰ ক্ষমতা আইন আৰু সেই আইনৰ অধীনত নাম ভৰ্তি কৰা ৪০ জন ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্তি খাৰিজ কৰে। এই বিচাৰৰ ৰায়দানৰ ১৫ নং পৃষ্ঠাৰ ২০ (ক) দফাত কোৱা হয় যে—'Adverse inference can be drawn for non production of marks of 40 selected candidates by the **State** Govt. and such there is every chance of **picking** up and choosing candidates arbitrarily among large number of candidates.' তদুপৰি ২২ নং পৃষ্ঠাৰ ৩৩ নং দফাত আৰু কোৱা হয় যে—For the foregoing reason, we quash the ammended rule 7 (c) and 8 (j) and set aside the impunged selection or nomination made by the **State** govemment of Assam or by **Chief Minister** of Assam and direct of the **State** govemment of Assam to nominate best 40 students out of those who had applied for admission for academic session 1991-92 and who had failed to secure admission and of those who were refused the application forms for admission test with due regards to reservation and eligibility criteria under the rules. The selection shall be made on the basis of marks obtained for the qualifying examination. অন্যহাতে উচ্চ ন্যায়ালয়ৰ ৰায়ৰ ১৯ নং পৃষ্ঠাত এইটোও উল্লেখ আছে যে—In the **contrary** the authority is not obliged to fill up any vacant seat in the midst of the session. Therefore 40 seats available in the midst of the session 91-92 may not be filled up at all.

১৯৯২ চনৰ ৩১ জুলাইত শিক্ষা সঞ্চালকৰ দায়িত্ব গ্ৰহণ কৰে ড. দীপালী দত্তই আৰু তেখেঁতে ১৯৯২ চনৰ ১৪ আগষ্ট সময়সীমা বান্ধি দি পূৰ্বৰ ৪০জন প্ৰাৰ্থীক নাম ভৰ্তিকৰণৰ বাবে নিৰ্বাচিত কৰে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় ছাত্ৰসন্থাই প্ৰাৰ্থী তালিকাখনৰ প্ৰতি অসন্তোষ প্ৰকাশ কৰি চিকিৎসা সচিব আৰু আয়ুক্তক এখন স্মাৰক পত্ৰ দিয়ে। ২০ আগষ্ট তাৰিখে পুনৰ প্ৰস্তুত কৰা প্ৰাৰ্থী তালিকাখনত কিছুমান সৰহীয়া নম্বৰ পোৱা প্ৰাৰ্থীক তালিকাভুক্ত কৰা হয় যদিও অধিকাংশ প্ৰাৰ্থীয়েই আগৰ মুখ্যমন্ত্ৰীৰ কোটাৰ পৰা প্ৰতিনিধিত্ব কৰে। স্বাক্ষ্য শিক্ষা সঞ্চালক গৰাকীয়ে প্ৰকাশ কৰা প্ৰাৰ্থীৰ তালিকাখনৰ ক্ষেত্ৰত যথেষ্ট আসোঁৱাহ দেখা যায় আৰু কিছু ক্ষেত্ৰত মিছা নম্বৰৰ তালিকা প্ৰদৰ্শন কৰে।

তালিকাখনত যিসকল ছাত্ৰ-ছাত্ৰীৰ প্ৰকৃত নম্বৰ আৰু চৰকাৰে দেখুউৱা নম্বৰৰ মাজত যথেষ্ট অন্তৰ আছে কেৱল সেইসকল প্ৰাৰ্থীৰ নাম আৰু নম্বৰ দেখুউৱা হৈছে।

ইয়াৰ পাছত ১৯৯২ চনৰ আগষ্ট মাহত স্বাস্থ্য শিক্ষা সঞ্চালকালয়ে "৯২-৯৩" শিক্ষাবৰ্ষৰ বাবে আবেদন বিচাৰি জাননী জাৰি কৰে। উক্ত জাননীত মুখ্যমন্ত্ৰীৰ ২০খন আৰু কেন্দ্ৰীয় চৰকাৰ পুলৰ বাবে নতুনকৈ আৰু ১৫খন আসন সংৰক্ষণৰ কথা ঘোষণা কৰে। উক্ত জাননীত আৰু কোৱা হয় যে উক্ত সংৰক্ষিত ৩৫খন আসনৰ বাবে কোনো ধৰণৰ আবেদনৰ প্ৰয়োজন নাই আৰু সেই আসনসমূহৰ বাবে যোগ্য প্ৰাৰ্থী চৰকাৰে নিজাববীয়াকৈ বাছনি কৰিব। ১৯৯২-৯৩ চনৰ মুখ্যমন্ত্ৰীৰ বিশেষ ক্ষমতাৰ অধীনত থকা ২০খন আসন আৰু কেন্দ্ৰীয় পুলৰ অধীনত ৰখা ১৫খন আসন প্ৰত্যাহাৰ কৰিবৰ বাবে চৰকাৰৰ ওচৰত পুনৰ দাবী জনোৱা হয়। ২৩ ছেপ্টেম্বৰ তাৰিখে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় ছাত্ৰসন্থা আৰু অসম চিকিৎসা মহাবিদ্যালয় ছাত্ৰসন্থাই যুটীয়াভাৱে "আমৰণ অনশন" কাৰ্যসূচী গ্ৰহণ কৰে। ২৬ ছেপ্টেম্বৰ তাৰিখে দিল্লীৰ পৰা অসমৰ মুখ্যমন্ত্ৰীয়ে ভাৰতৰ স্বাস্থ্য মন্ত্ৰীৰ সৈতে আলোচনা কৰিবৰ বাবে আমন্ত্ৰণ জনোৱাত ছাত্ৰসকলে অনশনৰ কাৰ্যসূচী প্ৰত্যাহাৰ কৰি এটি ৪ জনীয়া প্ৰতিনিধি দল দিল্লীলৈ যায়। তাত হোৱা আলোচনাৰ মৰ্মে কেন্দ্ৰীয় পুলৰ ব্যৱস্থাটো সমগ্ৰ ভাৰততে প্ৰযোজ্য হোৱাৰ প্ৰতি লক্ষ্য ৰাখি এই নিয়ম ছাত্ৰসকলে মানি লয় আৰু ভাৰত চৰকাৰে ২০খন বৰ্ধিত আসন আৰু অতিৰিক্ত সা-সুবিধা প্ৰদানৰ আশ্বাস প্ৰদান কৰে। মুখ্যমন্ত্ৰীৰ বিশেষ ক্ষমতাৰ অধীনত সংৰক্ষিত আসনৰ ক্ষেত্ৰত দিছপুৰ আৰু দিল্লীত চিকিৎসা মহাবিদ্যালয়ৰ ছাত্ৰসন্থাৰ আলোচনা হয়। এই আলোচনাৰ সিদ্ধান্ত মৰ্মে ৬ অক্টোবৰ তাৰিখে দূৰদৰ্শন যোগে মুখ্যমন্ত্ৰীৰ বিশেষ ক্ষমতাৰ অধীনত সংৰক্ষিত আসন প্ৰত্যাহাৰ কৰা হৈছে বুলি ঘোষণা কৰা হয়। এই সন্দৰ্ভত যোৱা ২৬ অক্টোবৰ তাৰিখে অসম চৰকাৰৰ এক অসাধাৰণ ৰাজপত্ৰ প্ৰকাশ কৰা হয়। কিন্তু পুনৰবাৰ চিকিৎসা মহাবিদ্যালয়ত নামভৰ্তিৰ নিয়মাৱলী সংশোধন কৰি অসম চৰকাৰে প্ৰতিনিধিত্বহীন শ্ৰেণীৰ বাবে ১৫খন আসন সংৰক্ষণ কৰে যদিও কোনবোৰ শ্ৰেণী ইয়াৰ অন্তৰ্ভুক্ত হ'ব তাৰ বিস্তৃত ব্যাখ্যা চৰকাৰে দাঙি দেখুৱাব পৰা নাই। চৰকাৰে ১৯৯১-৯২ চনৰ ৪০খন আসনৰ বাবে নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীসকলৰ নাম ৰাজহুৱাভাৱে প্ৰকাশ কৰিবলৈ অস্বীকাৰ কৰে। উক্ত ৪০খন আসনৰ নামভৰ্তিৰ ক্ষেত্ৰত যদি কিবা খেলিমেলি হৈছে তাৰ তদন্ত কৰিবলৈ অতিৰিক্ত মুখ্যসচিবক দায়িত্ব দিয়ে। আনহাতে ছাত্ৰসন্থাই উক্ত ছাত্ৰ-ছাত্ৰীকেইজনক শ্ৰেণীৰ পৰা বিৰত থাকিবলৈ অনুৰোধ জনাই যদিও তেওঁলোকে চৌহদত প্ৰবেশ কৰাত যোৱা ৩০ আৰু ৩১ অক্টোবৰ তাৰিখে অৰ্ধ-সামৰিক বাহিনীৰ উপস্থিতিত ভালেমান ছাত্ৰ-ছাত্ৰী আৰু অধ্যক্ষা গৰাকী শাৰীৰিকভাৱে আহত হোৱাকে ধৰি এক অশুভ পৰিস্থিতিৰ উদ্ভৱ হয়।

আনহাতে শিলচৰ মেডিকেল কলেজৰ অধ্যক্ষই হঠাতে জাৰি কৰা আঁসোৱাহপূৰ্ণ তালিকাৰে ৮জন প্ৰাৰ্থীক শিলচৰ মেডিকেল কলেজত নামভৰ্তিৰ বাবে জাননী জাৰি কৰে। ছাত্ৰ-ছাত্ৰীসকলে ইয়াৰ প্ৰতিবাদ কৰে যদিও এটি বিশেষ ৰাজনৈতিক দলৰ ব্যক্তিৰ দ্বাৰা পৰিচালিত ৩০০জনমান ব্যক্তি অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত হৈ শিলচৰ মেডিকেল কলেজৰ চৌহদত (যোৱা ২৩ নৱেম্বৰৰ পুৱা ৭ বজাৰ পৰা ১ বজালৈ) প্ৰবেশ কৰি এক অশুভ পৰিস্থিতিৰ সৃষ্টি কৰে আৰু নাম ভৰ্তিকৰণৰ বাবে শক্তি প্ৰয়োগৰ ভাবুকি দিয়ে। এনে ঘটনাৰ পাছত শিলচৰৰ সমূহ নাগৰিকে প্ৰতিবাদ কৰাত আৰু ২৫ নৱেম্বৰ তাৰিখে বহা সাধাৰণ সভাত এনে কাৰ্যত গৰিহণা দিয়া হয়। সেইদিনাই শিলচৰ চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষই ৮জন ছাত্ৰৰ নাম ভৰ্তিকৰণৰ নিৰ্দেশ, বাহিৰৰ পৰা অহা প্ৰবল মানসিক চাপৰ বাবে দিয়ে বুলি স্বীকাৰ কৰে আৰু ২৩ নৱেম্বৰ তাৰিখে সংঘটিত হোৱা ঘটনাৰ নৈতিক দায়িত্বও স্বীকাৰ কৰে।

যোৱা ২৬ নৱেম্বৰ তাৰিখে ড. হীৰেন গোহাঁই প্ৰমুখ্যে অসমৰ কেইগৰাকীমান বিশিষ্ট নাগৰিকৰ লগত মুখ্যমন্ত্ৰীৰ আলোচনা মৰ্মে কেইটামান সিদ্ধান্ত লোৱা হয়। সেই অনুযায়ী—(ক) Unrepresented Communityৰ ক্ষেত্ৰত বলবৎ হোৱা সংৰক্ষণ ব্যৱস্থা আইনমতে আৰু বিধিসম্মতভাৱে কৰা হ'ব। (খ) এনে আৰক্ষণ ব্যৱস্থা Admission Committeeয়েই চোৱাচিতা কৰিব। (গ) চিকিৎসা মহাবিদ্যালয়ৰ ঘটনাৱলী সম্পৰ্কত অতিৰিক্ত মুখ্য সচিবৰ পৰ্যায়ত তদন্ত কৰোৱা হ'ব।

এনে ধৰণৰ সিদ্ধান্তৰ প্ৰতিক্ৰিয়াস্বৰূপে ছাত্ৰসন্থাই পিকেটিঙৰ কাৰ্যসূচী প্ৰত্যাহাৰ নকৰিলে যদিও জৰুৰী সেৱাসমূহ পুনৰ সচল কৰিবলৈ মান্তি হয়। ছাত্ৰসন্থাই উক্ত ৪৮খন আসনৰ নাম ভৰ্তিকৰণক সম্পূৰ্ণ অবৈধ ঘোষণা কৰি তাক বাতিল কৰিবৰ বাবে আহ্বান জনায় আৰু সেই ৪৮ জন প্ৰাৰ্থীক ১৯৯২-৯৩ চনৰ বাবে সাক্ষাৎকাৰ লৈ মেধাৰ ভিত্তিত নতুনকৈ নাম ভৰ্তিৰ সুযোগ দিবলৈ জনোৱা হয়। তদুপৰি কেন্দ্ৰীয় পুলৰ আসনত নাম ভৰ্তিকৰণ সদ্যহতে স্থগিত ৰাখিবলৈ, ড. দিপালী দত্তৰ চৰ্তহীন পদত্যাগ আৰু ২৩ নৱেম্বৰৰ ঘটনাৰ বাবে শিলচৰ চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ড. সুধীৰ দত্ত ৰয়ৰ পদত্যাগ আদি বিভিন্ন দাবী উত্থাপন কৰা হৈছে।

নাম ভৰ্তিকৰণৰ ক্ষেত্ৰত ৰাজনৈতিক হস্তক্ষেপ আৰু এই আন্দোলনটোৰ সুদূৰ-প্ৰসাৰী প্ৰতিক্ৰিয়াৰ প্ৰতি লক্ষ্য কৰিলে স্বাভাৱিকতে কেইটিমান প্ৰশ্ন মনলৈ আহে। এই প্ৰশ্নসমূহৰ সমাধান কোনে দিব পাৰিব সি ইমান ডাঙৰ কথা নহয় কিন্তু এইবোৰ প্ৰশ্ন অসমৰ সমূহ জনসাধাৰণৰ মনলৈ আহিছেনে নাই সেইটোহে ডাঙৰ কথা।






# কাম্বোডিয়া আৰু এংগোলাত ৰাষ্ট্ৰসংঘৰ শক্তি পৰীক্ষা

ড. সুনীল পৱন বৰুৱা

ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে কাম্বোডিয়াৰ খামেৰ ৰুজৰ নিয়ন্ত্ৰণত থকা অঞ্চলসমূহত ৰাষ্ট্ৰসংঘৰ শান্তি বাহিনী প্ৰবেশৰ বাবে অনুমতি নিদিয়া কাৰ্যক গৰিহণা দিছে। খামেৰ ৰুজ বাহিনীৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰি কাম্বোডিয়াৰ বাকী অঞ্চলত অহা ছমাহৰ ভিতৰত সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰা হ'ব বুলি নিশ্চিত সিদ্ধান্ত লোৱা প্ৰস্তাৱটো ১৫ জনীয়া সদস্য বিশিষ্ট নিৰাপত্তা পৰিষদে ১৪-০ ভোটত গ্ৰহণ কৰিছে। অৱশ্যে চীন ভোটদানৰ পৰা আঁতৰি থাকিল। কাম্বোডিয়াৰ শান্তি প্ৰচেষ্টাত বিঘিনি ঘটালে বিদেশত থকা সম্পদ নিষ্ক্ৰিয় কৰাৰ নিচিনা ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি প্ৰস্তাৱটোৰ যোগেদি খামেৰ ৰুজ বাহিনীক সতৰ্ক কৰি দিয়া হৈছে। গৃহীত প্ৰস্তাৱ অনুসৰি কাম্বোডিয়াত শান্তি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত নিয়োজিত ৰাষ্ট্ৰসংঘৰ অন্তৰ্বৰ্তী কতৃপক্ষই গৃহযুদ্ধত বিধ্বস্ত হোৱা দেশখনত যিবোৰ অঞ্চলত ৰাষ্ট্ৰসংঘৰ ৩১ জানুৱাৰিৰ ভিতৰত সম্পূৰ্ণ নিয়ন্ত্ৰণ স্থাপন হ'ব সেই অঞ্চলত অহা এপ্ৰিল অথবা মে' মাহত নিৰ্বাচন পাতিবলৈ আঁচনি হাতত লব। উল্লেখযোগ্য যে পৰিষদে একে সময়তে গ্ৰহণ কৰা আন দুটা সৰ্বসম্মত প্ৰস্তাৱৰ মাধ্যমত গৃহযুদ্ধত জজৰিত আন দুখন ৰাষ্ট্ৰ—আফ্ৰিকাৰ এংগোলা আৰু আমেৰিকাৰ এল ছালভেডাৰত ৰাষ্ট্ৰসংঘৰ শান্তি মিচনৰ ম্যাদ যথাক্ৰমে দুমাহ আৰু ছমাহ বৃদ্ধি কৰা হৈছে। নিৰাপত্তা পৰিষদৰ দ্বাৰা গৃহীত এই প্ৰস্তাৱসমূহৰ যোগেদি শীতল যুদ্ধোত্তৰ পৃথিৱীত আদৰ্শবাদৰ নামত চলি থকা দীঘলীয়া গৃহযুদ্ধৰ অৱসান ঘটাই সংশ্লিষ্ট ৰাষ্ট্ৰসমূহত শান্তি স্থাপনৰ বাবে চলোৱা ৰাষ্ট্ৰসংঘৰ ভূমিকা কিমানদূৰ সফল হৈছে তাৰ খতিয়ান দাঙি ধৰিব পাৰি। এই প্ৰসংগত এংগোলা আৰু কাম্বোডিয়াত চলি থকা ঘটনাৱলীয়ে বিশেষভাৱে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে।

আফ্ৰিকাৰ পতুৰ্গীজসকলৰ শেষ উপনিবেশ আছিল এংগোলা। মহাদেশৰ দক্ষিণ ভাগত অৱস্থিত এংগোলাত পতুৰ্গীজ শাসনৰ ইতিহাস আছিল হত্যা, লুণ্ঠন আৰু নিৰ্যাতনৰ কাহিনী। ১৯৭৫ চনত বহুপ্ৰত্যাশিত স্বাধীনতাই এংগোলাৰ বুকুত শান্তি স্থাপন কৰিব নোৱাৰিলে। পশ্চিমীয়া গোষ্ঠীৰ দীৰ্ঘদিনীয়া ঔপনিবেশিক শাসনে এৰি থৈ যোৱা বিভেদ, গোষ্ঠীগত সংঘৰ্ষ তথা শোষণে বিদেশী শক্তিৰ হস্তক্ষেপত নতুন ৰূপত দেখা দিলে। স্বাধীন এংগোলাত ক্ষমতা দখলৰ বাবে নিজৰ মাজতে গৃহযুদ্ধ আৰম্ভ হ'ল। এই গৃহযুদ্ধত দুই প্ৰধান প্ৰতিদ্বন্দ্বী আছিল যথাক্ৰমে মাৰ্ক্সবাদী আৰু জাতীয়তাবাদীৰ দ্বাৰা গঠিত গোষ্ঠী এম. পি. এল. এ (M. P. L. A) আৰু মাৰ্কিন, ফৰাছী তথা চীনা সমৰ্থন পুষ্ট এফ. এল. এন. এ (F. L. N. A)। অৱশেষত ক্ষমতা দখলৰ বাবে চলা গৃহযুদ্ধৰ প্ৰাৰম্ভিক সময়ছোৱাত ছোভিয়েট পৃষ্ঠপোষকতাত গঢ়ি উঠা পপুলাৰ মুভমেণ্ট ফৰ লিবাৰেশ্যান অৱ এংগোলা গোষ্ঠীয়ে কিউবা আৰু যুগশ্লাভিয়াৰ সহযোগত এংগোলাত ক্ষমতা লাভ কৰে। কিন্তু এংগোলাত শান্তি স্থাপন নহ'ল। ইতিমধ্যে ক্ষমতাৰ যুদ্ধত শেহতীয়াভাৱে অৱতীৰ্ণ হোৱা ইউনিয়ন ফৰ টোটেল ইণ্ডিপেণ্ডেনছ অব এংগোলা (UNITA) নামৰ সোঁপন্থী গেৰিলা বাহিনীয়ে ৰাজধানী লুৱাণ্ডাত প্ৰতিষ্ঠিত বাঁওপন্থী এম. পি. এল. এ চৰকাৰক পোনপটীয়াভাৱে প্ৰত্যাহ্বান জনালে। অভিমবুণ্ডু (Ovimbundu) নামৰ জনজাতীয় গোষ্ঠীৰ সমৰ্থনপুষ্ট গেৰিলা বাহিনীৰ নেতা আছিল জনাছ মালহেইৰ' ছাভিম্বি (Jonas Malheiro Savimbi)। মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু দক্ষিণ আফ্ৰিকা চৰকাৰৰ পৰা লাভ কৰা অস্ত্ৰ আৰু ধনৰ জোৰত ছাভিম্বিয়ে প্ৰেছিডেণ্ট এডোৱাৰ্ড' ডছ ছানটছৰ (Eduardo dos Santos) নেতৃত্বাধীন এংগোলাৰ বাঁওপন্থী চৰকাৰক ব্যতিব্যস্ত কৰি তুলিছিল। ৰাজধানীৰ বাহিৰত প্ৰদেশসমূহৰ ভালেমান অঞ্চলত আধিপত্য বিস্তাৰ কৰিলেও ছোভিয়েট সমৰ্থন আৰু বিশেষকৈ এংগোলাত অৱস্থান কৰা ৫০ হাজাৰ কিউবান সৈন্যৰ বাবে প্ৰেছিডেণ্ট ডছ ছানটছৰ চৰকাৰৰ পতন ঘটাবলৈ সক্ষম হোৱা নাছিল। ফলত বাঁওপন্থী চৰকাৰ আৰু সোঁপন্থী গেৰিলা বাহিনীৰ মাজত চলি থকা গৃহযুদ্ধত ১৯৭৫ চনৰ পৰা প্ৰায় ৩ লাখ ৫০ হাজাৰ লোকে জীৱন আহুতি দিব লগা হৈছে। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে এংগোলাত বিদেশী কিউবান সৈন্য উপস্থিত থকাৰ অজুহাতত দক্ষিণ আফ্ৰিকা চৰকাৰে নামিবিয়াৰ স্বাধীনতা প্ৰদানত বিলম্ব ঘটাইছিল। নামিবিয়াৰ স্বাধীনতাৰ বাবে সংগ্ৰাম চলোৱা দক্ষিণ-পূব আফ্ৰিকা জন সংগঠনে (SWAPO) ছোভিয়েট আৰু কিউবাৰ সমৰ্থনেৰে এংগোলাক ঘাটি হিচাপে ব্যৱহাৰ কৰাৰ অভিযোগ কৰা হৈছিল। ইতিমধ্যে নামিবিয়াই স্বাধীনতা লাভ কৰিলে। এংগোলাৰ পৰা ছোভিয়েটৰ পোনপটীয়া সমৰ্থন আৰু ৫০ হাজাৰ কিউবান সৈন্য আঁতৰি যোৱাত অৱশেষত যুদ্ধ বিধ্বস্ত এংগোলাত শান্তি ঘূৰি অহাৰ বাট মুকলি হৈছিল। আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ দ্ৰুত পৰিবৰ্তনৰ পটভূমিত ১৯৯১ চনৰ মে' মাহত পৰ্টুগালত এংগোলাৰ গৃহযুদ্ধত লিপ্ত হোৱা চৰকাৰী আৰু বিদ্ৰোহীপক্ষৰ মাজত এক শান্তি চুক্তি সম্পাদিত হ'ল। চুক্তি মতে দেশখনত ১৮ মাহৰ ভিতৰত সকলো দলে অংশ গ্ৰহণ কৰিব পৰা মুক্ত নিৰ্বাচন অনুষ্ঠিত হ'ব। বিদ্ৰোহীসকলে অস্ত্ৰ ত্যাগ কৰি দেশখনৰ প্ৰধান জনস্ৰোতলৈ ঘূৰি আহি শান্তিপূৰ্ণ নিৰ্বাচনী প্ৰক্ৰিয়াত অংশ গ্ৰহণ কৰিব। সেইমতে অস্ত্ৰ ত্যাগ কৰি ইউনিটাৰ নেতা জনাছ ছাভিম্বি ভোটৰ বাকচৰ মাধ্যমত নিজৰ অধিকাৰ সাব্যস্ত কৰিবলৈ আড়ম্বৰপূৰ্ণভাৱে নিৰ্বাচনত নামিল। যি দেখা গৈছিল নিজৰ জয়লাভৰ বাবে ছাভিম্বি এক প্ৰকাৰ নিশ্চিত আছিল। কিন্তু যোৱা ছেপ্টেম্বৰ মাহৰ সামৰণিৰ দুটা দিনত অনুষ্ঠিত নিৰ্বাচনৰ ৰায়দানে সকলো ওলট-পালট কৰি দিলে। ৰাষ্ট্ৰসংঘৰ শান্তি বাহিনীৰ তত্বাৱধানত বিদেশী পৰ্যবেক্ষকৰ উপস্থিতিত হোৱা এই নিৰ্বাচনত পূৰ্বৰ প্ৰেছিডেণ্ট ডছ ছানটছে শতকৰা ৪৯ ভাগ সংখ্যাগৰিষ্ঠতাৰে নতুন প্ৰেছিডেণ্ট হিচাপে নিৰ্বাচিত হ'ল আৰু এম. পি. এল. এ দলে সংসদতো পূৰ্ণ সংখ্যাগৰিষ্ঠতা লাভ কৰিলে। সামৰিক দিশত ব্যাপক সফলতা লাভ কৰা ছাভিম্বি নিৰ্বাচনী যুদ্ধত তিষ্ঠিব নোৱাৰিলে। ৰাজধানী লুৱাণ্ডাত থকা এগৰাকী পশ্চিমীয়া কূটনীতিবিদৰ মতে জনসাধাৰণে এম. পি. এল. এক ভোট দিয়া নাই। প্ৰকৃততে তেওঁলোকে ইউনিটাৰ বিৰুদ্ধেহে ভোট দিছে। ছাভিম্বিয়ে যুদ্ধক্ষেত্ৰৰ দৰে ভোটাৰসকলক ৰঙা চকু দেখুৱাই নিৰ্বাচনত জয়লাভ কৰিবলৈ বিচাৰিছিল। নিৰ্বাচনী ফলাফল বাহিৰ হোৱাৰ লগে-লগে তেওঁ ৰাজধানী ত্যাগ কৰি ইউনিটাৰ



নিয়ন্ত্ৰিত অঞ্চললৈ আঁতৰি যায়। ৰাষ্ট্ৰসংঘৰ পৰ্যবেক্ষকে এই নিৰ্বাচন সম্পূৰ্ণ মুক্ত আৰু নিৰপেক্ষ বুলি দাবী কৰিলেও ছাভিম্বিয়ে জালিয়াতিৰ অভিযোগ তুলি নিৰ্বাচনৰ ফলাফল অগ্ৰাহ্য কৰে। নিৰাপত্তা পৰিষদৰ দ্বাৰা প্ৰেৰিত প্ৰতিনিধিদলে ইউনিটাক সৈমান কৰাব নোৱাৰিলে। সৌপন্থী গেৰিলা বাহিনীটোৰ পৃষ্ঠপোষক দক্ষিণ আফ্ৰিকাৰ বৈদেশিক মন্ত্ৰী মি. পিক বথাই কৈছিল যে এংগোলাৰ প্ৰেছিডেণ্ট ডছ ছানটছক লগ কৰিবলৈ আৰু জাতীয় ঐক্য চৰকাৰত যোগদান কৰিবলৈ ইউনিটা নেতা ছাভিম্বি সাজু আছে। কিন্তু প্ৰেছিডেণ্ট ছানটছে জাতীয় ঐক্য চৰকাৰ গঠনৰ আঁচনিৰ কথা ঘোষণা কৰি যোৱা মাহৰ তৃতীয় সপ্তাহত দেশখনৰ ভৱিষ্যতৰ বাবে ৰাজধানী লুৱাণ্ডাত আহ্বান জনোৱা আলোচনাত যোৱা নিৰ্বাচনত অংশ গ্ৰহণ কৰা আন সকলো দলে ভাগ লৈছিল। মাথোন প্ৰধান বিৰোধী দল ইউনিটাই যোগদান নকৰিলে। ইতিমধ্যে ১৬ বছৰীয়া গৃহযুদ্ধৰ অৱসান ঘটাবলৈ যোৱা মে' মাহৰ শান্তি চুক্তি মতে নিৰ্বাচনলৈকে চলি থকা যুদ্ধবিৰতি ভংগ হোৱাত পুনৰ দুয়োপক্ষৰ মাজত ব্যাপক আকাৰত গৃহযুদ্ধ আৰম্ভ হৈছে। ৰাজধানীৰ পৰা ইউনিটা বাহিনীক অপসাৰিত কৰিবলৈ চৰকাৰী পক্ষৰ লগত হোৱা যুদ্ধত নৱেম্বৰৰ প্ৰথম সপ্তাহতে এহেজাৰৰো অধিক লোকৰ মৃত্যু হোৱা বুলি প্ৰকাশ পাইছে। ইয়াৰ ভিতৰত ইউনিটাৰ প্ৰধান সেনাধ্যক্ষও আছে। ইফালে যোৱা নিৰ্বাচনৰ ফলাফলৰ আধাৰত নতুন চৰকাৰ গঠনৰো প্ৰস্তুতি চলিছে। যি দেখা গ'ল কমিউনিষ্ট বিৰোধী ইউনিটাই জয়লাভ কৰিব নোৱৰা সাধাৰণ নিৰ্বাচন ৰাষ্ট্ৰসংঘৰ তত্বাৱধানত অনুষ্ঠিত হ'লেও বৈধ হ'ব নোৱাৰে। জনাছ ছাভিম্বিৰ এনে মনোভাবে এংগোলাত ৰাষ্ট্ৰসংঘৰ শান্তি প্ৰচেষ্টাত নতুনকৈ বাধাৰ সৃষ্টি কৰিছে। লগতে এংগোলাত শান্তি প্ৰচেষ্টাত আগভাগ লোৱা মাৰ্কিন প্ৰশাসনৰ বাবেও এক পৰীক্ষা ৰূপে দেখা দিছে।

দক্ষিণ-পুব এছিয়াৰ কাম্বোডিয়াত শান্তি স্থাপনৰ বাবে ১৯৯১ চনৰ অক্টোবৰ মাহত সম্পাদিত চুক্তি মতে গৃহযুদ্ধত লিপ্ত চৰকাৰী বাহিনী আৰু আন তিনিটা গেৰিলা বাহিনীৰ মাজত যুদ্ধবিৰতি ঘটাই ৰাষ্ট্ৰসংঘৰ তত্বাৱধানত সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হ'ব লাগে। সেইমতে চাৰিওটা গোষ্ঠীয়ে যোগদান কৰা ছুপ্ৰিম জেনেৰেল কাউন্সিলৰ (S. N. C) সহযোগিতাত ৰাষ্ট্ৰসংঘৰ শান্তি বাহিনীয়ে নিৰ্বাচনৰ বাবে প্ৰস্তুতি চলাইছে। উল্লেখযোগ্য যে প্ৰায় দুই দশক জুৰি বৃহৎ গোষ্ঠীসমূহৰ মাজত চলিত মতানৈক্যৰ মূল মঞ্চ হিচাপে দেখা দিয়া কাম্বোডিয়াৰ গৃহযুদ্ধৰ পৰা ভিয়েটনামী সৈন্য বাহিনী আঁতৰি যোৱাৰ পাছত শান্তি প্ৰচেষ্টাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। বাস্তৱিকতে ১৯৭০ চনতে গোষ্ঠী নিৰপেক্ষ ৰাষ্ট্ৰ কাম্বোডিয়াৰ ৰাষ্ট্ৰপ্ৰধান ৰাজকুমাৰ নৰোডম ছিহানুকৰ চৰকাৰ পদচ্যুত হোৱাৰ দিন ধৰি




দেশখনত অশান্তিৰ সৃষ্টি হৈছিল আৰু যোৱা তেৰ বছৰে ভিয়েটনামৰ ৰক্ষণাবেক্ষণত ৰাজধানী নমপেনত স্থাপিত চৰকাৰক উচ্ছেদ কৰিবলৈ তিনিটা গোষ্ঠীয়ে চেষ্টা চলোৱাত গৃহযুদ্ধ চলি আছিল। বৰ্তমান শান্তি প্ৰচেষ্টাত ভাগ লব লগা চাৰিটা পক্ষ হ'ল যথাক্ৰমে প্ৰধানমন্ত্ৰী হুন চেনৰ নেতৃত্বাধীন চৰকাৰী বাহিনী, কমিউনিষ্ট গেৰিলা বাহিনী খামেৰ ৰুজ আৰু অকমিউনিষ্ট গেৰিলা বাহিনী খামেৰ পিপুলচ নেশ্যনেল লিবাৰেশ্যন ফ্ৰণ্ট আৰু ৰাজকুমাৰ ছিহানুকৰ সমৰ্থক গেৰিলা বাহিনী। কাম্বোডিয়াৰ পৰা ভিয়েটনামী সৈন্য আঁতৰি গ'লেও শান্তি প্ৰতিষ্ঠাৰ প্ৰক্ৰিয়া কেনেদৰে আৰম্ভ হ'ব আৰু বিশেষকৈ এই প্ৰক্ৰিয়াত খামেৰ ৰুজ দলে যোগদান কৰা নকৰা বিষয়টো লৈ যথেষ্ট বাদানুবাদৰ সৃষ্টি হৈছিল আৰু যাৰ ফলত কাম্বোডিয়াত শান্তি প্ৰতিষ্ঠাৰ প্ৰচেষ্টা সফল হোৱা নাছিল। এই কথা স্মৰণযোগ্য যে বৰ্তমান কাম্বোডিয়াত শান্তি প্ৰতিষ্ঠাৰ বিষয়টো বহুলাংশে খামেৰ ৰুজৰ ওপৰত নিৰ্ভৰ কৰিছে। বাস্তৱিকতে কাম্বোডিয়াৰ গৃহযুদ্ধত খামেৰ ৰুজ অথবা গণতান্ত্ৰিক কাম্পুছিয়া দলৰ শাসনৰ প্ৰায় তিনি বছৰীয়া শাসন কালেই (১৯৭৫-১৯৭৮) আছিল আটাইতকৈ ভয়াবহ সময়। সাম্প্ৰতিক কালৰ অন্যতম নৰঘাটকৰূপে পৰিচিত হোৱা পল পটৰ নেতৃত্বাধীন খামেৰ ৰুজে সন্ত্ৰাসৰ ৰাজত্বৰ পাতনি মেলি কাম্বোডিয়াক এক বধ্য ভূমিলৈ ৰূপান্তৰিত কৰিছিল। নিৰ্যাতন শিবিৰ অথবা বন্দুকৰ গুলিত অগণন নিৰীহ লোকৰ মৃত্যু হৈছিল। প্ৰকাশিত এক তথ্য মতে ইয়াৰ ফলত কাম্বোডিয়াত জনসংখ্যা ৬ নিযুত হ্ৰাস পালে। অৱশেষত ভিয়েটনামী সৈন্যৰ সাহায্যত হেং চামাৰিনৰ নেতৃত্বাধীন জাতীয় মুক্তি মৰ্চাই ৰাজধানী নমপেনত ক্ষমতা দখল কৰি পল পটক অপসাৰিত কৰে। ফলত কাম্বোডিয়াৰ গৃহযুদ্ধ এক নতুন অধ্যায়ত ভৰি দিয়ে। উল্লেখযোগ্য যে কাম্বোডিয়াত ভিয়েটনামৰ হস্তক্ষেপক কেন্দ্ৰ কৰি চীন আৰু ভিয়েটনামৰ মাজত গভীৰ মতানৈক্যৰ সৃষ্টি হৈছিল। আনকি ১৯৭৯ চনত চীন-ভিয়েটনাম সীমান্তত সামৰিক সংঘৰ্ষৰ বাতৰিও প্ৰকাশ পাইছিল। যিয়েই নহওক পেৰিছ শান্তি চুক্তি মতে (অক্টোবৰ '৯১) খামেৰ ৰুজকে ধৰি গৃহযুদ্ধত লিপ্ত হোৱা আন গোষ্ঠীয়েও আংশিকভাৱে অস্ত্ৰ ত্যাগ কৰি শান্তি প্ৰতিষ্ঠাত অংশ গ্ৰহণৰ বাবে প্ৰতিশ্ৰুতি দিয়াত ৰাষ্ট্ৰসংঘৰ শান্তি মিছনে কাম্বোডিয়াত এই দিশত যাবতীয় কাৰ্যত আগবাঢ়িছিল। কিন্তু শেহতীয়াভাৱে আকৌ শান্তি প্ৰতিষ্ঠাত বাধাৰ সৃষ্টি হৈছে। কাম্বোডিয়াত এতিয়াও ভিয়েটনামী সৈন্য উপস্থিত থকাৰ অভিযোগ আৰু নিৰ্বাচন অনুষ্ঠিত হোৱালৈকে প্ৰশাসনৰ দায়িত্ব গ্ৰহণ কৰা ছুপ্ৰিম নেশ্যনেল কাউন্সিলত (SNC) অধিক ক্ষমতা বিচাৰি খামেৰ ৰুজ দলে ৰাষ্ট্ৰসংঘৰ শান্তি প্ৰচেষ্টাত সহযোগিতা কৰিবলৈ অসন্মতি প্ৰকাশ কৰিছে। অন্যহাতেদি চৰকাৰী বাহিনীৰ এগৰাকী মুখপাত্ৰই শান্তি প্ৰতিষ্ঠাত বিধি পথালি দিয়াত অস্থায়ী পৰিষদৰ পৰা খামেৰ ৰুজক বহিষ্কাৰ কৰাৰ দাবী জনাইছে। শেহতীয়াভাৱে কাম্বোডিয়াৰ শান্তি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত বিজিঙত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় সন্মিলনত খামেৰ ৰুজৰ, বৰ্তমান নেতা খিউ চামফানে (Khieu Samphan) প্ৰায় অচল অৱস্থাৰ সৃষ্টি কৰে। এই কথা প্ৰণিধানযোগ্য যে খিউ চামফান খামেৰ ৰুজৰ নেতা হিচাপে পৰিচিত হ'লেও প্ৰকৃততে খামেৰ নিয়ন্ত্ৰিত দক্ষিণ-পশ্চিম কাম্বোডিয়া আৰু পূব থাইলেণ্ড সীমান্তত অৱস্থিত সুৰক্ষিত অঞ্চলত আত্মগোপন কৰি থকা পল পটেহে এতিয়াও খামেৰ ৰুজৰ মূল চাবিকাঠি নিয়ন্ত্ৰণ কৰে। সাম্প্ৰতিক কালৰ বহু বিতৰ্কিত মাৰ্ক্সবাদী গেৰিলা নেতা গৰাকীয়ে প্ৰকৃতপক্ষে ১৯৮২ চনৰ পৰাই লোক চক্ষুৰ পৰা নিজকে আঁতৰত ৰাখিছে। জাপানী সাংবাদিক এজনে সেই সময়ত তেওঁৰ ফটো আৰু সাক্ষাৎকাৰ গ্ৰহণ কৰিছিল। বৰ্তমানৰ শান্তি প্ৰচেষ্টাৰ পৰা পল পট পোনপটীয়াভাৱে আঁতৰি থাকে। কাম্বোডিয়াত শান্তি প্ৰতিষ্ঠা আৰু নিৰ্বাচন অনুষ্ঠিত কৰিবৰ বাবে বৰ্তমান ২১ হাজাৰ ৰাষ্ট্ৰসংঘৰ শান্তি বাহিনী অৱস্থান কৰিছে। কিন্তু খামেৰ অধ্যুষিত অঞ্চলসমূহত শান্তি বাহিনীয়ে প্ৰবেশৰ অনুমতি পোৱা নাই। বৰং সঘনাই যুদ্ধবিৰতি ভংগ হোৱা কমপং থম প্ৰদেশত শান্তি বাহিনীৰ লোকক খামেৰ ৰুজ বাহিনীয়ে বলপূৰ্বকভাৱে আটক কৰাৰ বাতৰিহে প্ৰকাশ পাইছে।

বৰ্তমান বিশ্বৰ এক উত্তপ্ত স্থান হিচাপে চিহ্নিত হোৱা কাম্বোডিয়াত গৃহযুদ্ধৰ অৱসান ঘটোৱাৰ দায়িত্ব ৰাষ্ট্ৰসংঘই গ্ৰহণ কৰিলেও চীনৰ নিচিনা ৰাষ্ট্ৰৰ প্ৰত্যক্ষ সহযোগিতা নহ'লে এই কাম সম্ভৱ নহ'ব। কিয়নো যি দেখা গৈছে খামেৰ ৰুজক নিয়ন্ত্ৰণ কৰাৰ বাবে চীনৰ এক বিশিষ্ট ভূমিকা থাকিব। এংগোলাৰ দৰে শীতল যুদ্ধোত্তৰ পৃথিৱীত ৰাষ্ট্ৰসংঘৰ ভূমিকা কেনে হ'ব সেই কথা কাম্বোডিয়াৰ প্ৰশ্নটোৱে দিশ নিৰ্ণয় কৰাত ভালেখিনি সহায় কৰিব।





# প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাগুৰুসকল

লোচন চন্দ্ৰ বৰা

এটি পৰিপূৰ্ণ ছাত্ৰজীৱন উপভোগ কৰিবলৈ সুযোগ পোৱা এজন ব্যক্তিৰ ছাত্ৰজীৱনটোক সাধাৰণভাৱে চাৰিভাগত ভগাব পাৰি ; যেনে,—প্ৰাথমিক, মাধ্যমিক, উচ্চমাধ্যমিক আৰু বিশ্ববিদ্যালয়। এই আটাইকেইটা স্তৰৰ সৰ্বমুঠ যিমান শিক্ষক-শিক্ষয়িত্ৰীৰ অধীনত এজন ছাত্ৰই শিক্ষা গ্ৰহণ কৰিব লগীয়া হয়, তাৰ ভিতৰত প্ৰাথমিক স্তৰৰ শিক্ষকসকলৰ লগতেই এজন ছাত্ৰৰ ঘনিষ্ঠতা হয় অতি নিবিড়। প্ৰাথমিক বিদ্যালয়ৰ এগৰাকী শিক্ষাগুৰুৰ স্থান, এটি শিশুৰ পিতৃ-মাতৃৰ ঠিক পাছতেই বুলিব পাৰি। পিতৃ-মাতৃয়ে এটি শিশুক খোৱা-পিন্ধা, আশ্ৰয়, নিৰাপত্তা আদি দি ডাঙৰ-দীঘল কৰে ; কিন্তু প্ৰাথমিক বিদ্যালয়ৰ এগৰাকী শিক্ষাগুৰুৱে শিশুটিক তিল-তিলকৈ জীৱন আৰু জগত সম্পৰ্কীয় জ্ঞান দি এটি পৰিপূৰ্ণ মানৱ হোৱাৰ পথত আগুৱাই নিয়াৰ প্ৰাৰম্ভিক অথচ অত্যন্ত জটিল আৰু গুৰুত্বপূৰ্ণ দায়িত্বটো গ্ৰহণ কৰিব লগীয়া হয়। জন্মতে এটি মানৱ শিশু আৰু এটি শাৱকৰ মাজত বৰ বেছি একো প্ৰভেদ নাথাকে। কোৱা হয় যে এটি মানৱ-শিশুক যদি জন্ম মুহূৰ্তৰ পৰাই এজাক পশুৰ মাজত কিবা প্ৰকাৰে নিৰ্বিঘ্নে ৰখাৰ ব্যৱস্থা কৰি ডাঙৰ-দীঘল হ'বলৈ এৰি দিয়া হয়, তেন্তে মানৱ-শিশুটিও কালক্ৰমত, স্বভাৱ-চৰিত্ৰৰ দিশত এটি পৰিপূৰ্ণ পশুলৈহে ৰূপান্তৰিত হ'ব।

এটি শিশুক পিতৃ-মাতৃ বা অভিভাৱকে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলৰ হাতত এই আশা আৰু বিশ্বাসেৰে গতাই দিয়ে যাতে শিশুটিৰ পুথিগত বিদ্যাৰ লগত পৰিচয় হোৱাৰ লগতে সততা, সত্যবাদিতা, পৰিষ্কাৰ-পৰিচ্ছন্নতা, নিৰ্ভীকতা, নিয়মানুবৰ্তিতা, নম্ৰতা, ভদ্ৰতা, দয়াশীলতা, ন্যায়পৰায়ণতা আদি মানৱীয় প্ৰমূল্যসমূহৰ প্ৰাথমিক জ্ঞানো লাভ হয়। উল্লিখিত শব্দবোৰৰ তাৎপৰ্য এটি শিশুৰ বোধগম্য নহয়। তেওঁলোকে জ্যেষ্ঠজনৰ পৰা সেই গুণসমূহ অনুকৰণহে কৰে। গতিকেই এগৰাকী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাগুৰুৱে নিজৰ প্ৰতিটো কাম-কাজ, কথা-বতৰা, আচাৰ-ব্যৱহাৰৰ জৰিয়তে ওপৰত উনুকিওৱা মানৱীয় প্ৰমূল্যসমূহৰ প্ৰকাশ ঘটালেহে এটি শিশুৱে সেইবোৰ অনুকৰণ কৰিবলৈ সুযোগ আৰু সুবিধা পাব পাৰে। শিক্ষকসকলৰ কথা আৰু কাম বিসংগতিপূৰ্ণ হ'লে শিশু ছাত্ৰ-ছাত্ৰী-সকল বিভ্ৰান্ত হোৱাৰ উপৰিও শিক্ষকসকলে তেওঁলোকৰ আস্থা আৰু বিশ্বাস হেৰুউৱাৰ সম্ভাৱনা তাকৰ নহয়। আস্থা হেৰুউৱা শিক্ষক-শিক্ষয়িত্ৰীয়ে যে পুথিগত শিক্ষাদানৰ ক্ষেত্ৰতো ছাত্ৰ-ছাত্ৰীৰ মনোযোগ আৰু একনিষ্ঠতা আদায় কৰাত বিফল হয় সেই বিষয়ে সন্দেহৰ থল নাই। সেয়েহে একোগৰাকী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাগুৰুৰ দৈনন্দিন জীৱন-পথ প্ৰায় ক্ষুৰৰ সাঁকোৰ দৰে বুলিব পাৰি। বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ সন্মুখত সদাসতৰ্ক, সদাসংযমী হৈ নচলিলে শিশুসকলৰ অনিষ্ট হোৱাৰ সম্ভাৱনা থাকে।

●●

**এটি শিশুক পিতৃ-মাতৃ বা অভিভাৱকে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলৰ হাতত এই আশা আৰু বিশ্বাসেৰে গতাই দিয়ে যাতে শিশুটিৰ পুথিগত বিদ্যাৰ লগত পৰিচয় হোৱাৰ লগতে সততা, সত্যবাদিতা, পৰিষ্কাৰ-পৰিচ্ছন্নতা, নিৰ্ভীকতা, নিয়মানুবৰ্তিতা, নম্ৰতা, ভদ্ৰতা, দয়াশীলতা, ন্যায়পৰায়ণতা আদি মানৱীয় প্ৰমূল্য-সমূহৰ প্ৰাথমিক জ্ঞানো লাভ হয়।**

প্ৰশ্ন হ'ব পাৰে যে শিশুসকলক 'প্ৰকৃত মানৱ'ৰ ৰূপত গঢ়িবলৈ হ'লে দেখোন প্ৰাথমিক বিদ্যালয়ৰ প্ৰতিগৰাকী শিক্ষকেই প্ৰথমে একো-একো গৰাকী মহাপুৰুষ হৈ লব লাগিব! ই জানো সম্ভৱ? তাৰ উত্তৰত ইয়াকে ক'ব পাৰি যে উল্লিখিত মানৱীয় প্ৰমূল্যসমূহ কম-বেছি মাত্ৰাত প্ৰতিজন মানৱৰ মাজতেই নিহিত হৈ থাকে। স্থান, কাল, পাত্ৰবিশেষে সেইবোৰৰ স্বতঃস্ফূৰ্ত প্ৰকাশো ঘটে। আলোচ্য শিক্ষাগুৰুসকলে যদি বিদ্যালয়সমূহক বিশেষ স্থান, ছাত্ৰ-ছাত্ৰীৰ লগত অতিবাহিত কৰা সময়খিনিক বিশেষ কাল আৰু ছাত্ৰ-ছাত্ৰী-সকলক বিশেষ পাত্ৰ হিচাপে গণ্য কৰি এই মানৱীয় গুণসমূহ প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰে, তেতিয়া বাঞ্ছিত ফল লাভ কৰাটো সম্ভৱ বুলি ভবাৰ থল আছে। অৱশ্যে এই কথাও সত্য যে প্ৰতিজন ব্যক্তিতে উল্লিখিত গুণসমূহ নিহিত হৈ থাকিলেও উপযুক্ত অনুশীলন, কৰ্ষণ আৰু প্ৰয়োগ অবিহনে এইবোৰ ক্ৰমান্বয়ে মৰহি গৈ কালক্ৰমত সম্পূৰ্ণৰূপে নিঃশেষ হৈ যোৱাৰ সম্ভাৱনাও আছে। তাৰ বিপৰীতে সঘন অনুশীলন, কৰ্ষণ আৰু প্ৰয়োগৰ জৰিয়তে এই গুণসমূহ উজ্জ্বলৰ পৰা উজ্জ্বলতৰ হোৱাৰ উপৰিও জীৱনৰ একপ্ৰকাৰ অবিচ্ছেদ্য অংশ হোৱাৰ ফলত একোজন সাধাৰণ লোকৰো মহান লোকলৈ উত্তৰণ ঘটিব পাৰে। তেনে মহৎ চৰিত্ৰবিশিষ্ট প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাগুৰুৰ অধীনত শিক্ষালাভ কৰাৰ সৌভাগ্য এই লেখকৰে ঘটিছিল। ৩য়-৪ৰ্থ দশকৰ কালছোৱাত এনে সৌভাগ্যৰ অধিকাৰী হ'ব পাৰিছিল বুলি আমাৰ সমবয়স্ক বহু লোকৰ মুখে আজিও শুনিবলৈ পাওঁ। একেধাৰে সহৃদয়, সহানুভূতিশীল পিতৃৰ প্ৰয়োজনীয় অনুশাসন আৰু মৰমী মাতৃৰ নিস্বাৰ্থ মৰমেৰে আবৰি ৰাখিবলৈ যত্ন কৰা সেইসকল শিক্ষকৰ স্মৃতি তদানীন্তন ছাত্ৰসকলৰ বহুতৰে মনৰ গভীৰত আজিও অম্লান হৈ আছে। কেৱল পুথিগত বিদ্যাদানতে নিজকে সীমাবদ্ধ নাৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ নৈতিক আৰু চাৰিত্ৰিক দিশৰ ওপৰতো এই শিক্ষাগুৰুসকলে সমানেই (কোনো-কোনো ক্ষেত্ৰত বেছিকৈহে) গুৰুত্ব আৰোপ কৰিছিল। শ্ৰেণীত প্ৰতিটো শিশুৰ ওপৰতে তীক্ষ্ণ দৃষ্টি ৰখাৰ উপৰিও সময় আৰু সুযোগ উলিয়াই ছাত্ৰ-ছাত্ৰীৰ ঘৰলৈ গৈ তেওঁলোকৰ পঢ়া-শুনা, স্বভাৱ-চৰিত্ৰৰ খবৰ লোৱাৰ দায়িত্ব সেইকালৰ বহু শিক্ষকে স্বেচ্ছাই গ্ৰহণ কৰিছিল। সাম্প্ৰতিক কালৰ প্ৰতিখন প্ৰাথমিক বিদ্যালয়ৰ প্ৰতিগৰাকী শিক্ষাগুৰুৱেই পূৰ্বসুৰীসকলৰ সেই মহৎ আদৰ্শসমূহ অনুসৰণ কৰাটো আজিৰ সমাজে একান্ত প্ৰয়োজনীয় বুলি উপলব্ধি কৰিছে। কেৱল সেয়ে নহয়,—শিক্ষাৰ প্ৰসাৰ আৰু প্ৰচাৰ, বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ অগ্ৰগতি আদিয়ে আজিৰ শিশুসকলৰ মনত ক্ৰমবৰ্ধমান গতিত সৃষ্টি কৰা অনুসন্ধিৎসাৰ সন্তোষজনক নিৰসনৰ কাৰণে আজিৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাগুৰুসকলে যথেষ্ট অধ্যয়ন কৰাৰো প্ৰয়োজন হৈছে।

কিন্তু অপ্ৰিয় হ'লেও সত্য যে বাস্তৱক্ষেত্ৰত আজি আমি আশা কৰাৰ বিপৰীতমুখী ছবি এখনহে দেখিবলৈ পাওঁ। শিক্ষকসকলৰ অনিয়মীয়া উপস্থিতি (বিশেষকৈ গ্ৰামাঞ্চলত), ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি চকুত পৰা ধৰণৰ উদাসীনতা, শিক্ষকতাক কেৱল জীৱিকাৰ অৱলম্বন হিচাপে গ্ৰহণ, কথা আৰু কামৰ মাজত বৈসাদৃশ্য, আৱশ্যকীয় অধ্যয়নৰ প্ৰতি অনীহা আদি প্ৰাথমিক বিদ্যালয়ৰ অনেক শিক্ষকৰ স্বাভাৱিক ৰীতিত পৰিণত হোৱা যেন দেখা যায়।

দেশৰ ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক আৰু বৌদ্ধিক পৰিবৰ্তনসমূহৰ পৰিপ্ৰেক্ষিতত প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাগুৰুসকলৰ প্ৰতি যে সমাজৰ পূৰ্বৰ মনোভংগীৰ যথেষ্ট সলনি হৈছে সেই কথা অস্বীকাৰ কৰাৰ উপায় নাই। তৃতীয় অথবা চতুৰ্থ দশকৰ অশিক্ষিত বা অৰ্ধশিক্ষিত জনসাধাৰণৰ মাজত প্ৰাথমিক বিদ্যালয়ৰ

শিক্ষাগুৰুসকলে যি শ্ৰদ্ধা আৰু সন্মান লাভ কৰিছিল, সাম্প্ৰতিক কালৰ হাজাৰ-বিজাৰ অভিযন্তা, ডাক্তৰ, অধিবক্তা, অধ্যাপক, শ শ এ ছি এছ, আই এ এছ., আই এফ. এছ., আই. পি. এছ. প্ৰশাসনিক বিষয়া আদিৰে দলদোপ-হেন্দোলদোপ হৈ থকা সমাজত প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাগুৰুসকলে সেই শ্ৰদ্ধা আৰু সন্মান বিচৰাটো পৰ্বতত কাছ কণী বিচৰাৰ লেখীয়া কথা হৈ পৰিছে। অভিভাৱকসকলে নিজ-নিজ শিশু-সন্তানৰ সন্মুখতে শিক্ষকসকলক মুকলিমুৰীয়াকৈ সমালোচনা কৰা, কোনো ছাত্ৰই কিবা দোষত বিদ্যালয়ত কোনো ধৰণৰ শাস্তি লবলগীয়া হ'লে তাৰ প্ৰতিক্ৰিয়া স্বৰূপে সংশ্লিষ্ট অভিভাৱকে শিক্ষকক ওলোটাই অপমান কৰা আদি কামবিলাক আজিৰ সমাজত নিতান্তই স্বাভাৱিক হৈ পৰিছে। কিন্তু এনে কৰাৰ ফলত শিক্ষকগৰাকীৰ যিমান ক্ষতি হয়, তাতোকৈ অধিক ক্ষতি হয় নিজ-নিজ সন্তানৰ। এনে সন্তানে শিক্ষকৰ প্ৰতি শ্ৰদ্ধা, আনুগত্য আদি প্ৰদৰ্শন কৰাৰ বিপৰীতে সৰুৰে পৰাই উদ্ধত, দুৰ্বিনীত হ'বলৈ শিকি পাছৰ জীৱনত সমাজত নানা অথন্তৰৰ সৃষ্টি কৰাৰ নজিৰ অনেক আছে। ঔচিত্যৰ বিচাৰত কোনো ক্ষেত্ৰত শিক্ষকৰ দোষ-ত্ৰুটি আঙুলিয়াই দিব লগীয়া হ'লেও সেয়া শিশু ছাত্ৰসকলৰ অজ্ঞাতে আৰু অগোচৰেহে কৰা উচিত।

সমাজৰ দ্বাৰা এনেদৰে উপেক্ষিত হোৱাৰ ফলত প্ৰাথমিক বিদ্যালয়ৰ অনেক শিক্ষকে হীনমন্যতাত ভোগাৰ অনেক নজিৰ আছে। ইয়াৰে পৰিমাণ কেতিয়াবা ইমান বৃদ্ধি পায় যে কোনো-কোনো শিক্ষকে 'প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক' বুলি নিজৰ পৰিচয় দিবলৈও কুণ্ঠাবোধ কৰে। কিন্তু আমি সদায় এটা কথা মনত ৰখা উচিত যে যিসকল উচ্চ শিক্ষিত জ্ঞানী, গুণী, কৃতী লোকক লৈ সদায় এখন সমাজে গৌৰৱ কৰে সেইসকলেও এদিন জীৱনৰ প্ৰাৰম্ভিক পৰ্যায়ত প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাগুৰুসকলৰেই (দুই-এটা ব্যতিক্ৰম বাদ দি) শিষ্যত্ব গ্ৰহণ কৰিব লগীয়া হৈছিল। এজন ছাত্ৰ বিশ্ববিদ্যালয়ৰ উচ্চ শিক্ষিত শিক্ষক এগৰাকীৰ সান্নিধ্যলৈ নাহিবও পাৰে, কিন্তু প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাগুৰু এগৰাকীৰ সান্নিধ্যলৈ নাহিলে এজন ব্যক্তিৰ ছাত্ৰ জীৱনেই আৰম্ভ হ'ব নোৱাৰে। সেই দিশৰ পৰা বিচাৰ কৰিলে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাগুৰু এগৰাকীৰ স্থান সদায় সমাজৰ শীৰ্ষত বুলি স্বীকাৰ কৰিবই লাগিব।

এই বিদ্যালয়সমূহ আৰু ইয়াৰ শিক্ষকসকলৰ বেলিকা চৰকাৰেও কিছুমান বিশেষ দিশত সতৰ্কতা অৱলম্বন কৰাটো আজিৰ সমাজৰ কল্যাণকামী আৰু শুভবুদ্ধিসম্পন্ন প্ৰায় প্ৰতিজন লোকেই বাঞ্ছা কৰে। এগৰাকী প্ৰাৰ্থীৰ শিক্ষাগত অৰ্হতাৰ বাহিৰে নৈতিক আৰু চাৰিত্ৰিক দিশটোৰ ওপৰত আজিৰ বিভাগীয় কৰ্তৃপক্ষ তথা চৰকাৰে তিলমানো গুৰুত্ব দিয়াৰ নজিৰ নাই; —অথচ যিটো দিশ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাগুৰু এগৰাকীৰ ক্ষেত্ৰত বোধহয় আটাইতকৈ গুৰুত্বপূৰ্ণ বুলি বিবেচিত হোৱা প্ৰয়োজন। শিক্ষাগত অৰ্হতাৰ বাহিৰেও প্ৰাৰ্থীৰ নৈতিক সততা, চাৰিত্ৰিক পবিত্ৰতা, কৰ্তব্যনিষ্ঠা, সেৱাৰ মনোভাব, কষ্ট সহিষ্ণুতা, নিয়মানুবৰ্তিতা আদিৰ বিষয়ে সাধাৰণভাৱে হ'লেও অৱগত হ'ব পৰাকৈ একোটি বিশেষ পৰীক্ষা পতাৰ ব্যৱস্থা কৰি, তেনে পৰীক্ষাত সন্তোষজনকভাৱে উত্তীৰ্ণ হোৱা প্ৰাৰ্থীকহে নিয়োগ কৰাৰ নীতি প্ৰচলন কৰিব লাগে বুলি আজি বহুলোকে উপলব্ধি কৰিছে। কেৱল নিবনুৱা সমস্যা সমাধানৰ উদ্দেশ্যে শিক্ষাগুৰুসকলক নিযুক্তি দিয়া কাৰ্যই ইতিমধ্যে সমাজৰ ভালেখিনি ক্ষতি কৰিছে।

●●

**একোগৰাকী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাগুৰুৰ দৈনন্দিন জীৱন-পথ প্ৰায় ক্ষুৰৰ সাঁকোৰ দৰে বুলিব পাৰি। বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ সন্মুখত সদাসতৰ্ক, সদাসংযমী হৈ নচলিলে শিশুসকলৰ অনিষ্ট হোৱাৰ সম্ভাৱনা থাকে।**

শিক্ষাৰ জগতখনতো ৰাজনৈতিক বিচাৰ-বিবেচনাই প্ৰাধান্য পোৱাটো যে সমাজ তথা দেশৰ কাৰণে অতিশয় ক্ষতিকাৰক এই কথা বৰ্তমান কাৰো উপলব্ধিৰ বাহিৰত নহয়। প্ৰাথমিক বিদ্যালয়ৰ পৰ্যায়ত এই কাৰ্য আটাইতকৈ অনিষ্টকাৰক। বহুতো সুদক্ষ, অভিজ্ঞ আৰু সৰ্বদিশতে যোগ্যতাসম্পন্ন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকো ৰাজনৈতিক পাকচক্ৰত পৰি অকাৰণতে নানা ধৰণে লটি-ঘটি হোৱাৰ অনেক উদাহৰণ বিচাৰিলে ওলাব। এনেবোৰ অবাঞ্ছনীয় কাৰ্যই সংশ্লিষ্ট শিক্ষকসকলৰ কৰ্ম-প্ৰেৰণা হৰণ কৰি তেখেতসকলক হতাশাগ্ৰস্ত কৰি তোলে। ফলত সেইসকল শিক্ষকৰ একনিষ্ঠ সেৱাৰ পৰা সমাজ বঞ্চিত হয়। সাধাৰণতে দেখা যায়— প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলক কোনো দোষৰ শাস্তি স্বৰূপে নিজ-নিজ অঞ্চলৰ বিদ্যালয়ৰ পৰা দূৰ-দূৰণিৰ দুৰ্গম, আওহতীয়া, যাতায়াতৰ সুব্যৱস্থা নথকা অঞ্চলৰ বিদ্যালয়সমূহলৈ বদলি কৰা হয়। আমাৰ বোধেৰে এনে ব্যৱস্থাই এখন বিদ্যালয় তথা ইয়াৰ ছাত্ৰ-ছাত্ৰীসকলৰ কোনো উপকাৰ সাধন নকৰে। দোষণীয় চৰিত্ৰৰ শিক্ষকসকলে এনে আওহতীয়া ঠাইৰ বিদ্যালয়সমূহত পূৰ্বতকৈও অধিক দোষণীয় কাম কৰিবলৈ সুবিধাহে পায়। তদুপৰি যাতায়াত ব্যৱস্থা অথবা দূৰত্বৰ দোহাই দি অধিকাংশ ক্ষেত্ৰত বিদ্যালয়ত উপস্থিত নথকা, বা অনিয়মীয়াকৈ উপস্থিত হৈ অসময়ত ঘৰলৈ ওভতা আদি কাৰ্য এনেসকল শিক্ষকৰ বেলিকা নিতান্তই স্বাভাৱিক। সৎ, নীতিপৰায়ণ শিক্ষকসকলেও আনকি এনে পৰিস্থিতিত নিয়মীয়া আৰু নিষ্ঠাপূৰ্ণ সেৱা আগবঢ়াবলৈ ব্যৰ্থ হ'লে আচৰিত হ'বলগীয়া একো নাই। পথশ্ৰমত ক্লান্ত হোৱা শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীক প্ৰয়োজনীয় পৰিশ্ৰম কৰি শিক্ষা দান কৰা সম্ভৱ নহয়। ঘৰৰ পৰা দূৰ হোৱাৰ কাৰণে শিক্ষকৰ ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত, বিদ্যালয়ত কটোৱা সময়খিনিৰ বাহিৰে আন সময়ত নজৰ দিয়াৰ সুবিধা নাথাকে। অভিভাৱকসকলৰ লগতো ঘনিষ্ঠতা ৰক্ষা কৰি চলা টান হৈ পৰে। ফলত শিশু ছাত্ৰ-ছাত্ৰীসকলৰ ক্ষতি হয়। সেই হেতুকে আমি ভাবোঁ যে দোষৰ শাস্তি স্বৰূপে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলক দূৰলৈ বদলি কৰাৰ প্ৰক্ৰিয়াটোৰ অৱসান ঘটাব লাগে। যদি কোনো শিক্ষক ছাত্ৰ-ছাত্ৰীসকলৰ অমংগল বা অনিষ্টৰ কাৰণ হোৱা বুলি উপযুক্ত সাক্ষ্য-প্ৰমাণৰ ভিত্তিত সাব্যস্ত হয়, তেনে শিক্ষকক, আমাৰ বোধেৰে, চাকৰিৰ পৰাই অব্যাহতি দিব লাগে। কিয়নো এখন বিদ্যালয়ৰ শিশু ছাত্ৰ-ছাত্ৰী সকলৰ ক্ষতিকাৰক এজন শিক্ষক আন এখন তেনে বিদ্যালয়ৰে শিশুসকলৰ কল্যাণকামী হ'ব বুলি ভবাৰ কোনো যুক্তি নাই। তেনে শিক্ষকক য'লৈকে বদলি কৰা নহওক কিয়, তেওঁ সকলো ঠাইতে একে ধৰণৰ অনিষ্টকেই কৰাৰ আশংকা থাকে। ছাত্ৰ-ছাত্ৰীসকলৰ সামূহিক কল্যাণলৈ লক্ষ্য ৰাখি এনে কাম কৰিব লগীয়া হ'লে এই কাৰ্যক নিষ্ঠুৰতা আখ্যা দিব পৰা নাযাব বুলিয়েই আমাৰ ধাৰণা। অন্যান্য ধৰণৰ দোষৰ ক্ষেত্ৰত সতৰ্কীকৰণ, জৰিমনা আদায়, বাৰ্ষিক বেতন বৃদ্ধি ৰোধ আদি আন শাস্তিসমূহ প্ৰয়োগ কৰিব পাৰি বুলি আমাৰ ধাৰণা। ঘৰৰ ওচৰে-পাজৰে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলক চাকৰি কৰাৰ সুবিধা দিলে ওপৰত উল্লেখ কৰা অসুবিধাসমূহৰ সন্মুখীন হ'বলগীয়া নহ'ব, তদুপৰি নিজ-নিজ অঞ্চলৰ শিশুসকলৰ সৰ্বাংগীন উন্নতিয়ে সততে যোগাব বুলি ভবা আনন্দ আৰু গৌৰৱ বোধেও শিক্ষকসকলক নিজৰ সেৱা আগবঢ়োৱাত তুলনামূলকভাৱে অধিক কৰ্মপ্ৰেৰণা দান কৰিব বুলি আশা কৰা যায়।

ইয়াৰ বাহিৰেও বিভাগীয় বিষয়াসকলে সঘনে বিদ্যালয়সমূহ পৰিদৰ্শন কৰি শিক্ষক-শিক্ষয়িত্ৰীসকলৰ কিবা ত্ৰুটি-বিচ্যুতি দেখা পালে সেইবোৰ দূৰীকৰণৰ বাবে আৱশ্যকীয় দিহা-পৰামৰ্শ দিব লাগে, আৰু বিদ্যালয়ৰ অভাৱ-অভিযোগসমূহ চাই-চিতি সেইবোৰ পূৰণ কৰাৰ বাবে সক্ৰিয় সহযোগিতা আগবঢ়াব লাগে। গ্ৰামাঞ্চলৰ বহু প্ৰাথমিক বিদ্যালয়ৰ অৱস্থা আজিও অত্যন্ত শোকলগা অৱস্থাতে আছে। ৰাতিয়ে-দিনে গৰু-ছাগলীয়ে ঘিটঘিটাই থকা, উৰুখা ছাল, ভগা বেৰ, ভগা দুৱাৰ-খিৰিকি, চকী, টেবুল আদিৰে জাৰাজীৰ্ণ অনেক প্ৰাথমিক বিদ্যালয় তেনেবোৰ অঞ্চলত অদ্যাপি বিদ্যমান। তেনে এখন বিদ্যালয়ত ভগা ঢাৰি, ফটা বস্তাত বহি, লেতেৰা পোছাক-পাতিৰে এজাক শিশুৱে লিখা-পঢ়া শিকি থকা দৃশ্য এটাই এগৰাকী অভিভাৱকৰ মনত আতংক আৰু উদ্বেগৰ সৃষ্টি কৰাটো তেনেই স্বাভাৱিক। তাতে যদি তেনে বিদ্যালয় এখনৰ শিক্ষকসকলো অনিয়মীয়া, কৰ্তব্যৰ প্ৰতি আওকণীয়া, ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি উদাসীন হয়, তেন্তে ৰাইজৰ তেনে বিদ্যালয়ৰ প্ৰতি বিৰাগ সৃষ্টি হোৱাটোত আচৰিত হ'ব লগীয়া একো নাই। এনেবোৰ কথাৰ কাৰণেও গ্ৰামাঞ্চলৰ কিছু সংখ্যক অভিভাৱকেও নিতান্ত অনিচ্ছা সত্বেও নিজৰ শিশুসকলক ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পঢ়াবলৈ বাধ্য হৈছে বুলি গম পোৱা যায়। (অৱশ্যে এনে কাম কৰা প্ৰতিজন অভিভাৱকেই এই পৰিস্থিতিত পৰিহে সেই কাম কৰিছে বুলিলে শুদ্ধ নহ'ব।) অতি সম্প্ৰতি চৰকাৰে গ্ৰামাঞ্চলত বিদ্যালয়-গৃহ নিৰ্মাণ আঁচনি কিছু পৰিমাণে কাৰ্যকৰী কৰাত কিছু সংখ্যক নতুন ঘৰে মূৰ দাঙি উঠিছে। কিন্তু তেনেবোৰ বিদ্যালয়ৰো বহুতৰে অভ্যন্তৰীণ অৱস্থা পূৰ্ববৎ নিচলা অৱস্থাতেই আছে। শিক্ষাদান কাৰ্যত প্ৰয়োজন হোৱা আছবাব-পত্ৰকে ধৰি ভালেমান লাগতিয়াল সামগ্ৰীৰ অভাৱৰ কথা শিক্ষকসকলৰ মুখত, সততে শুনা যায়। শিক্ষক এগৰাকীক কেন্দ্ৰ কৰি আলোচনা কৰিবলৈ লওঁতে প্ৰাসংগিকভাৱেই ওপৰৰ কথাখিনি আলোচনাৰ মাজলৈ আহি যায়। কিয়নো, প্ৰয়োজনীয় সা-সুবিধা অবিহনে একোগৰাকী দক্ষ শিক্ষকেও নিজৰ দক্ষতা প্ৰকাশ কৰাত বিফল হয়।

প্ৰাথমিক বিদ্যালয়ৰ স্তৰত এটি শিশুৰ অন্তৰত মানৱীয় বিভূতিসমূহৰ অংকুৰণ ঘটাব পাৰিলেও, ছাত্ৰজীৱনৰ শেষ পৰ্যায়লৈকে অব্যাহত গতিত এই দিশটোৰ ওপৰত সমানেই গুৰুত্ব আৰোপ নকৰিলে সেইবোৰৰ বিকাশ আৰু জীৱনজোৰা ব্যাপ্তি সম্ভৱ নহ'বও পাৰে। শৈশৱ কাল অতিক্ৰম কৰি বাহিৰৰ জটিল-কুটিল সমাজখনৰ সংস্ৰৱলৈ অহাৰ লগে-লগেই বহুক্ষেত্ৰত প্ৰায় প্ৰতিজন লোকৰেই ব্যক্তিগত ধ্যান-ধাৰণাৰ অভাৱনীয় পৰিবৰ্তনো ঘটে। গতিকে শৈশৱত প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাগুৰুসকলৰ অশেষ পৰিশ্ৰম আৰু চেষ্টাৰ ফলত গঢ় লৈ উঠা মানসিক জগতখন যাতে অবিকৃত ৰূপত বৰ্তাই ৰাখিব পৰা যায়, তাৰ বাবে সমগ্ৰ শিক্ষা ব্যৱস্থাটোতেই বিশেষ সতৰ্কতা অৱলম্বন কৰাটো প্ৰয়োজনীয়। আজি দেশত শিক্ষিত লোকৰ সংখ্যা পূৰ্বৰ তুলনাত যথেষ্ট বৃদ্ধি পাইছে। কিন্তু সেই অনুপাতে সমাজত সুখ-শান্তি বৃদ্ধি পোৱা নাই। বৰং, দেশৰ জনসাধাৰণৰ অধিকাংশৰে ক্ষিপ্ৰগতিত নৈতিক আৰু চাৰিত্ৰিক অধঃপতনহে ঘটিছে। ইয়াৰ একমাত্ৰ কাৰণ হ'ল আমাৰ শিক্ষা-ব্যৱস্থাই 'প্ৰকৃত মানুহ' সৃষ্টি কৰিব পৰা নাই। 'প্ৰকৃত মানুহ' সৃষ্টি কৰিবলৈ হ'লে শৈশৱ অৱস্থাৰ পৰাই এজন ব্যক্তিক তিলতিলকৈ গঢ়িব লাগিব। সেই গুৰু দায়িত্ব প্ৰথমতেই পৰে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাগুৰুসকলৰ ওপৰত। সেইবাবেই আজি প্ৰতি গৰাকী তেনে শিক্ষাগুৰু সৎ, চৰিত্ৰবান, কষ্টসহিষ্ণু, উদাৰ, নিষ্ঠাপৰায়ণ আৰু মানৱ-দৰদী হোৱাটো সমাজৰ বাবে নিতান্তই প্ৰয়োজনীয় কথা হৈ পৰিছে। সেই প্ৰয়োজন পূৰণ কৰিব পাৰিলে সমাজ তথা দেশে কিছু পৰিমাণে হ'লেও বৰ্তমানৰ শোচনীয় অধঃপতনক বাধা দিবলৈ সমৰ্থ হ'ব বুলি আশা কৰা যায়।


সদ্য প্ৰকাশিত

**অসমীয়া সাহিত্যত আমাৰ মূল্যৱান সংযোজন**

| | |
|---|---|
| নৱকান্ত বৰুৱাৰ | |
| **সীৰলুৰ শহ** | ২২.০০ |
| হোমেন বৰগোহাঞিৰ | |
| দুখন ৰাজনৈতিক উপন্যাসঃ | |
| **কুশীলৱ আৰু তিমিৰ তীৰ্থ** | ৩৫.০০ |
| **সুখ-দুখ** | ২৬.০০ |
| হৰেকৃষ্ণ ডেকাৰ | |
| **প্ৰতিসাৰিত ৰশ্মি** | ২৪.০০ |
| **মধুসূদনৰ দলং** | ২৫.০০ |
| নীলিমা দত্তৰ | |
| **ধুমুহাৰ পিছত** | ৪০.০০ |
| বাপ চন্দ্ৰ মহন্ত সম্পাদিত | |
| **বৰগীত** | ৪৫.০০ |
| ড° কেশৱানন্দ দেৱ গোস্বামী সম্পাদিত | |
| **নামঘোষা** | ৬৫.০০ |
| মোহনলাল মুখাৰ্জীৰ | |
| **সহকৰ্মীৰ দৰ্পণত বিষ্ণুপ্ৰসাদ ৰাভা** | ৩০.০০ |
| ড° ধ্ৰুৱজ্যোতি বৰাৰ | |
| **ৰুছ মহাবিপ্লৱ (২)** | ৬৫.০০ |
| নীলিম কুমাৰৰ | |
| **স্বপ্নৰ ৰেলগাড়ী** | ১৮.০০ |
| জ্ঞান পূজাৰীৰ | |
| **পুৱা গোধূলিৰ বেলি** | ১৫.০০ |
| ড° কৰবী ডেকা হাজৰিকাৰ | |
| **অসমীয়া কবিতা** | ৩৮.০০ |
| ড° হেম বৰাৰ | |
| **ৰমন্যাসবাদঃ** | |
| **অসমীয়া কবিতা আৰু জনদিয়েক প্ৰধান কবি** | ২৬.০০ |
| ড° পবিত্ৰ বৰগোহাঞিৰ | |
| **বিন্দুৰ পৰা বিশ্বব্ৰহ্মাণ্ডলৈ** | ৩২.০০ |
| অমূল্য কুমাৰ হাজৰিকাৰ | |
| **সন্ধান** | ২২.০০ |
| ধীৰেন্দ্ৰ চন্দ্ৰ দত্ত | |
| **অভিযান আৰু অন্যান্য কবিতা** | ১৫.০০ |

মনোজ্ঞ প্ৰচ্ছদপটঃ আকৰ্ষণীয় ছপাঃ বিষয়বস্তুৰ অভিনৱত্বঃ আমাৰ কিতাপৰ বৈশিষ্ট্য

ষ্টুডেণ্টচ্ ষ্ট'ৰচ্
গুৱাহাটী -৭৮১০০১



# প্ৰগতি বনাম পাৰিপাৰ্শ্বিকতা

হেমন্ত বিজয় মহন্ত

'Civilization have followed forests and deserts followed civilization.'

প্ৰগতি আৰু পাৰিপাৰ্শ্বিকতাৰ মাজৰ ভাৰসাম্য বজাই ৰখাটোৱেই আজিৰ মানৱ-সভ্যতাৰ প্ৰধান সমস্যা। এহাতে যিদৰে মানৱ-সমাজৰ উন্নতিৰ বাবে প্ৰকৃতিৰ সম্পদৰাজিৰ আহৰণ আৰু ব্যৱহাৰ অপৰিহাৰ্য, আনহাতে সেইদৰে পৰিষ্কাৰ মুক্ত বাতাৱৰণ আৰু স্বাস্থ্যকৰ পৰিবেশ মানুহৰ বাবে সমানেই প্ৰয়োজনীয়। প্ৰাকৃতিক সম্পদৰাজি আহৰণ কৰিবলৈ লওঁতে মানুহে পাৰিপাৰ্শ্বিকতাৰ বিভিন্ন উপাদানসমূহৰ প্ৰাকৃতিক ভাৰসাম্য নষ্ট কৰে। ভাৰতবৰ্ষৰ দৰে পৃথিৱীৰ আন-আন দুখীয়া আৰু উন্নয়নশীল দেশৰ বাবে জলবিদ্যুৎ-শক্তি দেশৰ অৰ্থনৈতিক উন্নতিৰ বাবে অতি প্ৰয়োজনীয়। কিন্তু জলবিদ্যুৎ-শক্তিৰ উৎপাদন কিছুমান বিশেষ অঞ্চলতহে সম্ভৱ হয়। এই বিশেষ অঞ্চলসমূহত জল-বিদ্যুৎ প্ৰকল্প নিৰ্মাণ কৰিবলৈ লোৱাৰ লগে-লগে অঞ্চলটোৰ প্ৰাকৃতিক ভাৰসাম্য বিভিন্ন প্ৰকাৰে নষ্ট হয়। তেতিয়াই উত্থাপিত হয় অতি গুৰুত্বপূৰ্ণ প্ৰশ্নটো ঃ আমাক প্ৰগতি লাগেনে পাৰিপাৰ্শ্বিকতা লাগে ?

ভাৰতবৰ্ষৰ উত্তৰ-প্ৰদেশৰ গাঢ়োৱাল অঞ্চলৰ তেহৰিত এনে এক প্ৰশ্নই কেইবা দশকো জ্‌ৰি বিজ্ঞানী, প্ৰকৃতিবিদ, ৰাজনীতিবিদ, অৰ্থনীতিবিদ,—সকলোকে প্ৰত্যাহ্বান জনাই আছে। তেহৰি জিলাৰ অন্তৰ্গত ভিলংগনা খণ্ডত ভাগীৰথী নদীত এটা বান্ধ দিয়া প্ৰকল্প ১৯৭২ চনৰ পৰা চলি আছে। এই তেহৰি বান্ধৰ (Tehri Dam) প্ৰকল্প চৰকাৰে বিখণ্ডিত হোৱাৰ পূৰ্বৰ ছোভিয়েট ৰাছিয়াৰ সহায়ত গঢ়ি তোলাৰ আঁচনি কৰি আছে। এই বান্ধটো ভাৰতৰ ভিতৰত আটাইতকৈ ওখ বান্ধ (২৬০৫ মিটাৰ) হ'ব। বান্ধটোৰ পৰা হ'ব পৰা লাভালাভ সম্পৰ্কে চৰকাৰী নথি-পত্ৰই বহুতো যুক্তি দাঙি ধৰিছে। তাৰে ভিতৰৰ প্ৰধান যুক্তিকেইটা তলত উল্লেখ কৰা হ'ল।

তেহৰি জল-বিদ্যুৎ প্ৰকল্পৰ দ্বাৰাই সমগ্ৰ উত্তৰ প্ৰদেশ বিশেষকৈ, পৰ্বতীয়া জিলা কেইখন শস্যশ্যামলা হ'ব। এই প্ৰকল্পৰ পৰা কৃষিৰ বাবে জলসিঞ্চন, আৰু উদ্যোগৰ বাবে অবাৰিত বিদ্যুৎ-শক্তি আহৰণ কৰিব পৰা যাব। প্ৰায় ৬৯২১·২৫ বৰ্গ কি. মি অঞ্চলত (২.৭ লাখ হেক্টৰ) জলসিঞ্চন আৰু বিদ্যুৎ-শক্তিৰ যোগান আদিৰ সুবিধাৰ লগতে ২৪০০ মেগাৱাট বিদ্যুৎ-শক্তি তেহৰি প্ৰকল্পৰ পৰা পোৱা যাব।

এই প্ৰকল্পৰ আটাইতকৈ ডাঙৰ সুবিধা হ'ল peaking power,— যিটো সুবিধা আন বহুতো জল-বিদ্যুৎ প্ৰকল্পত পোৱা নাযায়। Peaking power-অৰ প্ৰধান বৈশিষ্ট্য হ'ল,— কল-কাৰখানা বন্ধ থকা অৱস্থাত নাইবা বিদ্যুতৰ ব্যৱহাৰ নোহোৱা অৱস্থাত প্ৰকল্পটোৱে উৎপন্ন কৰা বিদ্যুৎ শক্তিৰে ইতিমধ্যে এৰি দিয়া পানী আকৌ প্ৰকল্পৰ উৎসলৈ কঢ়িয়াই নিয়া। অৰ্থাৎ এই কৌশলেৰে একেখিনি পানীৰে পুনৰ ব্যৱহাৰ কৰি বেছি বিদ্যুৎ শক্তি আহৰণ কৰা হয়।

জলসিঞ্চন, জলবিদ্যুৎ আদিৰ উপৰিও তেহৰি বান্ধৰ পৰা ৩০০ কিউছেক্ খোৱাপানী দিল্লী মহানগৰীলৈ যোগান ধৰিব পৰা হ'ব। ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশ এখনত জলবিদ্যুৎ প্ৰকল্পৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। ভাকৰা-নাংগল বান্ধৰ ফলত পঞ্জাবৰ অৰ্থনীতিৰ বিকাশ ইয়াৰ এক জ্বলন্ত প্ৰমাণ। তথাপি তেহৰি গাঢ়োৱাল অঞ্চলৰ স্থানীয় জনসাধাৰণৰ স্থানান্তৰণ হ'ব লগা অৱস্থা, কৃষিৰ উপযোগী ভূমিৰ অভাৱ আদিৰ বাবেই এই প্ৰকল্পৰ বিৰোধিতা কৰা হৈছে।


তেহৰি জলবিদ্যুৎ প্ৰকল্পৰ কতৃ'পক্ষ (THDC) আৰু চৰকাৰৰ আঁচনিৰ বিৰোধিতা কৰাসকলৰো যুক্তি সমানেই দৃঢ়। তেহৰি প্ৰকল্পৰ বিৰোধিতা প্ৰধানকৈ কৰিছে শ্ৰীসুন্দৰলাল বহুগুণাৰ নেতৃত্বত তেহৰি বান্ধ বিৰোধী কমিটিয়ে। শ্ৰীবহুগুণাৰ বাবে তেহৰি প্ৰকল্পৰ ধ্বংসলীলাৰ পৰা তেহৰি অঞ্চলটোক ৰক্ষা কৰাটো তেখেতৰ জীৱনৰ অন্যতম লক্ষ্য হৈ পৰিছে। তেখেতৰ নেতৃত্বতে গাঢ়োৱাল অঞ্চলৰ 'চিপকো' আন্দোলনে গা কৰি উঠিছিল। ১৯৭২ চনত পৰিকল্পনা আয়োগৰ অনুমোদনৰ পাছৰ পৰাই আৰম্ভ হোৱা এই বিৰোধৰ আজিলৈকে অন্ত পৰা নাই। তেহৰি প্ৰকল্পৰ বিৰুদ্ধে উত্থাপন কৰা মতসমূহ এনেধৰণৰ ঃ

তেহৰি বান্ধটো ভূমিকম্পৰ দ্বাৰা প্ৰভাৱিত অঞ্চলত প্ৰতিষ্ঠিত। ভূবিজ্ঞানীসকলৰ মতে বান্ধ সাজিবলৈ লোৱা ঠাইৰ ৭·৫ কি. মি. তলতে ভূমিকম্প সৃষ্টি কৰিব পৰা এক বৃহৎ চ্যুতি (fault) আছে। এই Mahar Tear Fault-অৰ বাবেই এই অঞ্চলটোত সৰু-সুৰা ভূমিকম্প হৈ থাকে। গোটেই হিমালয় পৰ্বতৰাজি ভূতাত্ত্বিক কাৰণবশতঃ ভূমিকম্পৰ কেন্দ্ৰস্থল হৈ পৰিছে। ১৯৯১ চনৰ অক্টোবৰ মাহৰ ২০ তাৰিখে হোৱা উত্তৰকাশী অঞ্চলৰ ৪৫ ছেকেণ্ড জোৰা ভূমিকম্পই এই মতটোৰ সত্যতা প্ৰমাণ কৰিছে।

এই ভূমিকম্পৰ ফলত প্ৰায় ১০০০ মানুহৰ মৃত্যু হ'ল আৰু কেইবাখনো গাঁৱৰ প্ৰায় ৩০,০০০ ঘৰ ধ্বংস হ'ল। মন কৰিব লগীয়া কথা হ'ল যে এই ভূমিকম্প মাথোন ৬·১ Ritcher Scale-অৰ আছিল। সেইবাবে, তেহৰি বান্ধ-বিৰোধীসকলৰ মতে, তেহৰি গাঢ়োৱাল অঞ্চল বৰ্তমানে গঢ় লৈ থকা বৃহৎ প্ৰকল্পৰ বাবে উপযোগী নহয়। বান্ধ-বিশেষজ্ঞসকলৰ মতে তেহৰি বান্ধটো ৯ R. S.-অৰ বাবে তৈয়াৰ কৰা হৈছে। কিন্তু এই অনুমান কিমানদূৰ সত্য সেয়া সন্দেহজনক।

তাৰ উপৰিও এই ২৬৫ মি. উচ্চতাৰ গধুৰ বান্ধটোৰ বাবেই অঞ্চলটোত ৪ R. S.-অৰ তলৰ সৰু-সৰু ভূমিকম্প হৈ থাকিব। এনে ধৰণৰ বান্ধজনিত ভূমিকম্পৰ (Reservoir Induced Seismicity RIS) ফলত বান্ধটোৰ আয়ুস কমাৰ সম্ভাৱনা আছে। অসমৰ ব্ৰহ্মপুত্ৰ নদীৰ বুকু বাম হোৱাৰ দৰে এই সৰু ভূমিকম্পবোৰে (৪ R. S.-অৰ তলৰ ভূমিকম্প মানুহে সাধাৰণতে অনুভৱ কৰিব নোৱাৰে) বান্ধটোৰ পিছফালে থকা বিস্তৃত জলাধাৰ (reservoir) বাম কৰি পেলাব আৰু তাৰ ফলত জলাধাৰৰ আয়ুস কমি যাব।

তেহৰি-গাঢ়োৱাল অঞ্চলৰ পলসুৱা কোমল মাটিৰ বাবেই জলাশয় আৰু তাৰ লগতে বান্ধটোৰ আয়ুস কমি যোৱাৰ আশংকা বেছি আছে। THDC ৰ মতে বান্ধটোৰ অৰ্থনৈতিক বয়স ১০০ বছৰ ধাৰ্য কৰা হৈছে যদিও আন বিশেষজ্ঞৰ মতে ইয়াৰ আয়ুস ৩০-৪০ বছৰতকৈ বেছি নহ'ব।



ভাগীৰথী আৰু ভিলংগনা নদীৰ সংগম স্থলত অৱস্থিত তেহৰি চহৰৰ এটা দৃশ্য। সংগমস্থলত নিৰ্মিত বান্ধৰ বাবে এই চহৰখন সম্পূৰ্ণৰূপে ডুব যাব।

বান্ধটো সম্পূৰ্ণ হোৱাৰ লগে-লগে জলাশয়ৰ বাবে কেইবা হেক্টৰো মাটি পানীৰ তলত বুৰ যাব। পৰ্বতীয়া অঞ্চলৰ তাকৰীয়া সমতল আৰু সাৰুৱা ভূমিৰ এই অংশটো ডুব গ'লে স্থানীয় লোকে প্ৰতিবাদ কৰাটো স্বাভাৱিক। দৰাচলতে তেহৰি চহৰখন সম্পূৰ্ণভাৱে ডুব যাব ; আৰু সেইবাবে চৰকাৰে বান্ধটোৰ পৰা আঁতৰত, বহু ওখ পাহাৰৰ ওপৰত নতুনকৈ এখন চহৰ প্ৰতিষ্ঠা কৰিছে।

হয়তো তেহৰি চহৰ পুনৰ স্থাপনৰ ক্ষেত্ৰত চৰকাৰ বিশেষ আগবাঢ়িব পৰা নাই। এই কামৰ খৰচ প্ৰতি বছৰে বাঢ়ি আহিছে। বান্ধটোৰ কাম সম্পূৰ্ণ হোৱাত পলম হোৱাৰ বাবেই বান্ধ গঢ়াৰ খৰচৰ পৰিমাণো বাঢ়ি আহিছে। ১৯৬৭ চনত আনুমানিক খৰচ আছিল ১২৬·৮ কোটি টকা, আৰু ১৯৮৯ চনত আনুমানিক খৰচ ধাৰ্য কৰা হৈছিল ৩০০০ কোটি টকা।

তেহৰি বান্ধৰ আন এক আনুষংগিক অসুবিধা দেখা গৈছে। ভাৰতৰ আন্তজ'াতিক সীমাৰ পৰা মাথোন ৫০ কি. মি. দূৰৈত থকা এই বান্ধটো কেতিয়াবা দেশৰ সুৰক্ষাৰ দিশৰ পৰা সমস্যাজনক হ'ব পাৰে। কিবা কাৰণত বান্ধটো ভাগিব লাগিলে বান্ধৰ নামনিত থকা হৰদ্বাৰ, ঋষিকেশ, ৰুদ্ৰপ্ৰয়াগ, দেৱপ্ৰয়াগ আদি চহৰ পানীৰে ভৰি পৰিব।

অৱশ্যে THDC আৰু ভাৰত চৰকাৰে তেহৰি বান্ধ-বিৰোধী মতামত আওকাণ কৰাৰ চেষ্টা কৰা নাই। বান্ধটোৰ কাম কেইবাৰাৰো ভাৰত চৰকাৰৰ পৰিবেশ মন্ত্ৰালয়ৰ হস্তক্ষেপত বন্ধ কৰা হৈছে আৰু পুনৰ কাম আৰম্ভ কৰাও হৈছে। তেহৰি চহৰ আৰু প্ৰভাৱিত হোৱা আন গ্ৰাম্যবাসীৰ পুনৰ সংস্থাপনৰ লগতে তেহৰি বান্ধৰ Catchment area ত বৃক্ষৰোপণৰ আঁচনিও চৰকাৰে হাতত লৈছে। কিন্তু প্ৰধান প্ৰশ্ন হ'ল,— জনসমাজৰ, পাৰিপাৰ্শ্বিকতাৰ ইমানবোৰ ধ্বংসকাৰ্যৰ পৰিপ্ৰেক্ষিতত বান্ধটোৰ পৰা হ'ব পৰা অৰ্থনৈতিক লাভ পৰিপূৰক হ'ব জানো ? এই মুল প্ৰশ্নটোৰ সমাধান এতিয়াও পোৱা হোৱা নাই।

অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতো জল-বিদ্যুৎ প্ৰকল্পৰ কাম চলি আছে। তেহৰি অঞ্চলৰ ৰাইজৰ দৰে আমি কেতিয়াবা এই প্ৰকল্পবোৰৰ পৰা আমাৰ পাৰিপাৰ্শ্বিকতাত হ'ব পৰা ঋণাত্মক প্ৰভাৱবোৰৰ কথা ভাবি চাইছোঁ জানো ? ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত জল-বিদ্যুৎ শক্তিৰ সম্ভাব্য সম্পদৰাজি আৰু তাৰ বিকাশৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। কিন্তু তাৰ লগে-লগে এনে প্ৰকল্পৰ পৰা হ'ব পৰা ধ্বংসাত্মক প্ৰভাৱবোৰ চালি-জাৰি চাব লাগিব। আমাৰ সভ্যতাই এখন মৰুভূমিৰ সৃষ্টি কৰা অনুচিত। আমাক লাগে বিনাশ বিহনে বিকাশ ( development without destruction).

প্ৰান্তিকৰ ১১শ বছৰৰ ১৪শ সংখ্যাত প্ৰকাশ হোৱা এটি লেখাত গুৱাহাটী মহানগৰীৰ আশে-পাশে থকা পাহাৰবোৰত ভূমিস্খলনৰ সম্পৰ্কে এটা আলোচনা কৰা হৈছিল। পাৰিপাৰ্শ্বিকতাৰ সংৰক্ষণৰ সামান্য জ্ঞান থকা নাগৰিকেও নিশ্চয় এনে ধ্বংসলীলাৰ প্ৰতিবাদ কৰিব। গুৱাহাটী মহানগৰীৰ সৌন্দৰ্য গুৱাহাটীৰ আশে-পাশে থকা পাহাৰ-জান-জ্‌ৰিতে লুকাই আছে। অপৰিকল্পিত নগৰ প্ৰসাৰণৰ বাবে এই সৌন্দৰ্য চিৰকালৰ বাবে বিলুপ্ত কৰি দিয়াটো অনুচিত।

প্ৰাকৃতিক পৰিবেশক পুনৰ সংস্থাপন কৰিব নোৱৰাকৈ চিৰকালৰ বাবে ধ্বংস কৰি দিয়াতকৈ, পাৰিপাৰ্শ্বিকতাৰ ভাৰসাম্য বজাই ৰাখিব পৰা অৰ্থনৈতিক বিকাশৰ হাৰহে বৰ্তমান সভ্যতাত বেছি প্ৰযোজ্য।


## নীলিম কুমাৰৰ কবিতা

*"His innocence, his soft romantic escape to nowhere, can be charming. You may say, no rabble rousing : it is deliberately subdued, the silent, subterranean flow,"*

**THE TIMES OF INDIA**

*"Nilim Kumar has been a big success- his lyricism, his innocence and above all his sensuosness have been very touching and impressive. He is a poet to be watched."*

**ASHOK VAJPEYI**
2ND TRIENNALE OF INDIAN POETRY

*"অসমীয়া সাহিত্যত এনে geniusely sensitive কবিতা মই পঢ়া নাই।"*

**মামণি ৰয়ছম গোস্বামী**

*"সমসাময়িক আন বহু তৰুণ কবিৰ বিপৰীতে নীলিম কুমাৰে সামাজিক আৰু ৰাজনৈতিক ঘটনাৱলীৰ প্ৰতি বিশেষ নজৰ দিয়া নাই। তেওঁ হয়তো এনে কেতবোৰ জীৱন সত্যৰ সন্ধান কৰিছে যিবোৰ কাল নিৰপেক্ষ।"*

**ড°হীৰেন গোহাঁই**

প্ৰকাশ পালে

**স্বপ্নৰ ৰেলগাড়ী**

ষ্টুডেন্টচ্ ষ্ট'ৰচ্, কলেজ হোষ্টেল ৰোড, গুৱাহাটী- ৭৮১০০১

**ধা**তুগত স্বকীয় ধৰ্ম আৰু ইয়াৰ অন্যান্য সাধাৰণ অবিনাশী সৌন্দৰ্যৰ বাবে মানৱ-সভ্যতা-সংস্কৃতিত সোণৰ ব্যৱহাৰ আৰু প্ৰয়োজনে এক বিশেষ স্থান অধিকাৰ কৰি আহিছে। সোণৰ ৰাসায়নিক চিহ্ন Au আহিছে লেটিন শব্দ aurium-অৰ পৰা। ইয়াৰ অৰ্থ হ'ল 'উজ্জ্বল প্ৰভাত'।

সোণ মানৱ-সভ্যতাৰ দোকমোকালিতে ব্যৱহৃত ধাতুসমূহৰ অন্যতম। নৈৰ বুকুত পোৱা সোণৰ পিণ্ডবোৰকেই মূল্যবান ধাতু হিচাপে মানুহে ব্যৱহাৰ কৰিছিল। সোণ বুৰঞ্জীৰ বহু আখ্যানৰ সৈতে জড়িত। ৰজা ক্ৰয়েছাছ, ৰজা মিডাছ আৰু জেছনৰ সোণৰ ভেড়াৰ কথা এই প্ৰসংগত উল্লেখযোগ্য। ৰজা ছল'মনেই শাসনকৰ্তাসকলৰ ভিতৰত প্ৰথমে এটা বিস্তাৰিত খনিবিভাগ খুলিছিল। তেওঁৰ সন্ধানমূলক কাৰ্যাৱলী বৰ ফলপ্ৰসূ আছিল। ৰজা ছল'মনৰ ৰহস্যময় সোণৰ খনি অলপতে, আৰব উপদ্বীপত পুনৰ আবিষ্কৃত হৈছে। আখ্যানৰ মতে ৰজা ছল'মনে যিমান পৰিমাণৰ সোণ অপসাৰণ কৰিছিল, সেই একে পৰিমাণৰ সোণ ন-আবিষ্কৃত ভাণ্ডাৰত জমা হৈ আছে বুলি অনুমান কৰা হৈছে।

পাহাৰৰ শিলাস্তৰত সোণৰ চেঁকুৰা বা কণা থকা মনিক শিৰাসমূহ উন্মুক্ত হোৱাৰ পাছত বিভিন্ন ভূতাত্ত্বিক প্ৰক্ৰিয়াৰ ফলত লগত থকা শিলেৰে সৈতে সোণৰ শিৰাবোৰ ভাগি-ছিগি যায় আৰু পাহাৰৰ ঢালেৰে নামি আহি জান-জুৰিত পৰেহি। তুলনামূলকভাৱে অধিক গধুৰ হোৱা বাবে সোণবোৰ নৈৰ বুকুত জমা হয় আৰু কোবাল সোঁতে উটুৱাই আনি নদীৰ পাৰৰ আৰু চৰৰ বালিশিল অঞ্চলত জমা কৰে। ইয়াকেই স্ৰোত-নিক্ষেপিত সোণ (ইংৰাজীত Placer Gold) বুলি জনা যায়। প্লাছাৰ শব্দটো স্পেনিছ ভাষাৰ প্লেজাৰ (Plazer) শব্দৰ পৰা আহিছে। ইয়াৰ অৰ্থ হ'ল বালিৰ চৰ। উনবিংশ শতিকাত দক্ষিণ আমেৰিকাৰ-সোণ অন্বেষণকাৰীসকলে (Prospector) নদীচৰত জমা হোৱা সোণক প্লেজাৰ সোণ বুলি কৈছিল, আৰু তাৰ পৰাই ইংৰাজীত Placer শব্দৰ উৎপত্তি।

## পটভূমি

অতীজৰে পৰা অসমে সোণ উৎপন্ন কৰি আহিছে। অসমৰ বহু নৈৰ বালিত কম-বেছি পৰিমাণে সোণ পোৱা গৈছিল। ইংৰাজসকলৰ আগমনৰ আগেয়ে অসমীয়া সোণৰ কৰ্মী 'সোণোৱাল'সকলে উজনি অসমৰ নৈৰ বালিৰ পৰা সোণ সংগ্ৰহ কৰিছিল। মহাভাৰতৰ সভাপৰ্বত পোন প্ৰথমবাৰৰ বাবে অসমৰ সোণৰ উল্লেখ পোৱা যায়। বৰ্তমান অসম আৰু তেতিয়াৰ লোহিত্য ৰাজ্যৰ ৰজাই পাণ্ডুৰজা যুধিষ্ঠিৰলৈ আন উপহাৰৰ সৈতে সোণো পঠিয়াইছিল বুলি উল্লেখ আছে। পামবাৰ্টনৰ (Pemberton) প্ৰতিবেদনত উল্লেখ আছে যে ৰজা কমলেশ্বৰ সিংহৰ দিনত (১৮০৯) অসমৰ নৈৰ বালিৰ পৰা বছৰি প্ৰায় ১৮০০০০ তোলা সোণ উৎপন্ন হৈছিল। মণিৰাম দেৱানে (১৮৩৮) ইষ্ট ইণ্ডিয়া কম্পেনিৰ বাবে তৈয়াৰ কৰা প্ৰতিবেদনত উল্লেখ আছে যে ৰজা ৰাজেশ্বৰ সিংহই (১৭৫১-১৭৬৮) উজনি অসমৰ সোণোৱালৰ হতুৱাই ৰাজকোষত প্ৰায় ৬০০০-অৰ পৰা ৭০০০ তোলা সোণ জমা কৰিছিল। ইয়াৰ পাছত গৌৰীনাথ সিংহৰ (১৭৮০-১৭৯৪) দিনত ৰাজকোষলৈ সোণোৱালে ৪০০০ তোলা সোণ পঠিয়ায়। পূৰ্ণানন্দ বৰগোহাঁইৰ দিনত মাত্ৰ দুহাজাৰ তোলা সোণ জমা হয়। এই সকলো সোণ সোণোৱালসকলে নৈৰ বালি ধুই উৎপাদন কৰিছিল। পুৰ্বৰ টোকাৰ পৰা পোৱা যায় যে ১৮২৬ আৰু ১৮৩৩ চনৰ ভিতৰত অসমৰ সোণোৱাল পাইকসকলৰ প্ৰায় ৪৬৭টা গোট (৪ পাইক=১ গোট) আছিল। তাৰে ৪০০ গোটে ইষ্ট ইণ্ডিয়া কম্পেনিক সোণৰ জনমুৰি কৰ দিছিল। পূৰ্ণানন্দ সিংহৰ (১৮৩৩-৩৪) ৰাজত্বকালত সোণোৱাল গোটৰ সংখ্যা ১৮৪ আছিল আৰু সেয়েহে সোণৰ উৎপাদনো কম আছিল। পাছত (১৮৩৮) ইষ্ট ইণ্ডিয়া কম্পেনিয়ে সোণ আহৰণৰ বাবে সোণোৱালসকলৰ জনমুৰিকৰ (Poll tax)

সোৱণশিৰি বালিচৰত ৰাজ্যিক ভূতত্ত্ব আৰু খনি বিভাগৰ পাৰকিউশ্যন খনন-যন্ত্ৰ ব্যৱহাৰ কৰি নমুনা সংগ্ৰহৰ দৃশ্য



# অসমৰ সোৱণশিৰি নৈত সোণৰ অনুসন্ধান

ড. বিপুল চন্দ্ৰ বৰুৱা
ব্ৰজেন বৰুৱা




# মই বনোৱা মিঠাই খাই চোৱাৰে পৰা শাহুআই মোৰ প্ৰশংসাত পঞ্চমুখ হৈ উঠিল। ধন্যবাদ মিল্কমেইড

মোৰ শাহুআই বৰ ৰঙিয়াল, সকলো সময়তে হাহি ধেমালি কৰে। এদিন ধেমালিতে কলে "বোৱাৰী মিঠাই-চিঠাই বনাব জানানে ?" মইনো আৰু কি কম ? মনে মনেই থাকিলোঁ। ভাগ্যে পালোঁ মিল্কমেইড। মিল্কমেইডেৰে মিঠাই ইমান সোনকালে, সহজে আৰু ইমান সুস্বাদু হয় যে আজিকালি মই নিতৌ মিঠাই বনাওঁ আৰু প্ৰশংসা পাওঁ।



## ঘিলা পিঠা

প্ৰস্তুতি সময়ঃ ১৫-২০ মিনিট
২০টা পিঠাৰ বাবে

উপকৰণঃ

| | |
|---|---|
| মিল্কমেইড | ঃ ½ টেমা |
| পিঠাগুড়ি | ঃ ২ কাপ |
| তাজা পিহিলোৱা নাৰিকল | ঃ ১কাপ |
| বেকিং চ'দা | ঃ ½ সৰু চামুচ |
| বনস্পতি | ঃ ১ ডাঙৰ চামুচ |
| নিমখ | ঃ এচিকুট |
| ইলাচি গুড়ি | ঃ ½ সৰু চামুচ |
| বনস্পতি ঘিঁউ ভাজিবৰ বাবে | |

প্ৰণালী

মিল্কমেইড, পিঠাগুড়ি, তাজা পিহা নাৰিকল, বেকিং চ'দা, বনস্পতি, ইলাচি গুড়ি আৰু নিমখ একেলগে মিলাই মিহি আৰু লপ্‌থপীয়া মিশ্ৰণ বনাই লওক।

কেৰাহিত ঘিঁউ গৰম কৰক।

মিশ্ৰণখিনি সৰু লাড়ু বনাই সামান্যকৈ চেপেতা কৰক আৰু ৰঙচুৱা হোৱাকৈ ঘিঁউত ডুবাই ভাজক।

পিহা নাৰিকল ছটিয়াই দি গৰমে গৰমে পৰিবেশন কৰক।

## এগলেছ কে'ক



৭৫০ গ্ৰামৰ কে'ক এটাৰ কাৰণে
বনাবলৈ সময় লাগে ২৫-৩০ মিনিট  বেক কৰাৰ সময়

উপকৰণঃ

| | |
|---|---|
| ময়দা | ঃ ২ কাপ |
| মাখন/ঘিঁউ | ঃ ১¼ কাপ |
| মিল্কমেইড | ঃ ১ টেমা |
| পানী | ঃ ১ কাপ |
| ভেনিলা এচেন্স | ঃ ½ চামুচ |
| নিমখ | ঃ এচিকটা |
| বেকিং পাউডাৰ | ঃ ¾ চামুচ |
| কুটি লোৱা বাদাম | ঃ ১ কাপ |

প্ৰণালীঃ

১. মাখনখিনি ভালদৰে ফেটি লওক। এটা পাত্ৰত মিল্কমেইড, পানী, ফেটি থোৱা মাখন, কুটি লোৱা বাদামখিনি মিলাই উতলাওক। জুইৰ পৰা নমাই ঠাণ্ডা হ'বলৈ দিয়ক।
২. ময়দা, বেকিং পাউডাৰ আৰু নিমখ মিলাই চালি লওক কে'কৰ মিশ্ৰণত মিলাই দি ভালদৰে ফেটক।
৩. ভেনিলা এচেন্স দি ৮'' কে'কৰ টিনত (ঘিঁউ বা মাখন সনা) বাকি দিয়ক।
৪. ১৫০° ছেণ্টিগ্ৰেড তাপত ১½ ঘণ্টা বেক কৰক।

## কৃত্ৰিম বাছুন্দি



৬ জনৰ জোখাৰে
সময় লাগেঃ ১৫ মিনিট

উপকৰণঃ

| | |
|---|---|
| মিল্কমেইড | ঃ ১ টেমা |
| গাখীৰ | ঃ ২ কাপ |
| ব্ৰে'ড | ঃ ২০০ গ্ৰাম বা ৪ শ্লাইছ |
| কাজু বাদাম | ঃ ১৫/২০টা কুটি লব |
| গোলাপ জল | ঃ কেইটোপালমান |
| ছিলভাৰ ফইল | ঃ ২ খন বা দুখিলা পাট |

প্ৰণালীঃ

- ব্ৰে'ডৰ পৰা কাষৰ টান অংশ গুচাই পেলাওক আৰু গাখীৰত ১০ মিনিটৰ বাবে তিয়াই থওক। এই মিশ্ৰণত মিল্কমেইড ঢালি দিয়ক।
- ভালকৈ খছি লৈ আৰু এখন ছাকনিত চাকক।
- কম জুইত ১০ মিনিটৰ বাবে গৰম কৰক। জুইৰ পৰা নমাওক আৰু তাত কুটা বাদাম আৰু গোলাপজল ঢালক।
- ওপৰত ছিলভাৰ ফইলেৰে সজাই লৈ ফ্ৰিজত ভৰাই ঠাণ্ডা হোৱাৰ পাছত পৰিবেশন কৰক।


আনন্দৰে
জোৱাৰ আনে
মিল্কমেইডে প্ৰতিক্ষণে



ব্যৱস্থা উঠাই লয়। ফলত সোণোৱালসকলে এই কষ্টকৰ কাম বাদ দি খেতি-বাতি কৰিবলৈ লয়। ইফালে বৃটিছ চৰকাৰে নৈসমূহ সোণ ধুবৰ বাবে ডাকত দি মহল ব্যৱস্থাৰ প্ৰবৰ্তন কৰে। ছাৰ মফট মিলৰ ভ্ৰমণকালত উজনি অসমত এনে মহল মাত্ৰ চাৰিটা আছিল আৰু একে বছৰতে লক্ষীমপুৰ জিলাৰ পৰা ৭ সেৰ সোণ ৰপ্তানি কৰা হৈছিল। (মিলৰ প্ৰতিবেদন, পৃষ্ঠা ৬৫০)।

এই তথ্যসমূহৰ পৰা এই কথা বুজা যায় যে অসমৰ নৈসমূহৰ স্ৰোত-সোণ উনবিংশ শতিকাৰ মাজভাগলৈকে নিষ্কাশিত কৰা হৈছিল। কেপ্টেইন ডেল্টনৰ ১৮৫৪ চনৰ প্ৰতিবেদন মতে মুঠ ১০ সেৰতকৈও অধিক সোণ উৎপাদিত হৈছিল। সোৱণশিৰি নৈৰ বালিতেই আটাইতকৈ বেছি সোণ পোৱা গৈছিল। ১৮৭৫ চনত বৃটিছ চৰকাৰে সোৱণশিৰি নৈৰ বালিত সোণোৱালে সোণ ধোৱা কাম বন্ধ কৰে। ফলস্বৰূপে অসমত সোণ ধোৱা কাম মৃত্যুমুখী হয়। তদুপৰি সোণোৱালসকলৰ বাধ্যতামূলক poll tax ৰদ কৰা, সোণধোৱা কামৰ কষ্ট আৰু বৃটিছৰ নতুন কৰ-পদ্ধতি আদিয়ে সোণধোৱা কামৰ অৱসান ঘটায়।

জে. মেলকম মেকলেৰনে (১৯০৩-১৯০৪ GSI) অসমৰ প্ৰায় সকলো নৈত অনুসন্ধান চলায় আৰু (অসম উপত্যকাত সোণৰ অৱস্থিতিৰ বিষয়ে) "অসমৰ সকলো নৈৰ




সোৱণশিৰিৰ বালিত সন্নিবিষ্ট গধুৰ মনিকৰ এক ফট'মাইক্ৰগ্ৰাফ ১:২৫

বালিত কম বেছি পৰিমাণে সোণ সিঁচৰতি হৈ আছে" বুলি মন্তব্য দিয়ে। এনেবোৰ তথ্যপাতিৰ পৰিপ্ৰেক্ষিতত অসম চৰকাৰৰ ভূতত্ত্ব আৰু খনি বিভাগে দুই দশকৰো আগেয়ে নৈৰ বালিত সোণ অন্বেষণৰ প্ৰাৰম্ভিক কাম আৰম্ভ কৰে আৰু গেৰুকামুখ আৰু চাউলধোৱা ঘাটৰ মাজত প্ৰায় ১৩ কি. মি. বিস্তৃত এক সোণ থকা অঞ্চল চিনাক্ত কৰে। ১৯৮৯ চনত অসমৰ ভূতত্ত্ব আৰু খনি বিভাগে যোৰহাটৰ আঞ্চলিক গৱেষণা কেন্দ্ৰৰ ভুবিজ্ঞান শাখাৰ (Geo-science Division) সহযোগত এক অনুসন্ধান কাৰ্যসূচী আৰম্ভ কৰে। ভূতত্ত্ব আৰু খনি বিভাগৰ ভুবিজ্ঞানীসকলে ক্ষেত্ৰ-অনুসন্ধান আৰু আঞ্চলিক গৱেষণা কেন্দ্ৰৰ ভুবিজ্ঞানীসকলে গৱেষণাগাৰৰ কামসমূহ কৰিবলৈ লয়।

আৰম্ভণিতে ভূতত্ত্ব আৰু খনি বিভাগৰ ভুবিজ্ঞানীসকলে খাদ খনন (pitting) কৰি নৈৰ (সোৱণশিৰিৰ উপনৈসমূহৰ) বালিৰ পৰা নমুনা আহৰণ কৰে। কিন্তু নৈৰ জলপৃষ্ঠৰ তলৰ উচ্চচাপৰ বাবে তলত থকা সোণৰ আকৰ স্পৰ্শ কৰিব পৰা নাছিল। সেয়েহে পাছত ১৯৮৮-৮৯ চনত নমুনা সংগ্ৰহৰ বাবে ৰ'টাৰি (Rotary) আৰু পাৰকিউছন (Percussion) দুয়ো পদ্ধতিৰ খনন যন্ত্ৰ (Rig) ব্যৱহাৰ কৰা হয়। ১৯৮৯-৯০ চনৰ ক্ষেত্ৰ-অনুসন্ধানৰ শেষলৈকে ১৮টা কূপ খন্দা হয় আৰু তিনিটা স্তৰত বালি-শিলৰ নমুনা লোৱা হয়। মুঠ ২৫৬টা নমুনা যোৰহাটৰ গৱেষণাগাৰলৈ পঠোৱা হয়।

## ফলাফল


বিভিন্ন পদ্ধতিৰে বালি-শিলৰ কিছু অংশ নমুনাৰ পৰা ভিন-ভিন ধৰণৰ গধুৰ মনিকবোৰ পৃথক কৰা হয়। এই সকলো গধুৰ মনিকৰ ভিতৰত গাৰ্নেটেই আটাইতকৈ উল্লেখযোগ্য। গাৰ্নেটৰ উপৰিও কিছু পৰিমাণে জিৰকন পোৱা যায়। বাকী গধুৰ মনিকবোৰ



সোৱণশিৰিৰ বালিত অৱস্থিত সোণ আৰু চালফাইট মনিকৰ ফট'মাইক্ৰগ্ৰাফ ১:২৫

হ'ল ছালফাইড আৰু সোণৰ মিশ্ৰণ। যোৰহাটৰ আঞ্চলিক গৱেষণা কেন্দ্ৰৰ নিৰীক্ষণ মতে সোণ প্ৰায় সকলো নমুনাতে পোৱা হৈছে। কিন্তু ছালফাইডৰ পৰা সোণ পৃথক কৰা হোৱা নাছিল। জিৰকনৰ পৰিমাণ ২০%তকৈও বেছি হ'লে গাৰ্নেটৰ পৰিমাণ ১০·৪৫ % ৰ পৰা ৬৫·৬ % লৈকে হোৱা দেখা যায়। এনে ধৰণৰ নমুনাত সোণৰ পৰিমাণ প্ৰতি টনত ০·৬২ গ্ৰামৰ পৰা ১২ গ্ৰামৰো বেছি পৰিলক্ষিত হৈছে।


ভূতত্ত্ব আৰু খনি বিভাগৰ ভুবিজ্ঞানীসকলে খন্দা ১৮টা কূপৰ ভিতৰত



OKDISCD

১৩টাত সোণৰ সন্ধান পোৱা গৈছে। প্ৰায় ২ কি. মি. জোৰা অঞ্চলত ৩টা খণ্ডত এই খনন কাৰ্য কৰা হয়। ৫টা কূপত বেনটনাইট ব্যৱহাৰ কৰি ৰ'টাৰি ৰিগৰ সহায়ত খনন কাৰ্য কৰা হয় যদিও সোণ পোৱা নগ'ল। বেনটনাইটে (খনন কাৰ্যত ব্যৱহৃত হোৱা এবিধ ঘন বোকা) সোণৰ পাতল চেঁকুৰাবোৰ উটুৱাই নিয়াৰ ফলতেই এনে হোৱা বুলি অনুমান কৰা হৈছে; কাৰণ গধুৰ মনিকসমূহৰ সমাবেশে এই বালিৰ স্তৰটোত সোণৰ অৱস্থিতি প্ৰমাণ কৰে। পাৰকিউছন ৰিগৰ (Percussion Rig) সহায়তো খনন কাৰ্য কৰা হয়। ১৩টা ব'ৰ হ'লৰ চানেকিৰ ভিতৰত ১২টাত সোণ থকাৰ প্ৰমাণ পোৱা যায়। এই সোণৰ পৰিমাণৰ কথা যোৰহাট গৱেষণা কেন্দ্ৰৰ বিভিন্ন প্ৰতিবেদনত উল্লেখ কৰা হৈছে। আঞ্চলিক গৱেষণাগাৰৰ পৰা প্ৰাপ্ত ফলাফলে সোৱণশিৰিৰ বালিস্তৰত উল্লেখযোগ্য পৰিমাণৰ স্ৰোত-সোণ থকা বুলি প্ৰমাণ কৰে।




## সম্ভাৱনা

সভ্যতাৰ আদিম যুগৰ পৰা মানুহে কিছুমান বিশেষ ধাতুৰ পৰা সোণ আহৰণ কৰাৰ প্ৰচেষ্টা কৰি আহিছে। চীনা আৰু ৰোমানসকলে ক্ৰমে খৃষ্টপূৰ্ব ১৭৫ আৰু খৃষ্টাব্দ ৩০০ চনত এই প্ৰচেষ্টা চলায়। এনে ধৰণৰ পদ্ধতিক এলকেমি বুলি জনা যায়। আধুনিক বিজ্ঞানৰ মতে বেছি বেগী নিউট্ৰন নোহোৱাকৈ এনে ৰূপান্তৰ সম্ভৱ নহয়। আধুনিক যুগত জাপানে সাগৰৰ পানীৰ পৰা ইউৰেনিয়াম আহৰণ কৰিছে। ঠিক তেনেদৰে প্ৰথম বিশ্বযুদ্ধৰ পাছত জাৰ্মেনিয়ে সাগৰৰ পানীৰ পৰা সোণ আহৰণৰ চেষ্টা চলাইছিল যদিও পাছলৈ এই চেষ্টা বাদ দিয়া হয়।


বৰ্তমানে আমাৰ দেশত সোণ উৎপাদনৰ পৰিমাণ যথেষ্ট হ্ৰাস পাইছে। ভাৰতৰ সৰ্বাধিক সোণ উৎপাদন কৰা কোলাৰ সোণৰ খনিয়ে আগৰ ২৫০০ কি. গ্ৰামৰ তুলনাত বৰ্তমান বছৰত ২০০ কি. গ্ৰা. উৎপাদন কৰিছে। খনি বিভাগে কোলাৰ সোণৰ খনিত সোণ আহৰণ কৰা কাৰ্যক আৰ্থিক দিশৰ পৰা সম্ভৱ নহয় বুলি, ১৯৯৩ চনৰ মাৰ্চ মাহত সোণ আহৰণৰ কাম বন্ধ কৰিবলৈ ঠিক কৰিছে (Sunday, Vol 19, issue 30, pp 80-81)। ভাৰত চৰকাৰে নতুন সোণৰ ভাণ্ডাৰৰ সন্ধানৰ ওপৰত গুৰুত্ব দিছে আৰু সেইমৰ্মে G. S. Iএ গোটেই ভাৰতবৰ্ষতে সোণৰ অনুসন্ধানমূলক কাৰ্যৰ বাবে আঁচনি গ্ৰহণ কৰিছে। এই বিভাগে প্ৰথমতে সোণৰ ভাণ্ডাৰসমূহৰ সম্প্ৰসাৰণৰ ওপৰত গুৰুত্ব দিছে। দ্বিতীয়তে আগৰে পৰা কাম চলি থকা ভাণ্ডাৰসমূহ আৰু ভূতাত্ত্বিক দিশৰ পৰা অনুকূল স্থানসমূহৰ অনুসন্ধানৰ কাম হাতত লোৱা হৈছে। বৰ্তমানে দেশৰ ১৭খন ৰাজ্যত প্ৰায় তেত্ৰিছটা অনুসন্ধানমূলক কাম বিভিন্ন কেন্দ্ৰীয়, ৰাজ্যিক আৰু ৰাজহুৱা খণ্ডৰ অধীনত চলি আছে। এই কামবোৰত উৎসাহজনক ফলাফল পোৱা গৈছে। সম্প্ৰতি বিহাৰৰ সিংহভূম কোন্দ্ৰেকোচা গাঁৱৰ আশে-পাশে লাভজনক সোণৰ ভাণ্ডাৰ পোৱা গৈছে। এই অঞ্চলত কোলাৰ সোণৰ খনিৰ প্ৰতি টনত গড়ে ৬ গ্ৰাম সোণৰ বিপৰীতে প্ৰায় ১৫ গ্ৰাম পোৱা গৈছে (Sunday Vol. 19, issue 38, p. 83)। ইয়াত আৰ্কিয়ান শিলৰ মাজত এই সোণৰ ভাণ্ডাৰ পোৱা গৈছে। আনহাতে উত্তৰ প্ৰদেশ, হিমাচল প্ৰদেশ, পঞ্জাব আৰু অৰুণাচল প্ৰদেশত স্ৰোত-সোণ থকাৰ প্ৰমাণ পোৱা গৈছে। দক্ষিণ ভাৰতৰ লেটোৰেটিক মাটিৰ মাজতো সোণৰ সন্ধান পোৱা গৈছে। এই সকলোবোৰ তথ্যৰ পৰা এই কথা বুজা গৈছে যে অসমৰ সোৱণশিৰি স্ৰোত-সোণৰ এক নিজা বৈশিষ্ট্য আছে।

সাধাৰণতে স্ৰোত-সোণবোৰ dredging কৰি আহৰণ কৰা হয়। Dredging হৈছে পানীৰ তলৰ পৰা শিল, বালি আৰু মাটি তোলা এটা পদ্ধতি। এই পদ্ধতিৰ সহায়ত বালি-মাটিসমূহৰ পৰা সোণভাগ পৃথক কৰি আহৰণ কৰা হয়। দক্ষিণ-পূব এছিয়াৰ দেশসমূহত সাগৰৰ টিনৰ আকৰ সংগ্ৰহ কৰিবৰ বাবে ড্ৰেজাৰ ব্যৱহাৰ কৰা হয়। আধুনিক ড্ৰেজিং যন্ত্ৰসমূহে ১০০ মিটাৰ দলৈকে খান্দিব পাৰে। সোৱণশিৰিৰ স্ৰোত-সোণ সংগ্ৰহ কৰিবৰ বাবেও এনে ধৰণৰ খনন পদ্ধতিৰ আৱশ্যক। তেতিয়া ৫০ মিটাৰ দলৈকে খান্দি উলিয়াই নৈৰ বালি-শিলসমূহৰ পৰা সোণ ভাগ পৃথক কৰি উলিয়াব পৰা যাব। চালনী পদ্ধতিৰ সহায়ত ডাঙৰ বালি-শিলবিলাক নিলগাই বাকী গুড়ি ভাগৰ পৰা গ্ৰেভিটি (gravity) পদ্ধতিৰে সোণ আহৰণ কৰা হয়। গাৰ্নেট, জিৰকন, ইলমিনাইট, স্কিলাইট আদি উপজাত দ্ৰব্যও ইয়াৰ লগতে পোৱা যায়। সোণ আহৰণৰ আন এটা পদ্ধতিত গ্ৰেভিটি আৰু চালনী পদ্ধতিৰ পাছত গুড়ি বালি-শিলভাগ ছায়'নাইড পদ্ধতিৰে সংশোধন কৰা হয়। ইয়াত ছ'ডিয়াম ছায়'নাইড মিশ্ৰণৰ দ্বাৰা সোণখিনি দ্ৰৱীভূত কৰি অধঃক্ষেপ কৰা হয়।


অন্য ধাতুৰ তুলনাত সোণৰ স্থান অতি উচ্চ। সেয়ে সকলো ক্ষেত্ৰতে আয়-ব্যয় বা লাভ-লোকচানৰ সাধাৰণ তুলাচনীৰে সোণৰ আহৰণ বা উৎপাদনক জোখাটো শুদ্ধ নহ'বও পাৰে। আনহাতে ভাৰতৰ নিচিনা এখন উন্নয়নশীল দেশত শ্ৰমিকৰ মজুৰি নগণ্য। গতিকে, প্ৰতি ঘনমিটাৰৰ পৰা যদি ০·২ গ্ৰাম বা আনকি ০·১ গ্ৰাম সোণো আহৰণ কৰিব পৰা যায়, তেনেহ'লেও বৃহৎ কলেবৰৰ ড্ৰেজিং পদ্ধতিৰ দ্বাৰা সম্পূৰ্ণ লাভজনকভাৱেই সোৱণশিৰি নদীৰ স্ৰোত-সোণ আহৰণ কৰিব পৰা যাব।

## উপসংহাৰ

ভাৰতীয়সকলৰ সোণৰ প্ৰতি এক বিশেষ আকৰ্ষণ আছে। ভাৰতবৰ্ষৰ সোণৰ ঘৰুৱা চাহিদা অতি বেছি আৰু সেয়ে বিশ্ববজাৰত সোণৰ দাম উঠা-নমাৰ পৰা ভাৰতবৰ্ষ বহু আঁতৰত। ভাৰতবৰ্ষই গহনাৰ বাবে আটাইতকৈ বেছি সোণ ব্যৱহাৰ কৰে। বিশ্বৰ সৰ্ববৃহৎ সোণ ৰপ্তানি কৰা দেশ দক্ষিণ আফ্ৰিকাই বিশ্বৰ উৎপাদিত মুঠ সোণৰ ৩৭% উৎপাদন কৰে; কিন্তু তিনি টনহে গহনাৰ বাবে ব্যৱহাৰ কৰে। আনহাতে ভাৰতবৰ্ষই প্ৰতি বছৰে প্ৰায় ৭০ টন সোণ গহনাৰ বাবে ব্যৱহাৰ কৰি আহিছে। ভাৰতবৰ্ষত সোণৰ মূল্য ক্ৰমান্বয়ে বাঢ়ি আহিছে। ১৯৮৫ চনত প্ৰতি ১০ গ্ৰাম সোণৰ মূল্য আছিল ২১০০ টকা; বৰ্তমানে হ'ল ৪০৮৪ টকা। গতিকে আঁচনি প্ৰস্তুতকাৰকসকলে অসমৰ সোৱণশিৰি নৈৰ স্ৰোত-সোণৰ ওপৰত বিশেষ গুৰুত্ব দিয়া উচিত। চৰকাৰৰ নতুন আঁচনি অনুসৰি আধুনিক প্ৰযুক্তিবিদ্যাৰ কৌশলৰ ভিত্তিত বিদেশী প্ৰতিষ্ঠানসমূহক সোৱণশিৰিৰ সোণ আহৰণ কৰিবৰ বাবে আমন্ত্ৰণ কৰিব লাগে।




অসম সীমান্তৰ প্ৰচুৰ গধুৰ মনিক বিশিষ্ট প্ৰথম সোৱণশিৰিৰ বালিচৰ



OKDISCD

সম্পূর্ণ হয়। উৎপত্তিৰ সময়ৰ পৰিবেশ, উদ্ভিদৰ প্ৰকৃতি আৰু বেক্টেৰিয়াজাত ক্ৰিয়া আদিয়ে কয়লাৰ শ্ৰেণী আৰু গুণগত মান নিৰ্ধাৰণ কৰে। কয়লাৰ বয়স বঢ়াৰ লগে-লগে চাপৰ প্ৰভাৱত তাৰ গুণ বৃদ্ধি পায়।

এনেদৰে উৎপন্ন হোৱা কয়লা বিভিন্ন স্তৰত পোৱা যায়। কয়লাৰ স্তৰ একোটাকে কয়লাৰ চিম বুলি কোৱা হয়। এই চিমবোৰ নিৰবচ্ছিন্ন নহয়। ভূতাত্ত্বিক কাৰণত চিমবোৰ ঠায়ে-ঠায়ে ভাগি যায়। ভাগি যোৱাৰ পাছত একাংশ তললৈ বহি যাব পাৰে। কেতিয়াবা সাধাৰণতে পোন এই কয়লাস্তৰবোৰ ঢৌ থকা হ'ব পাৰে। ভূতাত্ত্বিক বয়স অনুসৰি ভাৰতৰ প্ৰায় শতকৰা ৯৯ ভাগ কয়লা নিম্ন গণ্ডোৱানা যুগৰ। এই কয়লাবোৰ বিভিন্ন প্ৰকাৰৰ গেদীয় শিলৰ মাজত পোৱা যায়। সাধাৰণতে বালিশিল (sandstone), শ্যেল (shale), কাৰ্বনেছিয়াছ শ্যেল আৰু কয়লা এটাৰ ওপৰত এটা স্তৰ ৰূপে পোৱা যায়।

## ভাৰতৰ কয়লা

Geological Survey of Indiaই ভাৰতত কয়লাৰ অৱস্থিতি আৰু পৰিমাণ ঠাৱৰ কৰিবলৈ প্ৰথম প্ৰচেষ্টা চলাইছিল ১৯৩৪ চনত; —ছি. এছ. ফক্স চাহাবৰ তত্ত্বাৱধানত। তেতিয়া অনুমান কৰা হৈছিল যে ভাৰতত ১,২১,৯২০ নিযুত টন কয়লা আছে। পৰৱৰ্তী কালত চলোৱা অন্বেষণ কাৰ্যসমূহে ভাৰতত কয়লাৰ প্ৰাপ্তি সম্পৰ্কে নতুন তথ্য দাঙি ধৰিছে। শেহতীয়াকৈ ১৯৮৮ চনত GSI-এ ভূপৃষ্ঠৰ পৰা ১২০০ মিটাৰ তললৈ পাব পৰা তথা ০৫ মিটাৰ বা তাতকৈ বেছি ডাঠ কয়লাস্তৰত থকা কয়লাৰ পৰিমাণ নিৰ্ধাৰণ কৰিছে।

অৰ্থনৈতিকভাৱে কয়লা আহৰণ কৰিব পৰাটো বহুতো কথাৰ ওপৰত নিৰ্ভৰ কৰে। তাৰে ভিতৰত প্ৰধান হ'ল ঃ

(১) কয়লাস্তৰৰ বেধ, কয়লাস্তৰটো কিদৰে আছে, কিভাৱে খনন কৰা হ'ব আৰু কয়লাৰ সৈতে কিমান অদাহ্য ছাই মিহলি হৈ আছে।

(২) কয়লাস্তৰটো কিমান গভীৰতাত আছে।

(৩) কয়লাক্ষেত্ৰৰ ভূতাত্ত্বিক গঠন আৰু শিলাস্তৰৰ গুণাগুণ

(৪) ভূ-পৃষ্ঠৰ বৈশিষ্ট্য আদি।

খনন অভিযান্ত্ৰিকীৰ বিভিন্ন দিশ বিবেচনা কৰি কয়লাৰ মুঠ সম্পদক তিনিটা ভাগত ভাগ কৰা হৈছে ঃ

(১) অৰ্থনৈতিক (Economic)

(২) কথমপি অৰ্থনৈতিক (Marginally Economic)

(৩) নিম্ন-অৰ্থনৈতিক (Sub-Economic)

ভাৰতৰ এই কয়লা বিভিন্ন প্ৰদেশৰ কয়লাক্ষেত্ৰসমূহত সিঁচৰতি হৈ আছে। এই কয়লাক্ষেত্ৰসমূহ নিম্ন গণ্ডোৱানা যুগৰ। এইবোৰৰ উপৰিও অসম, জম্মু আৰু কাশ্মীৰ, তামিলনাডু, ৰাজস্থান আৰু কেৰালাত টাৰ্ছিয়াৰি যুগৰ কয়লা আৰু লিগনাইট আছে।

## কয়লাৰ খনন

যি অঞ্চলৰ পৰা অৰ্থনৈতিকভাৱে কয়লা খানি উলিয়াব পৰা যায় তাতেই কয়লাৰ খনি গঢ়ি উঠে। কোনো এটা অঞ্চলৰ কয়লা লাভজনকভাৱে খানি উলিয়াব পৰা যাব নে নাযাব সেয়া বহুতো কথা বিবেচনা কৰিহে থিৰাং কৰা হয়। মুখ্যতঃ তাত পাব পৰা কয়লাৰ পৰিমাণ, কয়লাৰ চিমটোৰ বেধ, গভীৰতা, কয়লাৰ গুণাগুণ আৰু খননৰ উপযোগী অন্যান্য সা-সুবিধাবোৰলৈ লক্ষ্য ৰখা হয়।

প্ৰথমতে অঞ্চলটোৰ বিশদ অন্বেষণ চলোৱা হয়। এই পৰ্যায়ত তাত ছেদন (drilling) কাৰ্য চলাই তাত থকা কয়লাৰ বিস্তৃতি, অৱস্থান আদি সম্বন্ধে বুজ লোৱা হয়। লগতে কয়লা থকা শিলাস্তৰ (coal measuring strata) সম্পৰ্কেও তথ্য আহৰণ কৰা হয়। এনেদৰে আহৃত তথ্যৰ ভিত্তিত অঞ্চলটোৰ কেতবোৰ প্ৰস্থচ্ছেদ (cross section) প্ৰস্তুত কৰা হয়। লগতে মানচিত্ৰ কেতবোৰত অঞ্চলটোৰ ক'ত কয়লা কিমান গভীৰতাত আছে আৰু তাত কয়লাস্তৰটোৰ বেধ কিমান সেয়া দেখুওৱা হয়। আজিকালি এনেবোৰ কাম কম্পিউটাৰৰ সহায়তো কৰা হয়। এই চিত্ৰবোৰৰ সহায়ত সেই অঞ্চলত থকা কয়লাৰ পৰিমাণ, কয়লাৰ ওপৰত থকা শিলাস্তৰৰ পৰিমাণ ইত্যাদি যাবতীয় প্ৰয়োজনীয় তথ্য হিচাপ কৰি উলিওৱা হয়। এনে ধৰণৰ নানা তথ্য বিশ্লেষণ কৰি কি ধৰণে খননকাৰ্য চলোৱা হ'ব সেয়া নিৰ্ধাৰণ কৰা হয়।

খননকাৰ্য মুখ্যতঃ দুই ধৰণে কৰিব পাৰি। খোলা খনন বা ভূপৃষ্ঠখনন (opencast mining) আৰু ভূগৰ্ভস্থ খনন (underground mining)। খোলা খননত কয়লাৰ ওপৰত থকা শিলাস্তৰ কাটি আন এঠাইত পেলোৱা হয় আৰু কয়লা স্তৰটো উন্মুক্ত কৰাৰ পাছত তাক খানি লৈ যোৱা হয়। প্ৰতি টন কয়লা উলিয়াবৰ বাবে যিমান ঘনমিটাৰ শিলাস্তৰ (over burden) আঁতৰাব লাগিব এই অনুপাতটোৰ (stripping ratio) ওপৰত নিৰ্ভৰ কৰিয়েই ক'ত খোলা খনন কৰিব পাৰি আৰু ক'ত নোৱাৰি তাক নিৰ্ধাৰণ কৰা হয়। আমাৰ দেশত যিবোৰ অঞ্চলত ১ টন কয়লাৰ বাবে ৬-৭ ঘনমিটাৰতকৈ বেছি শিলাস্তৰ আঁতৰাব লগা হয়, তাত খোলা খনন বৰ লাভদায়ক নহয়। অৱশ্যে কয়লাস্তৰৰ গভীৰতা কম হ'লে লাভদায়ক হ'বও পাৰে। বেছি গভীৰতালৈ যাব লগা হ'লে খোলা খনন অৰ্থকৰী নহ'বও পাৰে। ভাৰতৰ কাথাৰা কয়লাৰ খনিয়েই (বোকাৰোৰ ওচৰত) আটাইতকৈ দ খোলা খনি। ই প্ৰায় ৫০০ মিটাৰ দ। এনে দ খোলাখনিত নানা ধৰণৰ সমস্যাৰ সম্মুখীন হ'ব লগা হয়। বিদেশৰ কেতবোৰ দ খোলা খনিত কৃত্ৰিম উপায়েৰে বায়ু সঞ্চালিত কৰিব লগা হয়। খোলা খননত যন্ত্ৰৰ সহায়ত কম সময়ৰ ভিতৰতে যথেষ্ট কয়লা লাভজনভাৱে উৎপাদন কৰিব পাৰি। মাটিৰ তলৰ সম্পূৰ্ণ কয়লা উদ্ধাৰ কৰিব পাৰি। কিন্তু এনে খননৰ পৰা পোৱা কয়লাত বহু পৰিমাণে বালিশিল আৰু শ্যেল মিহলি হৈ থাকে আৰু সেইবোৰে কয়লাৰ গুণগত মান নিম্ন খাপৰ কৰে। তদুপৰি খোলা খননৰ ফলত পৰিবেশৰ বায়ু-প্ৰদূষণৰ প্ৰকোপ প্ৰায় নিয়ন্ত্ৰণৰ বাহিৰলৈ যায়। কয়লা আৰু শিলাস্তৰৰ সৰু-সৰু কণাৰে বায়ুমণ্ডল ভৰি পৰে। এনে খননে ভূগৰ্ভস্থ পানীৰ সমস্যা সৃষ্টি কৰে আৰু নানা ধৰণে ইক'লজিকেল ভাৰসাম্য ধ্বংস কৰে। দেশৰ প্ৰগতিৰ বাবে খননো অপৰিহাৰ্য, পৰিবেশো প্ৰয়োজনীয়। উন্নত দেশবোৰে খোলা খননসমূহত পৰিবেশৰ সমতা ৰক্ষাৰ কাৰণে যথেষ্ট সাৱধানতাৰে নানা ধৰণৰ ব্যৱস্থা হাতত লৈছে। খননৰ পাছৰ পৰিত্যক্ত ভূমি কৃষি বা বননিৰ উপযোগী কৰি তোলাৰ ক্ষেত্ৰত তেওঁলোকৰ প্ৰচেষ্টা কিছু পৰিমাণে সফলো হৈছে। ভাৰতৰে নেইভিলিৰ খনন অঞ্চলত এতিয়া কাজু বাদামৰ বাগান গঢ়ি উঠিছে।

ভূগৰ্ভস্থ খনি ঘাইকৈ দুই ধৰণৰ। কিছুমান খনিত এঢলীয়াকৈ (inclined) গাঁত খান্দি গৈ কয়লাৰ চিমৰ পৰা কয়লা উলিওৱা হয়। কিছুমানত আকৌ দ কুৱা খান্দি থিয়ৈ (vertically) কয়লাৰ চিমলৈ যোৱা হয়। এনে কুঁৱাবোৰকে শ্বেফট (shaft) বোলে। দুয়ো ধৰণতে কয়লাৰ চিমলৈ যোৱা দুটা বাট উলিয়াব লাগে,—যাতে এটাৰে বায়ু পঠিয়াই আনটোৰে উলিয়াই আনিব পাৰি। ভূগৰ্ভস্থ খনিত বায়ু চলাচলৰ (ventilation) ব্যৱস্থা কৰা আৰু তাত জমা হোৱা পানী উলিয়াই অনাটো অতি গুৰুত্বপূৰ্ণ। খনিৰ কামবোৰ যথেষ্ট বিপদসংকুল যেন লাগিলেও এটা কথা এইখিনিতে উনুকিয়াব পাৰি যে খনন প্ৰযুক্তিবিদ্যাৰ বিকাশ আৰু নিৰাপত্তামূলক ব্যৱস্থাৰ বাবে খনন উদ্যোগত প্ৰাণহানি হোৱা দুৰ্ঘটনাৰ সংখ্যা বৰ্তমানে অতি কম।

বিপুল কুমাৰ মহন্তৰ
ভাষাবিজ্ঞানৰ আধুনিকতম
পৰিসৰৰ আলোচনা গ্ৰন্থ

ভাষাবিজ্ঞানৰ পৰিচয়

(১ম খণ্ড)
মূল্য ঃ ৩৫ টকা

॥ কাষৰ গ্ৰন্থবিপনীত খবৰ কৰক ॥



ভূগৰ্ভস্থ খননেৰে কয়লা উলিওৱাৰ দুই ধৰণৰ পদ্ধতি আছে ঃ Bord and Pillar method আৰু Longwall method. প্ৰথম বিধৰ খনন পদ্ধতিয়েই ভাৰতত বহুলভাৱে ব্যৱহৃত। এই পদ্ধতিত কয়লাৰ চিমটোত ৩—৪৮ মিটাৰ বহল ২৫—৩ মিটাৰ ওখ বাট (gallery) কেতবোৰ কাটি কয়লাৰ ২৫×২৫ বা ৩০×৩০ মিটাৰ প্ৰস্থচ্ছেদৰ স্তম্ভ কেতবোৰ কৰা হয়। এনে স্তম্ভই ওপৰৰ শিলাস্তৰো ধৰি ৰাখে। স্তম্ভবোৰ কৰি লৈ পাছত সেই স্তম্ভবোৰ কাটি কয়লা উলিয়াই অনা হয়। বহুক্ষেত্ৰত এনেদৰে কৰা খননত প্ৰায় ৬০ শতাংশ কয়লা মাটিৰ তলতে ৰৈ যায়। এই পদ্ধতিত সচৰাচৰ কয়লাত বিস্ফোৰক ভৰাই বিস্ফোৰণ কৰি দিয়া হয় আৰু তেনেদৰে ভঙা কয়লাখিনি যন্ত্ৰ বা মানুহেৰে টাব কেতবোৰত ভৰাই লকমটিভৰ সহায়ত বা ৰছীৰে টানি ওপৰলৈ অনা হয়।

লংৱাল পদ্ধতিত যন্ত্ৰৰ সহায়েৰে কয়লা চিমৰ প্ৰায় সম্পূৰ্ণ কয়লা উলিয়াবৰ চেষ্টা কৰা হয়। কয়লা উলিয়াই অনাৰ পাছত সৃষ্টি হোৱা খালী ঠাইত বালি ভৰাই দিয়া হয়। এই বালিয়ে ওপৰৰ শিলাস্তৰক খহি যোৱাৰ পৰা ৰক্ষা কৰে। যিবোৰ অঞ্চলত এই শিলাস্তৰ খহি গ'লেও ভূপৃষ্ঠৰ একো ক্ষতি নহয়, তেনেবোৰ অঞ্চলত কয়লা খানি উলিওৱাৰ পাছত সেই খালী ঠাইত বালি নভৰালেও চলে। লংৱাল পদ্ধতিৰে কৰা খননত যান্ত্ৰিকীকৰণৰ সুবিধা বেছি। উপযুক্ত ভূ-প্ৰযুক্তিক (Geotechnical) পৰিবেশত এই পদ্ধতিৰে খনিৰ উৎপাদনৰ হাৰ বহুগুণে বঢ়াব পাৰি। কিন্তু বিভিন্ন কাৰণত ভাৰতৰ মুনিদীহ, ঢেমো বা ঝাঁঝৰা আদি এনে ধৰণৰ খনিত বিৰাট পৰিমাণৰ পুঁজি বিনিয়োগ কৰাৰ পাছতো উৎপাদনত বৰ বেছি সফলকাম হ'ব পৰা নাই।

## ভাৰতৰ কয়লা উদ্যোগ

কয়লা উদ্যোগ বুলিলে কয়লাৰ খনি আৰু তাৰ সৈতে জড়িত থকা Coal Handling Plant আৰু Coal Washery বোৰকে বুজোৱা হয়। ভাৰতত কয়লা উদ্যোগ গঢ়ি উঠিছিল বৃটিছৰ পৃষ্ঠপোষকতাত উনবিংশ শতিকাৰ শেহভাগত। ১৯৭১ চনৰ মে' মাহত ভাৰতৰ কয়লা উদ্যোগক ৰাষ্ট্ৰীয়কৰণ কৰা হয়। তেতিয়াৰ পৰা কয়লা উদ্যোগত যথেষ্ট আধুনিকীকৰণ আৰু যান্ত্ৰিকীকৰণ কৰা হৈছে। আৰু সম্প্ৰতি ই ভাৰতৰ এটা মুখ্য উদ্যোগ।

১৯৭৫ চনত Coal India Limited গঠন কৰা হয়। Coal India Limited বিশ্বৰ আটাইতকৈ ডাঙৰ চৰকাৰী কৰ্মচাৰী বিনিয়োগকাৰী প্ৰতিষ্ঠান। কলিকাতাত মুখ্য কাৰ্যালয় থকা এই কোম্পানিৰ মুঠ চাকৰিয়ালৰ সংখ্যা ৬৭১০০০ (১৯৮৬-৮৭ চনত)। তদুপৰি ঠিকা আৰু আনুষংগিক ব্যৱসায়ৰ বিস্তৃত সুবিধা দি এই কোম্পানিয়ে আৰু কেইবা লাখো মানুহক সংস্থান দি আছে।

Coal India Ltd.-অৰ উপৰিও কয়লা উৎপাদনৰ ক্ষেত্ৰত কেন্দ্ৰীয় আৰু অন্ধ্ৰপ্ৰদেশৰ ৰাজ্যিক চৰকাৰৰ এটা যৌথ উদ্যোগ হ'ল Singerani Coal Company. তাৰ বাহিৰে Tata Iron and Steel Company, Indian Iron and Steel Company আৰু Damodar Valley Corporation-অৰ নিজা কয়লাৰ খনি আছে। অৱশ্যে ভাৰতত উত্তোলিত মুঠ কয়লাৰ শতকৰা ৯০ ভাগেই আহে Coal India Limited-অৰ পৰা।

কয়লা উৎপাদনৰ বৰ্ধিত লক্ষ্য পূৰণৰ বাবে দেশীয় অভিজ্ঞতাৰ উপৰিও বিদেশী প্ৰযুক্তিবিদ্যাৰ সহায় লোৱা হৈছে। ৰাছিয়া, ফ্ৰান্স, ইংলেণ্ড, কানাডা, জাৰ্মেনি, পোলেণ্ড আৰু অষ্ট্ৰেলিয়াৰ সহযোগেৰে ভাৰতত কেইবাটাও প্ৰকল্প গঢ়ি উঠিছে আৰু কেইটামান প্ৰকল্পৰ কাম চলি আছে।

ভাৰতৰ এই সৰ্ববৃহৎ উদ্যোগটোৰ সৈতে জড়িত অসমবাসীৰ সংখ্যা তেনেই তাকৰ। অসমৰ বাহিৰত থকা খনিসমূহত অসমৰ বিভিন্ন জনগোষ্ঠীৰ পৰা যোৱা চাকৰীজীৱী নায়েই বুলিব পাৰি। অসমত থকা খনিকেইটাত বাহিৰৰ পৰা আহি অসমত খিলঞ্জীয়া হোৱা মানুহ কিছুমান আছে। উচ্চপদস্থ বিষয়াৰ ভিতৰতো অসমৰ মানুহ তেনেই তাকৰ। ইয়াৰ মুখ্য কাৰণ—এই উদ্যোগ সম্বন্ধে আমাৰ অজ্ঞতা আৰু অসম তথা উত্তৰ-পূৰ্বাঞ্চলতেই খনন অভিযান্ত্ৰিকীত ডিগ্ৰি বা ডিপ্লোমা লোৱাৰ বাবে পঢ়াৰ কোনো ব্যৱস্থা নথকাটো। ভাৰতৰ মুখ্যসুতিৰ সৈতে উত্তৰ-পূৰ্বাঞ্চলক সাঙুৰি লবৰ উদ্দেশ্যে সৰ্বভাৰতীয় খনন উদ্যোগত উত্তৰ-পূৰ্বাঞ্চলৰ বাবে কিছু চাকৰি সংৰক্ষণৰ ব্যৱস্থাৰ বাবে ৰাজ্যিক চৰকাৰে প্ৰচেষ্টা চলাব পাৰে। যোৰহাট ইঞ্জিনিয়াৰিং কলেজত খনন অভিযান্ত্ৰিকী বিভাগ খুলি উত্তৰ-পূৰ্বাঞ্চলৰ পৰা কমেও দহজন খনন অভিযন্তা প্ৰস্তুত কৰিব পাৰে আৰু এই উদ্যোগত অসম তথা উত্তৰ-পূৰ্বাঞ্চলেও অংশ লোৱাৰ ব্যৱস্থা কৰিব পাৰে।

আমি নিসন্দেহে ক'ব পাৰো, এইখন ৰাভাদেৱৰ অনন্য জীৱনী পুথি। ..... আমি নতুন চাম ডেকা-গাভৰুক কলাগুৰু বিষ্ণুৰাভাৰ বিষয়ে সঠিক জানিবলৈ এইখন পুথি মনোযোগেৰে অধ্যয়ন কৰাটো বিচাৰো। .... পুথিখন অকল সুখপাঠ্যই নহয়, ই যেন ৰাভাৰ বৈপ্লৱিক চৰিত্ৰৰ এক বাঙ্ময় প্ৰকাশ। এইখন এখন প্ৰামাণ্য পুথি বুলি ভবাৰো আমাৰ কাৰণ আছে।

*শ্ৰী লক্ষ্যধৰ চৌধুৰী, 'বাটৰ হাট', ৮/১২/৯১*

....গ্ৰন্থখন তেনে এক সহায়ক আৰু চিন্তা উদ্ৰেককাৰী গ্ৰন্থ।

*অধ্যাপক সুভাষ সাহা, নতুন দৈনিক, ১/৫/৯০*

এই পুথিখনে অসমৰ পঢুৱৈ সমাজত যে আগ্ৰহৰ সৃষ্টি কৰিব সেই বিষয়ত সন্দেহ নাই।

*শ্ৰী কনকসেন ডেকা, অগ্ৰদূত, ৩১/১২/৮৯*

.....His Writing is pithy and straight forward, often brutally frank..... style of writing has a freshness all its own.

***Tarun Sen Deka, The Assam Tribune, 21/1/90***

সামগ্ৰীকভাৱে গোটেই গ্ৰন্থখনক আমি বস্তুনিষ্ঠ আৰু সুখপাঠ্য গ্ৰন্থ হিচাপে আদৰিছোঁ।

*কমল লোচন দাস, বুধবাৰ, ২২/৬/৯০*

দ্বিতীয় সংস্কৰণ প্ৰকাশ পালেঃ

মোহনলাল মুখাৰ্জীৰ

**সহকৰ্মীৰ দৰ্পণত বিষ্ণুপ্ৰসাদ ৰাভা** ৩০.০০ টকা

ষ্টুডেণ্টচ্ ষ্ট'ৰচ্
গুৱাহাটী ৭৮১০০১

# চেং

হীৰেন চৌধুৰী

চৈধ্য

তিনি মাহৰ মূৰত, ভাদ মাহৰ শেষত, ৰবঙে নগোক লগ ধৰি মুংজা-মুংজিলৈ গৈ ঘূৰি অহাৰ কথা জনালেহি।

খেমাং গাঁৱৰ পৰা মুংজা-মুংজিলৈ ক'তো নোৰোৱাকৈ গ'লে মুঠতে প্ৰায় সোতৰ দিন লাগে। বাটত যাওঁতে পাঁচখন ডাঙৰ-ডাঙৰ গাঁও পোৱা যায়। দ্বিতীয় আৰু তৃতীয় গাঁওখনৰ মাজেৰে নাম-চাও নদীখনতকৈ ডাঙৰ নদী এখন বৈ গৈছে। নৈখনৰ নাম ৰিবাং-চাও। নৈলৈ যোৱা বাটটো বনকল, কেঁতুৰি আদিৰে ভৰা। গাঁও পাঁচোখনৰে ৰজা নাই। কেৱল গাঁৱে প্ৰতি মুখিয়াল একোজনকৈ আছে। কেউখন গাঁৱেই মুংজা-মুংজিৰ ৰজাৰ অধীন। মানুহবোৰে কৰ-কাটল তেওঁকে সোধায়। মুংজা-মুংজিৰ ৰজাজন এলেহুৱা আৰু আক্ৰোহী বাবে প্ৰজাই তেওঁক দেখিব নোৱাৰে। ৰজাৰ প্ৰায় পাঁচশজনমানৰ সৈন্য



বাহিনী এটা আছে যদিও সেনাবোৰ অতি অকামিলা আৰু ধোদৰ পচলা প্ৰকৃতিৰ। ৰবংহঁতে প্ৰতিখন গাঁৱতে চাৰি-পাঁচ দিনকৈ বৈ-বৈ যাওঁতে মুংজা-মুংজি পাওঁতে ডেৰ মাহ লাগিল। মুংজা-মুংজিত খা-খবৰ লবলৈ প্ৰায় একুৰি পাঁচদিন থাকিবলগীয়া হ'ল। মানুহে তাত খেতি-বাতি ভালেই কৰিছে। এই সকলোবোৰ চাই-চিতি, বুজ-বাজ লৈ ঘূৰি আহোঁতে কোবা-কুবিকৈ অহা কাৰণে সোতৰ দিনত খেমাং পাই, এই পুৰা তিনিমাহৰ মূৰত এইখিনি পাইছেহি।

কথাখিনি শুনি অতি সন্তুষ্ট হৈ নগোৱে ৰবঙক মৰমেৰে বিদায় দিলে। ৰবঙে কোৱা নৈৰ পাৰলৈ যোৱা বাটটো বনকল, কেঁতুৰি আদিৰে ভৰা বুলি শুনি নগোৰ মনত এটা বুদ্ধি খেলালে। তেওঁ চাওঁখানলাক আৰু চুকাফাক গোটাই বুধিটোৰ কথা ক'লে। যিহেতুকে ৰাজমাৱে চুকাফাৰ হাতত চোমদেৱক গতাই দিবলৈ পাঙিছে গতিকে চুকাফাইঁত গুচি যোৱাৰ এমাহৰ ভিতৰতে চোমদেৱ যে নৰাৰাজ্যত নাই আৰু চুকাফায়েই যে লৈ গৈছে এই কথাটো ওলাই পৰিব। লগে-লগে চুক্ৰানফাই চুকাফাক চোমদেৱৰে সৈতে ধৰাই অনাবলৈ সৈন্য পঠিয়াই দিয়াটো অৱধাৰিত। গতিকে বৰ ডাঙৰীয়া, সেই অৱস্থাত নৰা সৈন্যৰে সৈতে যুঁজ কৰাটো সংগত হ'বনে?"

চাওঁখানলাকে উত্তৰ দিলে, "নৰা সৈনিক নালাগে কাৰো সৈতে যুঁজাৰ শক্তি আৰু সময় আমাৰ হোৱাগৈ নাই।"

নগোৱে উত্তৰ দিলে, "তেন্তে হাতত একমাত্ৰ উপায় ৰ'ল,—নৰা সেনাক বাগি দিয়াটো। কি বোলে?"

চুকাফাই মাত লগালে, "অতি উত্তম বুদ্ধি। কিন্তু কেনেকৈ?"

অংকনঃ ৰবীন বৰুৱা



নগোৱে ক'লে,—ৰবংহঁতে চাই-চিতি অহা মতে খেমাং গাঁৱৰ পৰা গৈ-গৈ প্ৰথম যি দুখন গাঁও পৰিব, তাৰ মাজেৰে বৈ যোৱা ৰিবাং-চাও নদীখনৰ বাটৰ বনকল, তৰা, কেঁতুৰিবোৰ কাটি-কাটি মানুহযোৱাৰ চিন থৈ, দুয়োখন গাঁৱৰ মানুহৰ হতুৱাই কাক-মেগেলাৰে ভুৰ বন্ধোৱাই নৈখন পাৰ হৈ যাব লাগিব। এমাহমানৰ পাছত নৰাসেনা আহি বনকল, কেঁতুৰিবোৰ বাটি যোৱা দেখিব। তদুপৰি সিহঁতে গাঁও দুখনত খবৰ লৈ জানিব পাৰিব যে চুকাফাই সদলবলে নৈ পাৰ হৈ কৰবাৰ অচিন ঠাইলৈ গুচি গ'লগৈ। তেতিয়া সিহঁতে পাছ লোৱাটো বাদ দিব।

চুকাফাই অলপ ভাবি চাওঁখানলাকক সুধিলে, "সঁচায়ে অতি উত্তম বুদ্ধি! কি বোলে ডাঙৰীয়া?"

চাওঁখানলাকে উত্তৰ দিলে, "সঁচায়ে ভাল বুদ্ধি। কিন্তু বহুতো সময় লব। অৱশ্যে নৈখন মানুহক দেখুৱাই পাৰ হৈ সিপাৰেদি বামেৰে নৈৰ পাৰে-পাৰে গৈ থাকিলে, নদীৰ এইটো পাৰে পাহাৰটো আকৌ পাৰ হ'লেই মুংজা-মুংজি পাই যোৱা যাব।"

চাওঁখানলাকৰ কথা শেষ নৌহওঁতেই নগোৱে ক'লে, "নহয় ডাঙৰীয়া, মোৰ বুদ্ধিটো সম্পূৰ্ণ বেলেগ। চাওক, চুকাফাই এই ৰাজ্য এৰাৰ ঠিক এমাহ আগতে প্ৰথমে আপোনালোকৰ এজন বিশ্বাসী বিষয়া আৰু চেঙৰ তলত খেমাঙৰ পৰা তিনিশ তিনিকুৰি সেনাই গৈ মুংজা-মুংজি দখল কৰিব আৰু ৰজাক বন্দী কৰি শাসন ভাৰ চুকাফাৰ হৈ বিষয়াজনে লব। চেঙে এশমান সৈন্যৰে সৈতে আহি নৈৰ পাৰৰ তৰা, বনকলবোৰ কাটি ভুৰেৰে সিপাৰ হৈ আকৌ মুংজা-মুংজিলৈ উভতি যাবগৈ। গোটেইখনে জানি যাব যে চুকাফা ৰজাই হাতী, ঘোঁৰা, সৈন্য-সামন্তৰে সৈতে ৰিবাংচাও পাৰ হৈ অচিন ঠাইলৈ গ'লগৈ। স্বৰূপতে কিন্তু চুকাফা মুংজা-মুংজিতে ৰাজপাটত বহিব।"

চাওঁখানলাক আৰু চুকাফাই নগোৰ বুদ্ধিত চমৎকৃত হৈ হাঁহিবলৈ ধৰিলে। নগোৱে কৈ গ'ল, "কিন্তু এটা কথাত অতি সাৱধান হ'ব লাগিব। আপোনালোকৰ লগত যাতে এটামানো নৰাৰাজ্যৰ চোৰাংচোৱা যাবলৈ নাপায়। অন্যথা সি মুংজা-মুংজিৰ ৰহস্যটো একেৰাতিয়েই আহি চুক্ৰানফাৰ আগত ভাঙিবহি।"

নগোৰ কথামতে চাওখানলাকে চুকাফাৰ দেউতাক পূৰ্বৰ মুংজা-মুংজিৰ ৰজা তাও- চাং-নেওৰ সৈতে নৰাৰাজ্যলৈ অহা সাধাৰণ মানুহবোৰৰ পুতেক, ভতিজাক, ভাগিনীয়েকবোৰকহে প্ৰধানকৈ বছাৰ উপৰিও নিজৰ চোৰাংচোৱাৰ হতুৱাই সিহঁতৰ নৰাৰাজ্যৰ লগত কিবা সম্বন্ধ আছে নে নাই তাকো চাই-চিতিহে চুকাফাৰ লগত যোৱা মানুহ বাছিবলৈ ললে। সেইদৰে দেওধাই, মোহন, বাইলুং, চাংমাই, ৰাঢ়ৈ, কমাৰ, কুমাৰ আদিকো বাছি-বাছি লোৱাৰ মূৰকত দেখা গ'ল যে মুঠ মানুহৰ সংখ্যা প্ৰায় তিনিশ-তিনিকুৰি হ'লগৈ। বৰা-বুৰুক হিচাপে মুখৰু, কাখৰুম, মুংজি, কাঙন, থাউমুং, বাংলু, কেউখুন, খন্তু, এই সাতজন বাছনিত উঠিল। নৰা ৰাজেও এইসকলক যাবলৈ এৰি দিলে।

আহিনৰ পোন্ধৰ দিন যোৱাত চেঙে থাউমুং-বাংলুৰ সৈতে খেমাং গাঁৱৰ পৰা সৈন্য লৈ মুংজা-মুংজিলৈ বুলি যাত্ৰা কৰিলে। বাটত পোৱা গাঁও পাঁচোখনত নোসোমাই সি হাবিয়ে-হাবিয়ে গৈ কাতি মাহৰ পাঁচ তাৰিখে আবেলি মুংজা-মুংজিৰ সীমাত ৰ'লগৈ। মাজনিশাৰ লগে-লগে সি থাউমুং-বাংলু আৰু আঢ়ৈ কুৰি সেনা লৈ কাৰেঙত পৰ দি থকা একুৰি পৰীয়াক সাৰ-সুৰ নোহোৱাকৈ বান্ধি পেলাই ৰজাজনক বন্দী কৰি পেলালে। বেলেগ দুকুৰি মানে ডা-ডাঙৰীয়া বৰা-বুৰুকক বান্ধি পেলালে আৰু বাকীবোৰে ৰাজ্যৰ সেনাবাহিনীটোক নিৰস্ত্ৰ কৰি পেলালে। পাছদিনা পুৱাই ৰাজ্যৰ প্ৰজা গোট খুৱাবলৈ লৈ, বেলি মূৰৰ ওপৰ পাওঁতেই থাউমুং-বাংলুৱে হতভম্ব ৰাইজক সম্বোধি ক'লে, "এই দেশৰ পূৰ্বৰ আচল ৰজা তাও-চেং-নেও অৱস্থাৰ বিপাকত পৰি এই ৰাজ্য ত্যাগ কৰিবলৈ বাধ্য হোৱাৰ ফলত এই ৰাজ্যত ইমান দিনে অৰাজকতা হৈ আছিল। যোৱাৰাতি আমি চলাজনা ৰজাৰ পুতেক স্বৰ্গদেউ চুকাফাৰ হৈ এই ৰাজ্য জয় কৰিছোঁ। স্বৰ্গদেৱে এমাহৰ পাছতে আহি ৰাজ্যৰ শাসন ভাৰ নিজ হাতত তুলি লবহি। তেতিয়ালৈকে মই থাউমুং-বাংলুৱে স্বৰ্গদেউ চুকাফাৰ হৈ ৰাজকাৰ্য চলাম।"

লগে-লগে সমবেত ৰাইজে "জয় স্বৰ্গদেউ চুকাফাৰ জয়" বুলি জয়ধ্বনি দি উঠিল।

চেঙে মুংজা-মুংজিত আৰু এখন্তেকো নৰৈ লগত এশ ডেকা ল'ৰা সেনা লৈ বায়ু বেগে আহি ৰিবাং চাও নৈৰ পাৰ পালেহি। ৰিবাং চাও নৈখন পশ্চিমৰ পৰা পূবলৈ বৈ আহি হঠাতে উত্তৰলৈ ভাঁজ লৈ, সেইপিনে কাও চিং আৰুনৰাকাং গাঁও দুখনৰ মাজেদি বৈ গৈ, আকৌ পূবপিনে ভাঁজ লৈ পূবেৰে বৈ-গৈ মুংজা-মুংজিৰ দক্ষিণ পাৰেৰে বৈ গৈছিল।

চেঙে কিছুমান সেনাক বনকল, তৰা আৰু কেঁতুৰিবোৰ গুৰিৰ পৰা অলপ এৰি কাটিবলৈ দিলে আৰু কিছুমানৰ হতুৱাই নৈৰ দুই পাৰে থকা গাঁও দুখনৰ বৰমূৰীয়াসকলক ধৰাই অনালে। বৰমূৰীয়াসকলৰ চেঙৰ চেহেৰা দেখিয়েই পেটতে হাত-ভৰি লুকাল। চেঙৰ সলনি ডেকা ল'ৰাবোৰৰ জেবাং বোলাটোৱেই বৰমূৰীয়াসকলক সম্বোধি ক'লে, "এই নদীখন ইয়াৰ পৰা উত্তৰলৈ বৈ গৈ তিনিদশুমানৰ বাটৰ পাছত পূবলৈ বুলি ঘূৰিছে। সেইখিনিতে চুকাফা স্বৰ্গদেৱে সিপাৰলৈ বুলি আজি ৰাতিয়েই নৈখন পাৰ হ'বলৈ মনস্থ কৰিছে। আপোনালোকৰ কাম হ'ল কাক-মেগেলা কাটি এগালমান ভুৰ বান্ধি পেলোৱা। স্বৰ্গদেউ অৱশ্যে মাজনিশা হাতীৰে পাৰ হ'ব। এটা কথা, আমি দৈৱজ্ঞৰ আদেশমতে ৰাতিৰ পৰাহে পাৰ হ'বলৈ আৰম্ভ কৰিম। আৰু এটা কথা। আমি পাৰ হোৱাটো যাতে আপোনালোকৰ দুয়োখন গাঁৱৰ কোনো জনপ্ৰাণীৰে চকুত নপৰে। এয়া দৈৱজ্ঞদেৱৰ নিষেধ। গতিকে ভুৰ সজা হ'লে আপোনালোকে সাজ-ভগাৰ পাছতে ঘৰ-দুৱাৰ মাৰি ঘৰৰ ভিতৰ সোমাই থাকিব। বুজিলেনে?"

কথাখিনি শুনাৰ লগে-লগে এই গাঁৱৰ মানে কাওচিঙৰ ৰাইজ আৰু সিপাৰৰ নৰাকাঙৰ ৰাইজে নাৱেৰে নদী পাৰ হৈ আহি হাতে-কামে লাগি বেলি ডুবোঁ-ডুবোঁ হওঁতেই প্ৰায় আঢ়ৈ কুৰি ভুৰ বান্ধি শেষ কৰিলে। তাৰ পাছত তেওঁলোকে ঘৰাঘৰি গৈ ৰাতি হোৱাৰ আগতেই ভাত-পানী খাই চাকি-বন্তি নুমুৱাই শুই থাকিল।

চেংহঁতে ভাত-পানী খাই মাজনিশালৈকে ৰৈ থাকিল। সকলো নিঃপালি দিয়াৰ লগে-লগে একোখন ভুৰত দহোটাকৈ ল'ৰা উঠি সেই ভুৰখনৰ লগত আৰু চাৰিখনকৈ ভুৰ সাঙুৰি লৈ, ভটিয়নী পানীত লাহে-লাহে আগুৱাই যাবলৈ ধৰিলে। পুবে ফেঁহুজালি দিয়াৰ আগতে সিহঁতে পূবৰ পাৰটো পাই তাতে আটাইবোৰ ভুৰ বান্ধি থলে আৰু তাৰ পাছত নৈৰ পাৰে-পাৰে মুংজা-মুংজিলৈ বুলি খোজ ললে। পুৱা বেলি ওলোৱাৰ লগে-লগে কাতি মাহৰ তেৰ তাৰিখ পৰিলহি।

ছদিনৰ মূৰত মুংজা-মুংজিৰ সিপাৰ পাই, সাঁতুৰি নদী পাৰ হৈ আটাইবোৰ ভাগৰে-জুগৰে লাং খাই পৰিল। কেৱল চেঙে নিজৰ ঘোঁৰা লৈ বিশ্বাশবদে আহি খেমাং গাঁৱেদি পাটকাই পাৰ হৈ ঘৰ পাই নগোক সকলো কথা জনালেহি। সেইদিনা কাতিৰ উনত্ৰিছ তাৰিখ পৰিল।

নগোৱে ৰাজমাও, বৰডাঙৰীয়া, চাওঁখানলাক আৰু চুকাফাক সকলো জনোৱাত তেওঁলোকে আনন্দত নাচিবলৈহে বাকী থাকিল। অৱশেষত ৰাজমাৱে ক'লে, "চিউক, এতিয়া তোৰ চুক্ৰানফা ৰজাক লগ ধৰি যোৱাৰ কথাটো সামাজিকভাৱে জনোৱাৰ সময় হ'ল।"

চুকাফাই চাওঁখানলাকৰ হতুৱাই নৰাৰাজ্যৰ বুঢ়াগোহাঁইৰ যোগে চুক্ৰানফা ৰজাক পাছদিনা লগ ধৰিবলৈ যোৱাৰ কথাটো জনালে। খবৰটো শুনাৰ লগে-লগে চুক্ৰানফাই নিজৰ সিংহাসনৰ অলপ নামনিতে আন এখন সিংহাসন পতাই, সভাঘৰ চাফ-চিকুণ কৰোৱাই, নিজেও ধুনীয়া ৰাজসাজ এযোৰ পিন্ধি তপতৈয়াৰ হৈ চুকাফালৈ বুলি ৰৈ থাকিল। যথা সময়ত চুকাফাই লগত চাওঁখানলাক, মখৰু, কাখৰুম, মুংজি, কাগুন, কেওখুন আৰু খুন্তুঙক লগত লৈ চুক্ৰানফাক সেৱা জনালেগৈ। চুক্ৰানফাই সকলো জানিও একো নজনাৰ ভাও ধৰি চুকাফাক সাদৰেৰে কাষৰ সিংহাসনত বহুৱাই অহাৰ কাৰণটো সুধিলে। উত্তৰত চুকাফাই জনালে, "স্বৰ্গদেউ, এখন হাবিত দুটা মতা বাঘ থাকিব নোৱৰাৰ দৰে, এটা খাপত দুখন তৰোৱাল সোমাব নোৱৰাৰ দৰে, এখন ৰাজ্যতো দুজন ৰজা থাকিব নোৱাৰে। গতিকে আপুনি মোক চেনেহেৰে গতাই দিয়া এই ডা-ডাঙৰীয়াসকল আৰু অন্যান্য মানুহ দুনুহৰ সৈতে এই ৰাজ্য এৰি নিজাববীয়াকৈ এখন ৰাজ্য পাতি লবলৈ বুলি নামনিলৈ নামি যাবলৈ ওলাইছোঁ। সেই গতিকে আপোনাৰ অনুমতি লবলৈ অহাটোৱেই আজি মোৰ ইয়ালৈ অহাৰ কাৰণ। এতিয়া

আপুনি মোক অনুমতি দিলেই মই আঘোণৰ দহ তাৰিখে এই ৰাজ্য এৰি, পাটকাই পৰ্বত পাৰ হৈ, নামনিলৈ বুলি যাত্ৰা আৰম্ভ কৰিব পাৰিম।”

চুক্ৰানফাই অলপ সময় নিতাল মাৰি থাকি ক’লে, “তোমাৰ লগৰ মানুহ যে অতি কম হ’ল!”

চুকাফাই উত্তৰ দিলে, “মই খবৰ লৈ গম পাইছোঁ যে পাটকাইৰ সিপাৰে নিজাববীয়াকৈ শাসন চলোৱা গাঁওহে আছে। তেনেকুৱা কোনো প্ৰতাপী ৰাজ্য নাই। গতিকে মই সেই গাঁওবোৰ দখল কৰি তাৰ পৰা মানুহ গোটাই এবছৰ-দুবছৰৰ ভিতৰতে ভাল চাই সৈন্য বাহিনী এটা গঢ়ি লৈ, তাৰ পাছতহে নামনি অভিমুখে যাত্ৰা কৰিম।”

ৰজাই উত্তৰ দিলে, “বৰ সজ উদ্দেশ্য। কিন্তু খন্তেকৰ ভোজ খাওঁতা নাই। গতিকে কেতিয়াবা বিপদত পৰিলেই আমালৈ খবৰ দিলেই আমি গৈ আমাৰ ভাইৰ কাষত থিয় হমগৈ।”

চুকাফাই ধন্যবাদ জনালে। চুক্ৰানফাই চুকাফাক ৰাজ্য এৰাৰ অনুমতি দিয়াৰ লগে-লগে ৰজাঘৰৰ পৰা চুকাফাক নিজৰ বাবে দেংহেংদান দুখন দিলে। তাৰ এখনেৰে মাছ, পছু আৰু চৰাই মাৰিব পাৰি। আনখন যি দিশলৈ দঙা হয়, সেই দেশৰ লোক বশবৰ্তী হয়। সাধাৰণ হেংদান গোহাঁইৰ বাবে দুখন আৰু হাতীমুৰীয়াসকলৰ বাবে পাঁচখন দিলে। তদুপৰি ৰাজ অলংকাৰ, ধনু-শৰ, যাঠী আদি দি, “ভাই তই মোক নাপাহৰিবি” বুলি সাবটি ধৰিলে।

চুকাফাই দহ আঘোণত নৰা ৰাজ্য এৰিবলৈ মনস্থ কৰাৰ কাৰণ হ’ল দুটা। প্ৰথমটো হ’ল দেওধাইসকলে চাই দিয়া মতে দিনটো শুভ। আৰু দ্বিতীয়টো হ’ল, পুহৰ পাঁচ তাৰিখে চোমদেৱৰ পূজাৰ দিন। সেই দিনা চোমদেৱক উলিয়াবলৈ গৈ নাপাই চুকাফাইতৰ পিছে-পিছে নৰা সেনাই খেদা ধৰিলেও, পলাবলৈ চুকাফাইতে অন্ততঃ একুৰি ছদিনৰ সময় হাতত পাব।

দহ আঘোণৰ দিনা ধলপুৱাতেই চুকাফাই আনায়েক ৰাজমাৱৰ পৰা হয়তো চিৰজীৱনৰ বাবে বিদায় লবলৈ গ’ল। আনায়েকে চুকাফাক সাবটি হুৰাওৰাৱে কান্দি ক’বলৈ ধৰিলে, “হেৰ ঈশ্বৰে ডাঢ়ি-গোঁফ নুঠুটিওৱা এটা ফুকলীয়া মাউৰা ল’ৰাৰ কপালত এয়াহে লিখিবলৈ পালেনে? কলৈ যাব, ক’ত অনাই-বনাই ঘূৰি ফুৰিব ...”

চুকাফাই আনায়েকক বাধা দি ক’লে, “চোৱা আনাদেউ, মইতো অকলে নাযাওঁ! লগত হাতী ঘোঁৰা ডা-ডাঙৰীয়া, পালি-পহৰীয়া সকলো যাব। এই দেশৰ পৰা গৈয়েই মই নামনিৰ ৰাজ্য এখন জয় কৰিয়েই তোমাক তালৈ লৈ যাম। এতিয়া মই যোৱাৰ সময়ত তুমি যদি কন্দা-কটা কৰি থাকা, তেন্তে মোৰ যাত্ৰাৰ অমংগলহে হ’ব।”

ৰাজমাৱে শান্ত হৈ নিজৰ ফালৰ পৰা এপেৰা ৰাজ-অলংকাৰ দিয়াৰ উপৰিও, আগদিনাই অনাই থোৱা চোমদেৱক ভাতৰ টোপোলাৰ সন্ধিত দি, ফুচফুচাই ক’লে, “চোমদেৱ লগত থাকিলে ৰাজ-সম্পত্তি নুগুচে, লক্ষী ঈশ্বৰ তাত আপুনি থাকে।” তাৰ পাছত তেওঁ চকুপানী মচি-মচি চুকাফাক বিদায় দিলে।

চুকাফাই ৰাজমাৱে দিয়া অলংকাৰৰ পেৰাটো আৰু চোমদেৱ লুকাই থকা ভাতৰ টোপোলাটো খামকমুঙৰ পিঠিত তুলি দি নিজেও উঠিল। মাখুন্দী হাতী জেজি-কিপ-কেউৰ ওপৰত নৰা ৰজা চুক্ৰানফা, বহিল। লগত যাবলগীয়া চাওঁখানলাক আদি ডা-ডাঙৰীয়া সাতোজন, ৰাজ্যৰ বুঢ়াগোহাঁই সমন্বিতে বৰা-বুৰুক, নগো;—এই সকলোবোৰে ঘোঁৰাত বহিল। বাকীবোৰে খোজ কাঢ়িবলৈ ললে। চুকাফাই মাউত ফংপিমক হাতী চলাবলৈ আদেশ দিয়াৰ লগে-লগে সকলোটি আগবাঢ়িল।

চাৰিদণ্ডমানৰ বাট গৈ সকলোটিয়ে নগোৰ পেগোদাটো পাই হাতী-ঘোঁৰাৰ পৰা নামি পেগোদাত সেৱা জনালে। ইয়াতে চুক্ৰানফাই চুকাফাক সাবটি ধৰি, “ভাই তই মোক নাপাহৰিবি, আৰু বছৰি মোক ধন দি থাকিবি” বুলি বিদায় ললে। চুকাফাই নগোৰ ভৰিত দীঘল দি পৰাৰ লগে-লগে নগোৱে লৰালৰিকৈ চুকাফাক তুলি ধৰি কপালতে চুমা এটা খাই ক’লে, “চিউক, তথাগত বা ভগৱন্তত মতি ৰাখিবা। বাছি খাবা আৰু জাগি শুবা। আৰু এটা নাম মনত ৰাখিবা। সেইটো হ’ল— “মুং-দুন-চুন-খাম।”

চুকাফাই একো নুবুজিলেও কোনো প্ৰশ্ন নকৰিলে। কাৰণ নগোৱে যি কথা কয় সেয়া ৰহস্যজনক যেন লাগিলেও নগোৰ কথাৰ চিৰদিনেই গভীৰ মানে এটা থাকেই।

চাৰিদিনৰ মূৰত চুকাফাইতে গৈ খেমাং গাঁও পালেগৈ। তাৰ কেউখন গাঁৱৰ প্ৰজাই স্বৰ্গদেউ চুকাফাক সেৱা-সৎকাৰ সহকাৰে ৰাতিটো ৰাখিলে। তাতে চুকাফাই আগতে আগবাঢ়ি অহা চেঙক লগ পালে। চেঙে জনালে,—মুংজা-মুংজিৰ এইপিনে থকা গাঁও পাঁচোখনে এতিয়াও মুংজা-মুংজি যে চুকাফাৰ অধীনলৈ আহিল সেই কথাটো নাজানে। চুকাফাই ক’লে,—“কোনো কথা নাই। প্ৰথমে নৰা উভতি যাওক গৈ। পাছে-পৰেও সিহঁতৰ মাজৰ পৰা সৈন্যৰ বাবে মানুহ সংগ্ৰহ কৰোঁতেই সিহঁতে গম পাই যাব।”

পাছদিনা চুকাফাই খেমাং এৰি ৰিবাং চাও নদীৰ ওচৰৰ গাঁওবোৰ এৰাই হাবিয়ে-হাবিয়ে গৈ আকৌ পাটকাই চেৰাই এই পাৰলৈ আহিল। তেওঁ মুংজা-মুংজি পাওঁতেই, ইফালে নৰা ৰাজ্যত চোমদেৱ হেৰোৱাৰ খবৰটো ওলাল। ৰাজমাৱে চুক্ৰানফাক উপযাচি তেৱেঁই চুকাফাক চোমদেৱক দি পঠিয়াইছে বুলি জনোৱা সত্বেও চুক্ৰানফাই খঙত চোমদেৱক কাঢ়ি আনিবলৈ পাঁচশ সৈন্য পঠাই দিলে।

নৰা ৰাজ্যৰ সৈন্যবোৰ বৰ এলাইবাদু স্বভাৱৰ আছিল। সিহঁতৰ সেনাপতি ক্ৰমিং ৰাজখোৱাও অলপ এলেহুৱা ধৰণৰ আছিল। গোটেইজাকে প্ৰথমতে অতি উৎসাহেৰে বেগাই যাবলৈ লোৱাৰ ফলত পাটকাই পাৰ হৈ খেমাং গাঁও পাওঁতেই লেলাই-ধেন্দাই পৰিল। সিহঁতে খেমাঙৰ মানুহৰ পৰা খবৰ লৈ চুকাফাই ৰিবাং-চাও নদীখন পাৰ হৈ গৈছে বুলি জানিব পাৰিলে। অতি কষ্টৰে সেইখিনি পাই সিহঁতে নৈলৈ যোৱা বাটৰ আগতে কাটি থোৱা বনকল, তৰা আৰু কেঁতুৰিবোৰ একোবেগেতকৈ বঢ়া দেখিলে। তদুপৰি নৈৰ পাৰৰ গাঁৱৰ মানুহৰ পৰা হাতীয়ে-ঘোঁৰাই চুকাফা ৰজা পাৰ হৈ গৈছে বুলি শুনি আৰু খেদি লাভ নাই বুলি বুজি নৰা সেনা উভতি গ’ল। চেঙে আলেঙে-আলেঙে থাকি সিহঁতক উলটি যোৱা দেখি নিশ্চিন্ত হৈ মুংজা-মুংজিলৈ গৈ চুকাফাক জনালেগৈ।

চুকাফাই খবৰটো শুনি ডা-ডাঙৰীয়া-সকলক হাঁহি-হাঁহি ক’লে, “ডাঙৰীয়াসকল, তেনেহ’লে আজিৰ পৰা সেই ঠাইডোখৰৰ নাম নৰা ওভোতা ৰখা যাওক। কি বোলে?”

ৰজাৰ কথা ডাঙৰীয়াসকলে “হয় হয়” বুলি শলাগিলে।

এমাহৰ ভিতৰতে দিন-বাৰ চাই চুকাফা ৰজাৰ অভিষেক পতা হ’ল। তাৰ পাছত চেঙে চুকাফাক অকলশৰে লগ ধৰি ক’লে, “চিউক, তোমাৰ ডাঙৰীয়াসকলে প্ৰায় পাঁচশৰ ওপৰ সৈন্যৰ বাবে নতুন মানুহ গোটাইছেই। খেমাঙৰ সেনা আৰু তোমাৰ লগত অহাবোৰক ধৰি নতুনে পুৰণিয়ে মিলি হাজাৰৰো বহুতো ওপৰ সৈন্য হৈছেগৈ। ছমাহমানৰ পাছত এই সৈন্য দলে চাৰিহাজাৰ শত্ৰু-সৈন্যকো হকৱাব পাৰিব। ইতিমধ্যে আৰু নতুন মানুহেতো যোগ দিবই; কিন্তু বৰ্তমান মোৰ ইয়াত একো কাম নাই। গতিকে মই যাব খোজোঁ।”

চুকাফাই অতি আচৰিত হৈ সুধিলে, “কিন্তু তুমি কিয় যাব লাগে কাদাং?”

চেঙে প্ৰথমে উত্তৰ নিদিওঁ বুলি ভাবিও ক’লে, “চিউক, মোৰ যে আই-বোপাইৰ মৃত্যুৰ প্ৰতিশোধ লবলৈ থাকি গ’ল। মই গ’লেও, মোৰ কামটো শেষ হৈ গ’লে মই আকৌ আহিম। ইয়াত তোমাৰ কোনো ভয় নাই। চাওঁখানলাক ভাল মানুহ, বাকীবোৰো ভাল। তদুপৰি তোমাক মোৰ খেমাঙৰ ল’ৰাবোৰে সদায় আবৰি ৰাখিব। চোমদেৱক ভালদৰে পূজা-পাতল কৰি থাকিবা।”

কথাখিনি কৈ চেঙ ওলাই গ’ল। চুকাফাৰ চকু চলচলীয়া হৈ পৰিল।

খেমাং পাই চেঙে নানঙৰ শেষ ভেটিটোৰ কাষত থিয় হৈ ভাবিবলৈ ধৰিলে—জীয়াই থাকোঁতে যিজনীৰ কথা তাৰ মনতেই নপৰিছিল আজি তাই যোৱাৰ এবছৰৰ পাছত কিয় তাৰ তাইলৈ মনত পৰিবলৈ পালে? হঠাতে তাৰ পিছফালে নানঙে খিলখিলাই হাঁহি—“মোলৈ তোমাৰ মনত পৰিবনে?” বুলি কোৱা যেন শুনিও সি পিছলৈ নাচালে। তাৰ বিশাল কলিজাটো মোচৰ খাই উঠিল। সি নানঙৰ ঘৰৰ পৰা কুকুৰকেইটা ললে। তাৰ পাছত নীলা আকাশৰ তলেদি, নানঙৰ বতাহত ভাঁহি অহা, পাটকাইৰ বুকুত প্ৰতিধ্বনিত হৈ থকা—“মোলৈ মনত পৰিবনে?” —কথাষাৰ শুনি-শুনি ঘোঁৰাটো চলাই পাটকাই বগাবলৈ ধৰিলে।

(আগলৈ)





## ক’ৰবাত ৰ’দৰ গান

ৰবীন্দ্ৰ বৰা

ক’ৰবাত ৰ’দৰ গান
গুণ গুণ

হৃদয়ৰ পৰা চকুৰে নমনালৈকে
শিপাৰ পৰা আকাশৰ বুকুলৈকে

নজহা-নপমা মাত
সংগত প্ৰভাত

বিশালতাত ব্যাপ্ত
গভীৰত স্থিতপ্ৰজ্ঞ
উদ্বুদ্ধ স্বপ্নৰ তৰংগ

ক’ৰবাত ৰ’দৰ গান
গুণ গুণ

ফলৰ বৰ্ণত বিস্তাৰিত
আকাংক্ষিত ঋতু

গছ নৈ পথাৰৰ স’তে
সমস্ত ক্ষুধাৰ উপত্যকাটো

সংগোপনে বতাহত
যৌবন উদীপ্ত অহংকাৰ
কি যে ভীষণ চমৎকাৰ

ক’ৰবাত ৰ’দৰ গান
গুণ গুণ

বুকুৰ ভিতৰত চিনাকি নৈ খনে
কথা পাতে তেজৰ স’তে

এজাৰ ফালি সিৰাই-সিৰাই
বৈ থাকে পানী পিয়াহৰ বতৰ

কণ্ঠ কাৰ নিমাত
ৰাতিৰ আঘাতত অ’ত ত’ত
প্ৰসাৰিত পোহৰৰ
উষ্ণ দুয়োখন হাত

ক’ৰবাত ৰ’দৰ গান
গুণ গুণ ...।

## আবেদন

চৈয়দ আব্দুল হালিম

মই বিজ্ঞাপন দেখিলেই আবেদন কৰোঁ
পিয়ন নাৰ্ছ বা আৰু কত চাকৰিৰ বাবে।
পথাৰত হৃদয়ৰ ডাকঘৰ এটা আছে,
মাটি, পানী, জুই, বতাহ আৰু আকাশেদি
তালৈ বাট,
নিৰ্যাতনৰ বিদ্ৰোহী প্ৰেমিকজনলৈ
এখন আবেদন লিখোঁ,
তেওঁ হেনো থাকে তাত।

বিপ্লৱ মানেই দেখোন অপ্ৰেম,
ভোকত বিস্কুট খাবলৈ কোৱা ছোৱালীজনীক
মূৰ আফালিয়াই মৰা হয়,
উত্তেজনাৰ ভল্গাত উটাই দিয়া হয়
ত্ৰিছ লাখ মানুহৰ দেহ,
হয়তো অকাৰণে।

... আৰু প্ৰেমিক হ’লেই বিপদ,
(দেহ, দেশ, দেৱতাৰ!)
নৰাধম জনাৰ বাবেও কেতিয়াবা
জোনাকত কবিতা লেখা হয়,
মানুহৰ তেজৰ সপক্ষে যুঁজ দিবলৈ
বিতৰ লোলুপৰ দৰে প্ৰেম হয়
ভগা তৰোৱাল।
ঘিণ কৰি মৰো ক্ৰমবিকাশৰ কেৰেলুৱা,
ঘৃণ্যতৰ কুমজেলুকা,
সশস্ত্ৰ তীখাৰ শুঙেৰে ভাঙি পৰা,
নিৰন্ন শিশুৰ মুখত।

ৰহঢলা পুখুৰী-পথাৰত
চে গুৱেভৰাৰ তেজৰ খচকৰ বোকাতলিত
সোমাই থকাৰ অভিজ্ঞতা মোৰ আছে।
হৃদয় সাঁচাকৈয়ে নিৰ্বাসিত মোৰ,
চিফুঙৰ নালীয়াপুলত সাঁচা,
হৃদয়েই নাই মোৰ।

মই সদায় নাবালক,
(মৎস্যগন্ধা, নাও মোৰো থৰক বৰক,
কলিংগৰ ৰণথলিত,
পাৰ্ছিপোলিছৰ পাণশালাত
আবৰী কুঁৱৰীহঁতৰ লগত মই মৃত্যুক
পাণ কৰিছিলো!)
বন্দুকৰ হাতোৰাটোত আৰু তাৰ ঘোঁৰাত।

তেজ, জীৱন, মৃত্যু বা সুখদুখৰ
এবোজা তুলাপাত লৈ মই কি কৰিম?
মই আবেগৰ মোটা দৰমহা এটা বিচাৰোঁ
আৰু উত্তেজনাৰ মৰগীয়া বানচ!

লাওপানীৰ কলহটোত,
তুমি মোৰ আবেদনখন বিচাৰি পাবা,
কাৰণ তাতেই মই বকুলবনৰ হাফিজৰ সতে
মিহলি হৈ থাকোঁ, (তেওঁ চেনি আইৰ
ক’লা মাহটোৰ বাবে ৰজাৰ নগৰখন
বিকাৰ কথা কৈছিল, ...
মই সকলোৰে জীৱনৰ বাবে,
পৃথিৱীৰ সকলো ৰজাৰ নগৰ আৰু তন্ত্ৰ,
মহাকাশ যাত্ৰা আৰু সুসজ্জিত গৱেষণাগাৰবোৰ,
পানী দৰত বিকিব খোজোঁ।)

মানুহৰ পৰম নিৰ্ভৰ ভৱিষ্যতৰ
এক তাড়না হৈ।

## যুদ্ধৰ গান

চেনীৰাম গগৈ

মই মোকেই হত্যা কৰিছোঁ এনে একোটা দিন ঃ
মই এতিয়া লিখিব নোৱাৰোঁ মোৰ প্ৰিয় শব্দ, বৰ্ণ, গাব নোৱাৰোঁ গান
মই মাথোঁ দিব পাৰোঁ যুদ্ধৰ সবিশেষ, যুদ্ধৰ অৰ্থই এতিয়াৰ দেশ
যুদ্ধৰ নাম লৈ ঘূৰি ফুৰে নৰ-নাৰী, ঘৰ এৰি গুচি যায় নিমাখিত শিশু
যুদ্ধত কম হয় শইচৰ উৎপাদন, দেশে দেশে বাঢ়ি আহে চন পৰা মাটি ...

## সেউজীয়া সপোন কবিতা

প্ৰেমনাথ শৰ্মা

যোৱাৰ পৰত সি নোকোৱাকৈ গুচি গ’ল

যাওঁতে নঙলামুখৰ পৰাই চিঞৰি
মাতি গ’ল

পাৰিলে পৰহিলৈ
পাক এটা মাৰিবি

সপোন কবিতা
বাঢ়িছে
সেউজীয়া হৈ ...



OKDISCD

# আমেৰিকাৰ আলিবাটত

**আৰতি দাস**

আমেৰিকাৰ কেলিফৰ্নিয়াৰ মাটিত ভৰি দিয়েই প্ৰথম যেতিয়া 'মেজদা' এখনত উঠিলো, তেতিয়া মোক নিবলৈ অহা মানুহজনে ক'লে, "এতিয়া ১২০ কিল'মিটাৰ গতিবেগত গাড়ী চলাম। বে'ল্টডাল বান্ধি লবা।" বিদেশত যে যান-বাহনত উঠিলে নিজৰ দেহৰ সুৰক্ষাৰ বাবে বে'ল্ট বান্ধিব লাগে, এই নিয়মটোৱে পোন্ধৰ বছৰ আগতে অষ্ট্ৰেলিয়াত থাকোঁতে হোৱা অভিজ্ঞতাৰ স্মৃতিলৈ মনত পেলাই দিলে। পোন্ধৰ বছৰে ভাৰতত বে'ল্টহীনভাৱে যান-বাহনত উঠি সেই কথা প্ৰায় পাহৰি গৈছিলো। পাহৰি গৈছিলো যে ল'ৰা-ছোৱালীবোৰকো গাড়ীত বিশেষ চকিত বান্ধি নিব লাগে। নাজানো কিয় অসমৰ খলাবমা ৰাস্তাত থেকেচা খাই-খাই অষ্ট্ৰেলিয়াৰ সুন্দৰ ৰাস্তাৰ স্মৃতিও হেৰাই গৈছিল। ১২০ কিল'মিটাৰ গতিবেগৰ কথা শুনি ভয় লাগিছিল। অসমত ভাল, নিৰ্জন ৰাস্তাত ৮০ কিল'মিটাৰৰ বেছি গতিবেগত চলা গাড়ীত কেতিয়াও উঠা নাই। কেলিফৰ্নিয়াৰ আলিবাটেৰে প্ৰথম এই গতিবেগত চলা গাড়ীত উঠি এনে লাগিছিল যেন ৰাস্তাত গাড়ীখন পিচলিহে গৈছে। শব্দ নাই, জোকাৰণি নাই। বাহিৰৰ শব্দ নুশুনাৰ কাৰণ অৱশ্যে শীত-তাপ নিয়ন্ত্ৰিত গাড়ীখনৰ আইনাবোৰ বন্ধ কৰি থোৱা বাবে। এবাৰ আইনাখন নমাই দিয়াতহে বুজিলো বাহিৰত বতাহ আৰু গাড়ীৰ তীব্ৰ গতিবেগৰ প্ৰচণ্ড শব্দ।

কেলিফৰ্নিয়াৰ বহল ৰাস্তাত অংশবিশেষে ছয়ৰ পৰা আঠটালৈকে লেইন। যোৱা ৰাস্তা, অহা ৰাস্তা বেলেগ। আমি গৈ থকা ৰাস্তাৰ চাৰিটা লেইনত বিভিন্ন গতিবেগত যোৱা গাড়ী। সাধাৰণতে সোঁফালৰ লেইনটো তীব্ৰ গতিবেগেৰে, মাজৰটো মধ্যম গতিবেগেৰে আৰু বাঁওফালৰটো লাহে-লাহে যোৱা গাড়ী বা ট্ৰাক আদিৰ বাবে। কেলিফৰ্নিয়াৰ ৰাস্তাত যিমান গাড়ী, সিমান গাড়ী থকা ৰাস্তা হেনো পৃথিৱীৰ ক'তো নাই। জাক-জাক গাড়ী গৈ আছে, আহি আছে। জাকৰ মাজত গৈ থাকোঁতে আমাৰ গাড়ীৰ কাষেদি গৈ থকা গাড়ীবোৰ সলনি হৈ থাকে। একেখন গাড়ীকে দেখা নাযায়। যদিও সকলো গাড়ী একেফালেই গৈ আছে। ইয়াৰ কাৰণ প্ৰত্যেক গাড়ীৰ বেলেগ-বেলেগ গতিবেগ। কোনোবাখনক আমি পিছ পেলাওঁ, কোনোবাই আমাক পিছ পেলায়।

"প্ৰাচ্য সংকট"ৰ বাবে পেট্ৰলৰ দাম হেনো আমেৰিকাত কেইবা ছেণ্টো বাঢ়িল। কিন্তু আলিবাটত গাড়ীৰ সংখ্যা কমা নাই। কাৰণ আমাৰ দেশৰ তুলনাত পেট্ৰল (তাত গেছ বুলি কয়) এতিয়াও মানুহৰ উপাৰ্জনৰ তুলনাত অতি কম ; আনকি টকাৰ হিচাপতো ভাৰতত‌কৈ কম।

ইমান তীব্ৰ গতিবেগত যোৱা গাড়ী সাধাৰণতে দুৰ্ঘটনাত পতিত হ'লে গুৰি হৈ যায় আৰু যাত্ৰীৰ জীৱন নাবাচে। একেলগে কেইবাখনো গাড়ীও ক্ষতিগ্ৰস্ত হৈ যাব পাৰে। কিন্তু দুৰ্ঘটনা খুব কম হয়। ইয়াৰ বাবে আমেৰিকাৰ ট্ৰেফিকৰ ধৰা-বন্ধা নিয়ম আৰু পুলিছক ধন্যবাদ দিব লাগিব। ট্ৰেফিকৰ নিয়ম উলংঘা কৰা চালকক ট্ৰেফিক-পুলিছে টিকট দিয়ে আৰু সেইমতে তেওঁ জৰিমনা দিয়াৰ উপৰিও তেওঁৰ নাম ট্ৰেফিকৰ-পুলিছৰ ৰেকৰ্ডত থাকে। তেওঁ গাড়ীৰ বাবে কৰা বীমাৰ নিৰিখো সেইমতে বাঢ়ে। তদুপৰি কেতিয়াবা অপৰাধ গুৰুতৰ হ'লে কেইটামান বছৰৰ বাবে গাড়ী চলোৱা অনুজ্ঞাপত্ৰ নাকচ হৈ যায়। শেষৰ বিধ শাস্তিলৈহে গাড়ীৰ চালকে বৰ ভয় কৰে। কাৰণ গাড়ী অবিহনে জীয়াই থকাটো তাত প্ৰায় দুৰূহ। বাহনখন ভাত-কাপোৰ-ঘৰৰ দৰেই অপৰিহাৰ্য। কেতিয়াবা একোটা পৰিয়ালত এখনৰ বেছিও বাহন থাকে। সামৰ্থ্য অনুযায়ী মানুহে বিভিন্ন মূল্যৰ নতুন-পুৰণি গাড়ী কিনে। কেইশমান ডলাৰৰ পুৰণি কাৰ্যক্ষম গাড়ীৰ পৰা কেইবা হাজাৰো ডলাৰৰ চিকচিকিয়া নতুন গাড়ীলৈকে সৰু-বৰ নানা ধৰণৰ গাড়ী পোৱা যায়। আমি ইয়াত বজাৰলৈ গৈ মাছ-পাছলি কিনাৰ দৰে ধন থাকিলেই কিনো বুলিয়েই নিজৰ পছন্দ আৰু সামৰ্থ্য অনুযায়ী গাড়ী কিনিব পাৰে। আমাৰ দৰে আগধন দি মাহৰ পাছত মাহ অপেক্ষা কৰাৰ প্ৰয়োজন নাই। নিয়মিত উপাৰ্জন থাকিলে গাড়ী কিনিবলৈ বিভিন্ন ঋণো সহজলভ্য। আমাৰ দেশত কিমানজনৰ এই সামৰ্থ্য ? যিখন দেশত সাধাৰণ মানুহৰ পেটৰ ভাতমুঠিৰ বাবেই ৰাতিয়ে-দিনে অক্লান্ত পৰিশ্ৰম আৰু চিন্তা কৰে, যিখন দেশত সৰ্বসাধাৰণ মানুহৰ এক বিৰাট অংশই মাইলৰ পাছত মাইল খোজ কাঢ়ে, ছাইকেল চলায় আৰু ৰেল বা বাছত নিজৰ প্ৰাণৰ চিন্তা নকৰি ওলমি যায়, সেইখন দেশৰ কথা দুদিনৰ বাবে ফুৰিবলৈ অহা মই বে'ল্ট বান্ধি গাড়ীত ভ্ৰমণ কৰিব লগা হোৱাত বৰ দুখেৰে সুঁৱৰিছিলো। তাত ঘৰ চফা কৰিবলৈ অহাজনে, বাগান চিকুণাবলৈ অহাজনেও নিজৰ বাহনত আহে ; সকলো ধৰণৰ পুষ্টিকৰ খাদ্য হেঁপাহ পলুৱাই খাব পাৰে। কিহৰ বাবে আমাৰ দেশৰ সৰ্বসাধাৰণ মানুহৰ এই দুখলগা অৱস্থা ? জন-বিস্ফোৰণ, আৰ্থিক অনাটন নে চৰকাৰৰ আসোঁৱাহপুৰ্ণ নীতি আৰু আঁচনি ? এইবিলাক প্ৰশ্নৰ উত্তৰ বহুত।

কেলিফৰ্নিয়া আমেৰিকাৰ ভিতৰত সকলোতকৈ ধনী ঠাই। গতিকে স্বাভাৱিকতে তাত গাড়ীৰ সংখ্যাও বেছি। কিছুমান গাড়ী আকাৰত বৰ ডাঙৰ। সৰু বুলি অভিহিত কৰা গাড়ীখনো আমাৰ দেশৰ ডাঙৰ গাড়ীৰ সমানেই। ট্ৰাকবোৰত ওঠৰটা চকা। বিৰাট আকৃতিৰ ট্ৰাকখন পিছ পেলাই তীব্ৰগতিত আগুৱাব লগা হ'লে বুকু কঁপি যায়।

ট্ৰেফিক পুলিছক গাড়ীৰ চালকে বেছ ভয় কৰে যেন লাগিল। তেওঁলোকৰ গাড়ী দেখিলেই চালক সাৱধান হয়। গাড়ী কিমান গতিত চলিব লাগে তাৰ সীমাৰেখা বান্ধি দিয়া ফলকবোৰ আলিবাটৰ কাষে-কাষে দেখা যায় ; কিন্তু সাধাৰণতে মন কৰা গ'ল যে বান্ধি দিয়া গতিবেগতকৈ সুযোগ পালে সকলোৱে অলপ বেছি গতিত চলে। ট্ৰেফিক পুলিছে কেতিয়াবা আলিৰ কাষৰ জোপোহাত আঁৰ লৈ থাকে। কেতিয়াবা তেওঁলোকে ৰাডাৰত বিভিন্ন যান-বাহনৰ গতিবেগ নিৰীক্ষণ কৰি থাকে আৰু বেতাৰযোগে আগত ৰৈ থকা ট্ৰেফিক পুলিছক গাড়ীৰ নম্বৰ আদি দি সকীয়াই দিয়ে। সেইমতে সেই বিশেষ গাড়ীৰ চালকক ট্ৰেফিক পুলিছৰ গাড়ীয়ে খেদি আলিবাটৰ কাষত একাষৰীয়া কৰি ৰাখি টিকট দিয়ে। কিন্তু এই কাম কৰোঁতে তেওঁলোকে অসভ্যালি কৰি চালকক ৰূঢ় ব্যৱহাৰ কৰা বা কটু কথা নুশুনায়। চালকে তৰ্ক নকৰাকৈ নিৰৱে টিকট গ্ৰহণ কৰে আৰু আপত্তি থাকিলে পাছত ক'টলৈ গৈ কে'ছ কৰি নিজৰ নিৰ্দোষিতা প্ৰমাণ কৰিব পাৰে। ট্ৰেফিক-পুলিছক ভেটি দি টিকট নোহোৱা কৰাৰ কথা কোনেও কল্পনা কৰিব নোৱাৰে। টিকটত উল্লেখ কৰা জৰিমনা তেতিয়া লগে-লগেই পুলিছক দিব নালাগে। বিশেষ কাৰ্যালয়তহে নিৰ্দিষ্ট সময়ৰ আগতে দিব লাগে। এইখিনিতে আৰু এটা কথা উল্লেখনীয়। নিউয়ৰ্কৰ আশে-পাশে হাইৱে' আৰু দলংবিলাকত গাড়ীচালকে 'টল' দিব লাগে। ৱাশ্বিংটন চহৰলৈ গাড়ীৰে যাওঁতে এই টলৰ বাবে দিয়া ডলাৰৰ খৰচ তালৈ যাবৰ বাবে কিনা পেট্ৰলৰ দামৰ খৰচতকৈ বেছি আছিল। কিছুমান প্ৰদেশত ৰাস্তা-দলং মেৰামতিৰ বাবে হেনো এইদৰে চৰকাৰে গাড়ী চালকৰ পৰা পুঁজি সংগ্ৰহ কৰে। কিন্তু এই ধন সংগ্ৰহ কৰোঁতেও কোনেও হিচাপৰ ইফাল-সিফাল কৰি ধন সৰকোৱাৰ মনোবৃত্তি পোষণ নকৰে। হয়তো কেনেবাকৈ ধৰা পৰিলে কম্পিউটাৰৰ ৰেকৰ্ড আৰু ডাটাত এনেদৰে তেওঁৰ নাম সোমাই থাকিব যে জেল খটা আৰু জৰিমনা দিয়াৰ উপৰিও তেওঁ চাকৰি হেৰুৱাব আৰু পুনৰ কেতিয়াও তেওঁৰ কৰ্মসংস্থান হোৱাৰ আশা নাথাকিব। আমাৰ দেশত এনেকুৱা কঠোৰ শাস্তিৰ ব্যৱস্থা থাকিলেও সেইবোৰ বাস্তৱত প্ৰয়োগ কৰা নহয়। হয়তো আমেৰিকাত চাকৰি কৰা মানুহৰ ভালদৰে চলিবৰ বাবে অৰ্থ থকাৰ বাবেও তেওঁলোক এনেধৰণৰ কুকাৰ্যত সততে লিপ্ত নহয়। কিছুমান ক্ষেত্ৰত আমাৰ দেশত অভাৱে স্বভাৱ নষ্ট কৰা হেতুকে এই মনোবৃত্তি থকা মানুহৰ সংখ্যা ক্ৰমান্বয়ে বাঢ়ি আহিছে।

ট্ৰেফিক পুলিছে গতিবেগৰ সীমা উলংঘা কৰি চলোৱা গাড়ীখনক ধৰা দৃশ্য চাবলগীয়া। এই দৃশ্যই বাঘে হৰিণৰ জাকৰ পৰা হৰিণ চিকাৰ কৰা দৃশ্যলৈ মনত পেলায়। জাক পাতি যোৱা গাড়ীবোৰৰ মাজৰ পৰা ট্ৰেফিকে বিশেষ গাড়ীখন আটক কৰি একাষৰীয়া কৰে। সাধাৰণতে হাইৱে'ত একো-একোটা জাকৰ মাজত এটা সামান্য ব্যৱধান থাকে। জাকৰ শেষত কোনো থাকিব নোখোজে ; কাৰণ গতিবেগ উলংঘা কৰা জাকটোৰ শেষৰখনক পুলিছে সহজে ধৰে। একাষৰীয়াকৈ ৰৈ যোৱা গাড়ীখনলৈ সকলো চালকে কেৰাহিকৈ চাই হয়তো ভাবে—সততে গতিবেগ উলংঘা কৰা হাইৱে'ত কোনদিনা কাৰ অৱস্থা এনেকুৱা হ'ব পাৰে ! আচলতে আলিবাটবোৰ ইমান ভাল যে সচেতন নহ'লে ক'ব নোৱৰাকৈয়ে গাড়ীৰ গতিবেগ বাঢ়ি যায় বুলি কেইবাজনো গাড়ীচালকে ক'লে।

সাধাৰণতে সমদলত গৈ থকা গাড়ীবোৰে লেইন সলাবলৈ হ'লে সদায় লাইটেৰে আগজাননী দিয়ে। হৰ্ণ বজোৱাটো হেনো অসভ্যালি। কেৱল কোনোবাই কাৰোবাক কিবা আমনি কৰি আগুৱাই গ'লে সকৈকে হৰ্ণটো বজাই নিজৰ খং বা প্ৰতিবাদ প্ৰকাশ কৰে। কিন্তু এনেকুৱা পৰিবেশ খুব কম হয়। ট্ৰেফিকৰ কঢ়া অনুশাসনক সকলোৱে যেন সমীহ কৰে।

চহৰৰ ভিতৰতো ট্ৰেফিকৰ আইন বৰ কঢ়া। কোনোবাই যদি ট্ৰেফিক লাইট ৰঙা হৈ গ'লে ৰাস্তা পাৰ হয়, পাৰ্কিঙৰ নিয়ম নামানি পাৰ্কিং নকৰিবলগীয়া ঠাইত গাড়ী পাৰ্ক কৰে তেনেহ'লে তেওঁ টিকট পায়। কেতিয়াবা নকৰিবলগীয়া ঠাইত পাৰ্ক কৰা গাড়ীৰ চকা পুলিছে লক কৰি থয় বা গাড়ীখনকে লৈ যায়। গতিকে পাৰ্ক কৰোঁতে গাড়ীৰ চালকে সাৱধান হৈ আশে-পাশে থকা ফলকৰ কথাবোৰ ভালদৰে পঢ়ি চাব লাগে। চলন্ত গাড়ীত বে'ল্ট নামাৰিলেও জৰিমনা দিব লাগে।

দুৰ্ঘটনাত খুন্দা মৰা গাড়ীখনে বেছি বীমাৰ টকা দিব লাগে। সেয়ে স্বাভাৱিকতে প্ৰত্যেক চালক এই বিষয়ত সাৱধান হয়,—যাতে তেওঁ আন গাড়ীক খুন্দা নামাৰে। তদুপৰি কোনো মানুহক গাড়ীয়ে খুন্দা মাৰিলে গাড়ীৰ বীমাই সেই খুন্দা লগা মানুহজনৰ চিকিৎসাৰ সকলো খৰচ বহন কৰে।


ল'ৰা-ছোৱালীৰ সুৰক্ষাৰ বাবে আমেৰিকাত গভীৰভাৱে চিন্তা কৰা হয় আৰু তাৰ বাবে সুব্যৱস্থাও আছে। ল'ৰা-ছোৱালী নিয়া স্কুল বাছবোৰ সাধাৰণতে হালধীয়া ৰঙৰ হয়,—যাতে সেইবোৰ সতকাই আন চালকৰ চকুত পৰে। সুকলমে বাটত বাধা-বিঘিনি নোহোৱাকৈ যাতে ল'ৰা-ছোৱালী স্কুল পায়গৈ তাৰ বাবে কিছুমান চহৰত সেই বাছ যোৱা বিশেষ লাইন আছে। তদুপৰি কেইবাজনো চালকৰ ব্যক্তিগত বাহনত মন কৰিলো—ল'ৰা-ছোৱালীয়ে যাতে নিজে গাড়ীৰ দুৱাৰ বা আইনা খুলিব নোৱাৰে তাৰ বাবে বিশেষ ব্যৱস্থা চালকৰ লগত থাকে। স্কুললৈ যাওঁতে ল'ৰা-ছোৱালীয়ে যাতে সুকলমে ৰাস্তা পাৰ হ'ব পাৰে তাৰো সুব্যৱস্থা আছে। অৱসৰপ্ৰাপ্ত মানুহেও সেই বিশেষ কামত সহায় কৰি কিছু উপাৰ্জন কৰিব পাৰে। লক্ষ্য কৰিলো,—বেছিভাগ স্কুল-বাছৰে চালক মহিলা। সাধাৰণতে মহিলা-চালক পুৰুষ-চালকতকৈ সাৱধান বুলি বহুতে ভাবে।

স্কুল-বাছ চলা বিশেষ লাইনটোত আৰু এবিধ বিশেষ গাড়ী চলিব পাৰে। পেট্ৰলৰ মিতব্যয়িতাক উৎসাহ দিবৰ বাবে চাৰিজন আৰোহী যোৱা গাড়ীকো এই বিশেষ লাইনেদি আগবঢ়াৰ সুবিধা দিয়া হয়। বিশেষকৈ 'ট্ৰেফিক জেম' হ'লে এই বাটেদি এই বিশেষ গাড়ীবোৰ বাধাহীনভাৱে আগুৱাব পাৰে। এবাৰ আমি এই সুবিধা গ্ৰহণ কৰি আগ বাঢ়োঁতে গাড়ীৰ চালকজনে ক'লে,—"চোৱা ইমানবোৰ গাড়ী শাৰী-শাৰীকৈ ৰৈ আছে। কোনেও এই বিশেষ ৰাস্তাত উঠিবলৈ সাহস নকৰে।" কাঢ়া অনুশাসনত দুষ্টালি কৰিবলৈ ভয় কৰা সৰু-সৰু ল'ৰা-ছোৱালীৰ দৰে গাড়ীৰ চালকবোৰ শাৰী-শাৰীকৈ নিজৰ গাড়ী ৰখাই নিৰৱে ধৈৰ্যৰে অপেক্ষা কৰিছিল কেতিয়া ট্ৰেফিক জেম খুলিব আৰু তেওঁলোকে আগুৱাব পাৰিব। তিনি-চাৰিটা লেইন থকা হাইৱে' হ'লেও কাৰ্যালয় খোলা দিনবোৰৰ কিছুমান বিশেষ সময়ত আৰু উইক-এ'ণ্ডত হাইৱে'বিলাকত বেচ ভিৰ হৈ ট্ৰেফিক জেম হয়। কেতিয়াবা কোনো দুৰ্ঘটনা ঘটিলেও, বা এটা লেইনত মেৰামতিৰ কাম চলিলেও ট্ৰেফিক জেম হয়। এনেকুৱা হ'লে স্থানীয় ৰেডিঅ'ত ঘনে-ঘনে বাতৰি দি থকা হয়। প্ৰায় সকলো গাড়ীতে ৰেডিঅ' থাকেই। মানে ৰেডিঅ' অপৰিহাৰ্য। বেছি ভাগ মানুহে এই ট্ৰেফিক বাতৰি শুনি ট্ৰেফিক জেম থকা ৰাস্তা পৰিলে সেইটো পৰিহাৰ কৰি অন্য ৰাস্তা লয় বা সেইখিনি সময়ত জৰুৰী কাৰণ নাথাকিলে গাড়ী নচলায়। এইখিনিতে মনত পৰিছে বিশেষ এদিনৰ কথা। ছিয়াটলত ব'য়িং কাৰখানা চাই ওভতাৰ পথত ভীষণ বৰষুণ। আকাশত ডাৱৰৰ মাজে-মাজে বেছ তলেদি হেলিকপ্টাৰ উৰিছিল ট্ৰেফিকৰ খবৰ সংগ্ৰহ কৰিবলৈ। সাধাৰণতে বেয়া বতৰত দুৰ্ঘটনা বেছি হয় আৰু ট্ৰেফিক জেমো বেছি হয়। তদুপৰি কোনটো হাইৱে'ত আগত ট্ৰেফিক কেনেকুৱা সেই খবৰো আলিবাটৰ কাষত থকা বাতৰিৰ শিৰোনামা দিয়া ব'ৰ্ডবোৰত আলোকৰ আখৰে দি থাকে।

কেলিফৰ্নিয়াত ৰাতি হাইৱে'ত অজস্ৰ গাড়ীৰ আলোকৰ শোভাযাত্ৰা চাবলগীয়া। এফালেদি অসংখ্য ৰঙা পোহৰৰ লাইট গৈ আছে, আনফালেদি অসংখ্য বগা পোহৰৰ লাইট আহি আছে। যেন পোহৰৰ ৰঙা আৰু বগা সোঁতহে বিৰামহীনভাৱে গৈ আছে। বিশেষকৈ কেলিফৰ্নিয়াৰ শুকান শূন্য মৰুভূমি অঞ্চলৰ মাজেদি যোৱা হাইৱে'ৰ এই আলোকৰ শোভাযাত্ৰা দুৰ দিগন্তলৈকে দেখা যায়। আন এটা কথাও লক্ষ্য কৰিলো ঃ পাহাৰৰ পৰা উঠা-নমা কৰা পথবোৰ আমাৰ দৰে অকোৱা-পকোৱা নহয়। পোনে-পোনে ওপৰলৈ উঠা আৰু নমা। তীব্ৰ গতিবেগেৰে যোৱা বাহনত উঠিলে ৰ'লাৰ কষ্টাৰত উঠা-নমা কৰা যেনেই অনুভৱ হয়। বিশেষকৈ ছানফ্ৰানছিস্কো চহৰত আলিবাটবোৰ হঠাতে ইমান ওখলৈ উঠে আৰু তললৈ নামে যে পিছলি পৰিম যেন লাগে। স্বয়ংক্ৰিয় গিয়েৰৰ গাড়ী বুলিহে হেনো ইমান ওখ অনায়াসে উঠিব আৰু নামিব পৰা যায়।

আলিবাটত আমাৰ দৰে গৰু-ছাগলী দূৰৈৰ কথা দুচকীয়া, তিনিচকীয়া বাহনো দেখিবলৈ নাই। গিয়েৰ থকা ছাইকেলবোৰ চলাবলৈয়ো বিশেষ পথ থাকে। সেই ছাইকেল মানুহে বিশেষ ব্যায়াম বা আনন্দৰ বাবেহে চলায়। মটৰ ছাইকেলখনো বিশেষ আনন্দ

আমেৰিকাত হাইৱে'ত গাড়ীবোৰ যাতে বাধা নোপোৱাকৈ গৈ থাকিব পাৰে তাৰ বাবে বেলেগ হাইৱে'ত উঠিবলৈ বা নামিবলৈ ফ্লাই অভাৰ থাকে।



উপভোগৰ বাবেহে কম বয়সীয়া ডেকা-গাভৰুৱে চলায়।

লাছ ভেগাছলৈ যোৱাৰ পথত মহাবীৰ মৰুভূমিত আমি ডাঙৰ চকাৰ বিশেষ গাড়ী ধূলি উৰুৱাই খলা-বমা ৰাস্তাৰ ওপৰেদি জীপ মাৰি-মাৰি যোৱা দেখিছিলো। সেয়াও একপ্ৰকাৰৰ আমোদ-উপভোগ। উইক-এণ্ডবিলাকত হাইৱে'ত বহুত বিচিত্ৰ বাহন দেখা যায়। কোনোবাই ছাইকেল কঢ়িয়ায়, কোনোবাই যন্ত্ৰচালিত নাও কঢ়িয়ায়, কোনোবাই গোটেই ঘৰখনৰে বস্তু থকা ট্ৰেইলাৰ (কেৰেভান) কঢ়িয়ায়। কিছুমান ডাঙৰ গাড়ীয়ে আকৌ একোখন সৰু ওপৰঞ্চি গাড়ীও লৈ যায়। আনন্দ উপভোগ কৰিবৰ বাবে যে কত ধৰণৰ বিচিত্ৰ বাহন! কেতিয়াবা মুক্ত জীপবোৰত ডাঙৰকৈ সংগীত বজাই কমবয়সীয়া ডেকা-গাভৰু যায়, কেতিয়াবা মৰম লগা স্পৰ্টছ-কাৰবোৰত হুডখন পেলাই প্ৰখৰ ৰদক আওকাণ কৰি, চুলিবোৰ নচুৱাই-নচুৱাই কম বয়সীয়া ডেকা-গাভৰু যায়। কেতিয়াবা আকৌ গাড়ীৰ পিছফালে বিশেষ গাড়ীত ঘোঁৰাবোৰ লৈ যায় ক'ৰবাত ঘোঁৰাত উঠি বিশেষ আনন্দ উপভোগ কৰিবলৈ।

আমেৰিকাৰ ৰাস্তাত এখন চহৰৰ পৰা আন এখন চহৰলৈ যাবলৈ হ'লে সাধাৰণতে চালকে লগত একোখন মেপ ৰাখে আৰু যাত্ৰা কৰাৰ আগতে মেপখন বুজি লয়। কেতিয়াবা আৱশ্যক হ'লে সৰু কাগজত নিজৰ সুবিধা অনুযায়ী হাইৱে'ৰ নম্বৰবোৰ কোনখিনিত কি হ'ব লিখি লয়। ভালদৰে এই মেপ বুজি ললে নিৰ্বিঘ্নে সম্পূৰ্ণ অচিনাকি বাটেৰে গৈও এখন অচিনাকি চহৰৰ নিৰ্দিষ্ট ঠাই উলিয়াব পাৰি। বুজাত ভুল কৰি ঠিক পথ অনুসৰণ নকৰিলে বাট হেৰুৱাই সময়-শক্তিৰ অপচয় ঘটোৱা হয়। হাইৱে'ত একাষে Exit বুলি বিভিন্ন দিশলৈ যোৱা আলিবাটৰ নম্বৰ আৰু চহৰৰ নাম থাকে। ড. ভূপেন হাজৰিকাৰ এটা গীতৰ 'মহা-মহা নগৰীতে কতনা বাট হেৰুৱালো' — বোলা কথাষাৰৰ অৰ্থ আমেৰিকাৰ আলিবাটত দুই-এদিন বাট হেৰুৱাইহে যেন মৰ্মে-মৰ্মে উপলব্ধি কৰিব পাৰিলো। হলিউদৰ পৰা লেংকেষ্টাৰলৈ যাওঁতে বাট হেৰুৱাই ৰাতি দুপৰলৈ একেখিনি ঠাইতে ঘূৰা-পকা কৰি দিশহাৰা হোৱাৰ কথা মনত পৰিছে।

হাইৱে'বোৰ সাজোঁতে বহুত কথা হয়তো সুন্দৰভাৱে ফঁহিয়াই চোৱা হৈছিল। হাইৱে'ত ঠায়ে-ঠায়ে call box আছে। গাড়ী বেয়া হ'লে তাৰ পৰা ফোন কৰি সাহায্য বিচাৰিব পাৰি। তদুপৰি গাড়ী চলাওঁতে ক'ত কি ধৰণৰ সাৱধানতা লব লাগিব, কি কি কথাত চকু দিব লাগিব সেইবোৰ আলিবাটৰ একাষে লিখি থোৱা থাকে। তদুপৰি হাইৱে'ত মাজে-মাজে ক'ত পেট্ৰল ডিপো, চিকিৎসালয়, ৰেস্তোঁৰা বা ৰেষ্ট এৰিয়া আছে সেয়া কাঁড় চিনেৰে Next Exit বুলি দেখুৱাই দিয়া থাকে। এইবোৰ ভ্ৰমণকাৰীৰ বাবে বৰ আৱশ্যকীয়। মেৰামতি কৰি থকা অঞ্চলবোৰত বিশেষ হালধীয়া লাইটে দিনৰ পোহৰতো জিলমিলাই সংকেত দি থাকে। আলিবাটত কাম কৰা মানুহৰ কোটটোও বিশেষ ৰঙৰ,—যাতে দূৰৈৰ পৰাই চকুত পৰে। হাইৱে'ৰ দাঁতিৰ যিবিলাক অঞ্চলত মানুহৰ বাসস্থান আছে, সেইবোৰৰ কিছুমানত শব্দ-প্ৰদূষণ বন্ধ কৰিবলৈ ওখকৈ বিশেষ ধৰণৰ দেৱাল দিয়া হৈছে।

হাইৱে'ত গাড়ীবোৰ যাতে বাধা নোপোৱাকৈ গৈ থাকিব পাৰে তাৰ বাবে বেলেগ হাইৱে'ত উঠিবলৈ বা নামিবলৈ ফ্লাই অ'ভাৰ থাকে। অৰ্থাৎ এটা ৰাস্তাই আন এটা ৰাস্তা ramp-এদিহে পাৰ হয়। একোখন চহৰৰ পৰা ওলোৱা-সোমোৱা পথো হ'ল একো-একোটা ফ্লাই অ'ভাৰ। হাইৱে'ত লাইট নাই যদিও ৰাতি সেইবোৰ অগণন গাড়ীৰ লাইটৰ পোহৰেৰে উদ্ভাসিত হৈ থাকে।

হাইৱে'ৰ এটা বিশেষ কথা শুনিলোহে; দেখা নাপালো। হাইৱে'ত হেনো কথা নাই বতৰা নাই কেতিয়াবা হঠাতে গুলীয়াগুলী হৈ যায়। সেয়ে কেতিয়াও কোনো গাড়ীৰ চালকলৈ বিশেষভাৱে মনোযোগ দি চাব নালাগে বা চালকক আঙুলি দেখুৱাই কথা ক'ব নালাগে বুলি কেইবাজনেও আমাক উপদেশ দিলে।

আমেৰিকাৰ সকলো আলিবাটেই যে বহল এনে নহয়। ভিতৰুৱা অঞ্চলৰ আলিবাট কিছুমানত কেৱল মাত্ৰ দুটা লেইন। এনেকুৱা আলিবাটেৰে গ'লে যান-বাহন তুলনামূলকভাৱে কম পোৱা গ'লেও গন্তব্যস্থানত উপস্থিত হওঁতে সময় বেছি লাগে। কাৰণ এনেকুৱা আলিবাটত এখন গাড়ীক পিছ পেলাই আগুৱাই যাবলৈ বৰ অসুবিধা। সিফালৰ পৰা অহৰহ গাড়ী আহি থাকে। আগে-আগে মন্থৰ গতিৰে ট্ৰাক বা ট্ৰেলাৰ গৈ থাকিলে নিজৰ গাড়ীখনো মন্থৰ গতিত চলাব লগা হয়। দূৰলৈ যাবলৈ হ'লে সাধাৰণতে চালকে বহল হাইৱে'বিলাকেৰেহে গাড়ী চলায়। চহৰৰ ওচৰে-পাজৰে বিশেষ নিৰ্দিষ্ট সময়ত ভিৰ থাকিলেও বেছি ভাগ সময় হাইৱে'বিলাকত বাধাহীনভাৱে গাড়ী তীব্ৰ গতিত চলাব পাৰি। আলিবাটবোৰ আৰু গাড়ীবোৰ উন্নত বাবে দূৰ ভ্ৰমণৰ ভাগৰ আৰু অৱসাদ অনুভৱ কৰা নাযায়। আমাৰ দেশৰ তুলনাত বহুত কম সময়তে এখন ঠাইৰ পৰা আন এখন ঠাইৰ মাজৰ দূৰত্ব অতিক্ৰম কৰিব পাৰি।

আৱশ্যক হ'লে গাড়ী চলাম বুলি মই এখন আন্তঃৰাষ্ট্ৰীয় চালকৰ অনুজ্ঞাপত্ৰ লৈ গৈছিলো। কিন্তু গাড়ীবোৰ চালকে বাঁওফালে বহি চলায় বাবে গাড়ী চলাওঁতে পালন কৰিবলগীয়া নিয়মবোৰ বেলেগ। ট্ৰেফিক নিয়ম ভুল হ'লে বিদেশত আহুকালত পৰিম বুলি তেইছ বছৰীয়া অভিজ্ঞতা লৈও গাড়ী চলাবলৈ সাহস নকৰিলো। ভ্ৰমণকাৰীৰ বাবে অৱশ্যে তুলনামূলকভাৱে কম খৰচতে গাড়ী ভাৰা কৰাৰ বন্দবস্ত আছে। চলাব জানিলে কিছু-সময়ৰ বাবে এখন ধুনীয়া নতুন গাড়ীৰ মালিক হ'ব পাৰি। আমেৰিকাত থকা বন্ধু-বান্ধৱ আৰু আত্মীয়ই সেই সুবিধা গ্ৰহণ কৰিবলৈ সুযোগ নিদিলে।

আমেৰিকাত এটা প্ৰশ্ন সঘনে কৰা হৈছিল: আমাৰ দেশৰ আলিবাটবোৰ কিয় এনেকুৱা হ'ব নোৱাৰে আৰু কিয় ট্ৰেফিকৰ নিয়ম কটকটীয়া হ'ব নোৱাৰে। দেশৰ অৰ্থনৈতিক অৱস্থা আৰু দুৰ্নীতিক দোষাৰোপ কৰিলেও এটা কথা স্বীকাৰ কৰিব লাগিব যে অসমত মাটি আৰু জলবায়ুও ৰাস্তা বেয়া হোৱাৰ অন্যতম কাৰণ। অসমৰ মাটি আৰু জলবায়ু সহ্য কৰিব পৰা ৰাস্তা নিৰ্মাণ কৰিবলৈ বিশেষ কৌশল আৰু বহুত অৰ্থৰ প্ৰয়োজন। আমাৰ দেশত সৰ্বসাধাৰণ মানুহৰ পেটৰ ভাতমুঠিৰে ইমান চিন্তা যে এমুঠি মানুহৰ গাড়ীবোৰ ফুৰফুৰাই যাব পৰা ৰাস্তাৰ কথা কল্পনা কৰাটোও সংকীৰ্ণ মনৰ স্বাৰ্থপৰতা যেনহে লাগিব।

দেশলৈ ঘূৰি আহি আলিবাটত গৰু, কুকুৰ, মেকুৰী, ৰিক্সাৱালা, ঠেলাৱালা, স্কুটাৰ, ছাইকেলৰ বিশৃংখল, হুলস্থুলীয়া, ধুলি-ধোঁৱাৰে ভৰা পৰিবেশটো চাই ভাবিছিলো,— এওঁলোকৰ বেছিভাগেই এইখন পৃথিৱীতে মানুহে কিমান বেলেগ পৰিবেশত থাকিব পাৰে সেই কথা কল্পনাও কৰিব নোৱাৰে। যিহেতু আন দেশৰ মানুহে উপভোগ কৰা এই সুবিধাবোৰৰ কথা তেওঁলোকে নাজানে, গতিকে তেওঁলোকে এই বিশৃংখল আলিবাটতে জীয়াই থকাৰ সংগ্ৰাম সকলো ধৰণৰ দুখ-যাতনা-অসুবিধা ভোগ কৰিয়েই কৰিবলৈ শিকিছে।

নেচনেল বুক ট্ৰাষ্টৰ সৌজন্যত অনুষ্ঠিত
গুৱাহাটী শিশু গ্ৰন্থমেলাত
প্ৰথম পুৰস্কৃত গ্ৰন্থ
অমূল্য কুমাৰ হাজৰিকাৰ
**ৰাজ আলিৰ পৰা ৰাজসভালৈ**
ষ্টুডেণ্টচ্ ষ্ট'ৰচ্
গুৱাহাটী- ৭৮১০০১





# অপৰূপা আন্দামান

উৎপল দত্ত

চাৰি



চিৰিয়াটাপুলৈ নগৈ উভতাৰ পথত আমাৰ ফালে আগবাঢ়ি অহা লুঙি, গেঞ্জি পিন্ধা, হাতত মদৰ বটল থকা মানুহ কেইজনৰ এজনে মোক ফটো তোলাৰ কথা ক'লে। সম্ভৱতঃ মই ফটো তুলি ফুৰা তেওঁলোকে দেখা পাইছিল। ফটো তোলাৰ অভিনয় অকণমান কৰি দিলো। দীঘল নমস্কাৰ জনাই মানুহকেইজন উভতি গ'ল। আমিও নিজৰ ৰাস্তা ললো।

উভতি আহি থকা সময়ত ৰাস্তাত এটা আমোদজনক দৃশ্য দেখা পালো। শুকুলা ডাঢ়ি আৰু চুলিৰে গেৰুৱা বসন পৰিধান কৰা এক প্ৰৌঢ় সন্ন্যাসীয়ে ৰাস্তাত মোপেড চলাবলৈ শিকি আছে। জীপ চলোৱা সন্ন্যাসী আগতে দেখা পাইছিলো; —সেইজন আছিল ভাৰত সেৱাশ্ৰম সংঘৰ ইংৰাজী কোৱা ডেকা সন্ন্যাসী। ছাইকেলত উঠা সন্ন্যাসী বা মটৰ ছাইকেলত উঠা ডেকা পুৰোহিতো দেখা পাইছিলো। কিন্তু মোপেডৰ শিকাৰু চালকৰ বেশত এই বৃদ্ধ সন্ন্যাসী। আন্দামানত এয়াই প্ৰথম দেখা পালো। অৱশ্যে প'ৰ্টব্লেয়াৰৰ ৰাস্তাৰ কাষত এখন ছাইনবৰ্ড দেখা পাইছিলো; তাত আছিল এক সন্ন্যাসীৰ আন্দামান আগমনৰ তাৰিখৰ ঘোষণা আৰু এক সন্ন্যাসীৰ হাতে আঁকা ছবি। সন্ন্যাসীজন যদি ছবিখনৰ দৰেই হয়, তেন্তে নিশ্চয় চাবলগীয়া 'দৃশ্য' (ঠিক দৃশ্য নহয়—ফেন'মেনন) এটা হ'ব। ছবিত সন্ন্যাসীৰ নাকটো কপালৰ তিনিগুণমান দীঘল; দুয়োটা চকুৱেই বেলেগ-বেলেগ আকৃতিৰ আৰু কঁকালৰ ওপৰখিনি তলৰ অংশৰ দুগুণমান দীঘল। কি বিজ্ঞাপন!

গাড়ীৰ পৰাই ৰফিকে দেখুৱালে চিপিঘাট ফাৰ্ম। আন্দামানৰ আটাইতকৈ বিশাল আকৃতিৰ ফাৰ্ম। প্ৰায় আশী একৰ মাটিৰ এই ফাৰ্মত ধান, নাৰিকল, তামোল আদিৰ লগতে লং, জালুক, আৰু নানান মচলাজাতীয় উদ্ভিদৰ খেতি কৰা হয়। আন্দামানৰ পৰা মেইনলেণ্ডলৈ পঠোৱা সামগ্ৰীৰ ভিতৰত নাৰিকলৰ লগতে মচলাও অন্যতম।

চিপিঘাট ফাৰ্মৰ পৰা আহি ভাবিলো এবাৰ মাউণ্ট হেৰিয়েটত উঠা যাওক। এটা অকোৱা-পকোৱা ৰাস্তা উঠি গৈছে মাউণ্ট হেৰিয়েট নামৰ পাহাৰখনৰ ওপৰলৈ। ইয়াতেই বৃটিছ হাইকমিশ্যনাৰে গ্ৰীষ্ম নিবাস স্থাপন কৰিছিল। মাউণ্ট হেৰিয়েট টাউনৰ ওচৰতে। অন্ধকাৰ ৰাতি বিজুলীৰ পোহৰত এই মাউণ্ট হেৰিয়েটৰ সৌন্দৰ্য উপভোগ কৰিছিলো; —ৰাতিৰ আকাশ পৃষ্ঠভূমি হিচাপে লৈ থিয় হৈ থকা এক বিশাল ভাস্কৰ্য। বহুতৰ মুখত শুনিছোঁ—মাউণ্ট হেৰিয়েটৰ ওপৰৰ পৰা দেখা যায় প'ৰ্টব্লেয়াৰৰ 'বাৰ্ডছ আই ভিউ'। সূৰ্যাস্তৰ সময়ত এই দৃশ্য হয় সৰ্বাধিক সুন্দৰ। এফালে সাগৰৰ বুকুত সূৰ্যপতন আৰু আনফালে সেউজ পাহাৰৰ বুকুত বিয়পি পৰা সোণালী বৰণ। কিন্তু আমাৰ দুৰ্ভাগ্য, ৰাস্তা বেয়া হৈ থকা বাবে মাউণ্ট হেৰিয়েটলৈ যোৱা সম্ভৱ নহ'ল।

দিনটোৰ ভ্ৰমণ শেষ কৰি বজাৰৰ ওচৰৰ চাহ-দোকান এখনত সোমালো। দোকানত বেছি ভিৰ নাই। চাহৰ গিলাছটো হাতত লৈ বাহিৰলৈ ওলাই আহি ৰাস্তাৰ মানুহৰ ৰেহৰূপ চাই আছোঁ। হঠাৎ মোৰ সন্মুখেৰে খোজকাঢ়ি পাৰ হৈ গ'ল—শেখৰ কাপুৰৰ দৰে মানুহজন, লগত তেওঁৰ বন্ধুজন।

সময় ৰাতিপুৱা চাৰে আঠমান বাজিছে। ফিনিক্স বে জেটিত বহু মানুহৰ ভিৰ। আটাইবোৰ মানুহেই ভ্ৰমণকাৰীৰ চেহেৰাৰ। এইকেইদিনতেই চিনি পোৱা হৈ গৈছোঁ, কোন ভ্ৰমণকাৰী কোন স্থানীয় মানুহ। ইয়াত গোট খোৱা আটাইবোৰ মানুহেই যাব ৰচ আইলেণ্ডলৈ।

ৰচ আইলেণ্ড প'ৰ্টব্লেয়াৰৰ পৰা পাঁচ কিল'মিটাৰ দূৰৰ এটা সৰু দ্বীপ। ফেৰিৰে অহা-যোৱা কৰিব পাৰি। ন বজাত ফেৰি এখনে ভ্ৰমণকাৰীসকলক তালৈ লৈ যায় আৰু বাৰ বজাত ওভোতাই লৈ আহে।

সাগৰৰ ঢৌত ফেৰিখন নাচি থাকে। টিঙত বহি থকা বাবে মই এই নাচোনৰ সোৱাদ বেছিকৈ পালো। ঢৌ আহি মোৰ পিঠিৰ কাঠ ছটাৰ ঠিক তলতে কোবায়। অজস্ৰ জলবিন্দু ছিটিকি আহি গাত পৰে। এটি চুটি কিন্তু আমোদজনক যাত্ৰা। গুৱাহাটী-উত্তৰ গুৱাহাটী কৰোঁতে ফেৰিৰ বেঞ্চত বহুবাৰ বহিছোঁ। কিন্তু সাগৰৰ ঢৌৰ সৈতে মিতিৰালি কৰা এই যাত্ৰাৰ অন্য এক আমেজ আছে।... ঢৌৰ সতে আমাৰ অমিতাভ যাত্ৰা ... গৌতম প্ৰসাদ বৰুৱাৰ কবিতাৰ এটা পংক্তি মনত পৰিল।

ৰচ আইলেণ্ডত নমাৰ সময়তো একেই হুলস্থুল। কাৰোবাৰ এপাত ছেণ্ডেল ফেৰিত ৰৈ গ'ল, কাৰোবাৰ এপাত ছেণ্ডেল পানীত পৰিল—খণ্ডতে ইপাতো দলিয়াই দিলে;
—এইবোৰ দৃশ্য চাই-চাই এইবাৰো মই শেষতহে ফেৰিৰ পৰা নামিলো। ফেৰিখন গুচি গ'ল। বাৰ বজাত নিবলৈ আহিব। যদি নাহে?

প'ৰ্টব্লেয়াৰত বসতি স্থাপন কৰাৰ পাছতেই বৃটিছসকলে চকু দিছিল সৰু পাহাৰ আৰু সেউজ বৃক্ষময় দুশ একৰ আয়তনৰ এই সৰু দ্বীপটোৰ ওপৰত। বৃটিছ প্ৰশাসক আৰু প্ৰশাসন কৰ্মীৰ অফিছ আৰু বাসস্থানৰ বাবে এই দ্বীপত নিৰ্মাণ-কাৰ্য আৰম্ভ হৈছিল ১৭৮৯ চনত। এখন সম্পূৰ্ণ পৰিকল্পিত নগৰৰ দৰেই ৰচ আইলেণ্ডক সজাই তোলা হ'ল। সুন্দৰ ৰাস্তা, পানী ওলাই যোৱা নৰ্দমা, গিৰ্জা, পাৰ্ক, খেলপথাৰ, টেনিছ ক'ৰ্ট, বেকাৰি, সৈন্যৰ বেৰেক, কৰ্মচাৰীৰ বাসগৃহ, খাৰ-বাৰুদৰ ভাণ্ডাৰ, অফিছ, ক্লাব, বল-নাচৰ ঘৰ, চিকিৎসালয়, লাইব্ৰেৰি আদিৰে সজ্জিত হৈ উঠিছিল ৰচ আইলেণ্ড।

১৯৪১ চনৰ ভূমিকম্পত এই বিলাসী নগৰখনৰ যথেষ্ট ক্ষতি হ'ল। তাৰ পাছত দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত ৰচ আইলেণ্ড অধিকাৰ কৰিলে জাপানী সৈন্যই। ১৯৪৭ চনত ভাৰত স্বাধীন হোৱাৰ সময়ত এই দ্বীপটো জাপানীসকলে এৰি দিয়ে। ভূমিকম্পত হোৱা ক্ষতিৰ পাছতে দ্বীপটোৰ পৰা বৃটিছসকলে আঁতৰি যাবলৈ আৰম্ভ কৰিছিলেই। জাপানীসকলেও এই দ্বীপটো যুদ্ধৰ খা-খবৰ সংগ্ৰহৰ প্ৰয়োজনতহে ব্যৱহাৰ কৰিছিল।

এতিয়া দ্বীপটো মাথোন স্মৃতিৰ স্বাক্ষৰ। ঘৰবোৰৰ ভগ্নাৱশেষ আগুৰি ধৰিছে বিশাল-বিশাল গছে; গছৰ শিপাবোৰে ভগ্নপ্ৰায় বেৰবোৰক খামুচি ধৰি আছে। এইবোৰৰ মাজে-মাজে থকা ৰাস্তাবোৰেদি ঘূৰি ফুৰোঁতে ৰৈ যাবলৈ বাধ্য হোৱা যায় এক পৰিত্যক্ত কবৰস্থলীত। সমাধি-ফলকবোৰ এতিয়াও অস্পষ্ট হোৱা নাই। সেইবোৰ পঢ়ি গম পোৱা যায়—অধিকাংশ লোকৰেই মৃত্যু হৈছিল মেলেৰিয়াত। আনকি নিজৰ এঘাৰমহীয়া কন্যাকো ডাক্তৰে মেলেৰিয়াৰ আক্ৰমণৰ পৰা ৰক্ষা কৰিব পৰা নাছিল। এই সমগ্ৰ নিৰ্জন দ্বীপটোৱেই বিষাদ আৰু কাৰুণ্যৰ প্ৰতীক। সমাধি ফলকবোৰে সেই বিষাদ আৰু গভীৰ কৰি তোলে।

প্ৰত্যেক ৰাতিপুৱাই জলিবয়লৈ যাবলৈ ওলোৱা বহু যাত্ৰীক টুৰিষ্ট হোমৰ চোতালত লগ পাই থাকোঁ আৰু টুৰিজিমৰ বাছত ছিট নোপোৱাৰ বাবে তেওঁলোকে হাহাকাৰ কৰাও দেখোঁ। বাছৰ ছিট ৰিজাৰ্ভ কৰা কোঠাৰ পৰা আমি থকা কোঠালৈ বাৰাণ্ডাই-বাৰাণ্ডাই বিছ ছেকেণ্ডৰ দূৰত্ব। বাছৰ ছিট ৰিজাৰ্ভৰ বাবে



OKDISCD

দুদিন আগতে কৈ থৈছোঁ, আগদিনা এবাৰ মনত কৰি দিছোঁ, বুকিং ক্লাৰ্কে নিৰ্ভয় দি থৈছে, গতিকে আমাৰ চিন্তা নাই। নিৰ্ধাৰিত দিনত, নিৰ্ধাৰিত সময়ত দুখন বাছ আহি চোতালত হাজিৰ। টিকট লওঁ বুলি গৈ দেখোঁ, বুকিং ক্লাৰ্কজনক ঢেৰ মানুহে আগুৰি আছে। বিনয়ী বুকিং ক্লাৰ্কজনে হাতযোৰ কৰি ক্ষমা-প্ৰাৰ্থনাৰ সুৰত কৈ আছে—ছিট নাই। "মোৰ টিকট চাৰিটা দিয়ক।"

ভদ্ৰলোকে মোৰ পিনে চালে আৰু একেই সুৰত সুধিলে,—"আপুনি পৰহিয়েই ছিট বুক কৰিছিল, নহয় জানো ?"

"হয় !"

"মোৰ মনত আছে। কিন্তু আজি বাছত ছিট নাই। আপুনি কাইলৈ যাওক।"

"তেনেহ'লে মই পৰহিয়েই ৰিজাৰ্ভ কৰাৰ মানে কি হ'ল ?"

"বাছ দুখন আগতেই ভৰ্তি হৈ আহিল নহয়। মইনো কি কৰোঁ ?"

এইকেইদিন শান্তিপ্ৰিয় আৰু মিতভাষী মানুহৰ লগত থাকি মোৰো খংটো কমি গৈছিল। তৰ্ক কৰি কি হ'ব ? ওলাই আহিলো। যোৱাৰ বিকল্প ব্যৱস্থা এটাতো কৰিব লাগিল। চোতালত দেখোঁ শেখৰ কাপুৰৰ দৰে মানুহজন আৰু তেওঁৰ বন্ধু। বাছত ছিট পোৱা নাই যেন পালো। সুধিলো ; —হয়। ছিট পোৱা নাই। আমি আটায়ে, মানে ছয়োজন লগ হৈ ৰাণুৰলৈ টেক্সি লৈ যোৱাৰ সিদ্ধান্ত কৰিলো।

টুৰিষ্ট হোমলৈ সোমাই অহা টেক্সি এখন ধৰিলো। আমাৰ পৰিয়ালটো পিছৰ ছিটত আৰু তেওঁলোক দুই বন্ধু আগৰ ছিটত বহিল।

ঘড়িত ন বাজিছে। আমি দহবজাৰ আগতে ৰাণুৰ পাব লাগিব। বাছেৰে গ'লে এঘণ্টা লাগে আৰু টেক্সিত গ'লে পঞ্চল্লিছ মিনিট লাগিব। জোৰেৰে টেক্সি আগবাঢ়িল।

এইবাৰ দুই বন্ধুৰ লগত চিনাকি হ'লো। শেখৰ কাপুৰৰ দৰে জনৰ নাম মুকেশ শৰ্মা ; চণ্ডীগড়ৰ এখন বিখ্যাত চিকিৎসালয়ৰ স্নায়ুৰোগ বিভাগৰ চিকিৎসক। আনজন বিজয় পুৰী ; —ইনকাম টেক্সৰ বিষয়া। দুয়ো চণ্ডীগড়ৰ। আন্দামান চাই উঠি কলিকাতালৈ যাব, তাত কিছুদিন থাকিব।

ৰাণুৰত আমাৰ গাড়ী ৰৈ গ'ল। অলপ আঁতৰত দেখিলো টুৰিজিমৰ বাছ দুখন, কেইখনমান টেক্সি আৰু পানীৰ মাজত মানুহ ভৰ্তি দুখন ডাঙৰ ফেৰি। 'মই টিকট কৰোঁ' বুলি মুকেশ ফোঁ-ফোঁৱাই টিকট ঘৰৰ দৰে দেখাত সৰু গুমটি এটাৰ পিনে দৌৰিলে আৰু খন্তেক পাছতে দৌৰি অহাদি আহি মোক ক'লে,—"যোৱা টিকট কৰাগৈ।" তাৰ পাছত তেওঁ দৌৰি গৈ ফেৰিত উঠিল। বিজয় পুৰীয়েও তেওঁক অনুকৰণ কৰিলে।

ভাবিবৰ আৰু ৰবৰ সময় নাই। মই দৌৰি গৈ বুকিং কাউণ্টাৰটোৰ সমুখত থিয় হ'লো। মোৰ সম্মুখত আৰু দুজন মানুহ। আকৌ এজাক মানুহে দৌৰি আহি বুকিং কাউণ্টাৰ ঘেৰি পেলালেহি। অকণমান টান সুৰত কথা কৈ মানুহবোৰক লাইনত থিয় কৰাই দিলো। তাৰ পাছত বুকিং ক্লাৰ্কজনৰ পৰা ফেৰিৰ খা-খবৰ ললো। ডাঙৰ ফেৰি দুখন যাত্ৰীৰে ভৰ্তি হ'ল, সৰু ফেৰি এখন আছে, ইচ্ছা কৰিলে তাত যাব পাৰোঁ।

মোৰ সম্মুখৰ মানুহ দুজন গ'ল। এইবাৰ মোৰ পাল। এখন দীঘল বহীত বুকিং ক্লাৰ্কজনে আমাৰ নাম-ধাম-বয়স লেখি ললে ; কাৰ্বন কপিটো আমাক দিলে আৰু ক'লে,—"টিকট ফেৰিত দিব।"

"এইখন কিহৰ কাগজ ?"

"আপোনালোক যে জলিবয়লৈ যাব, তাৰে ৰেকৰ্ড ৰাখিছোঁ।"

এতিয়াহে মই বুজি পালো, মুকেশ শৰ্মাই কিয় আমাক এৰি থৈ ফেৰিত উঠিছিলগৈ। বেচেৰাইতো আমাৰ আটাইৰে নাম, অন্ততঃ মোৰ নাম নাজানে।

ভদ্ৰলোকৰ মুখত হাঁহি বিৰিঙিল। বুকিং ক্লাৰ্কজনৰ লগত আৰু দুই মিনিটমান শাক-খোৱা ভাত-খোৱা কথা পাতি মই আঁতৰি আহিলো।

ফেৰিত বহি দেখোঁ, আমাক ধৰি মাত্ৰ ছজন মানুহ। ইফালে ডাঙৰ ফেৰি দুখন গ'লেই। সেই দুখনৰ এখন চৰকাৰৰ আৰু আনখন শ্বম্পেন হোটেলৰ। আমি উঠাখন সৰু ব্যৱসায়ী এজনৰ। পাঁচ মিনিটমানৰ ভিতৰতে ফেৰিখন মানুহেৰে ভৰ্তি হ'ল। ফেৰি চলিবলৈ আৰম্ভ কৰিলে।

গ্ৰাব, আলেকজেন্দ্ৰা, স্নুব, ৰেডস্কিন প্ৰভৃতি আদি সৰু-সৰু দ্বীপবোৰ দুইফালে এৰি থৈ আমাৰ ফেৰি আগ বাঢ়িল। এই দ্বীপবোৰ ঘন-সেউজ জোপোহা গছেৰে ভৰ্তি ; সমুদ্ৰতীৰ বোলা ঠাই অকণো নাই, একেবাৰে পানী-যুৱলীলৈকে গছ। এই দ্বীপবোৰ জনশূন্য।

প'ৰ্টব্লেয়াৰত ভৰি দিয়া দিনৰে পৰা সকলোৰে মুখত এটা নামেই শুনি আছোঁ—জলিবয়। কিন্তু মই কাকো সোধা নাছিলো জলিবয়ত কি আছে ? আগতে জানিলে কৌতুহল কমি যায়, আবিষ্কাৰৰ আনন্দ নোহোৱা হৈ যায়। ফেৰিৰ পৰা সৰু মটৰ-ব'টেৰে আহি জলিবয় দ্বীপৰ বিচত থিয় হৈ ভাবিছোঁ—কিয় এই ঠাইডোখৰ ইমান বিখ্যাত।

ইউ আকৃতিৰ দ্বীপ এটাৰ অৰ্ধ বৃত্তাকাৰ অংশখিনিত এই জলিবয় বিচ। বৰ বেছি এশ মিটাৰ দৈৰ্ঘ্যৰ বিচ। বিচৰ ওচৰৰখিনিত পঞ্চাছ ফুটমান ঠাইত গছ-গছনি অলপ পাতল আৰু তাৰ পাছৰ পৰাই অটব্য অৰণ্য—গুণগুণাব পাৰি হীৰক ৰাজাৰ দেশে ছবিৰ সেই গানটো—একে দৃশ্য/দেখি অন্য/এ বন্য এ অৰণ্য/যেথা দিনেতে অন্ধকাৰ/যেথা নিঝুম চাৰিধাৰ/যেথা উৰ্ধে... যত আদিম মহাক্ৰম...

এই দ্বীপটোত জনবসতি নাই, অৰণ্যৰ ভিতৰত কি আছে অনুমান কৰিব নোৱাৰি। পাতল গছবোৰ থকা ঠাইখিনিত সাধাৰণ বাথৰুম জাতীয় ঘৰ দুটামান সাজি দিয়া হৈছে—মহিলাসকলৰ পোছাক সলোৱা আৰু অন্যান্য সুবিধাৰ বাবে। এই বিচত মানুহৰ অৱদান ইমানখিনিয়েই।

গভীৰ সেউজ দ্বীপবোৰৰ মাজে-মাজে নীলা-বেঙুনীয়া পানীৰ ওপৰেৰে জলিবয়লৈ কৰা প্ৰায় ডেৰঘণ্টীয়া এই যাত্ৰাই দিয়ে এক অপাৰ্থিব উত্তেজনা আৰু ক্লান্তিহীন ভ্ৰমণৰ অবিশ্বাস্য, অকল্পনীয় আনন্দ। আৰু জনশূন্য দ্বীপটোত ভৰি দিয়েই অনুভৱ কৰিব পাৰি আবিষ্কাৰৰ উত্তেজনা। নিজকে কলম্বাছৰ দৰেই লাগি যায় যেন এই দ্বীপটোত ভৰি দিয়া ময়েই প্ৰথম মানুহ।

জলিবয়ত সাগৰৰ পানী অতি পৰিষ্কাৰ, স্বচ্ছ। পানীৰ ওপৰৰ পৰাই স্পষ্টকৈ দেখা পোৱা যায় পানীৰ তলত থকা বহুবৰ্ণৰ ক'ৰেল, সাগৰৰ গৰ্ভৰ বিভিন্ন মাছ, গছ-গছনি ইত্যাদি। মেৰিন মিউজিয়ামৰ শ্ব'কেছত সজাই থোৱা বহুবিধ সামগ্ৰী ইয়াত দেখা যায় প্ৰকৃতিৰ কোলাত, সামগ্ৰীবোৰৰ জন্মস্থানতেই। প্ৰত্যেকখন ফেৰিৰ লগতে আছে একোখন সৰু-সৰু মটৰ-ব'ট, আৰু সেইবোৰৰ মজিয়াত লগোৱা আছে স্বচ্ছ আইনা। মটৰ-ব'টত যাত্ৰীসকলক তুলি লৈ সাগৰৰ গভীৰৰ পিনে লৈ যোৱা হয় আৰু যাত্ৰীসকলে আইনাৰ মাজেৰে উপভোগ কৰে সাগৰৰ তলিৰ নানান দৃশ্য। অপাৰ্থিব সৌন্দৰ্যৰ অনুভূতিৰ লগতে জলিবয়ে ভ্ৰমণকাৰীসকলক দান কৰা ব্যৱহাৰিক একমাত্ৰ সুবিধা এইটোৱেই।

জলিবয়ৰ সাগৰ পৃষ্ঠৰ ৰং বিচিত্ৰ। এডোখৰ নীলা, এডোখৰ সেউজীয়া, এডোখৰ কজলা, এডোখৰ বেঙুনীয়া—এনেকুৱা অলেখ টুকুৰাৰ কলাজ এখনেৰে যেন সমুদ্ৰৰ ওপৰভাগ কোনোবাই সমানকৈ ঢাকি থৈ দিছে। বহু দূৰত এডাল স্পষ্ট সৰলৰেখাই ভাগ কৰি দিছে নীলিম আকাশ আৰু ৰঙীন সমুদ্ৰক। আকাশখন যেন এটা বৃহৎ নীলা বাতি,—যিটোৰে ভগবানে আমাক ঢাকি থৈ দিছে জলিবয়ৰ এই নিৰ্জন সমুদ্ৰতীৰত। সাগৰ আৰু আকাশৰ এই মহামিলনৰ, দৰ্শন প্ৰকৃতিৰ বিশালত্ব অনুভৱ কৰিব পৰা এই পৰিবেশ জলিবয়তহে সম্ভৱ। যেনিয়েই চোৱা যায় তেনিয়েই দৃষ্টি শেষ হোৱালৈকে বিচিত্ৰ বৰ্ণৰ সমুদ্ৰ আৰু দৃষ্টি শেষ হোৱাৰ পৰাই আৰম্ভ হৈছে মেঘে ফুল আঁকা নীলা বাতিটো। বিচখন ভৰি থকা মানুহৰ মাজতো এক ধৰণৰ নিঃসংগতাই মনটো আগুৰি ধৰে। মহানগৰত মানুহ নিঃসংগ,—কাৰণ তাত মানুহে সেতু নাবান্ধে, বেৰ সাজে। কিন্তু ইয়াত সেতু বান্ধিবলৈ মানুহ বাধ্য হয়—প্ৰকৃতিৰ সৈতে।

ভ্ৰমণকাৰীসকলৰ উচ্ছল আনন্দত জলিবয় বিচ এতিয়া উত্তাল হৈ পৰিছে। সাঁতোৰাৰ পোছাক লৈ অহাসকলে সাঁতোৰাত ব্যস্ত। যিসকলে সাঁতোৰ নাজানে তেওঁলোকে এনেয়ে পানীত নামিছে। মুকেশ আৰু বিজয় সাঁতোৰাত ব্যস্ত। মই সাঁতুৰিব নাজানো, গতিকে একাঠুমান পানীৰে মই খোজকাঢ়ি আছোঁ। মুকেশে মোক দেখি চিঞৰিলে—"আহা, সাঁতোৰোঁ।"

"মই সাঁতুৰিব নাজানো।"

"আহা, আমি শিকাই দিম—বিজয়ে মাতিলে।"

সমুদ্ৰৰ এই আমন্ত্ৰণ কোনে নেওচিব পাৰে ? গেঞ্জি আৰু ছাৰ্ট খুলিলো, কেমেৰা বেগটোত ঘড়ি, টকা আদি ভৰাই থৈ পেণ্ট পিন্ধিয়েই সাগৰলৈ নামি গ'লো। বিজয় আৰু মুকেশে ধৰি মোক দলৈ লৈ গ'ল আৰু সাঁতোৰ শিকালে। অলপ ভয় লাগিছিল যদিও পাৰিম যেন লাগিল। হঠাৎ যুবক এজন আহি আমাৰ ওচৰ পালে। মুকেশক ক'লে,—"চাওঁ আপুনি এৰক, মই শিকাওঁ।" এইবাৰ এই ভদ্ৰলোকে মোক আৰু গভীৰলৈ লৈ গ'ল আৰু এক বেলেগ পদ্ধতিত থিয়'ৰি আৰু প্ৰেক্টিকেল শিকালে। কিছুসময় শিকাই উঠি মানুহজনে মোক পুনৰ মুকেশৰ হাতত গতাই দিলে আৰু সাঁতুৰি বেলেগ পিনে গুচি গ'ল।

"তুমি মানুহজনক চিনি পোৱা নেকি ?" —মই মুকেশক সুধিলো।

"নাই, নাপাওঁ। মই তোমাৰ চিনাকি বুলিহে ভাবিছিলো !"

সাঁতোৰৰ অনুশীলন কৰি মোৰ ভাগৰ লাগিছিল। মই পাৰলৈ উঠি আহিলো। ইতিমধ্যে আন-আন কিছু মানুহৰো ভাগৰ লাগিছিল। সকলোৱে লগত লৈ যোৱা লাঞ্চ খোৱাত লাগিছিল। মই লাঞ্চৰ পেকেটটো হাতত লৈ বিচত ঘূৰি ফুৰি মানুহবিলাকৰ ৰেহৰূপ চাই আছোঁ। অলপ আগৰ উত্তাল উচ্ছল পৰিবেশ এতিয়া নাই। সম্ভৱতঃ মানুহবোৰে ভাগৰ লগা বাবে জিৰাইছে।

"আপুনি ফটো তুলিব জানে ?"

প্ৰশ্নটো মোৰ পিনেই আহিছিল। প্ৰশ্নকৰ্তা সেই ভদ্ৰলোক, বুকিং কাউণ্টাৰত লগ পোৱা জন।

"জানো।"

ভদ্ৰলোকে বেগ এটাৰ পৰা পেণ্টাকছ কেমেৰা এটা উলিয়ালে। নতুন কেমেৰা। বেগটোত জুম লেন্সো আছে। কেমেৰাটো মোৰ হাতত দি সুধিলে,—"এইটোৰে ফটো তুলিব পাৰিব ? আমি পানীত নামো, আপুনি ফটো দুখন তুলি দিব। মই চব ঠিক কৰি দিছোঁ।"

অলপ ওপৰত কথা কোৱাটো ভদ্ৰলোকৰ অভ্যাসত পৰিণত হৈছে যেন পাওঁ। কেমেৰাটোৰ বস্তু-বাহানি সম্পৰ্কে এনেকুৱা কথা কেইটামান সুধিলো যে মানুহজনৰ কথাৰ সুৰ মোলায়েম হৈ গ'ল।

লগৰ, মহিলাগৰাকীৰ সৈতে ভদ্ৰলোক পানীত নামিল। দুয়োৰে গাত সাঁতোৰৰ পোচাক। মহিলাগৰাকীৰ চাল-চলন আৰু বিভিন্ন ভংগিমা দেখি মোৰ ধাৰণা হ'ল—এইহাল স্বামী-স্ত্ৰী নহয়। মই দুয়োৰে ফটো তুলি দিলো। মহিলাগৰাকীয়ে যিবোৰ ভংগিমা কৰিলে তৃতীয় শ্ৰেণীৰ হিন্দী ছবিৰ খলনায়িকায়ো দেখিলে লাজ পালেহেঁতেন। জুম লেন্সখন লগাই লৈ মই যিবোৰ ফটো তুলি দিলো, সেইবোৰ চাই ভদ্ৰলোকে নিশ্চয় ভাল পাব।

দুইমান বজাত মানুহবোৰে ফেৰিত উঠিবলৈ আয়োজন কৰা যেন দেখিলো। আমিও উঠি আহিলো। প্ৰায়বোৰ মানুহকেই ক্লান্ত যেন লাগিল। এইবাৰ মই পোনে-পোনে ফেৰিৰ চাদ পালোগৈ আৰু ছাৰ্টটো খুলি চাদত শুই দিলো। ইমান সময়ে পানীত সোমাই থকা ঠাণ্ডাৰ পাছত এইবাৰ ৰ'দ আৰু ৰ'দত গৰম হৈ থকা চাদৰ উত্তাপ। ৰাণুৰ পাওঁতে মোৰ পেণ্ট সম্পূৰ্ণ শুকাই গ'ল।

প'ৰ্টব্লেয়াৰৰ মিডিল পইণ্ট নামৰ (ঠাইডোখৰ চহৰখনৰ মধ্যবিন্দু) বিজয় আৰু মুকেশ নামিল। আমি টেক্সিখন লৈ টুৰিষ্ট হোম পালোগৈ। গা-পা ধুই মা-দেউতা-ভণ্টি বজাৰলৈ গ'ল। কিবাকিবি ছুভেনিৰ কিনিব। মই নিশা সাত-চাৰে সাতমান বজাত ওলাই যাম ড. অৰুণ বৰ্মনৰ ঘৰলৈ। ৰাতিৰ সাজৰ নিমন্ত্ৰণ আছে।

ঠিক ড. বৰ্মনৰ ঘৰৰ সম্মুখতে টেক্সি ৰ'ল। মা-দেউতাহঁত বজাৰৰ পৰা পোনে-পোনে ইয়ালৈ অহাৰ কথা আছিল, কিন্তু এতিয়াও আহি পোৱা নাই। ড. আৰতি, অণিমা আৰু খুৰী ভাতত লাগিছে। মই ৰমেনৰ কোঠাত সোমাই আলোচনীৰ পাত লুটিয়ালো, কেছেটত গান শুনিলো। অণিমাই চাহ দিলে। চাহকাপ হাতত লৈ দুমহলীয়া ঘৰটোৰ ওপৰ মহলাটোৰ সম্মুখৰ বাৰান্দাত বহিলো। সমুখত বিস্তীৰ্ণ উদং পথাৰ, তাৰ সিপিনে বিমান কোঠ, দুইফালে চাপৰ-চাপৰ পাহাৰ। বৰষুণৰ সম্ভাৱনাৰে আকাশত বিজুলীৰ খেলা। বিজুলীৰ পোহৰে এডাল ৰেখা টানি দিয়ে পাহাৰৰ টিঙে-টিঙে। এইবোৰ চাই-চাই ভাবি আছোঁ—প্ৰকৃতিৰ ৰূপ উপভোগ কৰাৰ মানসিকতা নাথাকিলে আন্দামানত একো পোৱা নাযায় ; —প্ৰথম দিনাই অণিমাই কৈছিল আন্দামানৰ চাবলগীয়া ঠাইৰ কথা ওলাওঁতে। আন্দামানত আজি আমাৰ শেষ দিন। কাইলৈ ৰাতিপুৱাই আমি যামগৈ। আন্দামানৰ প্ৰায় আটাইবোৰ টুৰিষ্ট স্পট চোৱাৰ পাছত এতিয়া অণিমাৰ কথাৰ সত্যতা উপলব্ধি কৰি আছোঁ।

(৭)

আন্দামান মানেই অৰ্ধনগ্ন, আদিম অৱস্থাৰ কিছু মানুহৰ বাসস্থান আৰু অটব্য অৰণ্য,—এনে ভাব বহু মানুহৰ এতিয়াও আছে। ইয়াৰ কাৰণ হ'ল আন্দামানৰ লগত আমাৰ মূল ভূখণ্ডৰ মানুহৰ সম্পৰ্কহীনতা। অসমৰ মানুহ এই ক্ষেত্ৰত আৰু আগবঢ়া। সেয়ে অসমৰ মানুহৰ বিষয়ে বাহিৰৰ মানুহে বিশেষ নাজানে আৰু বাহিৰৰ মানুহৰ বিষয়ে যে অসমৰ মানুহে বিশেষ জানে এই কথাত বিশ্বাস নহয়।

আন্দামানৰ একমাত্ৰ চহৰ প'ৰ্টব্লেয়াৰ মূল ভূখণ্ডৰ পৰা তালৈ যোৱা মানুহেৰে ভৰ্তি। জনসংখ্যাৰ তুলনাত প'ৰ্টব্লেয়াৰত থকা চৌখিন হোটেল আৰু ছুপাৰ মাৰ্কেটৰ আধুনিকত্বই গুৱাহাটীকো লাজ দিব। তাৰ চাৰিখন আধুনিক হোটেলেই আন্তৰ্জাতিক পৰ্যটকৰ বাবে থাকিবলগীয়া সুবিধাৰে সজ্জিত। নিকোবৰ দ্বীপপুঞ্জৰ মূল চহৰ কাৰ নিকোবাৰ প'ৰ্টব্লেয়াৰৰ তুলনাত সৰু হ'লেও যথেষ্ট আধুনিক। তাৰ কিছু আদিবাসী লোক আধুনিক সভ্যতাৰ সংস্পৰ্শলৈ আহিছে যদিও আন্দামানৰ আদিবাসীসকল জংঘলৰ পৰা ওলাই আহিব খোজা নাই।

আন্দামানৰ আদিম অধিবাসীসকল দক্ষিণ-পূব এচিয়াৰ আদিমতম অধিবাসী। আন্দামান আৰু নিকোবৰত এতিয়া ছটা জনগোষ্ঠী (ট্ৰাইব) আছে—ওংগে, জাৰৱা, চেণ্টিনেলিজ, আন্দামানিজ, নিকোবৰিজ আৰু শ্বম্পেন। এই ছটা জনগোষ্ঠীৰ দুটি মংগোলয়েড আৰু বাকী চাৰিটি হ'ল নিগ্ৰোয়েড গোষ্ঠীৰ। মংগোলয়েড গোষ্ঠীৰ নিকোবৰিজ আৰু শ্বম্পেন জনগোষ্ঠীৰ মানুহবোৰৰ বসতিস্থল নিকোবৰ দ্বীপপুঞ্জৰ কাৰ নিকোবৰ আৰু গ্ৰেট নিকোবৰ। নিকোবৰিজ জনগোষ্ঠীটোৱেই জনসংখ্যাৰ দিশৰ পৰা সৰ্ববৃহৎ। প্ৰায় বাইছ হাজাৰ জনসংখ্যাৰ এই জনগোষ্ঠীটোৱে শিক্ষা-সভ্যতাৰ পোহৰেৰে আলোকিত হৈছে। এওঁলোকৰ অধিকাংশই উচ্চশিক্ষিত, কাৰ নিকোবৰৰ বিভিন্ন অফিছ-কাৰ্যালয়ত কৰ্মৰত। মেইনলেণ্ডলৈ আহি মেডিকেল, ইঞ্জিনিয়াৰিং পঢ়া নিকোবৰি যুৱকো আছে। নাওবোৱা খেলত ভাৰতক প্ৰতিনিধিত্ব কৰা খেলুৱৈও নিকোবৰি সমাজে আগ বঢ়াইছে। সাগৰৰ বুকুত জন্ম লোৱা আৰু ডাঙৰ-দীঘল হোৱা এই নিকোবৰিজসকলৰ নাও চালনাৰ সহজাত দক্ষতাক উপযুক্ত প্ৰশিক্ষণেৰে শিক্ষিত কৰিবলৈ স্প'ৰ্টছ অথৰিটি অব ইণ্ডিয়াই ভালেমান আঁচনি লৈছে। তাৰে অংশ হিচাপে প'ৰ্টব্লেয়াৰৰ ওচৰত স্থাপন কৰা হৈছে স্প'ৰ্টছ হোষ্টেল আৰু অনুশীলনস্থলী। গ্ৰেট নিকোবৰত বাস কৰা শ্বম্পেনসকলৰ জনসংখ্যা দুশৰ অধিক। শ্বম্পেনসকলৰ লগতো যোগাযোগৰ চেষ্টা অব্যাহত আছে আৰু ভালেখিনি সফলো হৈছে।

কিন্তু আন্দামানত বাস কৰা নিগ্ৰোয়েড গোষ্ঠীৰ চাৰিওটি জনগোষ্ঠীৰ মানুহ মংগোলয়ডসকলৰ পৰা নানা ধৰণে পৃথক। লিটিল আন্দামানৰ ডুগং ক্ৰিক আৰু চাউথ ক্ৰিক অঞ্চলত বাস কৰা ওংগেসকল সংখ্যাত প্ৰায় এশমান। উত্তৰ চেণ্টিনেল দ্বীপত বাস কৰা চেণ্টিনেলীসকলৰ জনসংখ্যা পঞ্চাছজনমানহে মাত্ৰ। বাহিৰৰ পৰা যোৱা মানুহৰ লগত সম্পৰ্কস্থাপনত এওঁলোকৰ আগ্ৰহ নাই। গ্ৰেট আন্দামানৰ ষ্ট্ৰেইট দ্বীপৰ অধিবাসী আন্দামানী উপজাতিৰ জনসংখ্যা ত্ৰিছজনমান মাত্ৰ। দক্ষিণ আন্দামানৰ পশ্চিম অংশত থকা জাৰোৱাসকলৰ সংখ্যা দুশমান আৰু এই জাৰোৱাসকল অতি হিংস্ৰ প্ৰকৃতিৰ।

এই বিভিন্ন উপজাতিসকলক আজিৰ সভ্য জগতৰ সৈতে চিনাকি কৰি দিবলৈ বহু নৃতাত্ত্বিক কৰ্মীয়ে বছৰৰ পাছত বছৰ ধৰি চেষ্টা কৰি আহিছে। মংগোলয়েড গোষ্ঠীৰ নিকোবৰিজ উপজাতিক সোনকালেই আধুনিক জীৱনৰ সোৱাদ দিয়া হ'ল। শ্বম্পেনসকলৰ আচৰণো যথেষ্ট বন্ধুভাৱাপন্ন।

কিন্তু নিগ্ৰোয়েড গোষ্ঠীৰ উপজাতিবোৰৰ ক্ষেত্ৰতহে নৃতাত্ত্বিকসকল সফল হ'ব পৰা নাই। তথাপিতো ওংগে আৰু নিকোবৰিজসকলৰ লগত যোগাযোগ কিছু সম্ভৱ হৈ উঠিছে। ওংগেসকলক চিকিৎসা সামগ্ৰীও দিয়া হৈছে।

জাৰোৱাসকলৰ হিংস্ৰ আৰু চেন্টিনেলিজসকলৰ লাজকুৰীয়া প্ৰৱণতাৰ বাবেই সভ্যতাৰ আদি স্তৰত এতিয়াও বাস কৰা এই দুই বিৰল প্ৰজাতিৰ মাজলৈ আধুনিক সভ্যতাৰ বাৰ্তা কঢ়িয়াই নিব পৰা হোৱা নাই। এই সংযোগহীনতা, কৌতূহল আৰু ৰহস্যময়তাৰ বাবেই জাৰোৱা আৰু চেন্টিনেলিজসকলৰ বিষয়ে নানান কাল্পনিক কাহিনী বাহিৰত প্ৰচাৰ হৈ আছে।

এবাৰ প্ৰান্তিকৰ সহকাৰী সম্পাদক ইমৰান হুছেইনে 'দেশ' পত্ৰিকাত প্ৰকাশিত প্ৰবন্ধ এটাৰ লগত ছপা হোৱা জাৰোৱা সম্প্ৰদায়ৰ মানুহ এজনৰ ফটো দেখুৱাই মোক সুধিছিল—এই জাৰোৱা মানুহ আপুনি দেখিছিলনে?

মই দেখা নাছিলো। ফটোখন চালো, কাষতে ছপোৱা আছে 'আলোকচিত্ৰ ঃ লেখক'। ফটোৰ ৰহস্য মই বুজি পালো, কিন্তু সন্দেহ দূৰ কৰাৰ বাবে প্ৰবন্ধটো পঢ়ি চালো। তাত স্পষ্টকৈ লেখা আছে—প্ৰবন্ধকাৰে জাৰোৱা জনগোষ্ঠীৰ মানুহ দেখা নাই।

তেন্তে ফটোখন তুলিলে কেনেকৈ?

জাৰোৱা, চেন্টিনেলি, আন্দামানিজ আদি জনগোষ্ঠীৰ কিছু মানুহৰ ছবি প'ৰ্টব্লেয়াৰৰ ষ্টুডিঅ'বোৰত কিনিবলৈ পোৱা যায়। ভ্ৰমণকাৰীসকলে সেই ফটো কিনি আনে। কোনোবাই সেই ফটো নিজৰ নামতো প্ৰকাশ কৰে।

জাৰোৱাসকলে জনসমাবেশ বেয়া পায় বাবেই তেওঁলোকে গভীৰ অৰণ্যত বাস কৰে। এই অৰণ্যৰ ওচৰতেই কদমতলা নামৰ ঠাইডোখৰত বসতি স্থাপন কৰিছে পূব বংগৰ পৰা ভগনীয়া হৈ যোৱা কিছু ছিন্নমূল মানুহে। (জি. অৰবিন্দনৰ শেষ ছবি বাস্তুহাৰাত এই ভগনীয়াসকলৰ কৰুণ কাহিনীয়ে কিছু অংশ অধিকাৰ কৰিছে।) মাজে-সময়ে এই মানুহবোৰ হিংস্ৰ জাৰোৱাসকলৰ আক্ৰমণৰ লক্ষ্যও হ'বলগীয়া হয়।

এই কদমতলাৰ মানুহে এবাৰ তিনিজন জাৰোৱাক বন্দী কৰিলে। তিনিওজনকে প'ৰ্টব্লেয়াৰলৈ লৈ অহা হ'ল। আন্দামানৰ এই জনজাতিসকলৰ বিষয়ে গৱেষণা কৰা আৰু সম্বন্ধ স্থাপন কৰিব খোজা নৃতাত্বিকসকলৰ বাবে এই তিনিজন জাৰোৱাই এক নতুন পথৰ সন্ধান দিলে। নৃতাত্বিকসকলে লক্ষ্য কৰিলে যে জনসমাবেশত তেওঁলোকে হিংস্ৰতা প্ৰদৰ্শন কৰা নাছিল। বৰং নাৰী আৰু শিশুৰ দৰ্শন তেওঁলোকে আনন্দেৰে উপভোগ কৰিছিল। জিপত উঠাই ঘূৰাই ফুৰাওঁতে অথবা পাৰ্কৰ মাজত ঘূৰাই ফুৰাওঁতে তেওঁলোকে আনন্দ প্ৰকাশ কৰিছিল। প্ৰকৃতিৰ মাজতেই সমগ্ৰ জীৱনত অতিবাহিত কৰা এওঁলোকে চাৰিওফালে বাহিৰ ওলাবলৈ পাই নিজৰ সেই চিনাকি পৰিবেশৰ কথা মনত পেলাব পাৰিছিল। তেওঁলোকক বিভিন্ন খাদ্য বিভিন্ন ধৰণে প্ৰস্তুত কৰি খাবলৈ দিয়া হৈছিল যদিও তেওঁলোকে কেৱল সিজোৱা কুকুৰা, মাছ আৰু ভাতহে খাবলৈ পচন্দ কৰিছিল। ফলজাতীয় খাদ্যৰ ভিতৰত তেওঁলোকৰ পচন্দ আছিল কেৱল কল আৰু নাৰিকল। এমাহৰ পাছত তিনিওজন জাৰোৱাক তেওঁলোকৰ নিজৰ ঠাইত থৈ অহা হ'ল। লগত দিয়া হ'ল কিছু উপহাৰ সামগ্ৰী। ইয়াৰ পাছতো তেওঁলোকলৈ উপহাৰ পঠোৱা কাৰ্য অব্যাহত ৰখা হ'ল। গৱেষক নৃতাত্বিকৰ দলটোৱে জাৰোৱাসকলৰ পৰা বন্ধুত্বপূৰ্ণ আচৰণৰ দুই এটা ইংগিতো পাবলৈ ধৰিলে। আৰু অৱশেষত ২৪ বছৰৰ নিৰলস প্ৰচেষ্টাৰ অন্তত নৃতত্ত্ববিদ টি. এন. পণ্ডিতে জাৰোৱাসকলৰ মাজলৈ গৈ বন্ধুত্ব পাতিবলৈ সক্ষম হ'ল। 'ষ্টোন এজ'ৰ বৈশিষ্ট্য বহন কৰি এই কুৰি শতিকাৰ শেষভাগতো বৰ্তি থকা এই মানুহৰ লগত সম্পৰ্ক স্থাপন কৰা কাৰ্যৰ উত্তেজনা অনুভৱ কৰা সকলোৰে পক্ষে সম্ভৱ নহ'বও পাৰে।

চেন্টিনেলিজসকলক স্থানীয়ভাৱে 'পাঠান জাৰোৱা' বুলিয়েই জনা যায়। উনবিংশ শতিকাতেই বৃটিছ আৰু ভাৰতীয় কিছু বিষয়াই এই চেন্টিনেলিজসকলৰ লগত বন্ধুত্ব স্থাপন কৰিব খুজিছিল যদিও সফল হ'ব পৰা নাছিল। চেন্টিনেলিজসকল শত্ৰুভাৱাপন্ন বা হিংস্ৰ নাছিল যদিও মিত্ৰতাৰ প্ৰতিও আগ্ৰহী নাছিল।

বিভিন্ন উপহাৰেৰে এই মানুহসকলক আকৰ্ষণ কৰাৰ প্ৰচেষ্টা বহুদিনলৈ সফল হোৱা নাছিল। জাহাজ ৰাখি আৰক্ষী পৰিবেষ্টিত নৃতত্ত্ববিদৰ দলে সাগৰতীৰত ভৰি দিয়াৰ লগে লগেই চেন্টিনেলিজসকলে নিজৰ জ্ পুৰী এৰি অৰণ্যৰ ভিতৰলৈ পলাই গৈছিল। উপহাৰ সামগ্ৰীবোৰ তাত এৰি থৈ নৃতাত্বিকৰ দলটো আহি জাহাজত উঠিছিল আৰু তাৰ পৰাই লক্ষ্য কৰিছিল চেন্টিনেলিজসকলৰ প্ৰতিক্ৰিয়া। এৰি থৈ অহা উপহাৰবোৰৰ মাজৰ পৰা ৰঙা ৰঙৰ প্লাষ্টিকৰ বাল্টি আৰু কটাৰীহে তেওঁলোকে গ্ৰহণ কৰিছিল। জীৱন্ত গাহৰি, ৰঙা কাপোৰ, এলুমিনিয়ামৰ বাচন—এইবোৰ তেওঁলোকে পচন্দ কৰা নাছিল। আৰু পচন্দ কৰা নাছিল নিৰ্জন দ্বীপত অচিন আলহীৰ পদক্ষেপ। ধনুকাঁড় লৈ খঙৰ মূৰ্তিমান প্ৰতীক হিচাপে থিয় দিয়া জনজাতীয় লোক কেইজনে জাহাজত আশ্ৰয় লোৱা মানুহবোৰৰ পিনে খঙেৰে চাই আছিল। আনকি জাহাজৰ পিনে কাঁড়ো মাৰি পঠিয়াইছিল। নৃতাত্বিকৰ দলটোৱে লগত দুজন ওংগে জনজাতিৰ লোকক লৈ গৈছিল—চেন্টিনেলিজসকলৰ লগত যোগাযোগৰ কিবা সহায় হ'ব পাৰে বুলি। কিন্তু আটাইতকৈ বেছি ভয় খাইছিল সিহঁত দুজনেহে।

এই যাত্ৰা অসফল হ'লেও, নৃতাত্বিকৰ দলটোৱে আশা এৰি দিয়া নাছিল। পাঁচৰ যাত্ৰাবোৰত মানুহে গৈ তেওঁলোকৰ মাটিত ভৰি দিয়া নাছিল যদিও নাৱৰ পৰাই উপহাৰ বি বন্ধুত্ব পতাৰ চেষ্টা চলাইছিল। বন্ধুত্ব গঢ়ি উঠা নাছিল, কিন্তু আক্ৰমণো কৰা নাছিল আৰু এক সম্ভাৱনাৰ ইংগিত দিছিল নাৱৰ পৰা দলিয়াই দিয়া নাৰিকলবোৰ আনন্দমনেৰে সংগ্ৰহ কৰি। এয়া আছিল ১৯৭৪ চনৰ কথা। বন্ধুত্ব পতাৰ এই চেষ্টা অব্যাহতভাৱে চলাই থকাৰ ফল হিচাপে ১৯৮৮ চনত চেন্টিনেলিজ দুজনমান আহি নৃতাত্বিক দলটোৰ দহগজমান আঁতৰত-থিয় হৈছিল আৰু দলিয়াই দিয়া উপহাৰ গ্ৰহণ কৰিছিল হাঁহি মুখেৰে।

আৰু অৱশেষত ১৯৯১ চনৰ চাৰি জানুৱাৰি তাৰিখে—হৃদয়ৰ পৰা হৃদয়লৈ বান্ধিব খোজা সেতুখনৰ সফল শুভাৰম্ভ হয়। নৃতাত্বিক দলটোৰ নাৱৰ ওচৰলৈ আগবাঢ়ি আহিল ছজন চেন্টিনেলি আৰু তাৰে এজনে মি. এচ. এ আৱাৰাদিৰ (ডিৰেক্টৰ, ট্ৰাইবেল ৱেলফেয়াৰ, আন্দামান আৰু নিকোবৰ এডমিনিষ্ট্ৰেচন) হাতৰ পৰা পোনপটীয়াকৈ এটা উপহাৰ গ্ৰহণ কৰিলে। নৃতাত্বিক দলটোৰ বাবে সাফল্যৰ এটি স্মৰণীয় আৰু ঐতিহাসিক মুহূৰ্ত।

ইয়াৰ পাছতো এই যাত্ৰা চলিয়েই থাকিল আৰু বন্ধুত্বৰ ভাব ক্ৰমাগত বৃদ্ধি পাবলৈ ধৰিলে। 'এতিয়া এই বন্ধুত্ব আৰু গাঢ় কৰাৰ সময়। কিন্তু এইখিনিতে প্ৰশ্নৰ উদয় হয়—ইয়াৰ পৰা আমি কিমান দূৰলৈ যাম? এই প্ৰশ্নৰ উত্তৰ সৰল বা সহজ নহয়'—উদ্ধৃতি কমাৰ ভিতৰৰ এই কথাখিনি টি. এন. পণ্ডিতৰ। শ্ৰীপণ্ডিতে পুনৰ লেখিছে—'জাৰোৱা আৰু চেন্টিনেলিজসকল আজিৰ বিশ্বৰ আটাইতকৈ বিচ্ছিন্ন (Isolated) জাতি বুলি সকলোৱে মানি লৈছে। এওঁলোকৰ চিকাৰ আৰু খাদ্য সংগ্ৰহৰ ধৰণে এই গ্ৰহটোৰ অতীত জীৱনৰ কথা মনত পেলাই দিয়ে—প্ৰায় কমেও দহ হাজাৰ বছৰ আগৰ কথা—সেই প্ৰাচীন প্ৰস্তৰ যুগৰ (Old Stone Age) কথা—যেতিয়া কৃষি আৰু পোহনীয়া জন্তুৰ ব্যৱহাৰৰ উদ্ভাৱনেই হোৱা নাছিল। কিন্তু একেলগেই তেওঁলোকৰ সংস্কৃতিত এনেকুৱা কিছুমান উপাদান আছিল যিবোৰক আমি সভ্যতাৰ প্ৰমাণ বুলি আখ্যা দি আনন্দ উপভোগ কৰোঁ। প্ৰকৃতিৰ লগত তেওঁলোকৰ আত্মীয়তা, নিম্নতম সামগ্ৰীৰ সহযোগতেই সুখেৰে জীয়াই থাকিব পৰা সামৰ্থ্য, সামাজিক আৰু নৈতিক আচৰণ বিধি, ব্যক্তি স্বাধীনতাৰ সৰ্বোচ্চ সন্মান আৰু দুখ বা আনন্দক সমানে ভাগ কৰি লব পৰা ক্ষমতা—এইবোৰ উপাদানৰ কথাকেই মই উল্লেখ কৰিব খুজিছোঁ। কিন্তু এইবোৰ গুণৰ সলনি আমি তেওঁলোকক বিচাৰ কৰিব খোজোঁ বস্ত্ৰহীনতা, দৈহিক অৱয়ব আৰু আৰণ্যক জীৱনৰ দৰে কিছুমান গুৰুত্বহীন বিষয়ৰ দ্বাৰা আৰু এই তথাকথিত বিচাৰৰ শেষত আমি পূৰ্বনিৰ্ধাৰিত অযুক্তিকৰ আৰু বিচাৰহীন সিদ্ধান্ত এটাত উপনীত হওঁ।'

আন্দামানৰ এই অধিবাসীসকলৰ সংখ্যা আজি দ্ৰুতগতিত হ্ৰাস পাই আহিছে। এই অৱস্থাৰ পৰা এই লোকসকলক ৰক্ষা কৰাৰ বাবে আবেদন জনাই শ্ৰীপণ্ডিতে পুনৰ লিখিছে—'নিশ্চিহ্ন হৈ যোৱাৰ পৰা আমি তেওঁলোকক ৰক্ষা কৰিবই লাগিব। সংখ্যাত তেওঁলোক যিমানেই কম নহওক কিয়, তেওঁলোকে এই দ্বীপমালাৰ গাম্ভীৰ্য, মহত্ব আৰু সৌন্দৰ্য বৃদ্ধি কৰিছে আৰু তেওঁলোক হ'ল আমাৰ প্ৰাচীন অতীতৰ সৈতে তেজ-মাংসৰ সংযোগ। তেওঁলোকক আমি ৰক্ষা কৰিব লাগে আমাৰ ঐতিহ্য আৰু পৰম্পৰাৰ এটি মহামূল্যবান জীৱন্ত অংগ হিচাপে।'



নীলা, সেউজীয়া, কজলা, বেঙুনীয়া ৰঙৰ এখন মসৃণ কলাজ ডিজাইনৰ কাগজৰ ওপৰত পৰি থকা পান্না ৰত্নৰ টুকুৰাৰ দৰে তিনিশ (সৰুবোৰ ধৰিলে প্ৰায় পাঁচশ) দ্বীপেৰে গঠিত এই আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জৰ দৈৰ্ঘ্য প্ৰায় ৭২৫ কিল'মিটাৰ। প্ৰকৃতিৰ কুমাৰীত্ব ৰক্ষা কৰি আজিও অলেখ সৰু-সৰু দ্বীপ নিঃসংগভাৱে থিয় হৈ আছে যিবোৰক আধুনিক সভ্যতাৰ পৰশে কলুষিত কৰি তোলা নাই।

এই দ্বীপপুঞ্জক মানুহে কেতিয়া আবিষ্কাৰ কৰিছিল বাৰু? দহ হাজাৰ বছৰ আগৰ মানুহৰ অস্তিত্বই হয়তো দ্বীপপুঞ্জৰ প্ৰাচীনত্বৰ সাক্ষ্য দান কৰিব, কিন্তু অইন ভূখণ্ডৰ মানুহে এই দ্বীপৰ অৱস্থিতি কেতিয়াৰ পৰা গম পাবলৈ আৰম্ভ কৰে? ইয়াক কোনে আবিষ্কাৰ কৰে? এই প্ৰশ্ন আজিও উত্তৰহীন। কিন্তু এই দ্বীপপুঞ্জৰ বিষয়ে উল্লেখ থকা প্ৰাচীনতম নথি হ'ল দ্বিতীয় শতিকাৰ এগৰাকী ৰোমান ভূগোলবিদে অঁকা পৃথিৱীৰ মেপ এখন। এই মেপখনত আন্দামানক বিভূষিত কৰা হৈছিল 'সৌভাগ্যৰ দ্বীপ' বুলি। 'আন্দামান' নামটোৰ প্ৰচলন হোৱাৰ সময় সপ্তম শতিকা বুলি অনুমান কৰা হৈছে। সপ্তম শতিকাৰ বৌদ্ধ পণ্ডিত আই ছিঙে এই দ্বীপমালাক 'আন্দামান' বুলি উল্লেখ কৰিছিল। তাৰ আগতে এই নামৰ ব্যৱহাৰৰ কোনো নথিপত্ৰ বা প্ৰমাণ এতিয়াও আবিষ্কৃত হোৱা নাই। পোন্ধৰ শতিকাৰ ইটালিয়ান ভ্ৰমণকাৰী নিকোলা কণ্ট্ৰিয়ে আন্দামানক 'সোণৰ দ্বীপ' আখ্যাৰে বিভূষিত কৰিছিল। এই বিশেষণবোৰৰ প্ৰয়োগৰ নেপথ্যত কি কাৰণ আছিল তাক জানিব পৰাকৈ কোনো নথিপত্ৰ আবিষ্কৃত হোৱা নাই। ভাৰতীয় কিম্বদন্তী মতে ৰামায়ণৰ বীৰ হনুমানৰ নামেৰেই এই দ্বীপৰ নাম 'আন্দামান' হয় বুলি কোনো কোনোৱেও ক'ব খোজে।


আধুনিক ইতিহাসৰ মতে আধুনিক আন্দামানৰ আৰম্ভণি হয় ১৭৮৮ চনত। সেই সময়ৰ বৃটিছ গভৰ্নৰ জেনেৰেল লৰ্ড কৰ্নৱালিচৰ পৰিকল্পনাত লেফটেনেণ্ট ক'লেব্ৰুক আৰু লেফটেনেণ্ট আৰকিবলেড ব্লেয়াৰ নামৰ দুই বিষয়াই আন্দামান-নিকোবৰৰ চাৰ্ভে আৰম্ভ কৰে। তাৰ পাছত পোৰ্ট কৰ্নৱালিচ নামৰ বন্দৰ এটি নিৰ্মাণৰ কাম আৰম্ভ হয়। বন্দৰৰ গাতে লাগি সৰু চহৰ এখনো গঢ় লৈ উঠে—লাহে-লাহে চহৰখন বহল হৈ আহি শেষত নাম লয় 'প'ৰ্টব্লেয়াৰ'। আৰু বন্দৰটোক কোৱা হয়গৈ 'অ'ল্ড হাৰবাৰ।'

দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত আন্দামান আৰু নিকোবৰ জাপানীসকলৰ হাতলৈ যায়। সেই সময়তে সাগৰ মুৱাকৈ থকা পাহাৰবিলাকত চিমেণ্টেৰে সজা বাংকাৰ এতিয়াও দেখিবলৈ পোৱা যায়। ১৯৪৫ চনত জাপানীসকলে এই দ্বীপ এৰি দিয়ে। স্বাধীনতাৰ পাছত এই দ্বীপ ভাৰতৰ অধীনলৈ আহে।

আন্দামানলৈ যিমান টুৰিষ্ট যোৱা দেখিছোঁ—যিমান বিদেশী টুৰিষ্টৰ সমাগম দেখিছোঁ, বিলাসী হোটেলবোৰৰ কায়দা দেখিছোঁ তাৰ পৰা সহজেই অনুমান কৰিব পাৰি অকল টুৰিজিম ব্যৱসায়ৰ দ্বাৰাই আন্দামানৰ অৰ্থনৈতিক চেহেৰা ৰাতিটোৰ ভিতৰতে সলনি কৰি দিব পৰা গ'লহেঁতেন। ইয়াৰ বাবে প্ৰয়োজন হ'ব আৰু কেইখনমান জাহাজ, যাৰ চলাচল হ'ব নিয়মীয়া, যাৰ টিকট পোৱাৰ ব্যৱস্থা হ'ব সহজ, আৰু উৰাজাহাজৰ দৈনিক ব্যৱস্থা।

আন্দামানৰ মানুহখিনিক মূল ভূখণ্ডৰ পৰা বিচ্ছিন্ন কৰি ৰাখিছে যোগাযোগৰ অসুচল আৰু ব্যয়বহুল ব্যৱস্থাই। এই মানুহখিনিক মূল সুঁতিৰ পৰা আঁতৰি নোযোৱাকৈ ৰাখিবৰ বাবে কল্যাণকামী ৰাষ্ট্ৰৰ চৰিত্ৰৰে বিমান আৰু জাহাজৰ ভাড়া কমাই দিয়াৰ দৰে ব্যৱস্থা লোৱাটো অতি জৰুৰী।

প'ৰ্টব্লেয়াৰত এটি 'ফ্ৰি প'ৰ্ট' স্থাপন কৰাৰ পৰিকল্পনা চলি আছে। ফ্ৰি প'ৰ্টৰ আকৰ্ষণে প'ৰ্টব্লেয়াৰলৈ অলেখ মানুহ টানি আনিব, আন্দামানৰ বতাহত বিয়পিব নতুন নোটৰ গোন্ধ। বাণিজ্যিক সভ্যতাই আন্দামানৰ পৰা খেদি পঠিয়াব শান্ত প্ৰকৃতিৰ ৰূপ-গোন্ধ-বৰ্ণ আৰু স্পৰ্শৰ অতিন্দ্ৰীয় অনুভূতি। (শেষ)





# মই বুঢ়া হ'লোঁ

হিৰণ্য কাশ্যপ

অংকন : নবীন বৰুৱা

চাকৰিৰ পৰা অৱসৰ লবৰ বাবে যে এটা নির্দিষ্ট বয়সৰ সীমা বান্ধি থোৱা থাকে, সেইটো কথা এই মুহূর্তত মোৰ বৰ অর্থহীন যেন লাগিছে। মই যে কাইলৈ ৰিটায়াৰ কৰিব লাগিব,—কিয় ? মইতো কালিলৈকে পঁচিছ বছৰৰ আগতে যেনেদৰে কাম কৰিছিলো, তেনেদৰেই কৰি আছিলো। পঁচিছ বছৰৰ আগতে নাইট শ্বিফটৰ ডিউটিত যেনেকৈ মোৰ চকুৰ পতা মুদ খোৱা নাছিল, কালিও খোৱা নাছিল। পঁচিছ বছৰৰ আগতে মই ঘৰৰ ভিতৰত মৰা হাঁহি যদি ওচৰৰ পাঁচ-ছঘৰ মানুহে শুনিছিল, এতিয়া পঁচিছ বছৰৰ পাছতো মই মৰা হাঁহি ওচৰৰ মানুহে শুনে। আজি এমাহৰ আগতে তেজপুৰৰ ভাগিনজনীৰ বিয়ালৈ গৈ ডেকা-ডেকা ল'ৰাকেইটাৰ লগত ওৰে ৰাতি ফূর্তি কৰি ৰামি খেলি থাকোঁতেতো সিহঁতৰ এটায়ো এক মুহূর্তও ভাবিব পৰা নাছিল যে মই আৰু এমাহৰ পাছত ৰিটায়াৰ কৰিম। কামৰ মাজত মইতো কেতিয়াও কঁকালত হাত দি এক মুহূর্তও কঁকাল পোনোৱা নাই। পঞ্চাছটা ষ্টেপ উঠাৰ পাছত বা ইফালে-সিফালে দৌৰি-ঢাপলি ফুৰাৰ পাছত কেতিয়াওতো মোৰ হাত দুখনে ভৰিৰ আঁঠুকেইটা, কলাফুলকেইটা মোহৰা নাই। মোতকৈ পাঁচ বছৰৰ জুনিয়ৰ ৰহমানৰ দৰে মইতো মাহেকৰ মূৰে-মূৰে ই. ছি. জি. কৰিবলগীয়া হোৱা নাই। আঠ বছৰৰ জুনিয়ৰ শইকীয়াৰ দৰে মইতো নেফাফুৰ গছ বিচাৰি ফুৰিবলগীয়া হোৱা নাই। মায়'পিয়া-বায়'পিয়াৰ লগততো মোৰ আজিলৈকে সম্বন্ধ হোৱা নাই। তেনেস্থলত মই কিয় ৰিটায়াৰ কৰিব লাগে ? হ'লেই যেনিবা মোৰ আঠাৱন্ন বছৰ।

পিছে এইবোৰ কথা কোনেও বাছ-বিচাৰ কৰি নাচায়। মিটিং এখন পাতি, এইচ. এম. টি. কোৱার্টজ ঘড়ি এটাৰ পিছফালে 'প্ৰেজেণ্টেড টু মি. চন্দন বৰুৱা ফৰ টুৱেনটি ফাইভ ইয়েৰছ অৱ গ্ল'ৰিয়াছ ছার্ভিছ টু দা কম্পেনি' বুলি খোদাই কৰি, মোক তাকে দি বিদায় দিব ; —তোমাৰ এতিয়া কাম কৰাৰ ক্ষমতা নাই ; —ঘড়িৰ সময় চাই-চাই ঘৰতে শুই-বহি দিন কটোৱাগৈ ! হুঃ !

নিয়ম যেতিয়া উপায়ো নাই। কৰিব লাগিব ৰিটায়াৰ। মনটো বেয়া লাগিলেও, আন বহুত মানুহৰ দৰে তাৰ কাৰণে বেলেগে চিন্তা কৰিব লগীয়া কথা অৱশ্যে বিশেষ মোৰ একো নাই। গুৱাহাটীৰ গান্ধীবস্তিত দুকঠা মাটিত পাঁচ কোঠালিৰ ঘৰ এটা মই সজালোৱেই। ছোৱালীজনীক বিয়া দিব লাগে। হ'ব,—ৰিটায়াৰ কৰাৰ পাছত পাবলগীয়া টকাখিনিৰেই হৈ যাব। ল'ৰাটোক লৈ অলপ চিন্তা আছে ; —সি দুবাৰ বি. কম দিও পাছ কৰিব পৰা নাই। তাক অট'ৰিক্সা এখনকে লৈ দিয়াৰ কথা ভাবিছোঁ। তাৰ নিজা জেপখৰচটো ওলাই থাকিলেও বহুত হ'ব। হৈ থাকিব,—এইবিলাক কথা চিন্তা কৰি মূৰ ঘমাই থাকিলে অশান্তিহে। চিন্তাই নকৰোঁ। হৈ থাকিব। ঠিকেই হ'ব।

এতিয়া মোৰ চিন্তা মোৰ নিজৰ এনগেজমেণ্টটোকলৈহে। ৰাতিপুৱাৰ পৰা ৰাতিলৈকে প্ৰত্যেকটো মুহূর্ত ব্যস্ততাত কটোৱা মানুহটোৱে হঠাৎ এতিয়া একো নকৰাকৈ সময় কটোৱাটো একেবাৰেই সম্ভৱ নহয়। নিজাকৈ বিজিনেছ কৰিবলৈ মোৰ সামর্থ্য নাই ; —থকা হ'লে গাড়ী ৰিপেয়াৰিঙৰ ৱৰ্কশ্বপ এটাকে খুলিলোহেঁতেন। বম্বে, দিল্লীৰ পৰা সস্তাত গাড়ী কিনি আনি, একেবাৰে নতুনকৈ বনাই বিক্ৰি কৰাৰ বিজিনেছটো কৰিম বুলি মই আচলতে বহু বছৰ আগৰ পৰাই চিন্তা কৰি আছিলো। পিছে এতিয়া সেইটো বাদ দিছোঁ। কেপিটেল ইনভেষ্টমেণ্ট বহুত বেছি হ'ব ; —মই নোৱাৰিম। টকা ঘটি এতিয়া লাখপতি-কোটিপতি হোৱাৰ এম্বিশ্যন মোৰ নাই। মোক ছিম্পলি এটা এনগেজমেণ্ট লাগে। মাহেকত এহেজাৰ টকা আহিলেও হ'ব ; —মাত্ৰ ব্যস্ত থাকিব লাগে।

লগে-লগেই অৱশ্যে মই একেবাৰে বেকাৰ হৈ নাযাওঁ। এসপ্তাহ পাছতে মই শিৱসাগৰলৈ যাম। ওচৰৰে চিনাকি মানুহ এজনে,—ডেকা মানুহ,—তেওঁ নতুনকৈ ফিয়েট এখন লৈছে,—তেওঁক আৰু তেওঁৰ পৰিয়ালটোক শিৱসাগৰলৈ নিব লাগে। মানুহজনে নিজে গাড়ী চলাব নজনা নহয়,—জানে—পিছে তেওঁৰ সাহসটো বৰ কম। দূৰত ট্ৰাক এখন অহা দেখিলেই ছাইড কৰি গাড়ী ৰখাই দিয়ে ; —ট্ৰাকে ক্ৰছ কৰি যোৱাৰ পাছতহে আকৌ চলায়। গতিকে মই গাড়ী চলাই যাম। দহ, বাৰ ঘণ্টা—এট এ ষ্ট্ৰে'ছ—গাড়ী চলাই গ'লেও মোৰ কোনো অসুবিধা নহয়। অকণো ভাগৰ নালাগে। গুৱাহাটীৰ পৰা শিৱসাগৰলৈকে মই নিজে গাড়ী চলাই গৈছোঁ। সেইখিনি দূৰত্ব মোৰ কাৰণে একো দূৰত্বই নহয়। আজি চাৰি বছৰমান মই অৱশ্যে তেনেকৈ গাড়ী চলোৱা নাই,—নিজৰখন বিক্ৰি কৰাৰ পাছৰ পৰা। শিৱসাগৰত দেউতাই বহুত দিন আগতেই কিনি থোৱা মাটি এটুকুৰা আছে ; —দুবিঘা-মান হ'ব ; —সেইখিনি পৈতৃক সম্পত্তি হিচাপে মোৰ ভাগতে পৰিছে। সেইখিনিৰো বহুত দিন ধৰি একো খবৰেই কৰা নাই। কি বা হৈ আছে—এইটো সুযোগতে গৈ মণ্ডলক লগত লৈ বাউণ্ডেৰিটো ঠিক কৰি আহিব পৰা যাব।

গতিকে মই,—ৰিটায়াৰড অট'ম'বাইল ইঞ্জিনিয়াৰ চন্দন বৰুৱাই—কাষত চল্লিছ বছৰীয়া গাড়ীৰ মালিক আৰু পিছৰ ছিটত তেওঁৰ পৰিয়ালবৰ্গক লৈ শিৱসাগৰ অভিমুখে গাড়ী চলালো। নতুন গাড়ী ; —এইটি, নাইনটি কিল'মিটাৰৰ তলত চলাব লগীয়া নহ'লেই। ভাল লাগিল।

শিৱসাগৰত মাটিৰ কামখিনি কৰিবলৈ মোক বেছিদিন নালাগিল। প্ৰথম লগ পায়েই মই মণ্ডলৰ নার্ভ পাই গ'লো। ৰাতি আশী টকীয়া মদৰ বটল লৈ তেওঁৰ ঘৰ ওলালোগৈ। তাতে তেওঁৰ লগত বহি দুটা পেগ খালো। বাকীখিনি মণ্ডলে পানী খোৱাদি খাই দোৰোল দিয়া জিভাৰে মোক ক'লে,—"চিন্তা নকৰিব বৰুৱা, কাইলৈ হৈ যাব আপোনাৰ কাম। ড'ণ্ট ৱ'ৰি। হাকিম হাৰামী মানুহ। তাৰ ওচৰলৈ আপুনি যাব নালাগে। মই চম্ভালি লম। হৈ যাব।"

হৈ গ'ল। একেদিনাই নহ'লেও দুদিনত হ'ল। শিৱসাগৰত থকা মোৰ স্কুলীয়া দিনৰ বন্ধু এটা কথাটোত আচৰিত হ'ল। সি দুমাহ যুঁজি মণ্ডলৰ পৰা এখন কাগজ উলিয়াব নোৱাৰি ঘৰ সজাৰ প্লেনকে সদ্যহতে বাদ দি থলে বোলে। তাক বুদ্ধিটো শিকাই দিলো,—কিছুমান মানুহক টকাৰে কিনাতকৈ মদেৰে কিনাৰ। সেইটো বেছি উজু উপায়।

কাম হৈ যোৱাৰ পাছত শিৱসাগৰতে দুদিনমান এনেয়ে থাকি যোৱাৰ কথা ভাবিলো। ঘূৰি গৈনো কি কৰিম ? আজিকালিৰ দিনত মানুহৰ ঘৰত আলহী খাই থকাটো ভাল কথা নহয়,—জানো,—পিছে মই ইয়াত থাকিলে কোনেও বেয়া পাব নালাগে। মোৰ দুয়োটা ভাই ইয়াতেই থাকে। আমাৰ পুৰণা ঘৰটোতে। ককায়েকক আদৰ কৰি ৰাখিব পৰাকৈ দুয়োটা ভাইৰেই অৱস্থা ভাল। মোক আদৰ কৰেও। ইয়াৰ পৰা তিনিচুকীয়াৰ ভনীজনীৰ ঘৰলৈ গৈ তাতো দুদিনমান থাকি আহিম। বহুত দিন, পাঁচ বছৰমানেই হ'ব,—তালৈকো যোৱা হোৱা নাই।

ভনীজনীৰ ঘৰত ভাগিন ল'ৰাটোৱে ভাল খবৰ এটা দিলে। তাৰ বন্ধু এটা দুলিয়াজানত অয়লৰ ইঞ্জিনিয়াৰ ; —বিয়া পাতিবলৈ ভাল ছোৱালী এজনী বিচাৰি ফুৰিছে। সি তাক নমিব,—মানে মোৰ ছোৱালীজনীৰ কথা কৈছেও হেনো। সি ৰাজী হৈছে। এতিয়া আমি ঘৰৰ ফালৰ পৰা আগ বাঢ়িলেই হ'ব বোলে। ভাল খবৰ।

ভবাৰ দৰে ভনীজনীৰ ঘৰত দীঘলীয়াকৈ থাকিবলৈ পিছে নাপালো। গুৱাহাটীৰ পৰা আৰু এটা ভাল খবৰ আহিল। মোৰ বাইদেউৰ ল'ৰা কল্যাণে ফোনেৰে মোক মাতি পঠিয়ালে। মোক যে এটা এনগেজমেণ্ট লগা হৈছে, সেইটো কথা সি জানে। সি মোৰ লগত পার্টনাৰশ্বিপত বিজিনেছ কৰিব খুজিছে। বৰ ভাল খবৰ। মই ঠিক এনেকুৱা এটা কামৰ কথাকে ভাবি আছিলো।

কল্যাণহঁত ডাঙৰ বিজিনেছমেন। গোটেই অসমতে সিহঁতৰ বিজিনেছ আছে। ভিনদেৱে গঢ়ি থৈ যোৱা বিজিনেছ। সৎ ব্যৱসায়ী আৰু বিৰাট কালচাৰড মানুহ আছিল তেওঁ। এতিয়াও মানুহে তেওঁৰ কথা কয়। সেইখন ঘৰলৈ যাবলৈ আগতে আমাৰ সম্বন্ধীয় মানুহখিনিয়ে বৰ ভাল পাইছিল। আদর্শ ঘৰ আছিল সেইখন। পিছে এতিয়া আৰু সেই ঘৰ নাই। ল'ৰাবিলাক ভাগ-ভাগ হ'ল। বিজিনেছো ভাগ হ'ল। ভাগ হ'লেও প্ৰত্যেকৰে এতিয়াও ডাঙৰ বিজিনেছ। কল্যাণ, অমল, নবীন, উৎপল,—আটাইকেইটা কথাই-বতৰাই বৰ ভাল ল'ৰা ; —অতি অমায়িক, অতি ভদ্ৰ ল'ৰা। আটাইকেইটাৰে একাডেমিক কেৰিয়াৰো ভাল। কল্যাণ মেকানিকেল ইঞ্জিনিয়াৰিং পাছ কৰি ব্যৱসায়ত লগা ল'ৰা। তাৰ এতিয়া নিজাকৈ এটা এডভাৰটাইজিং এজেন্সি আছে ; বাকী সিহঁতৰ কম্পেনিৰ অংশটো আছেই। বেছ ভাল অৱস্থা। গুৱাহাটীত সি বেলেগে নিজা ঘৰ-দুৱাৰো কৰিলে,—অট্টালিকাহেন ঘৰ।

কল্যাণে মাতি পঠিওৱাত ভাল পালো। তাক এনেয়ে মই কথাৰ মাজতে কৈছিলো,—ৰিটায়াৰমেণ্টৰ পাছত কিবা এটা কৰাৰ কথা। সিয়ে কথাটোক গুৰুত্ব দিলে। ভাগিন-মোমায়েকৰ সম্বন্ধটো সঁচাকৈয়েই বেলেগ। তাৰ ফোন পায়েই গুৱাহাটীলৈ ঘূৰিবলৈ মোৰ ততাতৈয়া লাগিল। ভাগিনটোৱে নাইট-ছুপাৰৰ টিকট আনি দিলে আৰু সময়ত মোক তাৰ গাড়ীৰে বাছ-ষ্টেশুত ড্ৰপ কৰিও আহিল।

ঘৰ পায়েই শ্ৰীমতীক দুলিয়াজানৰ ল'ৰাটোৰ কথা ক'লো। পিছে শ্ৰীমতীয়ে মাত মাতিবলৈ নাপালেই,—মোৰ ছোৱালীজনীয়ে পোনছাটেই প্ৰপ'জেলটো নাকচ কৰি দিলে ; —অয়লত চাকৰি কৰা ল'ৰা মানে বিয়াৰ পাছত তাই ক'ল'নিত থাকিব লাগিব। ক'ল'নিত থাকি তাইৰ আমুৱাই গ'ল ; —এতিয়া তাৰ পৰা ওলাই আহি আকৌ গৈ তাই ক'ল'নিত থাকিবগৈ নোৱাৰে। সেইটোও কিবা যুক্তিৰ কথা হ'লনে ? তাইক বুজালেও তাই কিন্তু আকোৰগোঁজ হৈয়েই থাকিল। তাই ধুনীয়া ছোৱালী ঠিকেই,—পিছে তিনিবাৰ দিও এতিয়ালৈকে তাই বি. এটো পাছ কৰিব পৰা নাই। আজিকালি অকল সৌন্দর্যকে মূলধন হিচাপে লৈ ভাল ল'ৰা পোৱাটো টান। তাই সেইটোকে নুবুজে। কৰক,—যি কৰে কৰি থাকক। যি হয় হৈ থাকক।

কল্যাণৰ লগত কথা পাতিলো। সি মোৰ লগ লাগি কনট্ৰেক্ট কৰাৰ কথা চিন্তা কৰিছে। চাই-চিতি ভাল কাম কিছুমান লব। সি মোৰ সুবিধাৰ কাৰণেই আমাৰ লগত মোৰ বন্ধু দীপক শর্মাকো লবলৈ ক'লে। হয়,—সেই অসমীয়া ছিনেমাৰ নায়ক দীপক শর্মা। সি মোৰ বহুদিনীয়া বন্ধু। তাৰ হাতত আজিকালি ছিনেমা নায়েই। বৰ কষ্টত চলিছে। কিবা এটা ব্যৱসায়ত লাগিবলৈ পালে সিও ভালেই পাব। কল্যাণ নিজৰ বিজিনেছৰ কামতে ব্যস্ত হৈ থাকে ; —সি কনট্ৰেক্টৰ কাম-বনবিলাক চাব নোৱাৰিব ; সি একাউণ্টছৰ কামখিনি কৰিব।

সেইটোৱেই ঠিক হ'ল। আমি, মানে মই, দীপক আৰু কল্যাণে ফার্ম এখন খুলিলো। ফার্মৰ নামত বেংক একাউণ্ট এটাও খুলিলো। কল্যাণক কৈছিলো যে আমাৰ মাজত দুজনৰ চহী থাকিলেহে সেইটো একাউণ্টৰ পৰা টকা ড্ৰ কৰিব পৰাটো ভাল হ'ব। পিছে সি কথাটো মানি নললে,—অসুবিধা হ'ব বোলে। পার্টনাৰশ্বিপ বিজিনেছৰ পার্টনাৰৰ ওপৰত সেইখিনি বিশ্বাস থাকিব লাগে ; —সি হাঁহি মাৰি ক'লে। মানি ললো। কাকো অবিশ্বাস কৰি মই আচলতে সেইটো প্ৰস্তাৱ দিয়া নাছিলো।

কল্যাণে ইতিমধ্যে এটা কামৰ যোগাৰ কৰিছিলেই। ডাঙৰ কোম্পানি এটাই নতুনকৈ পাতিবলৈ লোৱা চাহবাগান এখনৰ কাৰণে চাহ-পুলি ছাপ্লাইৰ কাম। ডাঙৰ কাম ; ভাল কাম। সিয়েই খবৰ দিলে যে দুলিয়াজানৰ ওচৰ-পাজৰৰ গাঁওবিলাকত প্ৰায় ঘৰে প্ৰতিয়েই চাহ-পুলিৰ সৰু-সৰু নার্ছাৰি আছে ; বিশ্বনাথ চাৰিআলিৰ ওচৰে-পাজৰেও তেনেকুৱা বহুত নার্ছাৰি আছে। মই দুলিয়াজানত কেম্প কৰি ওচৰৰ গাঁওবিলাক ঘূৰি চাহ-পুলি কালেক্ট কৰিম ; দীপক যাব বিশ্বনাথলৈ। কালেক্ট কৰা পুলিখিনি অনাৰ ব্যৱস্থা কল্যাণে গুৱাহাটীৰ পৰা ট্ৰাক পঠিয়াই কৰিব,—সপ্তাহৰ মূৰে-মূৰে। তিনি মাহৰ ভিতৰত কামটো শেষ হ'ব লাগে। কল্যাণৰ মতে কামটোত আমাৰ লাভ বহুত হ'ব লাগে। হিচাপ মতে কামটোত আমাৰ খৰচ পৰিব এক লাখ আশী হাজাৰ টকা। গতিকে প্ৰত্যেকেই ষাঠি হাজাৰকৈ টকা দিব লাগিব।

ৰিটায়াৰমেণ্টৰ পাছত মই পাবলগীয়া টকা এক লাখমানহে আছিল। সেইখিনি উলিয়াবলৈ বৰ কষ্ট কৰিবলগীয়া নহ'ল। কোম্পানিৰ চাকৰিত এইবিলাকেই সুবিধা ; —পাবলগীয়া টকাখিনি পোৱাত সিমান দিগদাৰি নহয়। তাৰেই ষাঠি হাজাৰ টকা মই কল্যাণৰ হাতত দিলো। দীপকৰহে টকাখিনি যোগাৰ কৰাত অলপ দিগদাৰি হ'ল ; —সি তাৰ মটৰ ছাইকেল আৰু টিভিটো বিক্ৰি কৰি, তাৰ লগত সাঁচতীয়া গোটেইকেইটা যোগ কৰি কোনোৰকমে টকাকেইটা গোটালে। বিছ বছৰ

অসমীয়া ছিনেমা জগতত দপদপাই থকা নায়কৰ কি অৱস্থা !

দুলিয়াজানলৈ যাবলৈ ৰে'ডি হ'লো। মই বিজিনেছ কৰিবলৈ লোৱাটো মোৰ ঘৰখনে বৰ ভাল নাপালে। লাভৰ মূৰত মোৰ টকাকেইটা পানীত পৰিব বুলি ক'লে। ল'ৰাটোৰতো মোৰ ওপৰত বিৰাট খং ! তাক মই টিভিৰ দোকান এখন খুলি দিব লাগে,—সৰু-সুৰা দোকান নহয়—পাঁচ লাখমান টকা ইনভেষ্ট কৰি অন্য দোকানৰ লগত সমানে ফেৰ মাৰিব পৰাকৈ ডাঙৰ দোকান এখন দিব লাগিব। সিমানখিনি টকা ক'ৰ পৰা পাম ? সেইটো সি নাজানে ? অট'ৰিক্সা ? সি চলাব ? কথা হ'ল নেকি ! তাৰ ইজ্জত নাই নেকি ? আছে। মই মেট্ৰিক পাছ কৰি মেকানিকৰ কামত সোমাই একজিকিউটিভ ৰেংক পালো ; —হ'ব— সেইবিলাক লেকচাৰৰ আজিকালি একো ভেলু নাই ! আজিকালি বাপেকে 'বনাই' নিদিলে কোনো ডাঙৰ মানুহ 'নবনে' ! আৰু মইনো কি ডাঙৰ মানুহটো হ'লো ? লাগ বুলিলে নিজৰ পুতেকক টকা পাঁচ লাখো উলিয়াই দিব নোৱৰা মানুহটো ডাঙৰ মানুহ কেনেকৈ হ'ল ? তাৰ কথাবিলাক শুনি তাক প্ৰকাণ্ড চৰ এটা সোধাবৰ মন গৈছিল, পিছে ৰিটায়াৰড মানুহ যে, সেইকাৰণেই নেকি, হাতখন দাং নাখালে ; —দাঙিবলৈ শক্তি নোহোৱা হ'ল।

মই দুলিয়াজানলৈ যোৱাটোত ঘৰৰ কোনেও একো আগ্ৰহ নেদেখুৱালে। নিজৰ বাকছ মই নিজেই ঠিক কৰিলো। মোৰ পুৰণা ৰাজদূত মটৰ ছাইকেলখনৰ কেৰিয়াৰত বাকছটো বান্ধি লৈ যাবলৈ ওলাওঁতেহে শ্ৰীমতীয়ে গম পালে যে মই মটৰ-ছাইকেল লৈ যাবলৈ ওলাইছোঁ। ইমান দূৰ বাট সেইখন চলাই যোৱাটোত তেওঁ আপত্তি কৰিলে ; —মই পগলা হ'লো নেকি সুধিলে। মই তেওঁক চিন্তা কৰিবলৈ মানা কৰিলো। মই পাৰিম ; একো কষ্ট নহয়। এইখন মটৰ ছাইকেলে কোনোদিন, ক'তো মোক ঠগা নাই। আৰু এইখন লগত থাকিলে তাত মোৰ কাম কৰিবলৈ বহুত সুবিধা হ'ব। আহিলো ; —শিৱসাগৰত এৰাতি কটাই পাছদিনা দুলিয়াজান পালোহি।

দুলিয়াজানত মই তিনিমাহ থাকিলো। গাঁৱে-গাঁৱে ঘূৰি মই চাহ-পুলি গোটালো। কল্যাণে পঠোৱা ট্ৰাকত নিয়মিতভাৱে সেইখিনি পঠাই থাকিলো। দীপকৰ কাম মোতকৈ আগতেই শেষ হ'ল। সি ইতিমধ্যে গুৱাহাটী পালেগৈ। তাক লগত লৈ কল্যাণ কেইদিনমান তাৰ এডভাৰটাইজিং এজেন্সিৰ কামত ঘূৰিল। দীপকৰ সেইটো লাইনত হাত আছে ; গতিকে কল্যাণৰ সুবিধা হ'ল। কল্যাণে টিভি ছিৰিয়েল এখন কৰাৰ কথাও চিন্তা কৰিলে। আমাৰ ফাৰ্মে প্ৰডিউছ কৰিব। সিদ্ধান্তটোৰ কথা কল্যাণে মোক দুলিয়াজানতে জনালে। সেইটো লাইনৰ কথা মই নাজানো, কিন্তু লাভজনক ব্যৱসায় বুলি শুনি মান্তি হ'লো। ছিৰিয়েলখনৰ এপ্ৰুভেল-সংক্ৰান্ত সকলোখিনি কামৰ দায়িত্ব কল্যাণে দীপকক দিলে ; —তাৰ কাৰণে সেইটো টান কাম নহ'ব।

দুলিয়াজানৰ পৰা ঘূৰি আহি দীপকক লগ কৰি দুয়োৰে হাতত থকা হিচাপ-পত্ৰখিনি চাই দেখিলো,—কামটোত আমাৰ প্ৰায় আশী হাজাৰ টকা লাভ হ'ব লাগে। কল্যাণে পিছে আমাক আচৰিত কৰি কামটোত আমাৰ অলপ লোকচান হ'ল বুলিহে ক'লে। আৰে ! সেইটো কেনেকৈ হ'ব পাৰে ? দুলিয়াজানৰ হিচাপখিনি মোৰ হাতত, বিশ্বনাথৰখিনি দীপকৰ হাতত আছেই ; বাকী ট্ৰেন্সপ'ৰ্টেশ্যনত কিমান খৰচ হ'ব পাৰে—তাৰ আইডিয়া এটাতো আমাৰ আছে ! কেনেকৈ লোকচান হ'ব ? কল্যাণে আকৌ একাউণ্টছখিনি ভালকৈ কৰি চাব লাগিব বুলি ক'লে। সেইটোৱেই হয় ; —তাৰ হিচাপত নিশ্চয় ক'ৰবাত ভুল হৈছে।

দীপকে ছিৰিয়েলৰ এপ্ৰুভেলৰ কামখিনি কৰিলে। পিছে নগাঁৱত ডিপ টিউবৱেল বহুউৱাৰ ডাঙৰ কাম এটা পোৱাত সদ্যহতে ছিৰিয়েলৰ কাম হাতত লোৱা নহ'ল। নগাঁৱৰ কামটোৰ কাৰণে আমাক বহুত টকা লগা হ'ল। ফাইনেন্সিং ছছাইটিৰ ল'নৰ বাহিৰে অন্য কোনো উপায় নাই,—কল্যাণে ক'লে। কামটো এৰিও দিব নোৱাৰি ; —সেইটো কাম কৰি লব পাৰিলে পাছলৈ আৰু চিন্তা নাথাকে।

সাংঘাতিক কাম এটা কৰি দিলো। তিনিমাহৰ ভিতৰত সম্পূৰ্ণকৈ ল'ন ঘূৰাই দিয়াৰ দায়িত্ব লৈ কল্যাণে মোক তাৰ কাৰণে মোৰ ঘৰে-মাটিয়ে পাঁচ লাখ টকাত বন্ধকত থবলৈ ক'লে। ঘৰত কাকো একো নজনোৱাকৈ মই ঘৰ-মাটি বন্ধকত থৈ ফাৰ্মৰ নামত ল'ন ললো। কল্যাণে তিনিমাহত ল'ন মাৰি দিম বুলি কৈছে,—গতিকে চিন্তা নকৰিলো। কোনো ধৰণৰ চিন্তা কৰিবলৈ সি মানা কৰিলে।

নগাঁৱৰ ভিতৰুৱা অঞ্চলত হ'বলগীয়া কামটো মই নিজে থাকি কৰাম বুলি কৈছিলো। পিছে মোৰ কষ্টৰ দোহাই দি কল্যাণে কাম চাবলৈ অন্য এজন মানুহকহে তাত ৰাখিলে।

গণ্ডগোলটো লাগিল তাৰ পাছত। কল্যাণক সহজে বিচাৰি পাবলৈ নোহোৱা হ'ল। দীপকৰ পৰা গম পালো,—সি তাকো এভইড কৰি চলিছে। প্ৰথম বাৰৰ বাবে কল্যাণলৈ মোৰ অলপ ভয় সোমাল। তথাপি মনক বুজনি দিলো ; —মোৰ ইমান শিক্ষিত, ইমান অমায়িক ভাগিনটোৱে তাৰ নিজা মোমায়েকৰ ইমান অপকাৰ কৰিব নোৱাৰে।

এদিন কল্যাণক পালো। তাৰ নিজা কামত ব্যস্ত থকাৰ কাৰণে সি মোক লগ কৰিব নোৱৰাৰ কথা কৈ দুখ প্ৰকাশ কৰিলে। নগাঁৱৰ কামটো ভালদৰে চলি থকাৰ খবৰ দিলে। মই কামটো চাবলৈ যাব খোজাত সি ভাবি-চিন্তি এটা দিন ঠিক কৰিলে ; —সেইদিনা আমি একেলগে গৈ কামখিনি চামগৈ। দীপকক লগ কৰি কথাটো জনাই মই তাক সেইদিনা নিৰ্দিষ্ট সময়ত ৰে'ডি হৈ থাকিবলৈ ক'লো।

দিনটো আহিল, পিছে কল্যাণ নাহিল। তাৰ ফোন এটাহে আহিল ; —বিশেষ কামত সি আজি যাব নোৱাৰিব ; গতিকে আমাৰ নগাঁৱৰ প্ৰগ্ৰেমটো পাছতহে কেতিয়াবা কৰিব লাগিব। কামবিলাক ভবামতে নোহোৱাৰ কাৰণে বেয়া লাগিল। আমাৰ ইমান টকা সোমাই থকা কামটোত কিয় কল্যাণে গুৰুত্ব দিয়া নাই বুজিবলৈ টান পালো। সেইদিনাই গধুলি দীপকে আহি যিটো কথা ক'লে, মই সঁচা অৰ্থত ঘামিবলৈ ধৰিলো। কল্যাণ সেইদিনা নগাঁৱলৈ গৈছে ; অকলে গৈছে। —দীপকে খবৰ লৈ আহিছে।

পোনে-পোনে দুয়োটা কল্যাণৰ ঘৰলৈ গ'লো। ৰাতি এঘাৰ বজালৈকে তাৰ ঘৰতে বহি থকাৰ পাছত, সি যেতিয়া ঘৰ সোমালহি, তেতিয়া পোনে-পোনে তাক প্ৰশ্ন কৰিলো,—সি আমাক ফাকি দি নগাঁৱলৈ যোৱাৰ অৰ্থ কি ? নহয়,—তাৰ হেনো অন্য এটা কাম ওলোৱাতহে হঠাৎ নগাঁৱলৈ যাবলগীয়া হ'ল। আৰে, আমিতো গুৱাহাটীতে থাকোঁ ; —তোমাৰ যাবলগীয়া হ'লেই যেতিয়া আমাকনো লগত লৈ নগ'লা কিয় ? সি ক'লে—এনেকৈ পাৰ্টনাৰক কথাই প্ৰতি অবিশ্বাস কৰিলে পাৰ্টনাৰশ্বিপ বিজিনেছ নচলে ; —গতিকে আমাৰ ফাৰ্ম বন্ধ কৰি দিয়াই ভাল।

অঁ। বন্ধ কৰি দিয়াই ভাল ! কিন্তু মোৰ টকাখিনি ? এক লাখ কেছ টকা আৰু ঘৰৰ বন্ধকী ? সেইখিনিৰ কি হ'ব ? নগাঁৱৰ কামটো শেষ নকৰাকৈ ঘৰ-মাটি মোকোলাব পৰাৰ কোনো উপায় নাই ; —কল্যাণে ক'লে। বাকী কে'ছ টকা ? একাউণ্টত টকা নাই। কি হ'ল ? আগৰ কামৰ টকাখিনি কি হ'ল ? এনেয়ে থকাৰ কাৰণে সি তাৰ এডভাৰটাইজিং এজেন্সিৰ কামত লগালে ! আচ্ছা ! আচ্ছা ! বুজিলো। এই উচ্চ শিক্ষিত, অমায়িক, মিঠা মাতৰ মোৰ নিজা ভাগিনটোৱে মোক তাৰ চিকাৰৰ লক্ষ্য কৰিলে ! এনেকুৱা মানুহেতো ক'ল্ড ব্লাডেড মাৰ্ডাৰ কৰিব পাৰিব !

টকাখিনি সি মোক লাহে-লাহে ঘূৰাই দিম বুলি কৈছে ; —নগাঁৱৰ কামখিনি শেষ হ'লে ঘৰ-মাটি মোকলাই দিব বুলি কৈছে। অন্ততঃ সেইখিনি বিশ্বাস মই হেনো তাৰ ওপৰত ৰাখিব পাৰোঁ।

এতিয়া তাৰ ওপৰত বিশ্বাস ৰাখি, দিনে-ৰাতিয়ে বিছনাত পৰি মই চিন্তা কৰি থাকোঁ,—সি যদি টকাখিনি নিদিয়ে, দৰা ওলালেও মই ছোৱালীজনীৰ বিয়া পাতিব নোৱাৰোঁ ; —এই ঘৰ, মাটি মোকলাব নোৱাৰিলে নতুনকৈ মই ঘৰ-মাটি কৰিব নোৱাৰোঁ।

ঘৰৰ কোনেও মোৰ লগত এষাৰ কথা নপতা হ'ল। সেইদিনা ছোৱালীজনীয়ে 'দেউতা, এইখন তোমালোকৰ ছিৰিয়েল' বুলি মোৰ হাতত দি থৈ যোৱা খবৰ কাগজখনত পালো,—কল্যাণ কাকতিৰ প্ৰযোজনাত এখন নতুন টি. ভি ছিৰিয়েলৰ কাম আৰম্ভ হৈছে। —ক'তো মই দীপকৰ নামটো নাপালো।

হাতত বটল এটা লৈ এদিন দিনে-পোহৰে মই তাৰ অফিছ-চেম্বাৰত সোমালো। দুৱাৰখন ভিতৰৰ পৰা লক কৰি কোনো কথা নোকোৱাকৈ চকীত বহি থকা কল্যাণৰ মুখৰ আগলৈ আহিলো। বটলৰ পেট্ৰলখিনি তাৰ গাত ঢালি, জুইশলা কাঠী এডাল জ্বলাই মই তাৰ গালৈ মাৰি দিলো। —মই প্ৰায়ে এনেকুৱা এটা কথা চিন্তা কৰি থাকোঁ। চিন্তাহে কৰোঁ। মই সেইটো কাম কৰিব নোৱাৰোঁ। মই এতিয়া অসুখীয়া বুঢ়া মানুহ। বিছনাৰ পৰা উঠিবই নোৱাৰোঁ।





# ভাৰতীয় অলিম্পিক সন্থাৰ নিৰ্বাচন : এক অপসংস্কৃতিৰ নিৰ্দশন

যোৱা ২৫ নৱেম্বৰত কলিকাতাত অনুষ্ঠিত ভাৰতীয় অলিম্পিক সন্থাৰ সভাত হোৱা নিৰ্বাচনত বি. চিভাণ্ঠী আদিত্যনৰ হাতত সুৰেশ কলমাদিৰ পৰাজয় ভাৰতৰ ক্ৰীড়া ক্ষেত্ৰত এক তাৎপৰ্যপূৰ্ণ ঘটনা। অৱশ্যে, এই নিৰ্বাচনত আদিত্যান বা কলমাদি কোনোজনৰ নিৰ্বাচনেই যে ভাৰতৰ ক্ৰীড়াৰ মানদণ্ডক আন্তৰ্জাতিক পৰ্যায়লৈ নিব নোৱাৰে, বা ক্ৰীড়া জগতত বৰ্তমানে বিৰাজমান সৰ্বনশীয়া পৰিবেশৰ কোনো উন্নতি সাধন কৰিব নোৱাৰে, সেইটো নিশ্চিত। সেইদিশৰ পৰা এই নিৰ্বাচনৰ কোনো মূল্য নাই। কিন্তু যিটো কথাই এই নিৰ্বাচনক অত্যন্ত তাৎপৰ্যপূৰ্ণ কৰি তুলিছে সেইটো হৈছে যে দুজনকৈ কেন্দ্ৰীয় মন্ত্ৰীয়ে প্ৰস্তাৱ কৰা এজন প্ৰাৰ্থীৰ এই নিৰ্বাচনত তেওঁলোকৰ উপস্থিতিতে পৰাজয় ঘটিছে। উল্লেখযোগ্য যে কলমাদিৰ নাম সভাত প্ৰস্তাৱ আৰু সমৰ্থন কৰিছিল দুজন কেন্দ্ৰীয় মন্ত্ৰী ক্ৰমে বিদ্যাচৰণ শুক্লা আৰু জগদীশ টাইটলাৰে। আনহাতে কলমাদিৰ সমৰ্থক হিচাপে সভাত উপস্থিত থকা আনকেইজন ক্ষমতাশালী ৰাজনীতিবিদ হৈছে ভাৰতীয় ফুটবল সন্থাৰ বৰ্তমান সভাপতি, এজন প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী আৰু বৰ্তমানৰ ক্ৰীড়া আৰু যুবক কল্যাণ বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী মমতা বেনাৰ্জিৰ একান্ত ঘনিষ্ঠ প্ৰিয় ৰঞ্জন দাস মুন্সী, এসময়ৰ উত্তৰ প্ৰদেশৰ কংগ্ৰেছী মন্ত্ৰী লোকপতি ত্ৰিপাঠী (এওঁ কমলাপতি ত্ৰিপাঠীৰ পুত্ৰ), ভাৰতীয় জনতা পাৰ্টিৰ সদস্য আৰু বিৰোধী ৰাজনৈতিক দলৰ এজন ক্ষমতাশালী সাংসদ আৰু ভাৰতীয় আৰ্চাৰী এছোছিয়েছনৰ "হাই প্ৰফাইল" সভাপতি বিজয় কুমাৰ মালহোত্ৰা, পশ্চিমবংগ পুলিচৰ প্ৰাক্তন ডিৰেক্টৰ জেনেৰেল আৰু এজন অতিশয় ক্ষমতাশালী বিষয়া বি. কে. সাহা ইত্যাদি। আনফালে কলমাদি নিজেও এজন কংগ্ৰেছ দলৰ ক্ষমতাশালী সাংসদ আৰু ভাৰতৰ প্ৰতিৰক্ষামন্ত্ৰী শাৰদ পাৱাৰৰ অত্যন্ত বিশ্বাসভাজন লোক। এনে এজন লোকৰ এখন ক্ৰীড়া সংস্থাৰ নিৰ্বাচনত এনে ধৰণৰ ক্ষমতাশালী ৰাজনৈতিক নেতাৰ সমৰ্থন থকা সত্ত্বেও পৰাজয় হোৱাটো অত্যন্ত তাৎপৰ্যপূৰ্ণ ঘটনা নহয়নে ? দেশৰ একাংশ ক্ৰীড়া সংগঠকে বৰ্তমানে ক্ৰীড়াক্ষেত্ৰসমূহক ৰাজনৈতিক মঞ্চলৈ ৰূপান্তৰিত কৰাৰ আন এচাম ক্ৰীড়া সংগঠকৰ কাৰ্যকলাপত যে অতিষ্ঠ হৈ উঠিছে তাকেই নিশ্চয় এই নিৰ্বাচনে প্ৰতীয়মান কৰে। যেতিয়া দেশৰ ক্ৰীড়া সংস্থাসমূহ ৰাজনৈতিক প্ৰভাৱমুক্ত আছিল, যেতিয়া আমাৰ দেশৰ ৰাজনৈতিক নেতাসকলে ক্ৰীড়াৰ ক্ষেত্ৰত মাথোন নিজৰ সহায়ৰ হাতহে আগবঢ়াইছিল—ক্ৰীড়া সংস্থাসমূহৰ পদবীত অধিষ্ঠিত হ'বলৈ আগ্ৰহ কৰা নাছিল, যেতিয়া আমাৰ দেশত ক্ৰীড়া মঞ্চসমূহত ধন আৰু ব্যৱসায়ী লোকসকলৰ প্ৰাদুৰ্ভাৱ নাছিল, ক্ৰীড়া ক্ষেত্ৰবোৰ মূলতঃ দূৰদৰ্শী আৰু নিষ্ঠাবান ক্ৰীড়া সংগঠকসকলৰ দ্বাৰা প্ৰকৃততে পৰিচালিত হৈছিল, তেতিয়া আমাৰ দেশৰ খেলাধূলাৰ মানদণ্ড, আৰু অলিম্পিককে ধৰি বিভিন্ন আন্তৰ্জাতিক প্ৰতিযোগিতাত আমাৰ খেলুৱৈসকলৰ ক্ৰীড়া প্ৰদৰ্শন বৰ্তমানতকৈ উন্নত আছিল বুলি সকলোৱে স্বীকাৰ কৰিব। বৰ্তমানে ভাৰতৰ প্ৰায়বোৰ ক্ৰীড়া সংগঠনৰ মুৰব্বী হৈছে ৰাজনীতিবিদ—যি সকলৰ কোনোজনৰ খেলাধূলাৰ লগত কেতিয়াবা কিবা সাধাৰণ সম্পৰ্ক থাকিব পাৰে—কিন্তু প্ৰায়বোৰৰে কোনো বিশেষ বা ওতঃপ্ৰোত সম্পৰ্ক নাই। মাথোন ক্ষমতা, ধনৰ বল আৰু এচাম পদলেহনকাৰী, স্বাৰ্থপৰ, ধান্দাবাজ ক্ৰীড়া সংগঠকৰ সহায়ত তেওঁলোক সন্থাবোৰৰ উচ্চতম পদত অধিষ্ঠিত হৈছে সন্থাসমূহৰ আৰ্থিক দুৰৱস্থাৰ সুবিধা লৈ।

এইখিনিতে উল্লেখ কৰিব পাৰি যে ১৯৮৮ চনত অনুষ্ঠিত হোৱা ভাৰতীয় অলিম্পিক সন্থাৰ নিৰ্বাচনতো কলমাদি, আদিত্যনৰ হাতত ছটা ভোটত পৰাজিত হৈছিল। তেতিয়া কলমাদি বা আদিত্যান এনেদৰে পোনপটীয়াভাৱে ক্ষমতাশীল ৰাজনৈতিক দলৰ অনুমোদিত প্ৰাৰ্থী হিচাপে ঠিয় হোৱা নাছিল, বা সেই নিৰ্বাচনত ক্ষমতাশীল দলটোৱে এইবাৰৰ দৰে নিৰ্লজ্জভাৱে ক্ষমতাৰ প্ৰদৰ্শন কৰা নাছিল। আজিলৈকে কেতিয়াও দেশৰ কোনো ক্ৰীড়া সংগঠনৰ সভাত এনেদৰে কেন্দ্ৰীয় মন্ত্ৰী নিজে উপস্থিত থাকি (তেওঁলোক ভোটদাতাৰ যোগ্যতাৰে সভাত উপস্থিত থকা নাছিল), সভা অনুষ্ঠিত হোৱাৰ আগদিনা এজন কেন্দ্ৰীয় মন্ত্ৰীৰ গ্লেমাৰ বা ক্ষমতাৰ বলত প্ৰেছ কনফাৰেন্স পাতি এজন প্ৰাৰ্থীৰ সপক্ষে নিৰ্বাচনী প্ৰচাৰ চলাই, নিজে সভাত নাম প্ৰস্তাৱ আৰু সমৰ্থন কৰা প্ৰাৰ্থীজনৰ পৰাজয় হোৱাৰ দৃষ্টান্ত ভাৰতৰ ক্ৰীড়াজগতত আগতে কেতিয়াবা হোৱা বুলি আমাৰ মনত নাই। এই নিৰ্বাচনটো সেইবাবেই অভূতপূৰ্ব বা তাৎপৰ্যপূৰ্ণ।

আগতেই উল্লেখ কৰা হৈছে যে এই নিৰ্বাচনৰ ফলাফল দেশৰ ক্ৰীড়াৰ মানদণ্ড বা ক্ৰীড়াৰ সামগ্ৰিক অৱস্থাৰ উন্নয়নৰ ক্ষেত্ৰত কিবা সহায়ক হ'ব বুলি আমাৰ মনে নধৰে। কাৰণ বিদ্যাচৰণ শুক্লা, আদিত্যান কলমাদি বা প্ৰিয়ৰঞ্জন দাস মুন্সী যিবোৰ ক্ৰীড়া সংগঠনৰ মুৰব্বী সেইবোৰৰ মানদণ্ডৰ তেনে কোনো উন্নতি তেওঁলোকৰ কাৰ্যকালততো পৰিলক্ষিত হোৱা নায়েই, বৰঞ্চ কোনো কোনো ক্ষেত্ৰত নিম্নগামীহে হৈছে। এই ক্ষেত্ৰত প্ৰিয়ৰঞ্জন দাসমুন্সী সভাপতি হৈ থকা সৰ্বভাৰতীয় ফুটবল সন্থা বা কলমাদি সভাপতি হৈ থকা এমেচাৰ এথেলেটিক সন্থালৈকে আঙুলিয়াব পাৰি। দেশৰ ক্ৰীড়া ক্ষেত্ৰৰ বাবে এই সভাখনে প্ৰদৰ্শন কৰা অত্যন্ত হতাশাজনক দিশটো হৈছে যে বাৰ্ছিলোনা অলিম্পিকত ভাৰতৰ শোচনীয় ব্যৰ্থতাৰ পাছত দেশৰ এই সৰ্বোচ্চ ক্ৰীড়া সংগঠনটোৰ এই সভাখনত এই সন্থাটোৰ বিষয়ববীয়া নিৰ্বাচনক লৈ ধন আৰু ক্ষমতা আৰু অন্যান্য ব্যভিচাৰৰ নগ্ন প্ৰদৰ্শনত এনেকৈ লিপ্ত হ'ল যে তাৰ কোনো তুলনা নাই। আনকি সেই সভাত বাৰ্ছিলোনা অলিম্পিকৰ মূল কৰ্মকৰ্তাজনৰ ৰিপ'ৰ্টটো পৰ্যন্ত ভালকৈ আলোচনা নহ'ল। সকলোৱেই নিৰ্বাচন লৈ ব্যস্ত হৈ থাকোঁতেই গ'ল। আচলতে এই সভাত উপস্থিত থকা বিভিন্ন ৰাজ্যিক অলিম্পিক সন্থাসমূহৰ প্ৰতিনিধিসকলে এই আলোচনাত আগ ভাগ লব লাগিছিল। কাৰণ সেই সভাত উপস্থিত থকা সৰ্বভাৰতীয় স্তৰৰ সংগঠনৰ প্ৰতিনিধিসকলে তেওঁলোকৰ নিজ নিজ খেলৰ খেলুৱৈসকলৰ প্ৰদৰ্শন সম্পৰ্কে আলোচনা কৰাৰ সুবিধা বেলেগে পাব, কিন্তু ৰাজ্যিক অলিম্পিক সন্থাৰ প্ৰতিনিধিসকলে আৰু সুবিধা নাপায়। ৰাজ্যিক অলিম্পিক সন্থাৰ প্ৰতিনিধিসকলৰ সেই সাহস নাই, কাৰণ প্ৰায়বোৰ ৰাজ্যিক অলিম্পিক সন্থাই হৈছে প্ৰায় "ডিফাংকট" (Defunct)। প্ৰায়বোৰ ৰাজ্যৰ অলিম্পিক সন্থাসমূহ মাথোন নামতেই আছে বুলি ক'ব পাৰি। উদাহৰণস্বৰূপে আমাৰ অসম অলিম্পিক সন্থাটোলৈকে চাওক। ১৯৮৮-৮৯ চনতে অনুষ্ঠিত হোৱা এই সন্থাটোৰ সাধাৰণ সভাত সেই সময়ৰ ৰাজ্যিক ক্ৰীড়ামন্ত্ৰী দুৰ্গাদাস বড়ো সভাপতি হিচাপে নিৰ্বাচিত হোৱাৰ পাছত ৰাজ্যিক অলিম্পিক ক্ৰীড়া প্ৰতিযোগিতাৰ আয়োজন কৰা, ক্ৰীড়া-নীতি এটা প্ৰণয়ন কৰাত অগ্ৰাধিকাৰ দিয়া, খেলুৱৈসকলক মানদণ্ড বিশিষ্ট ক্ৰীড়াসামগ্ৰী আৰু খেলৰ "ইনষ্ট্ৰাকছাৰ"ৰ যোগান ধৰা, ৰাজ্যত এটা সুস্থ ক্ৰীড়া-পৰিবেশ গঢ়ি তোলা আদি এশ-এটা প্ৰতিশ্ৰুতি দিছিল। কিন্তু এই কেইবছৰত কি কৰিলে। মাথোন সভাপতি আৰু অন্যান্য বিষয়ববীয়া আৰু কাৰ্যনিৰ্বাহকৰ সদস্যসকলে একোটাকৈ "ব্লেজাৰ" ললে। এই সন্থাটোৰ সেই সময়ৰ পৰা সাধাৰণ সভা এখন পৰ্যন্ত অনুষ্ঠিত হোৱা নাই। এনেকুৱা অৱস্থা ভাৰতৰ আন প্ৰায়বোৰ অলিম্পিক সন্থাসমূহৰে বুলি ক'ব পাৰি। আচলতে ক্ৰীড়া সংগঠনসমূহক সহায় কৰাৰ নামত যি ধৰণে নগ্নভাৱে ৰাজনৈতিক নেতাসকলে হস্তক্ষেপ কৰিবলৈ লৈছে, বিশেষকৈ ক্ষমতাশীল দলৰ সদস্যসকলে এই কাৰ্যত যেনেকৈ লিপ্ত হ'বলৈ লৈছে আৰু তেওঁলোকে ক্ৰীড়াসন্থাসমূহৰ সৰ্বোচ্চ পদবীত অধিষ্ঠিত হ'বৰ বাবে যিধৰণে সকলো সম্পদ আৰু ক্ষমতা ব্যৱহাৰ কৰিবলৈ ধৰিছে তাৰ দ্বাৰা আমাৰ দেশৰ ক্ৰীড়াক্ষেত্ৰৰ পৰিবেশ আৰু ক্ৰীড়াৰ মানদণ্ড দিনে দিনে নিম্নগামী হ'বলৈহে ধৰা দেখা গৈছে—আৰু খৰ্ব হ'বলৈ ধৰিছে ক্ৰীড়া সন্থাসমূহৰ

"অট'নমি" (Autonomy)। আনহাতে এই অৱস্থাৰ ফলত তেওঁলোকৰ সভাপতিত্বত থকা ক্ৰীড়া-অনুষ্ঠানসমূহ আন একোটা চৰকাৰী বিভাগলৈ ৰূপান্তৰিত হ'বলৈ ধৰিছে। আৰু ক্ৰীড়া সংস্থাসমূহত ৰাজনৈতিক নেতাসকলক সন্তুষ্ট কৰিবৰ কাৰণে এচাম নতুন "কালচাৰৰ" ক্ৰীড়া সংগঠকৰ প্ৰাদুৰ্ভাৱৰ ফলত সংস্থাসমূহৰ সভাবোৰ সেই ৰাজনৈতিক নেতাসকলৰ প্ৰশস্তি গোৱা সংগমস্থলত পৰিণত হ'বলৈ ধৰিছে। আমাৰ ৰাজ্য এই ক্ষেত্ৰত সকলোতকৈ আগত গৈছে,—কাৰণ দেশৰ অন্যান্য ৰাজ্যত অন্ততঃ ক্ৰীড়া-মন্ত্ৰীসকল কোনো ৰাজ্যিক ক্ৰীড়াসংস্থাৰ সভাপতি হোৱাৰ কথা আমি শুনা নাই। আমাৰ ৰাজ্যত সেইয়াও হৈছে।

আনহাতে ধন আৰু আন ধৰণৰ ব্যভিচাৰক প্ৰশ্ৰয় দি এচাম ব্যৱসায়ী লোকে আৰু উচ্চপদস্থ চৰকাৰী কৰ্মচাৰীয়ে ক্ৰীড়া অনুষ্ঠানসমূহত তেওঁলোকৰ আধিপত্য বিস্তাৰ কৰিবলৈ সক্ষম হৈছে। ছিভাপ্ৰী আদিত্যন, অশোক ঘোষ, বি. কে. সাহা, এছ. পি. বাগলা, ৰামস্বামী, বি. এছ. ওজা, আৰ প্ৰসাদ আদি এই "কালচাৰৰ" পৰা সৃষ্টি হোৱা সংগঠক। দেশৰ ক্ৰীড়াৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে চৰকাৰৰ আৰু ৰাজনৈতিক নেতাৰ সহায় বা ক্ৰীড়া সংগঠনসমূহক আৰ্থিক দিশত ব্যৱসায়ী লোক বা প্ৰতিষ্ঠানৰ সহায় নিশ্চয় একান্তই প্ৰয়োজন। কিন্তু তাৰ বাবেই তেওঁলোকৰ হাতত ক্ৰীড়া সংগঠনসমূহ তুলি দিয়াটো নিশ্চয় বাঞ্ছনীয় নহয়। আমাৰ দেশত ঠিক সেইটোৱেই ঘটিছে আৰু তাৰ ফলত দেশৰ ক্ৰীড়াপৰিবেশ নষ্ট হৈছে। সেই অৱস্থাৰ বাবেই প্ৰকৃত ক্ৰীড়াপ্ৰেমী সংগঠকসকলৰ স্থান দিনে-দিনে নাইকিয়া হৈ যাবলৈ ধৰিছে।

সেয়েহে প্ৰথমেই উল্লেখ কৰা হৈছে যে এই নিৰ্বাচনে দেশৰ ক্ৰীড়াৰ মানদণ্ড উত্তৰণৰ ক্ষেত্ৰত কোনো সহায় নকৰে বা কৰিব নোৱাৰে। এই নিৰ্বাচনত ক্ষমতা, টকা-পইচা আৰু অন্যান্য ব্যভিচাৰৰ নগ্ন প্ৰদৰ্শন কৰি এই সৰ্বোচ্চ ক্ৰীড়াসংস্থাটোৰ মৰ্যাদা নষ্ট কৰাৰ বাহিৰেও ক্ৰীড়াৰ ক্ষেত্ৰখনত এক অপসংস্কৃতিৰ সৃষ্টি কৰিছে বুলি ক'ব পাৰি। সভাখনত ভাগ লোৱা প্ৰায়বোৰ সদস্যই যিকোনো এটা পক্ষৰ পৰা অহা-যোৱা, থকা-খোৱা আৰু অন্যান্য সা-সুবিধা গ্ৰহণ কৰি নিজৰ-নিজৰ সত্তা আৰু আত্মসন্মান বিসৰ্জন দি আন এক অসুস্থ "কালচাৰৰ" জন্ম দিলে।

আমাৰ দেশৰ ক্ৰীড়াৰ উন্নতিৰ বাবে প্ৰকৃততে লাগে এটা গ্ৰাম্য ভিত্তিক ক্ৰীড়ানীতি আৰু তাক প্ৰণয়ন কৰিবৰ বাবে লাগে চৰকাৰৰ উদাৰ সহায় আৰু এচাম নিঃস্বাৰ্থ ক্ৰীড়া-সংগঠক। একো-একোখন আন্তৰ্জাতিক "মিট" বা প্ৰতিযোগিতা অনুষ্ঠিত কৰি "হাইপ্ৰফাইল" ক্ৰীড়াসংস্কৃতি তৈয়াৰ কৰাতকৈ এখন প্ৰকৃত গ্ৰাম্য ভিত্তিক ক্ৰীড়ানীতি আৰু তাৰ প্ৰণয়নহে আমাৰ দৰে এখন দেশৰ বেছি আৱশ্যক। তাৰ অভাৱত বা ক্ৰীড়াৰ ক্ষেত্ৰত এক সুস্থ সংস্কৃতিৰ অভাৱত দেশৰ ক্ৰীড়াৰ মানদণ্ডৰ কেতিয়াও উত্তৰণ ঘটিব নোৱাৰে। দেশৰ ক্ৰীড়া আৰু ক্ৰীড়া সংগঠনসমূহত দ্ৰুতভাৱে মূল্যবোধৰ অৱক্ষয় ঘটিব ধৰিছে।

অৱশ্যে দেশৰ সকলো স্তৰতে এই মূল্যবোধৰ অৱক্ষয় ঘটিছে। ইয়াৰ প্ৰকৃত কাৰণ হৈছে আমাৰ দেশৰ দৰে এখন গণতান্ত্ৰিক দেশত ৰাজনীতি আৰু ৰাজনৈতিক নেতাসকলৰ চিন্তা-চৰ্চা আৰু কাম-কাজত মূল্যবোধৰ অভাৱ। এইবাৰৰ এই নিৰ্বাচনত সুৰেশ কলমাদিৰ পৰাজয়ক এই অসুস্থ অৱস্থাৰ বিৰুদ্ধে একাংশ ক্ৰীড়াসংগঠকৰ প্ৰতিবাদ বুলি ক'ব পাৰি। এইটোৱেই হৈছে এই নিৰ্বাচনৰ বিশেষ তাৎপৰ্য। যদি ইয়াৰ দ্বাৰা এই "অপসংস্কৃতি"ৰ বাহকসকলৰ চিন্তাচৰ্চাত কিবা পৰিবৰ্তন আহে সেইটোৱেই হ'ব এই নিৰ্বাচনৰ একমাত্ৰ ইতিবাচক দিশ।

সহজানন্দ ওজা

## জুনুমণি আৰু সতীৰ্থসকলৰ অভিলেখ আৰু স্বৰ্ণ পদক

**এছীয় জুনিয়ৰ এথলেটিকছ মিটত ৪×১০০ মিটাৰ ৰিলে দৌৰত ৰেকৰ্ড সময় কৰি স্বৰ্ণপদক লাভ কৰিছে ভাৰতৰ ছোৱালী দলে। অসমৰ জুনুমণি শইকীয়াৰ বাহিৰে দলত আছিল লেখা থমাছ, ৰচিতা পাণ্ডা আৰু ৰেণু মেহতা। সময় লৈছিল ৪৬·০২ ছেকেণ্ড। চাৰি বছৰ পূৰ্বে এই ইভেণ্টত ৰেকৰ্ড গঢ়িছিল চীন তাইপেই ৪৬·১৫ ছেকেণ্ডত। সেই ৰেকৰ্ড ভংগ কৰাই নহয় চীন, জাপান আৰু চীন তাইপেক পৰাজিত কৰাটো অতি কৃতিত্বৰ পৰিচায়ক।**



ৰিলে দলটো—(বাঁওফালৰ পৰা) জুনুমণি, ৰচিতা পাণ্ডা, ৰেণু মেহতা আৰু লেখা থমাছ।

**পি. টি. উষা, ছাইনী আব্ৰাহাম, অশ্বিনী নাচাপ্পা বা বন্দনা ৰাওইতৰ পাছত জুনুমণি আৰু সতীৰ্থ এথলিটসকল ভাৰতৰ আটাইতকৈ সম্ভাৱনাময়ী ছোৱালী এথলিট।**

## *অসমৰ মহিলা ফুটবল আৰু ক্ৰিকেট দল ঃ খেলাধূলা ধেমালি নহয়*

মহিলাৰ ফেডাৰেশ্যন ফুটবল প্ৰতিযোগিতা এইবাৰ পোন প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হৈছিল। হাফলং আৰু বোকাখাটত গ্ৰুপৰ খেলসমূহ আৰু ফাইনেল খেলখন মণিপুৰ আৰু বংগৰ মাজত বোকাখাটত হৈছিল। মণিপুৰে বংগক ২-১ গ'লত পৰাজিত কৰি চেম্পিয়ন হয়। এই প্ৰতিযোগিতাখনত যি বিপুল পৰিমাণৰ গ'ল হৈছে তালৈ লক্ষ্য কৰি সহজেই ক'ব পাৰি যে, মহিলা ফুটবলৰ যথাৰ্থ পৰিবেশ এতিয়াও আমাৰ দেশত হৈ উঠা নাই। ব্যতিক্ৰম বংগ, মণিপুৰ আৰু কেৰালা। মণিপুৰ এতিয়া খেলাধূলাত যথেষ্ট আগবাঢ়িছে আৰু খেলাধূলাৰ বিভিন্ন বিভাগত ল'ৰা, ছোৱালীহঁতে যথেষ্ট প্ৰশিক্ষণৰ সা-সুবিধা লাভ কৰিছে। নীলকমল, থৈবা সিঙৰ দৰে আন্তৰ্জাতিক মানৰ হকি খেলুৱৈ বা মহিলা ভাৰোত্তোলক কুঞ্জুৰাণী দেৱী হৈছে প্ৰচেষ্টাৰ বাস্তৱ ফল। এইবাৰ জুনিয়ৰ হকিতো মণিপুৰে সাফল্য লাভ কৰিছে। আজি প্ৰায় সাত-আঠ বছৰৰ পৰা মহিলা-ফুটবলত মণিপুৰে গুৰুত্ব দিছে আৰু প্ৰশিক্ষকৰ অধীনত কঠোৰ অনুশীলনত আত্মনিয়োগ কৰিছে খেলুৱৈসকলে। আমাৰ ৰাজ্যত কিন্তু চিত্ৰখন সম্পূৰ্ণ বিপৰীত। জিলাসমূহত মহিলাৰ ফুটবল লিগ হয়নে? সঁচা অৰ্থত আন্তঃজিলা প্ৰতিযোগিতা হয়নে? দক্ষ প্ৰশিক্ষকৰ অধীনত কমেও দুমাহ অনুশীলন শিবিৰ হয়নে? নহয়— আৰু সেইকাৰণে ডবল হেটট্ৰিকৰ যোগেদি ১৪টা গ'ল আমাৰ মহিলা ফুটবল দলে হজম কৰিছে মণিপুৰৰ বিৰুদ্ধে।

একে কথা ক'ব পাৰি আমাৰ মহিলা ক্ৰিকেট দলৰ বিষয়ে। লতাশীল খেলপথাৰত গুৱাহাটী আৰু নগাঁৱৰ মুঠ ২১ গৰাকী ছোৱালীয়ে এদিন মাত্ৰ অনুশীলন কৰি হাজাৰিবাগলৈ খেলিবলৈ গ'ল। খেলক লৈ ল'ৰা-ধেমালি কৰাত আমাৰ কিন্তু আপত্তি আছে। হৰা-জিকাৰ প্ৰশ্ন নহয় কাৰণ খেলত জয়-পৰাজয় আছে। কিন্তু সেইবুলি বিনা প্ৰস্তুতিৰে সৰ্বভাৰতীয় ক্ষেত্ৰলৈ যোৱাৰ জানো যুক্তি আছে? আন ৰাজ্যই অমুকটো খেল খেলিছে বুলি আমিও সেইটো খেলিম সেইটো যুক্তি সংগত কথা নহয়। নিৰ্দিষ্ট কিছুমান খেলক বাছি লৈ সেইকেইখনৰ ওপৰতে গুৰুত্ব আৰোপ কৰিলে ভাল ফল পোৱা যায়। নহ'লে সাফল্য পোৱাটো টান।

পুলক লাহিড়ী



# বিৰোধী পক্ষ

প্ৰকাশিত বাতৰি মতে অৰুণাচল প্ৰদেশৰ বিধান সভাৰ বিৰোধী পক্ষৰ সকলো সদস্যই শাসনাধিষ্ঠ দলত যোগ দিলে। ফলত সেই বিধান সভাত বিৰোধী সদস্য বুলিবলৈ কোনো নাথাকিল। এনে ঘটনাৰ ফলত শাসনাধিষ্ঠ দলৰ কিছু লাভ হ'ব পাৰে (যথেষ্ট লোকচানো হয়); কিন্তু যি ৰাইজে সদস্য নিৰ্বাচন কৰে, সামগ্ৰিকভাৱে সেই ৰাইজৰ লাভ নহয়। শাসনৰ দায়িত্বত থকা এটা ৰাজনৈতিক দলে যি কৰে, সেই সকলো কামেই ৰাইজৰ কাৰণে ভাল, তেওঁলোকৰ কামৰ বিৰুদ্ধে কবলগীয়া একো নাই,—এনেকুৱা ৰাজনৈতিক দল ক'তো নাই। ৰাইজৰ মংগলৰ কাৰণেই শক্তিশালী বিৰোধী দলৰ প্ৰয়োজন। এইবোৰ বৰ্তমানৰ ৰাজনীতি-বিজ্ঞানৰ অ-আ-ক-খৰ নিচিনা কথা।

কিন্তু ভাৰতৰ নিচিনা দুখীয়া, দুৰ্নীতিগ্ৰস্ত দেশত বহুতো কাৰণত বিৰোধী পক্ষৰ সদস্য হৈ ৰাজনীতি কৰাটো টান কাম।

এইখন দেশৰ বিধান সভা, ৰাজ্য সভা বা লোকসভাৰ সকলো সদস্য দেশপ্ৰেমিক আৰু জনসাধাৰণৰ সেৱা কৰাৰ মনোবৃত্তি থকা লোক নহয়।

এওঁলোকৰ বহুতৰে 'ৰাজনীতি কৰা'ৰ বাহিৰে অৰ্থ উপাৰ্জনৰ অইন পথ নাই, আৰু যিমান লাগে বুলি ভাবি লয়, অইন উপায়েৰে সিমানখিনি উপাৰ্জন কৰাৰ যোগ্যতাও নাই।

এওঁলোকৰ মাজৰ বহুতো লোক ধনলোভী আৰু ক্ষমতালোভী।

এওঁলোকৰ বহুতৰে 'ৰাজনীতি কৰাটো' হ'ল এটা নিচা। কোনো নিৰ্দিষ্ট আদৰ্শ বা নীতি অনুসৰণ কৰি এওঁলোকে ৰাজনীতি নকৰে। এবাৰ ৰাজনীতিৰ 'সোৱাদ' পোৱা কাৰণে তেওঁলোকে এই ক্ষেত্ৰ এৰিব নোখোজে।

জনসাধাৰণৰ অধিকাংশ লোক ৰাজনীতিৰ উত্তেজনাপূৰ্ণ ঘটনা, বাতৰি, দুৰ্নীতিৰ কাহিনী আদিৰ প্ৰতি আগ্ৰহান্বিত; কিন্তু প্ৰকৃত ৰাজনৈতিক ক্ৰিয়া-কাণ্ডৰ প্ৰতি উদাসীন বা সেই সম্পৰ্কে তেওঁলোক অজ্ঞ। বহু লোকে কেৱল স্বাৰ্থপূৰণৰ বাবে, বিশেষকৈ আৰ্থিক লাভৰ বাবেহে ৰাজনীতিৰ নামত ৰাজনৈতিক নেতা কিছুমানৰ লগত সম্পৰ্ক ৰাখে। এই নেতাসকলে তেওঁলোকক আকৃষ্ট কৰি ৰাখিব পাৰে— যদিহে তেওঁলোক (নেতাসকল) নিজে ক্ষমতাশালী হয়; —অৰ্থাৎ 'দিব পৰা' অৱস্থাত থাকে। বেছি ভাগ ক্ষেত্ৰতে এনে ক্ষমতা শাসনত থকা দলৰ সদস্যসকলৰ হাতহে থাকে। গতিকে স্বাৰ্থান্বেষী লোকসকলে শাসনত থকা সদস্যসকলকহে গুৰুত্ব দিয়ে। আৰু বেছিভাগ আদৰ্শহীন, দুৰ্নীতিপৰায়ণ সদস্যাই এওঁলোকৰ সান্নিধ্য উপভোগ কৰে। ফলত আদৰ্শহীন, দুৰ্নীতিপৰায়ণ বিৰোধীপক্ষৰ সদস্যও— "আমাৰ হাতত পাৱাৰ নাই যেতিয়া আমাক কোনে পোছে!" —এই ধৰণৰ বেদনাৰ দ্বাৰা আক্ৰান্ত হয়।

অকল ব্যক্তিগত সদস্যসকলেই নহয়, ক্ষমতাত নথকা ৰাজনৈতিক দলো কিছুমান বিপৰ্যয়ৰ সম্মুখীন হয়। দলটোৰ আদৰ্শ, মতবাদ, নীতি আদিৰ প্ৰতি সমৰ্থন থকা লোক আৰু গুৰি ধৰা নিষ্ঠাবান নেতা থাকিলেও কাৰ্যসূচী পৰিচালনা কৰা বা সাংগঠনিক কাম-বনৰ ক্ষেত্ৰত,—বিশেষকৈ আৰ্থিক সংকটৰ কাৰণে,—দলটোৱে অসুবিধা ভোগ কৰে। যিমানেই স্বাৰ্থসিদ্ধিৰ বাবে ৰাজনৈতিক দলক সমৰ্থন কৰা লোকৰ সংখ্যা বাঢ়ি আহিছে; সিমানেই বিৰোধী দল শক্তিশালী ৰূপত বৰ্তাই ৰখাটো কষ্টকৰ হৈ আহিছে। আঞ্চলিক দলবোৰৰ বেলিকা এই অৱস্থা অধিক প্ৰকট। সৰ্বভাৰতীয় দলবোৰৰ কথাটো হ'ল,— কোনো এটা দল দুখনমান ৰাজ্যত শাসনত থাকিলেও সমগ্ৰ দেশতে সেই দলটোৰ কাৰ্যকলাপ চলাই ৰাখিবলৈ সেইকেইখন ৰাজ্যৰ পৰাই আৰ্থিক আৰু মানসিক বল পোৱা যায়। কিন্তু আঞ্চলিক দলৰ ক্ষেত্ৰত সেইটো সম্ভৱ নহয়। আঞ্চলিক দলৰ হাতত ক্ষমতা নাথাকিলে সাংগঠনিক শক্তি বজাই ৰখাটো বৰ টান কাম। অত্যন্ত জনপ্ৰিয়, সাধাৰণ মানুহক ভুলে-শুদ্ধই উত্তপ্ত কৰিব পৰা বিষয়বস্তু একোটাৰ আশ্ৰয় ললে বেলেগ কথা; কিন্তু শুদ্ধ বিচাৰ-বুদ্ধিৰে, সৎ উদ্দেশ্যৰে জনগণক সচেতন আৰু সংগঠিত কৰাৰ কাৰ্যসূচী অনুকৰণ কৰিবলৈ ললে শাসনৰ ক্ষমতাত নথকা আঞ্চলিক ৰাজনৈতিক দল বৰ দুখীয়া হৈ পৰে। এদিন এটা বিমান বন্দৰত এগৰাকী নেতাক লগ পাইছিলো। তেখেতৰ দলটো এসময়ত শাসনৰ দায়িত্বত আছিল। তেখেত ব্যক্তিগতভাৱে এতিয়াও দলটোৰ শীৰ্ষস্থানীয় নেতা। তেখেত ওলাইছে দিল্লীত প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী আদিক ৰাজ্যখনৰ এটা গুৰুত্বপূৰ্ণ সমস্যাৰ বিষয়ে ক'বলৈ আৰু ৰাজধানীত পতা এক প্ৰতিবাদ অনুষ্ঠানত যোগ দিবলৈ। দৰকাৰী কাম। কথা প্ৰসংগত তেখেতে ক'লে,—"মই কালিয়েই যাব লাগিছিল; পিছে কালি প্লেনৰ টিকেটৰ পইচা যোগাৰ কৰোঁতেই গ'ল।" ক্ষমতাত থাকোঁতে এই গৰাকী নেতাৰ প্লেনৰ টিকেটৰ পইচা চৰকাৰ বা তেওঁৰ দলেতো দিলেইহেঁতেন, নিদিলে বাহিৰৰ দিওঁতা মানুহৰ হেঁতা-ওপৰা লাগিলহেঁতেন। (এইখিনিতে এটা প্ৰশ্ন উত্থাপিত হ'ব পাৰেঃ এৰোপ্লেন কিয়? জনগণৰ নেতা ৰেলত নাযায় কিয়? উত্তৰৰ ফালৰ পৰা এই প্ৰশ্ন আজিকালি জটিল হৈ থকা নাই। বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিৰ লগে-লগে মানুহৰ কামৰ ধৰণ সলনি হ'ল; —এইটো স্পষ্ট কথা। কিন্তু তাতকৈ ডাঙৰ কথা হৈছে,—এৰোপ্লেন-টেলিফোনৰ বহুল ব্যৱহাৰ হোৱাৰ আগতে, দূৰ-দূৰণিৰ গাঁও-ভূঁইতো একোজন দেশকৰ্মীয়ে যি কষ্ট, পৰিশ্ৰম আৰু ত্যাগেৰে দেশৰ কাম কৰিছিল, সেই কষ্ট, পৰিশ্ৰম, ত্যাগ আজিৰ দেশকৰ্মীয়ে অপৰিহাৰ্য সম্পদ কৰি লোৱা নাই। আজি "ফুকলীয়া নেতায়ো এম্বেছেডৰ গাড়ী নহ'লে লৰচৰ নকৰাই হ'ল" বুলি যে কোৱা হয়, ই এক অৱক্ষয়ৰো ফল। বিৰোধী পক্ষত থাকি ৰাজনীতি কৰা লোক যে আমাৰ ৰাজ্যত কমি আহিছে, এই ঘটনাৰো সেই একে অৱক্ষয়ৰ লগতে সম্পৰ্ক আছে।) এই নেতাগৰাকীক তেখেতৰ দলটোৰ কাৰ্যালয়ে দলৰ স্বাৰ্থতো লাগ বুলিলেই সাত-আঠ হাজাৰ টকা দিব নোৱাৰে; —কাৰণ এইটো দলে এতিয়া কাৰো পৰা সৰহীয়াকৈ পইচা নাপায়।

এনে অৱস্থাত, ৰাজনৈতিক কামৰ ওপৰতে ভাৰসা কৰি জীৱন নিৰ্বাহ কৰা সৎলোকৰো স্থিৰ হৈ থকাৰ দৃঢ়তা নোহোৱা হৈ আহিব পাৰে। অসৎ লোকৰতো কথাই নাই।

এনে অৱস্থাত, ৰাজনৈতিক দলৰ একোজন সদস্য বা একোটা গোষ্ঠীয়ে এটা দল এৰি অইন এটা দললৈ যাওঁতে দিয়া,—'অমুকৰ নেতৃত্বত অমুক পাৰ্টিয়ে দেশখনক/ৰাজ্যখনক সঠিক দিশত আগুৱাই নিব পাৰিব বুলি বিশ্বাস কৰোঁ' —জাতীয় বিবৃতিবোৰ বেছি ভাগ ক্ষেত্ৰতে মিছা কথাৰ বিবৃতি বুলি ধৰি লব পাৰি। এইবোৰ দলত্যাগৰ ঘটনাৰ বেছিভাগতে সদস্যসকল শাসনাধিষ্ঠ দললৈ যায়; শাসনাধিষ্ঠ দল এৰি অইন দললৈ যোৱাৰ ঘটনা বৰ কম। আমাৰ ইয়াত শাসনাধিষ্ঠ দলৰ লোক সাধাৰণতে বিসম্বাদী হয়, দলত্যাগী নহয়। বেছি ভাগ ক্ষেত্ৰতে এই বিসম্বাদৰ মূল কাৰণো দেশপ্ৰেম-দেশসেৱা নহয়; মূল কাৰণ হ'ল লোভ। বিসম্বাদ চূড়ান্ত পৰ্যায়লৈ গ'লে মন্ত্ৰিত্বৰ নিচিনা সুবিধা দি তেওঁলোকক দলৰ হিতৈষী কৰা হয়। শাসনত নথকা দলৰ সেই সুবিধা নাই। আচলতে অইন দলৰ লোকে শাসনাধিষ্ঠ দললৈ গমন কৰা আৰু বিসম্বাদী সদস্য মন্ত্ৰিত্বৰ আসনলৈ গমন একে পৰ্যায়ৰ কাম।

কিন্তু এইদৰে, কেৱল ব্যক্তিগত স্বাৰ্থপূৰণৰ চেষ্টাৰ ফলত শাসন-কাৰ্যত বিৰোধীপক্ষ দুৰ্বল হৈ পৰাটো ক্ষতিকৰ কথা। দেশত বা ৰাজ্যত সুস্থিৰ চৰকাৰো লাগে, শক্তিশালী বিৰোধীপক্ষও লাগে। যিহেতু টকা-পইচা আৰু ক্ষমতাৰ লোভে বিৰোধীপক্ষক শক্তিশালী হোৱাত বাধা দিয়ে, যিহেতু টকা-পইচা আৰু ক্ষমতা শাসনাধিষ্ঠ দলৰ হাতৰ মুঠিত, যিহেতু এই গোটেই ক্ৰিয়া-কাণ্ডত দুৰ্নীতিৰ ভূমিকা অতি শক্তিশালী,— গতিকে চিন্তা হয়,—জনগণৰ মংগলৰ কাৰণে প্ৰয়োজনীয় বিৰোধীপক্ষক শক্তিশালী কৰা যায় কেনেকৈ? ঘূৰি-ঘূৰি আকৌ সেই সৎ নাগৰিকৰ ওপৰতে ভাৰসা কৰিব লগীয়া হয়। বিধানসভা, লোকসভা আৰু ৰাজ্যসভাৰ বাহিৰত, বিভিন্ন ৰাজনৈতিক দলৰ কাৰ্যালয়ৰ বাহিৰত, এক নিস্বাৰ্থ, নিৰ্লোভ 'বিৰোধী পক্ষ'ই গা কৰি উঠাটো আমাৰ ৰাজ্যত প্ৰয়োজনীয় হৈছে। এনে বিৰোধীপক্ষই অইন যাৰেই বিৰোধিতা নকৰক, অন্ততঃ ৰাইজৰ বিৰোধিতা নকৰে।

১২।১২।৯২






GKDISD